# ৰূপান্তৰ

প্ৰথম বছৰ □ অষ্টম সংখ্যা ১৯৮৯ □ মূল্য ৫/-



# ৰূপান্তৰ

সাহিত্য সংস্কৃতি আৰু সংবাদধৰ্মী মাহেকীয়া আলোচনী

মূল্য পাঁচ টকা মাত্ৰ

উপদেষ্টা
ডঃ ভূপেন হাজৰিকা
মুখ্য সম্পাদক
সদানন্দ চলিহা
অতিথি সম্পাদক
চৈতন্য কাশ্যপ
সম্পাদক
কনক চন্দ্ৰ কলিতা
সহকাৰী সম্পাদিকা
ৰেজিনা বেগম
সহকাৰী সম্পাদক
কামালুদ্দিন আহমেদ
জ্যোতিষ শিকদাৰ
অংগসজ্জা
কমল কুমাৰ গয়াৰী
কলা নিৰ্দেশক বেটুপাত
ধনঞ্জয় শৰ্মা
ব্যৱস্থাপক
কমলেন্দ্ৰ ভৰালী
পোহৰ ছবি
কিশোৰ দাস
প্ৰচাৰ ব্যৱস্থাপক
দ্বিজেন দাস
বেটুপাতৰ ছবি
'মদন কামদেৱ -কনক চন্দ্ৰ কলিতা
পুতলা নাচৰ ফটো- ডঃ প্ৰবীণ চন্দ্ৰ দাস

ফটো কম্পোজ আৰু ছপা
চন্দ্ৰকান্ত প্ৰেছ প্ৰাইভেট লিমিটেড
তৰুণ নগৰ, গুৱাহাটী- ৭৮১ ০০৫


# সূচী


**বিশেষ প্ৰবন্ধ**
গণতন্ত্ৰ আৰু সাংস্কৃতিক অৱক্ষয় ৫ পৃঃ নলিনীধৰ ভট্টাচাৰ্য
মাটি কাৰ? ৮ পৃঃ সদানন্দ চলিহা
গৃহভূমিৰ সন্ধানত বিক্ষুব্ধ জনজাতিসকল ১৩ পৃঃ
ভুবন বৰুৱা
**ৰাজনীতি**
অসমক অখণ্ডিত কৰি ৰখাৰ বাবে আমি কি ব্যৱস্থা কৰিছো? ১০ পৃঃ সদা শইকীয়া
**প্ৰবন্ধ**
এখন জীয়া সমাজৰ চিত্ৰ ১৮ পৃঃ মহিম বৰা
**প্ৰচ্ছদ নিবন্ধ**
মদন কামদেৱ ২১ পৃঃ ডঃ প্ৰদীপ শৰ্মা
**অনুঃ গল্প**
চিৰঞ্জীৱ ২৫ পৃঃ অনুঃ শংকৰ শইকীয়া মূল চেৰবন্দ ৰাজু
**কবিতা**
হৈমন্তিক / লুট্‌ফা হানুম ছেলিমা বেগম
জোনাক / নীলিম কুমাৰ
**প্ৰাসঙ্গিক**
অসমত নিবনুৱা সমস্যা দুআষাৰ দুৰাচাৰী কথা ১৫ পৃঃ ডঃ হীৰেণ গোঁহাই
**আলোকপাত**
নগা সমস্যা, অতীত বৰ্তমান আৰু ভৱিষ্যত ৩৪ পৃঃ যতীন বৰগোহাঞি
**প্ৰতিবেদন**
জনজাতি আন্দোলন আৰু শীতল অনিশ্চয়তা ৪১ পৃঃ ধ্ৰুৱ মহন্ত
**লোক-সংস্কৃতি**
অসমৰ পুতলা নাচ ৪৭ পৃঃ ডঃ প্ৰৱীণ চন্দ্ৰ দাস
**চলচ্চিত্ৰ**
চলচ্চিত্ৰ চৰ্চা ৪৯ পৃঃ পদুম বৰুৱা
***ৰাইজৰ চিঠি ২ / সম্পাদকীয় ৩ / বেজবৰুৱাৰ কলম ৪ / পৰ্য্যালোচনা ২৮ / সাহিত্য সংবাদ ৩২ / নাট সমালোচনা ৪০ আৰু ৫৫ পৃষ্ঠাত / শিল্প সংস্কৃতি ৫০ / মহিলা ৫২ / বিজ্ঞান ৫৩ / চলচ্চিত্ৰ সংবাদ ৫৬/***



*যোগাযোগৰ ঠিকনা*
*মুখ্য কাৰ্যালয়*
*'ৰূপান্তৰ'*
*মালীগাওঁ চাৰিআলি*
*গুৱাহাটী — ১১*


*পাটকাই প্ৰকাশনৰ হৈ 'ৰূপান্তৰ' মফিদুৰ ৰহমানৰ দ্বাৰা প্ৰকাশিত*

# ৰাইজৰ চিঠি

## এটি ঘোষণা

নিজৰ প্ৰতিলিপি ৰাখিহে লিখক সকলে ৰূপান্তৰলৈ লিখনি পঠিয়াব যেন। অমনোনীত লিখনি ঘূৰাই পঠিওৱা নহব। লিখকসকলে লিখনি পঠিয়ালে বগা ফুলস্কেপ কাগজৰ এপিঠিত পৰিস্কাৰকৈ লিখি লগতে সম্পূৰ্ণ ঠিকনা সহকাৰে পঠিওৱাটো বাঞ্ছনীয়।

**সম্পাদক**
**ৰূপান্তৰ**

প্ৰিয় সম্পাদক ,

আপোনাৰদ্বাৰা সম্পাদিত 'ৰূপান্তৰ'ৰ চতুৰ্থ সংখ্যা পঢ়িলো। ভাল লাগিল।'ৰূপান্তৰ' অসমৰ সাহিত্য জগতত অক্ষুন্ন হৈ ৰওঁক। প্ৰতিটো লিখনি মনোগ্ৰাহী হৈছে। ছঁপা নিখুট। অংগসজ্জা চকুত লগা। পাঠকৰ মন:পুত আলোচনী হওঁক 'ৰূপান্তৰ'। পৰবতী সংখ্যাবোৰ আৰু বেছি মনোগ্ৰাহী হোৱাটো আমি বিচাৰিছো।

**কুমাৰ মীন দাস**
**হাউলী**

সম্পাদক

**নমস্কাৰ ল'ব।** অসমীয়া আলোচনীৰ পয়োভৰৰ দিনটো 'ৰূপান্তৰ' এক অনন্য সংযোজন। প্ৰতিটো সংখ্যাই এক নতুনত্বৰ প্ৰতিশ্ৰুতি বহন কৰা ৰূপান্তৰৰ সম্পাদকীয় তথা বলিষ্ঠ লিখনীয়ে ৰূপান্তৰক নিৰ্বিবাদে অসমীয়া আলোচনী জগতত শ্ৰেষ্ঠত্বৰ আসন দিব।
হিন্দী ছিনেমাৰ নগ্ন চিত্ৰ আদি নিদিলেওঁ যে আলোচনী এখনৰ জনপ্ৰিয়তা কমি নাযায় তাৰ এক জ্বলন্ত উদাহৰণ 'ৰূপান্তৰ'।

ৰূপান্তৰৰ লিখনীয়ে প্ৰবীন সাহিত্যিকৰ লগতে নবীন লিখককো সমাজৰ চকুত চিনাকি কৰি দিয়ক, লগতে ৰূপান্তৰৰ সুস্থ শৰীৰ আৰু দীৰ্ঘ জীৱন কামনা কৰিলো।

শ্ৰী পুলেন দাস
হাউলী

সম্পাদক **মহোদয়,**

**আমাৰ শ্ৰদ্ধা গ্ৰহণ কৰিব।** 'ৰূপান্তৰ' পঢ়ি **অতিশয় আনন্দ** অনুভৱ কৰিছো।...আশাকৰো ৰূপান্তৰে সমসাময়িক **আলোচনী** বিলাকৰ গতানুগতিকতা চেৰাই এক প্ৰগতিশীল ভূমিকা **গ্ৰহণ** কৰি অসমীয়া সাহিত্যৰ **এক নতুন** সংযোগ হেতু ৰচনা **কৰিবলৈ** সমৰ্থবান হব। **'ৰূপান্তৰ' সুকীয়া** এক বৈশিষ্ট আৰু অস্তিত্ব থকাটো আমি কামনা কৰো। আলোচনী খনৰ লগত অসমৰ বিশিষ্ট বুৰঞ্জী বিদ আৰু শিক্ষাবিদ শ্ৰীযুত সদানন্দ চলিহাদেৱ মুখ্য সম্পাদক ৰূপে থকাত আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধি পাইছে।

**হীৰেন ফুকন**
**পাটসাকোঁ, শিৱসাগৰ**

প্ৰতি

সম্পাদক,মহাশয়,

সাহিত্য সংস্কৃতিমূলক মাহেকীয়া আলোচনী 'ৰূপান্তৰ' পাঠকৰ বেছ মনোগ্ৰাহী হৈছে বুলি মোৰ বিশ্বাস। এই আলোচনীখনে অসমীয়া জাতিক সাহিত্য-সংস্কৃতিত আগবঢ়াই নিব বুলি আশা কৰিব পাৰি। এই আলোচনীখনত নবীন-প্ৰবীণ লিখকসকলক স্থান দিয়াৰ বাবে নথৈ সুখী হৈছো।

ইতি
আপোনাৰ
শ্ৰীআনন্দ বৰা
তেজপুৰ

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

"ৰূপান্তৰ" পঢ়িছোঁ। সাম্প্ৰতিক অসমীয়া আলোচনী সমূহৰ ভিতৰত "ৰূপান্তৰ" এখন অন্যতম মানদণ্ড বিশিষ্ট আলোচনী বুলি ভাবিছোঁ।

শিতানৰ সংখ্যাধিক্য বা বিচিত্ৰতা বহুবোৰ আলোচনীত পোৱা যায়; কিন্তু শিতানসমূহক গুৰুত্ব সহকাৰে, গভীৰভাৱে তুলি ধৰা খুব কমেইহে দেখা যায়। এইটো দিশত "ৰূপান্তৰে" গুৰুত্ব আৰোপ কৰা বাবে বৰ ভাল লাগিছে। মগজু আৰু মন দুয়োটাকে আনন্দ, শান্তি আৰু সমৃদ্ধি দিব পৰা আলোচনী সদায়ে বিচাৰোঁ। সেয়ে ৰূপান্তৰলৈ ধন্যবাদ

আমাৰ বিচাৰত অসমীয়া কাকত আলোচনীৰ সুৰুচি সম্পন্ন পঢ়ুৱৈ বহুসংখ্যক আছে। তেওঁলোকৰ প্ৰয়োজনত বহুসময়ত গুৰুত্ব দিয়াহে নহয় এইটো দিশত 'ৰূপান্তৰ' এক আশা-স্বৰূপ ॥

শেষত কওঁ- পূৰ্ণতাৰ সম্ভাৱনা সদায় ভবিষ্যতৰ বুকুতহে থাকে। "ৰূপান্তৰে যি বাটত খোজ পেলাইছে, সেই বাটেৰেই আগবাঢ়ক- কেতিয়াবা সংঘাতত আহিলেও পাঠকৰ সস্তীয়া ৰুচিক যেন কেতিয়াও অনুসৰণ নকৰে, এয়ে আশা।

অলেখ শুভকামনাৰে
অধ্যাপিকা ৰত্না ফুকন
চাবুৱা
ডিব্ৰুগড়

প্ৰিয় সম্পাদক,

নবেম্বৰ'৮৮ 'ৰূপান্তৰ'ত প্ৰকাশ পোৱা সদা শইকীয়াৰ 'আমি কিমান দিন বৈ থাকিম ?' শীৰ্ষক পৰ্য্যালোচনাটোত ভুল তথ্যৰ ওপৰত ভিত্তি কৰি লিখকে মন্তব্য দিয়া দৃষ্টিগোচৰ হৈছে। জনজাতীয় আন্দোলন প্ৰসংগত তেওঁ উল্লেখ কৰিছে- "কিন্তু দুৰ্ভাগ্যবশতঃ এই অন্তৰ্দ্বন্দ দূৰ কৰাত অসম গণ পৰিষদ চৰকাৰক দিহা-পৰামৰ্শ দি সহায় কৰাতো দূৰৰে কথা, বৰং জনজাতীয় অভ্যুত্থানৰ কোৱত গণ পৰিষদ চৰকাৰ থানবান হৈ যোৱাটোৰেই হয়তো আই কংগ্ৰেছ প্ৰমুখ্যে সৰ্বভাৰতীয় ৰাজনৈতিক দল সমূহে কামনা কৰিছে।"

জনজাতীয় আন্দোলন প্ৰসংগত অনা আই কংগ্ৰেছী বিৰোধী দলসমূহে অসম গণ পৰিষদ চৰকাৰক 'দিহা-পৰামৰ্শ' দিয়া নাই বুলি কোৱাতো সত্যৰ অপলাপ কৰা হ'ব। কিয়নো ৩০ জুন '৮৮ তাৰিখে গুৱাহাটীত অনুষ্ঠিত জনতা পাৰ্টি, চি পি আই (এম), এছ ইউ আই , চি পি আই, আৰ চি পি আই আৰু কংগ্ৰেছ (এছ) দলৰ প্ৰতিনিধি বৰ্গৰ সভাত ২১ দফীয়া পৰামৰ্শ-প্ৰস্তাৱ-আবেদন,জনজাতীয় সমস্যা উপশম কৰাৰ অৰ্থে গৃহীত হৈছিল আৰু এইবেৰৰ বিষয়ে অসম গণ পৰিষদ চৰকাৰৰ বিবেচনাৰ্থে দাখিল কৰা হৈছে। প্ৰয়োজন হ'লে এইবোৰ 'ৰূপান্তৰ'ত প্ৰকাশৰ হেতু আগবঢ়াবলৈ সাজু আছোঁ।

ইতি
দেৱজিৎ তালুকদাৰ
গুৱাহাটী ৭৮১০২৯

প্ৰতি

সম্পাদক, ৰূপান্তৰ,

মহোদয়,

শ্ৰদ্ধা গ্ৰহণ কৰিব।

ৰূপান্তৰ আলোচনীখন আটাইকেইটা সংখ্যা পঢ়ি অসমত এখন সুস্থ চিন্তাৰ আলোচনীৰ অভাৱ পূৰণ হ'ল বুলি ধাৰণা হৈছে। সদানন্দ চলিহাৰ 'মিড্বিল' ক্লাছ শীৰ্ষক প্ৰবন্ধটোৰ এক ঐতিহাসিক মূল্য আছে বুলি ভাবো। তেনে প্ৰবন্ধ আৰু পাম বুলি নিশ্চয় আশা কৰিব পাৰো।

শ্ৰদ্ধাৰে
অনুজ গোস্বামী
তিনিচুকীয়া

OKDISCD

# সম্পাদকীয়

"মানবক, জনসাধাৰণৰ সাংস্কৃতিক আদৰ্শত স্থিৰকৈ ৰাখিবলৈকে কবি, শিল্পী, সাহিত্যিকসকলৰ সমাজত প্ৰধান অস্তিত্ব।" কৈয়েই আহিছো যে ৰাষ্ট্ৰ শাসনতন্ত্ৰই হৈছে জনতাক সমূহীয়াকৈ উচ্চতৰ সাংস্কৃতিক অৱস্থালৈ তুলি নিবলৈ প্ৰধান উপায়। সেই কাৰণেই আজি আমাৰ শাসনৰ গুৰি ধৰোতাসকল হ'ব লাগিব মহা সংস্কৃতিসম্পন্ন লোক। এই সংস্কৃতি আদৰ্শবোধ নথকা অকল বিশেষজ্ঞসকলেই শাসনৰ গুৰি ধৰোতা হ'লে তেওঁলোকৰ মনলৈ ক্ষমতাবন্ধতা আহে। সেই কাৰণেই ভৱিষ্যতৰ জ্ঞানময় গণতন্ত্ৰৰ গুৰি ধৰোতাসকল কবি, দাৰ্শনিক, শিল্পী-দাৰ্শনিক -যিসকল একেলগে স্ৰষ্টা আৰু দ্ৰষ্টা হ'বগৈ লাগিব বুলি মোৰ মনত এটা গভীৰ বিশ্বাস হৈছে।" জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ মৰ্ম উপলব্ধি কৰাৰ সময় আজি সন্মুখত দণ্ডমান। এটা জাতিৰ জাতীয় সংস্কৃতিয়ে সেই জাতিটোৰ আচাৰ-ব্যৱহাৰ ৰীতি-নীতিকেই যে সাঙুৰি থাকে এনে নহয় ই জাতিটোৰ দাৰ্শনিক ভাৱ ধাৰাৰো ইঙ্গিত বহন কৰে। মানৱ ইতিহাসৰ অতীজৰে পৰা আজিলৈকে যিমান জাতিৰ উত্থান পতন হৈ গ'ল এই সমূহ জনগোষ্ঠীৰ একো একোটা নিজস্ব সংস্কৃতি তাত বিদ্যমান। নিজকে এটা সুসভ্য জাতি হিচাপে থিয় কৰিবলৈ প্ৰত্যেকে নিজৰ নিজৰ সংস্কৃতিক পূৰ্ণ বিকশিত কৰিবলৈ চেষ্টা কৰে আৰু মানৱ ইতিহাসো সংস্কৃতিৰ বুকুতেই নিমজ্জমান। সেয়েহে আজিৰ দিনতো এটা জাতিয়ে নিজক সুসভ্য জাতি হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে প্ৰয়োজন এক সাংস্কৃতিক বিপ্লৱৰ আৰু এই বিপ্লৱৰ সূচনা হ'বলৈ হ'লে প্ৰবাহমান জাতিসমূহৰ সাংস্কৃতিক ভাৱ ধাৰাটোক পুংখানুপুংখভাৱে অধ্যয়ন কৰাটো। তাৰ ব্যতিৰেকে এটা জাতিয়ে সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰিবলৈ যোৱাটো অকল অপচেষ্টাই নহয় নিৰৰ্থকো।

কিন্তু আমি দুখেৰে লক্ষ্য কৰিব লগা হৈছে যে আজিৰ আমাৰ অসমীয়া সমাজে এনে ধৰণৰ কথাৰ গূঢ়াৰ্থ উপলব্ধি কৰাৰ পাছতো অধিক সংখ্যকেই প্ৰবাহমান সংস্কৃতিৰ ধাৰাটোক বা লুপ্তপ্ৰায় ঐতিহ্যশালী সংস্কৃতিটোক ধৰি ৰাখিবলৈ বৈজ্ঞানিক প্ৰচেষ্টা চলোৱা নাই, যাৰ ফলত আমাৰ বুকুতে বিলীন হৈ থকা জাতিসমূহৰ সংস্কৃতিৰ আধাৰ আমাৰ সন্মুখত প্ৰস্ফুটিত হৈ উঠা নাই। ইয়াৰ ফলশ্ৰুতিত এটা সাংস্কৃতিক স্থবিৰতা নামি অহাটোও পৰিলক্ষিত হৈছে। যিটো আমাৰ কাৰণে অতিকৈ দুখজনক। আমাৰ যিসকল কৰ্ণধাৰ সেইসকল ৰাজনীতিকেই হওক বা শিল্পী সাহিত্যিকেই হওক এক বুজন সংখ্যকে এনে স্থবিৰতাৰ প্ৰতি অকণো কাণসাৰ নিদিয়াটোৱেই সাংস্কৃতিক স্থবিৰতাৰ মূল কাৰণ লগতে এনে আচৰণে এটা জাতিৰ সংস্কৃতি বিমুখ স্বৰূপটোও ডাঙি ধৰিছে। উদাহৰণ স্বৰূপে ভালেমান কথা মনলৈ আহে। মূলত দোষটো হৈছে চৰকাৰী তৎপৰতাৰ অভাৱ। সুখৰ কথা অৱহেলিত অৱস্থাত থকা (এতিয়া প্ৰচেষ্টা হাতত লৈছে) মদন কামদেৱ, ৰংঘৰ, কাৰেংঘৰ, চান্দ সদাগৰৰ মেৰ ঘৰ আদি মুষ্টিমেয় এচাম সংস্কৃতিপ্ৰেমী সচেতন লোকৰ বাবেই কিছু পৰিমাণে হ'লেও লুপ্তপ্ৰায় ঐতিহাসিক সংস্কৃতিৰ এটা আভাষ পাবলৈ সক্ষম হৈছো। আমাৰ মাজৰে এগৰাকী তেনে কৰ্মী ডঃ প্ৰদীপ শৰ্মা যিয়ে নিজে চৰকাৰী কৰ্তব্যৰ মাজত কেৱল আবদ্ধ নাথাকি ওপৰঞ্চি বহুমূলীয়া সময়ৰ সদ্ব্যৱহাৰ কৰিছে আমাৰ ঐতিহ্য সংৰক্ষণৰ কামত। যি ঐতিহ্যৰ ইতিহাস লুপ্তপ্ৰায়। মদন কামদেৱৰ উদ্ভাৱনা মূলততোও শৰ্মাদেৱৰ দায়িত্বশীলতাই। একেদৰেই অসমৰ গৌৰৱময় কলা-সংস্কৃতিক পোহৰলৈ উলিয়াই আনিছে নীলমণি ফুকনদেৱে। তেখেতৰ একনিষ্ঠ প্ৰচেষ্টাৰ ফলত লুপ্তপ্ৰায় সংস্কৃতিসমূহক পোহৰলৈ অনাত যথেষ্ট অৰিহণা যোগাইছে। আধুনিক কবি মনৰ দৃষ্টিৰে সেইবোৰক বিশ্লেষণ কৰি গ্ৰন্থাকাৰে প্ৰকাশ কৰি ডাঙৰ অভাৱ পূৰণ কৰিছে। তেখেতে এইটো কামত হাত নিদিয়া হ'লে হয়তো আমি বহুতো অমূল্য কলা-সম্পদ হেৰুৱালোহেঁতেন। এনে ধৰণৰ দুই এজন জাতিপ্ৰেমী চিন্তাবিদৰ অনুসন্ধিৎসু মনৰ বাবেই কিছু পৰিমাণে হ'লেও প্ৰবাহমান জাতি এটাৰ কলা-সংস্কৃতি চৰ্চাৰ পৰিবেশ গঢ়ি উঠিছে।

অসমীয়া জাতিৰ আজিৰ এই সন্ধিক্ষণত আমি ক'ব বিচাৰো সেইসকল কৰ্ণধাৰক যিসকলে ৰাজনীতি, সমাজনীতি পথেয় কৰি লৈছে সেইসকলে যেন আমাৰ হেৰাই যাবলৈ ধৰা ঐতিহ্যসমূহৰ সংৰক্ষণৰ একো একোটা সু প্ৰচেষ্টা হাতত লয়। আমাৰ ঐতিহ্যৰ ঐশ্বৰ্যৰ মাজতে জাতিৰ প্ৰাণ নিহিত হৈ আছে। অসমৰ সংস্কৃতিৰ পথাৰ এতিয়াও পলস বিদ্যমান। বৈচিত্ৰময় সংস্কৃতিৰ সমন্বয়ৰ যোগেদি আমি সু সভ্য জাতিৰূপে পৰিচয় দিব লাগিব আৰু ইয়াৰ বাবে আমাৰ প্ৰতিজন জাতি সংস্কৃতিপ্ৰেমীয়ে এইবোৰৰ প্ৰকৃত সংৰক্ষণ আৰু উদ্ভাৱনৰ ব্যৱস্থা শ্যতত ল'ব লাগিব।

সম্পাদক/ৰূপান্তৰ

OKDISCD

## বেজবৰুৱাৰ কলম

# মহাকালৰ সকিয়নি



মই মহাকাল। মই অতীত সৰকি আহিছো, বৰ্তমান কাল মোৰ হাতৰ মুঠিত আৰু ভৱিষ্যতৰ পিনে মই মোৰ স্বাভাৱিক গতিত আগবাঢ়ি যাম। মই বৰ্তমানৰ কথা যেনেদৰে জানো, ভৱিষ্যতৰ কথাও জানো, কেতিয়া কোন মুহূৰ্তত কত কিং ঘটিব মই জানো। বৰং মই সৰকি আহিছো বুলি কোৱাতকৈ এই তিনিওটা কাল মোৰ মাজেদিহে পাৰ হৈ গৈছে আৰু যাব বুলি কোৱা উচিত হ'ব। কাৰণ মোৰ নাম মহাকাল। মোৰ গতি স্থিৰ নহয়। সৃষ্টিৰ আদিৰে পৰা মই কেতিয়াও এটা মুহূৰ্তৰ বাবেও কতো ৰৈ যোৱা নাই। মোৰ গতি কোনো দিনেই স্তব্ধ হোৱা নাই। প্ৰকৃতিৰ তাণ্ডৱ লীলা ভূমিকম্প, ধুমুহাঁ, বজ্ৰপাত, বানপানী, উল্কাপাত আৰু যিকোনো ধৰণৰ নৈসৰ্গিক দুৰ্ঘটনাতো মই ৰোৱা নাই। কাৰণ মই ৰৈ দিব নোৱাৰো। যেতিয়া গোটেই বিশ্ব নিদ্ৰাত লালকাল হৈ থাকে, তেতিয়াও মোৰ অগ্ৰগতি অব্যাহত হৈ থাকে। মোৰ অন্য এটা নাম সময়। এটা নিৰবিচ্ছিন্ন জুৰিৰ পৰা তপ্ তপ্‌কৈ অনবৰত পৰি থকা টোপালৰ দৰেই মোৰ স্থিতি। সৃষ্টিৰ আদিৰে পৰাই এই টোপাল চলি আহিছে আৰু চলি থাকিব এই মহাসৃষ্টিৰ শেষলৈকে।

মই কিন্তু কথা নকওঁ। মহাকাল আগবাঢ়িহে যায়, কথা নকয়। মহাভাৰতৰ সৃষ্টিৰ পাতনি মেলাৰ পৰা আজিলৈকে বিভিন্ন উত্থান-পতন আদিৰে ভিন ভিন যুগত এই ভাৰতভূমিত ভিন ভিন ইতিহাস ৰচিত হৈছে, সেই সকলোবোৰতেই মোৰ পদধ্বনি আছে। আজিও কান পাতিলে মানুহে মোৰ সেই পদধ্বনি শুনে। ভৱিষ্যতৰ কথাও মোৰ চকুৰ আগত জ্বলজ্বল পট্‌পট্‌কৈ ভাহি আছে! কেতিয়া কি ঘটিব, মই জানো। কিন্তু মই মুখেৰে কৈ কাকো সকিয়াই নিদিওঁ। কাৰণ মই কথা নকওঁ। মাত্ৰ মই ইঙ্গিতহে দিওঁ। মোৰ ইঙ্গিত বুজা সিমান সহজ নহয়। কিন্তু কোনোবাই যদি এই ভূ-খণ্ডৰ অতীতৰ কথা, কাহিনী আৰু ঘটনাৱলী তন্নতন্নকৈ চালি-জাৰি চাই বৰ্তমানৰ পটভূমিত থিয় হৈ নিস্বাৰ্থভাৱে ভৱিষ্যত কাললৈ ধ্যান দিব পাৰে, তেওঁ নিশ্চয় মোৰ ভৱিষ্যত ইপ্সিত ভাষা বুজিব পাৰিব। সম্পূৰ্ণকৈ বুজিব নোৱাৰিলেও অন্ততঃ মোৰ চকৰীৰ গতিৰ আভাস পাব আৰু উমান ধৰিব পাৰিব কেতিয়া কি ঘটিব পাৰে। অতীত ইতিহাসৰ পৰা শিক্ষা ল'বলৈ শিকিলেই মোৰ ৰহস্য বুজা সিমান কঠিন নহয়।

মোৰ বুকুৰ পৰা সামান্য সময় উলিয়াই আনি ভাৰতভূমিত মানৱৰ কাৰণে আজি দূৰদৰ্শনে মহাভাৰত দেখুৱাইছে। নিসন্দেহে এটা সজ প্ৰচেষ্টা। মহাভাৰতৰ ঘটনাৰ ক্ৰম মানুহে নুবুজিব পাৰে বুলি ভাবিয়ে মোৰেই ভূমিকা গ্ৰহণ কৰিছে হৰিশ ভিমানীয়ে। তেওঁৰ সুগভীৰ স্পষ্ট বাছকবনীয়া শব্দৰ মধু ভাণ্ডাৰৰ প্ৰয়োগে মানৱকুলৰ আগত মোৰ পৰিচয় প্ৰকট কৰি তুলিছে। কিন্তু মই হৰিশ ভীমানি নহওঁ আৰু এই দূৰদৰ্শনৰ মাজেদি মোৰ মুখ-নিসৃত কথা বিলাইও দিয়া নাই। কিয়নো মোৰ স্বৰ নাই। অতি নীৰৱে মই সন্মুখ পথেদি গৈ থাকো। মোৰ পদধ্বনিহে ৰৈ যায়। ভৱিষ্যত দৰ্শন মোৰ কাৰণে অতি সহজ। বহু দূৰলৈকে মোৰ দৰ্শন বিস্তৃত হয়। কাৰণ প্ৰকৃততে মইয়েই দূৰদৰ্শন।

অৱশ্যে মহাভাৰতৰ মাজেদি দূৰদৰ্শনে মোৰ মধুৰ আৰু নিৰ্মম নিৰ্বাক বাণী শুনাব খুজিছে সি নিশ্চয় প্ৰশংসাৰ যোগ্য। শিক্ষিবলগীয়া আৰু শুনিবলগীয়া বহুখিনি আছে। ইয়াত নিশ্চয় আবেগ আছে। কিন্তু মহাভাৰতত আবেগিক আকৰ্ষণতকৈ কঠোৰ বাস্তৱৰ শিকনীহে সৰহ আৰু এইটোৱেই মানৱকুলত আজি অতি প্ৰয়োজনীয় বস্তু।

বাছাইঁত! তোমালোকে মহাভাৰত চোৱা। তেজ উত্তপ্ত কৰা যুদ্ধ চাবৰ কাৰণে নহয়, গোপিনীৰ সৈতে শ্ৰীকৃষ্ণৰ লীলা-খেলা চাবলৈ নহয়, সাজ-পোচাক আৰু দাড়ি ৰখাৰ শৈলী শিকিবৰ কাৰণে নহয়, দুই বা ততোধিক পত্নী ৰখাৰ অনুপ্ৰেৰণা পাবৰ কাৰণে নহয়, জুৱা খেলা শিকিবৰ কাৰণে নহয়, দ্ৰৌপদী-নাৰীৰ শ্লীলতা হানি কৰি দুঃশাসনে পোৱা আনন্দত উৎসাহ পাবৰ কাৰণে নহয়। সুন্দৰ শব্দ চয়নেৰে বৰ সাৱধানে তৈয়াৰ কৰা সংলাপবোৰ শুনি যোৱা যিবোৰৰ মাজত পাবা ন্যায় আৰু অন্যায়ৰ বস্তুনিষ্ঠ বিশ্লেষণ, ক্ষমতাৰ অপব্যৱহাৰেৰে অন্ধ হৈ পৰা কৌৰৱকুল, শৌৰ্য-বীৰ্য মণ্ডিত সৎ আৰু সাহসৰ প্ৰতীক পাণ্ডৱৰ বিচিত্ৰ অভিজ্ঞতা, ধৰ্মযুদ্ধত ন্যায় আৰু অন্যায়ৰ ব্যাখ্যা, ব্যক্তিগত প্ৰতিশোধ পৰায়ণা শকুনিৰ পৰিণতি, ধৰ্ম আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে শ্ৰীকৃষ্ণৰ কূটনৈতিক ৰাজনীতি। এইখিনি ভালদৰে হৃদয়ঙ্গম কৰি বুজিব পাৰিলেই মই মহাকালে ভৱিষ্যত দেখাৰ দৰে তোমালোকেও ভৱিষ্যতৰ কিছু আভাস পাবা। আবেগকেই তোমালোকৰ সৰ্বস্ব জীৱন-ধন কৰি নলবা। সকলোতে সমদৃষ্টি দি বাস্তৱ জ্ঞানেৰে জীৱনটো বুজিবলৈ চেষ্টা কৰা। হস্তিনাপুৰকেই সমগ্ৰ ভাৰতবৰ্ষ বুলি ধৰি নলবা। কৌৰৱে হস্তিনাপুৰৰ বাহিৰে অন্য কথা ভবা নাছিল; কিন্তু পাণ্ডৱে ভাবিছিল সম্পূৰ্ণ ভাৰতবৰ্ষৰ কথা। মহাভাৰতখন অন্তৰেৰে চাই তাৰ সাৰ গ্ৰহণ কৰাৰ পিচত দেখিবা সুস্থ পৰিবেশত উভয় পক্ষৰে বাক্য বিনিময় নঘটাৰ ফলতেই এখন বিৰাট যুদ্ধৰ অৱতাৰণা হ'ল। কৌৰৱে সদইচ্ছাৰ ভেঁটিত আলাপ আলোচনাৰ পৰা বিৰত থাকি নিজৰ ভিতৰতে গুপুত মন্ত্ৰণাৰ আশ্ৰয় লোৱা কাৰণেই তেওঁলোক ধ্বংসৰ সন্মুখীন হ'ল। সেই কাৰণে নিবোকা হৈ নাথাকি কথোপকথনৰ ওপৰত গুৰুত্ব দিবা। মনত ৰাখিবা, তোমালোকে যি আচৰণ কৰিবা সাধাৰণ প্ৰজাইও সেই পথকে অনুসৰণ কৰিব। এইযাৰ কথা মহাকালৰ ভিতৰৰে এটা কালত গীতাৰ কৰ্মযোগত স্বয়ং শ্ৰীকৃষ্ণই অৰ্জুনক কোৱা কথা।


শ্ৰীকৃষ্ণই অৰ্জুনক হতাশ হ'বলৈ হাক দিছিল। মই মহাকালেও কৈছো হতাশ নহ'বা। মহাকালৰ বুকুত তোমালোক হৈছা সামান্য বুদ্‌বুদ্‌হে। ছয় বছৰ কালৰ ভিতৰত পোৱা আবেগিক অভিজ্ঞতা মহাকালৰ দৃষ্টিত বৰ সামান্য, তিনিবছৰ কালতো তাতোকৈও নগণ্য। মহাকালত তোমালোকে মাত্ৰ তিনিটা খোজহে দিছা। এই তিনিটা খোজতেই তোমালোকে অলেখ কাঁইট দেখিছা, অলেখ বাধা-বিঘিনি পাই হতাশ গ্ৰস্ত হৈ পৰিছা। আৰু বহু বহু খোজ বাকী আছে তোমালোকৰ। প্ৰলোভন ত্যাগ, বুকুত সাহস বান্ধি লোৱা, কপালত এটা অটল আদৰ্শ আৰু দৃঢ় সিদ্ধান্তৰ ৰেখা আকিলৈ অভিজ্ঞতা সঞ্চয় কৰিবলৈ যত্ন কৰা। সন্মুখত তোমাৰ ডাঙৰ আদৰ্শ আছে; গতিকে ক্ষুদ্ৰ স্বাৰ্থ এৰি পেলাব লাগিব।

একো ভয় নাই বাছাইঁত। মোৰ লগে লগেই তোমালোক ভৱিষ্যতৰ পিনে আগবাঢ়িব লাগিব। তোমালোকে মাত্ৰ মই মহাকালৰ হৃদপিণ্ডৰ স্পন্দন শুনিবলৈ চেষ্টা কৰিবা। এই ধ্বনি শুনিবলৈ পাহৰি গ'লে বা মোক অৱহেলা কৰিলে তোমালোকৰ ধ্বংস অনিবাৰ্য। মোৰ পদধ্বনি শুনি শুনি তোমালোক যদি সততা আৰু নিষ্ঠাক মূলধন কৰি আগবাঢ়ি যাব পাৰা, তেতিয়া দেখিবা যে তোমালোকো মোৰ লগে লগে আহিব পাৰিছা। আৰু তেতিয়া দেখিবা ইতিহাসেও তোমালোকৰ নাম সোণালী আখৰেৰে লিখি ৰাখিছে। সেই ইতিহাসো লিখো মইয়েই।

মোৰ কথা অমোঘ সত্য বাছাইঁত। ই মিছা হ'ব নোৱাৰে। কাৰণ মই যে মহাকাল।

# গণতন্ত্ৰ আৰু সাংস্কৃতিক অৱক্ষয়

নলিনীধৰ ভট্টাচাৰ্য



আমাৰ দেশৰ গণতন্ত্ৰৰ লতাকুঞ্জত সংস্কৃতিৰ সুগন্ধি ফুল একেবাৰে ফুলা নাই বুলি ক'ব নোৱাৰি; অ'ত অ'ত ফুলিছে, কিন্তু বেছিভাগ ফুল মৰহা, ক'ৰবাত আকৌ অতিশয় দুৰ্গন্ধি। তাহানি মানুহে উত্থান-পতনৰ মাজেদি সৰ্বাংগীন মুক্তিৰ তীৰ্থলৈ যি যাত্ৰা আৰম্ভ কৰিছিল, তাৰ শেষ আজিও হোৱা নাই। স্বাধীনতা, গণতন্ত্ৰ, সমাজবাদৰ তীৰ্থতো যাত্ৰাৰ অন্ত পৰাৰ আশা ক্ৰমে ক্ষীণ হৈ পৰিছে। তথাপিও, মানুহৰ চেষ্টা চলি থাকিব, পৃথিৱীৰ সৰ্বত্ৰ এতিয়া নতুন মানুহ সৃষ্টি কৰাৰ সাধনা চলিছে। আমাৰ দুৰ্ভাগ্য যে, আমাৰ দেশে তাত অৰিহণা যোগাব পৰা নাই। ইয়াৰ ঘাই কাৰণ, আমাৰ দেশত মানুহৰ অমানবীয়কৰণ প্ৰায় সম্পূৰ্ণ হৈছে। নিচুকণি গীতৰ দৰে অন্তৰংগ, প্ৰাণপৰিভোগী সংস্কৃতি আজি মৃতপ্ৰায়। য'ত এনে সংস্কৃতি নাই, জীৱনৰ সাৰ্বিক বিকাশৰ আশাও তাত নাই। সংস্কৃতিৰ অৰ্থই হ'ল জীৱনৰ বিকাশ আৰু প্ৰকাশ। আমাৰ দেশত গণতান্ত্ৰিক শাসন চলিছে বুলি কোৱা হয়, কিন্তু ইয়াত মানুহৰ সৃষ্টিশীলতা, মানৱতাবোধ অন্তৰ্হিত হৈছে। তাৰ ঠাই লৈছে দুখ-দৈন্য আৰু বিশৃংখলাই। ইয়াৰ কাৰণ কি? এই চমু প্ৰবন্ধত প্ৰশ্নটোৰ উত্তৰ এটা বিচাৰিবলৈ যত্ন কৰিছোঁ।

লিংকনৰ দিনৰ পৰাই আমি গণতন্ত্ৰ কথাষাৰ শুনি আহিছোঁ আৰু তাৰ সংজ্ঞাও তেওঁ দি থৈ গৈছে। গণতন্ত্ৰ হেনো অতন্দ্ৰ প্ৰহৰী (eternal vigilance); আমাৰ দেশৰ অগণন ৰাইজে প্ৰহৰীৰ ভূমিকা ল'ব পৰা নাই, কিয়নো তেওঁবিলাকৰ দেহ-মন জৰ্জৰিত। গণতন্ত্ৰ যদি সঁচাকৈয়ে ইয়াত প্ৰতিষ্ঠিত হ'লহেঁতেন, তেন্তে আমি সুখেৰে বাস কৰিব পাৰিলোহেঁতেন। আমাৰ দেশত জনমতেই হওক বা জনশক্তিয়েই হওক, কিমান প্ৰবল, বা কিমান শক্তিমান? জনমতৰ প্ৰতি শ্ৰদ্ধাই বা দেখুওৱা হয় কিমান? ইয়াত জনতাই ভোটদানৰ অধিকাৰৰ বাহিৰে, মৌলিক স্বাধীনতা, আনকি, নিয়মতান্ত্ৰিক ব্যৱস্থা ৰক্ষা কৰাৰ প্ৰকৃত শক্তিও অৰ্জন কৰিব পৰা নাই। আমাৰ দেশত সমাজবাদৰো শ্লোগান দিয়া হৈছে; কিন্তু ব্যৱস্থাটোৰ মাজত সমাজবাদৰ নাম-গোন্ধ নাই। প্ৰকৃত পক্ষে বুৰ্জোৱা গণতন্ত্ৰই আমাৰ দেশত চলি আছে; প্ৰকৃত অৰ্থত কাৰ্যকৰী স্বাধীনতা ৰাইজে পোৱা নাই। লেনিনে কৈছিল, 'There can be no real and effective freedom in a society based on the power of money, in a society in which the masses of working peopel live in poverty and the handful of rich live like parasik--- (ভাবাৰ্থঃ যিখন সমাজত টকাৰ শক্তিয়েই ঘাই ভেটি স্বৰূপ, য'ত অসংখ্য দুখকাৰী মানুহে দৰিদ্ৰতা বৰণ কৰে আৰু এমুঠি ধনীয়ে ৰঘুমলাৰ দৰে কাল কটায়, সেই সমাজত প্ৰকৃত আৰু কাৰ্যকৰী স্বাধীনতা নাথাকে।

এই কথা সঁচা; আমাৰ মানুহ অভাৱ, শোষণ আৰু প্ৰভুত্বৰ পৰা মুক্ত নহয়। ক্ষয়িষ্ণু পুজিবাদৰ ফলস্বৰূপেই শোষণ আৰু বৈষম্য বাঢ়িছে। নিবনুৱা সমস্যাই দেশৰ যুৱশক্তিক বিভ্ৰান্ত কৰিছে। স্বাধীনতাৰ চল্লিচ বছৰৰ পিছতো ধৰ্মান্ধতা, আৰু কুসংস্কাৰে মানুহক

বিপথে লৈ গৈছে। দেশ খণ্ড খণ্ড হৈছে।

মূল্যবৃদ্ধি, মুদ্রাস্ফীতি, দুৰ্নীতি দৈনন্দিন বিভীষিকা হৈ পৰিছে। এচাম মানুহে আগ্ৰাসী ভোগবাদত মত্ত হৈ পৰিছে। ৰাজনীতি কলুষিত; ৰাজনীতিজ্ঞসকলৰ দলীয় স্বাৰ্থৰক্ষাৰ ইচ্ছা, নীতিহীনতা, হৃদয় আৰু মগজুৰ চৰ্চাৰ প্ৰতি চৰম উদাসীনতা, আৰু ইতিহাসবিমুখতাই পৰিবেশ সংকটপূৰ্ণ কৰি তুলিছে। বাস্তৱবোধহীন, বিচ্ছিন্ন আমোলাৰ হাতত পৰিকল্পনাৰ ভাৰ পৰাত ৰাইজৰ কল্যাণ অৰণ্যৰোদনত পৰিণত হৈছে। ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজত বিচ্ছিন্নতা বাঢ়িছে। ইয়াৰ ফলত অসন্তুষ্টি আৰু বিক্ষোভৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজত বিচ্ছিন্নতা বাঢ়িছে।

সুবিধাবাদীসকলে ৰাইজৰ এই বিক্ষোভৰ সুযোগলৈ একোটা ভাব-তৰংগৰ সৃষ্টি কৰি ক্ষমতালৈ আহে; ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত নিৰ্বাচন কালৰ জনপ্ৰিয়তা এওঁবিলাকে হেৰুৱাই পেলায় আৰু ৰাইজ আকৌ বিক্ষুব্ধ হৈ পৰে। আমাৰ গণতন্ত্ৰত এই ঘটনাৰে পুনৰাবৃত্তি চলি আহিছে।

ক্ষমতাসীনসকলে নাগৰিকক দায়িত্ব আৰু কৰ্তব্যসম্বন্ধে সোঁৱৰাই থাকে, কিন্তু নাগৰিকৰ প্ৰতি তেওঁবিলাকৰ মানবতাপূৰ্ণ দায়িত্বশীলতা সম্বন্ধে সজাগ নহয়। প্ৰকৃত গণতন্ত্ৰত জনসাধাৰণৰ আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক, বৈজ্ঞানিক আৰু মনন জগতৰ যি গুণগত পৰিৱৰ্তন ঘটে, সি এতিয়াও আমাৰ দেশত স্বপ্ন হৈয়ে আছে।

আমাৰ মাজত নানা ধৰণৰ দ্বন্দ্ব আছে। এই দ্বন্দ্বসমূহৰ সমাধান নহ'লে সমাজ আৰু অধিক সংকটৰ মাজলৈ গৈ থাকিব। উৎপাদন ব্যাহত হ'ব, দুৰ্নীতি চলি থাকিব। আমাৰ দ্বন্দ্বসমূহ ঘাইকৈ বৈৰীমূলক। সমাজবাদী দেশতো দ্বন্দ্ব থাকে, কিন্তু সেইবোৰ বৈৰীমূলক নহয়। আমাৰ দেশত যি বৈৰীমূলক দ্বন্দ্ব আছে, এইবোৰ কেনেকৈ সমাধান কৰিব পাৰি? সংঘৰ্ষ নে সংলাপৰ জৰিয়তে এই প্ৰশ্নৰ উত্তৰ দিয়া টান। সংলাপৰ জৰিয়তে যদি কাম সমাধা হয়, তেন্তে হয়তো ভাল কথাই হ'ব, কিন্তু আমাৰ দেশৰ ৰাজনৈতিক নেতৃত্বৰ চিন্তা আৰু আচৰণ তাৰ অনকূল নহয়। সংলাপৰ আঁৰত শোষণ-প্ৰক্ৰিয়া চলাই যোৱাৰ সম্ভাৱনাই বেছি। আনহাতে, সংঘৰ্ষৰ পথো সহজ নহয়। ইয়াৰ বাবে যি সংগঠন লাগে, সি আমাৰ দেশত আজিও সম্ভৱ হৈ উঠা নাই। তদুপৰি চৰকাৰী হিংসাৰ ৰঙা চকু আছেই। সম্প্ৰতি আন্তৰ্জাতিক ক্ষেত্ৰতো সংঘৰ্ষৰ পথ পৰিহাৰ কৰি সংলাপৰ জৰিয়তে সমস্যা সমাধানৰ চেষ্টা চলা দেখা গৈছে। ইয়াৰ প্ৰভাৱ পৃথিৱীৰ বিভিন্ন দেশতো পৰিছে। আমাৰ ইয়াতো তাৰ প্ৰভাৱ নপৰাকৈ নাথাকে। গৰ্বাচভৰ নতুন চিন্তাই আমাৰ বামপন্থীসকলৰ মাজতো মতভেদৰ সৃষ্টি কৰিছে। সংলাপৰ জৰিয়তে সমস্যা সমাধান সম্ভৱ হ'ব পাৰে। যদি উভয় পক্ষ সমানে চৰিত্ৰবান, বিবেকসম্পন্ন আৰু অন্ধগোড়ামিমুক্ত হ'ব পাৰে। আমাৰ দেশত স্বাৰ্থ আৰু ভোগৰ উন্মাদনাই বেছি। আনহাতে জনসাধাৰণৰ বৌদ্ধিক আৰু আনুভূতিক জগত নানা সমস্যাৰে সীমাবদ্ধ। এই জটিলতাৰ মাজত সংলাপ ব্যৰ্থ হ'ব। এনে বৈৰীমূলক সংঘাতৰ প্ৰৱণতা থকালৈকে আমাৰ সংসদী গণতন্ত্ৰৰ কৃতকাৰ্যতাও সীমিত হৈয়ে থাকিব।

এজন ব্যক্তি আজিৰ পৰিবেশত সংস্কৃতিবান, পৰাৰ্থ-পৰায়ণ, আৰু যুক্তিসম্পন্ন হ'ব নোৱাৰে কিয়? আমাৰ উৎপাদন পদ্ধতি, শিক্ষা-ব্যৱস্থা, সমাজৰ পাছপৰা অৱস্থা একোৱেই তাৰ অনুকূল নহয়। আমাৰ শিক্ষা ব্যৱস্থাই বিদ্যা দিছে, জ্ঞান দিয়া নাই। জ্ঞান নহ'লে প্ৰেমৰ সৃষ্টি নহয়। সমাজত এতিয়াও সামন্তযুগীয় ধ্যান-ধাৰণা চলি আছে। সেইবোৰে নতুন চিন্তা কৰিবলৈ মানুহক উদগণি নিদিয়ে। উৎপাদন পদ্ধতি, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ফল এচাম মানুহে ভোগ কৰিছে। পুজিবাদী অৰ্থনীতিত এই প্ৰৱণতা থাকিবই। এই ব্যৱস্থাত কলা সংস্কৃতি ... বজাৰৰ বস্তু হোৱাৰ সম্ভাৱনাই অধিক। অৱশ্যে শিল্পীসকলৰ ভিতৰত এনে মানুহ আছে, যাৰ আধ্যাত্মিক শক্তি প্ৰবল আৰু চহকী। এনে শিল্পীয়ে সাধাৰণতে অন্যায়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনায়। তাহানি প্লেটোৱে কবিক ৰাষ্ট্ৰৰ পৰা নিৰ্বাসন কৰাৰ কাৰণো এইটোৱেই। আজিৰ পুজিবাদী ব্যৱস্থাতো উৎকৃষ্ট কলাৰ সৃষ্টি হৈছে আৰু তাৰ কাৰণো বোধ হয় শিল্পীৰ সজাগতা। অৱশ্যে ছিনেমাৰ দৰে কলাৰ কথা অলপ বেলেগ। প্ৰযুক্তি বিদ্যাৰ অবিহনে এইবিধ কলা সম্ভৱ নহলহেঁতেন। ইয়াৰ কাৰণ যথেষ্ট টকা ভাঙিব লাগে, সেইবাবে উদ্যোক্তাসকলে লাভৰ কথাটো উলাই কৰিব নোৱৰা হয়। ই এটা উদ্যোগৰ দৰে হৈ পৰে। বৰ্তমান পৰিবেশত সাধাৰণ মানুহৰ, বিশেষকৈ মধ্যবিত্ত, আৰু নিম্ন মধ্যবিত্তৰ ৰুচি নিম্নমানৰ; এনে ৰুচিক সন্তুষ্ট কৰাটো ৰেই আজিৰ ছিনেমাৰ লক্ষ্য। ইয়াৰ ফলত উদ্যোক্তাসকলে কেৱল বজাৰেই নাপায়; লগতে মানুহৰ আবেগ-অনুভূতি নিৰ্বীজ কৰি পেলায় আৰু দৃষ্টিভঙ্গীও একে আগী কৰে। হলিউডৰ প্ৰভাৱৰ কথা কোনে নাজানে? আমাৰ ইয়াতো সৰহভাগ হিন্দী ছিনেমাৰ প্ৰভাৱ সুখকৰ নহয়। এই ধৰণৰ ছিনেমাই সাজ-পাৰ, চুলিৰ ষ্টাইল, মেক্-আপ, ঘৰৰ সাজ-সজ্জা, আন কি, প্ৰেম-প্ৰণয়ৰ ধৰণ-কাৰণৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এইবোৰে আমাৰ আত্মিক অৱক্ষয় আনিছে, চিন্তা-শক্তিৰ বিকাশতো বাধা দিছে। আজিকালি দূৰদৰ্শনো অদূৰদৰ্শী; ইও আমাৰ মানসিকতাক একেআগী কৰি পেলাইছে। কবিতা, গল্প, নাটক, উপন্যাস আদিত বজাৰৰ প্ৰভাৱ কমকৈ পৰে, বিশেষকৈ কবিতা সহজে বজাৰৰ পণ্যবস্তুত পৰিণত নহয়। তথাপিও, সাহিত্যও কুৰুচিৰ বলি হৈ পৰিছে। এইবোৰৰ ফল হৈছে মাৰাত্মক। মানুহে বাস্তৱবোধ হেৰুৱাই পেলাইছে আৰু একধৰণৰ ফেণ্টাচিৰ মাজত কাল কটাবলৈ ভাল পাইছে। মানুহৰ এতিয়া গতিশীল ব্যক্তিত্ব নাই, সকলো যেন মানসিকভাৱে নিষ্ক্ৰিয়।

বয়ঃসন্ধিপ্ৰাপ্ত যুৱকসকলৰ বিভ্ৰান্তিক নিয়ম বুলি সকলোৱে গ্ৰহণ কৰাৰ প্ৰৱণতা এটা দেখা গৈছে। আনহাতে যুৱকসকলক, প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে, ৰাজনৈতিক বা ব্যৱসায়িক ক্ষেত্ৰত শোষণ কৰা হৈছে আৰু তেওঁবিলাকৰ আচৰণক অধিক গুৰুত্ব দিয়া হৈছে। আগৰ যুগবোৰত মানুহৰ 'পৰম'ৰ (Absolute) ওপৰত দৃঢ় বিশ্বাস আছিল। আজি কিন্তু বিশ্বাসৰ ক্ষেত্ৰত শোচনীয় হাঁহাকাৰ। বিজ্ঞানো আমাৰ দেশত 'পৰম'ৰ বিকল্প হ'ব পৰা নাই। শিক্ষা-পদ্ধতিয়ে কাকো মানৱীয় মূল্যবোধৰ অধিকাৰী কৰি নোতোলে। এই অৱস্থা ইংলণ্ডৰ দৰে উন্নত পুজিবাদী দেশতো হৈছে। আই এ ৰিচাৰ্ডচৰ এষাৰ কথাৰ পৰা সেই কথা বুজিব পাৰি।

*At present, bad literature, bad art, the cinema etc. are on influence of the first importance in fixing immature and actually inapplicable attitude to most things.*

(ভাবাৰ্থঃ মানুহৰ মনত অপৈণত আৰু প্ৰকৃত অৰ্থত প্ৰয়োগ কৰিব নোবাৰা দৃষ্টিৰভংগী সুদৃঢ় কৰাত বৰ্তমানৰ বেয়া সাহিত্য, বেয়া কলা, ছিনেমা আদিয়ে অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে।)

অৱশ্যে, এনে এটা অৱস্থাৰ সৃষ্টি হোৱা স্বত্বেও কলা-সংস্কৃতিৰ মানবীয়কৰণৰ প্ৰচেষ্টা চলি আছে আৰু চলি থাকিব। সকলো কলাকাৰেই নিজক সোঁতত উটাই নিদিয়ে বা দিবও নোৱাৰে। কিন্তু পুঞ্জ-কলা (mass art)ৰ অশুভ শক্তিৰ লগত যুঁজ দিব পৰাকৈ প্ৰকৃত জনপ্ৰিয় কলাই নিজস্ব শক্তি অৰ্জন কৰিব পৰা নাই। সত্যজিত, মৃণাল সেন, পদুম বৰুৱাৰ চিনেমাৰ দৰ্শক নিচেই কম, ছবিঘৰত বেছি দিন নচলে। সেইদৰে ভাল সাহিত্যৰো পাঠক মুষ্টিমেয়। এটা ভাল গান, এটা চিন্তা- উদ্ৰেককাৰী নিৱন্ধ, এটা হৃদয়গ্ৰাহী কবিতা, এখন ভাল নাটক, বা উপন্যাস এখন জীৱনধৰ্মী কথাছবি, এখন অন্তৰ্ভেদী চিত্ৰৰ চমজদাৰ এতিয়া ইমান কম যে সেইবোৰত নিহিত প্ৰমূল্য এতিয়া অথলে যায়। এটা কবিতাই, এখন উপন্যাসে যদি সঁচাকৈয়ে এজন মানুহৰ অন্তৰ চুই যায়, সেই মানুহজনৰ পৰিবৰ্তন নিশ্চয় হ'ব। আমাৰ ইয়াত পাঠকৰ সংখ্যা সীমিত। ইয়াৰ কাৰণ ঘাইকৈ দুটা। প্ৰথম কাৰণ হ'ল। জনসাধাৰণৰ এটা বিশাল অংশৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক জীৱন-চক্ৰ একেবাৰে স্তব্ধ হৈ গৈছে। দ্বিতীয়তে উচ্চ বৰ্ণৰ ধনী-মানীসকলে সংস্কৃতি

চৰ্চাতকৈ উচ্চমানৰ ভোগবাদী জীৱনৰ প্ৰতিহে অধিক আগ্ৰহী। এইসকলেই দেশীয় শোষক বা বহুজাতিক প্ৰতিষ্ঠানৰ দৰে নৱসাম্ৰাজ্যবাদী সকলৰ পাকচক্ৰত পৰি শোষণ-যন্ত্ৰৰ সংগী হৈ দেশৰ জনসাধাৰণৰ বোজা বঢ়াইছে আৰু অন্যায়, অত্যাচাৰ আৰু দুৰ্নীতিৰ অন্ধকাৰ সিঁচি দিছে। এইসকলৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগিতাই দেশলৈ অৱক্ষয় মাতি আনিছে। আজিৰ সমাজ ব্যৱস্থাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা শোষণৰ হাতিয়াৰ। ইয়াৰ কাৰণ, আমাৰ বৈজ্ঞানিকসকলৰ পৰা প্ৰশাসনিক আমোলা-বিষয়ালৈকে সকলোৱেই ৰাজনৈতিক প্ৰভুসকলক সন্তুষ্ট ৰাখিবলৈকে কাম কৰে আৰু সমগ্ৰ দেশৰ মংগলৰ ফালৰ পৰা কোনো কথাই চিন্তা নকৰে। ৰাজনৈতিক নেতাসকলে ভোট বৈতৰণী পাৰ হ'বলৈ বহুত কিবাকিবি প্ৰতিশ্ৰুতি দিয়ে, কিন্তু শেহত সকলো ফুটুকাৰ ফেন হয়গৈ। আচলতে, বৰ্তমানৰ ৰাজনীতিয়ে, যি জাতীয়ই হওক বা আঞ্চলিকেই হওক মনে মনে আগ্ৰাসী ভোগ-বাদকে জীৱনৰ দৰ্শন কৰি লৈছে। এইবাবে ভোগবাদীসকলৰ চৈতন্য বিকল হৈছে, আৰু আনহাতে দৰিদ্ৰ জনসাধাৰণৰ চেতনা প্ৰবাহো

ৰুদ্ধ হৈ পৰিছে। অন্ন চিন্তাৰ উপৰিও আন এৰিধ চিন্তায়ো ৰাইজৰ মনত বাহ লৈছে। হিংসাত্মক পৰিবেশত যিকোনো মুহূৰ্তত প্ৰাণ যাব পাৰে এই আশংকা ৰাইজৰ মনত ক্ৰমাৎ বেছি হৈ আহিছে। হিংসাৰ আশ্ৰয় কিয় লৈছে যুৱকসকলে? ইয়াৰ লগত ক্ষমতাৰ কিবা সম্পৰ্ক আছে নে কি? নে ইয়াত পুঞ্জীভূত ক্ষোভ আৰু অসন্তুষ্টিৰ প্ৰতিফলন ঘটে? যিয়েই নহওক, হিংসাত্মক কাৰ্যত প্ৰবৃত্ত হোৱা যুৱকসকলৰ আচৰণ, বিক্ষোভ আৰু আনন্দ-উল্লাসৰ মাজত এটা অপৈণত মনৰ বিকৃতি লক্ষ্য কৰিব পাৰি। এইবিলাকৰ কোনো মহৎ জীৱনবীক্ষা নাই, কোনো বিশ্বাসৰ ধ্ৰুৱলৈকে নাই - নিৰ্বিচাৰে হিংসাৰ কাৰণ ইও এটা। এই পৰিস্থিতিত মানুহৰ মনত ভয় ওপজাৰ একো আচৰিত কথা নহয়। স্বাধীনতা সংগ্ৰামৰ যুগত মানুহৰ এই অৱস্থা নাছিল। তেতিয়া আছিল দেশৰ প্ৰতি মানুহৰ এটি আবেগমিশ্ৰিত ভালপোৱা আত্মোৎসৰ্গৰ প্ৰৱণতা। আমাৰ নতুন প্ৰজন্মৰ মনত এই ভাব নাই। আজি ভাৰতবৰ্ষৰ বাবে প্ৰাণ দিবলৈ প্ৰস্তুত এনে মানুহ বিচাৰি পোৱা কঠিন। আমাৰ মাজত এতিয়া নিজৰ প্ৰাণ বচোৱা নীতিৰ বাহিৰে আন বহল চিন্তা একো নাই। মাৎস্যন্যায়েই এতিয়া আমাৰ আদৰ্শ। গণতন্ত্ৰ, সমাজবাদ এইবোৰ লৈ মূৰ ঘমাবৰ বাবে কাৰো সময় নাই। স্বাধীনতা দিবস পালন এতিয়া নিত্য নৈমিত্তিক কৰ্মকাণ্ড, তাৰ প্ৰতি সকলো নিৰ্বিকাৰ, আন কি প্ৰবীণসকলো অনিশ্চয়তাৰ বেদনাত কাতৰ। আমাৰ মাজত সংহতিৰ অভাৱ, নানা বিশৃংখলা আৰু অশান্তি। দেশৰ মানুহ, প্ৰকৃতি, ঐতিহ্য, ভাষা, ধৰ্ম-এইবোৰ সম্বন্ধে আমাৰ কোনো বৌদ্ধিক কৌতুহল নাই, তাৰ প্ৰতি আমি অত্যন্ত উদাসীন। সমাজবাদ যদি আমাক লাগে, তেন্তে আমাক সংহতি লাগিবই, ইয়াৰ বাবে আমি পৰিবেশো ৰচনা কৰিব জানিব লাগিব। এইবোৰেই সাংস্কৃতিক অৱক্ষয়ৰ লক্ষণ। ইয়াৰ প্ৰতিকাৰ কোনে কৰিব? নিশ্চয় ৰাষ্ট্ৰই ইয়াৰ দায়িত্ব ল'ব লাগিব। ছোভিয়েট ৰুছিয়াত সম্প্ৰতি চাইবেৰিয়ালৈ নিৰ্বাসন দিয়া নিৰ্মম শাস্তি (যাক 'চিলকা' বোলা হয়) উঠাই দিয়া হৈছে। এই শাস্তি উঠাই দিয়াৰ মূলত যি তত্ত্ব আছে, সি হ'ল, কোনো অপৰাধীক মানুহ হিচাপে ধ্বংস কৰাটো ৰাষ্ট্ৰৰ লক্ষ্য নহয়। স্বাধীনতাৰ লগত মানবিক অধিকাৰৰ সংগতি প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতা নেথাকিলে স্বাধীনতাৰ কোনো অৰ্থ নাথাকে। শোষণ প্ৰৱঞ্চনাৰে আৰু নানা অমানুষিক দমন কাৰ্যৰে মানুহক সদায় শান্ত-শিষ্ট কৰি ৰাখিব নোৱাৰি। অধিকাৰ প্ৰদান কৰিলেহে, মানুহে বিকাশৰ সুযোগ পাব এই কথা ৰাষ্ট্ৰই মনত ৰাখিব লাগিব। চেতনাৰ বৈকল্যত যিসকল ভুগিছে, তেওঁলোকে নিজৰ ভিতৰলৈ এবাৰ চালে বুজিব পাৰিব, আত্মা তেওঁবিলাকৰ কিমান কলুষিত। অৱশ্যে এই আত্মানুসন্ধানৰ ভোগবাদীৰ ক্ষেত্ৰত কিমানদূৰ কাৰ্যকৰী হ'ব ক'ব নোৱাৰি কিয়নো তেওঁলোকে ৰাজহুৱা মংগলৰ চেতনা একেবাৰে হেৰুৱাই পেলাইছে। তথাপিও, তেওঁবিলাকৰ ভিতৰত এনে মানুহ ওলাব পাৰে, যি গড্ডল প্ৰবাহৰ উৰ্ধলৈ যাব পাৰে। এজন শিল্পীয়ে যেনেকৈ প্ৰত্যাহ্বান জনাব পাৰে, তেওঁ তেনেকৈ উৰ্ধলৈ উঠিব পাৰে। ব্যক্তিৰ চেতনা যেতিয়ালৈকে বিকল আৰু ৰুদ্ধ হৈ থাকিব, তেতিয়ালৈকে সংস্কৃতিক অৱক্ষয় থাকিব। সাংস্কৃতিক অৱক্ষয় থকালৈকে অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ মনোবৃত্তিও নাথাকে। তাহানি গান্ধীয়েই আমাক সংগ্ৰামৰ পথ দেখুৱাইছিল। তেওঁৰ 'অসহযোগ' বীৰৰ অসহযোগ, তেওঁৰ অহিংসা বীৰৰ অহিংসা। যি কঠিন তপস্যা, ত্যাগ আৰু মৃত্যুঞ্জয়ী সাহসেৰে তৈয়াৰী। এই কথা আমি পাহৰি গৈছোঁ। ব্যক্তি সৎ হ'লে অন্যায়ৰ সতে অসহযোগ কৰিব পাৰে। গান্ধীজীয়ে এই সততাৰ ওপৰত গুৰুত্ব দি গৈছে। মাৰ্ক্সে পৰিবেশে (উৎপাদন পদ্ধতি আৰু উৎপাদন- শক্তি) চেতনাক নিয়ন্ত্ৰণ কৰে বুলি কৈছিল সঁচা, কিন্তু চেতনায়ে তাৰ আপোন শক্তিৰ বলত বাস্তৱ নিয়ন্ত্ৰণ কৰিব পাৰে বুলিও তেওঁ কৈ গৈছে। ইয়াৰ কাৰণ হ'ল, মানুহেই একমাত্ৰ প্ৰাণী যি চিন্তা বুদ্ধিৰ বিকাশ সাধন কৰিব পাৰে। "I think, therefore, I am' বিদেশী দাৰ্শনিকৰ এই কথাযাৰেও আমাক তাকেই কয়। গতিকে, আমাৰ গণতন্ত্ৰত মৌলিক বিপদ ক'ত তাক বুজি ৰাজনৈতিক নেতৃত্বই তাক তৎপৰ্যপূৰ্ণ আৰু অৰ্থৱহ কৰিবৰ বাবে প্ৰথমতে নিজৰে চেতনাক আধ্যাত্মিকভাৱে চহকী কৰি তুলিব লাগিব। অৱশ্যে এই আধ্যাত্মিকতাই ঐশ্বৰিক শৃংখলাক বুজোৱা নাই, ইয়াৰ অৰ্থ প্ৰকৃত বাস্তৱৰ জ্ঞান।
আমাৰ দুখ-সুখ উপলব্ধি কৰাৰ প্ৰৱণতা এটা নথকা পৰিবেশেই সাংস্কৃতিক অৱক্ষয়ৰ লক্ষণ সূচায়। শোষকসকলে, ভোগবাদীসকলে, এই কথা উপলব্ধি কৰাটো হয়তো দুৰাশা, কিন্তু শোষিতসকল তেনে নহয়। তেওঁবিলাকে পৰিবেশ পালে মানৱীয় গুণৰ অধিকাৰী হ'ব পাৰিব। এইসকল যদি সংগঠিত হৈ শান্তিপূৰ্ণ অসহযোগৰ আঁচনি গ্ৰহণ কৰে, তেনে শোষকসকলৰ ভোগলিপ্সা বা ক্ষমতাৰ লোভ আঁতৰিব পাৰে। নাঁতৰিলে ইতিহাস তেওঁবিলাকৰ বিৰুদ্ধে যাব। সেইবাবে, তেওঁবিলাকে সঁচা ৰাজনীতি কৰা উচিত। ৰাজনীতিয়ে বাস্তৱৰ আসোঁৱাহ সমূহলৈ আঙুলিয়াই তাৰ আমূল পৰিবৰ্তনৰ ওপৰত গুৰুত্ব দিয়ে। ৰাইজৰ ভৌতিক আৰু সাংস্কৃতিক মুক্তিৰ পৰিবেশ তেওঁবিলাকেই দিব লাগিব।

এই দায়িত্বৰ পৰা ৰাজনীতি কেতিয়াও মুক্ত নহয়। পুৰণি গাঁথনিৰ পৰা ওলাই আহি তাক সলনি কৰিবলৈ ৰাজনীতিয়েই চেষ্টা কৰিব লাগিব। কিন্তু, তেনে এটা দৃষ্টিভঙ্গি বা চেতনা আমাৰ গণতন্ত্ৰত এতিয়ালৈকে নাই। সাধাৰণ মানুহক ৰাজনীতিৰ চালিকা শক্তিত পৰিণত কৰিব নোৱাৰালৈকে প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠিত নহয়। ১৮ বছৰীয়া যুৱকক ভোটাধিকাৰ প্ৰদান কৰিলেই গণতন্ত্ৰ সঞ্জীৱিত হৈ নুঠে। আমাৰ দেশত শতকৰা ৩৫ ভাগ মানুহেহে লিখা-পঢ়া কৰিব পাৰে; এওঁবিলাকৰ ভিতৰতো বহুতেই আকৌ ভালকৈ বাতৰি কাকত এখনেই পঢ়িব নোৱাৰে। আনহাতে আন আন দেশত শতকৰা ৯০ ভাগলৈকে শিক্ষিতৰ হাৰ দেখা যায়, শিক্ষিতৰ সংখ্যা য'ত ইমান কম, ত'ত ১৮ বছৰীয়া বয়ঃসন্ধিপ্ৰাপ্ত যুৱকৰপৰা পুৰঠ ৰাজনৈতিক বিবেচনা আশা কৰিব পাৰিনে? তদুপৰি, নিৰ্বাচনত ক'লা ধনৰ প্ৰভাৱ আছেই। ইয়াক নিৰ্মূল কৰাৰ চেষ্টা চৰকাৰে কৰা নাই। নীতিহীনতা, দাৰিদ্য, বৈষম্য, স্বাৰ্থপৰতা আৰু হিংসাত্মক পৰিবেশৰে আচ্ছন্ন এখন জগতত সুস্থ আৰু জনকল্যাণমুখী নিৰ্বাচন হ'ব নোৱাৰে। কোনো এজন লেখকে কৈছিল, গণতন্ত্ৰত বাছি দিয়াটোৱেই ঘাই কথা, কি বাছি দিবা সেইটো ডাঙৰ কথা নহয়। আমাৰ ইয়াতো সেয়ে হৈ আছে।
আমি যদি সঁচাকৈয়ে সমাজবাদ বিচাৰোঁ, তেন্তে উৎপাদন পদ্ধতি এনেভাৱে পৰিকল্পিত হ'ব লাগিব যাতে এৰিধ নতুন মানুহৰ সৃষ্টি হয়, যি সমাজৰ বিকাশত ব্যক্তিগতভাৱে সৃষ্টিশীল অৱিহণা যোগাব পাৰে। প্ৰতিজন ব্যক্তিৰ গুণগত উৎকৰ্ষৰ কাৰণে তাত সুযোগ থাকিব। ব্যক্তিগত সম্পত্তিৰ বাবে আমাৰ যি মোহ,

৯ পৃষ্ঠাত চাওক

# মাটি কাৰ ?

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

**সদানন্দ চলিহা**

উদ্যোগীকৰণ বা উন্নয়নৰ নামত কৃষিজীৱী লোকসকল বিশেষকৈ জনজাতীয় ৰাইজ সদায় ক্ষতিগ্ৰস্ত হৈ আহিছে। তেওঁলোকৰ মাটি-বাৰীবোৰ সংৰক্ষণ কৰাৰ উদ্দেশ্যে ১৯৪৭ চনত ট্ৰাইবেল বেল্ট আৰু ব্লক কিছুমান গঠন কৰাৰ ব্যৱস্থা লোৱা হ'ল। তেতিয়া অসমৰ মুখ্যমন্ত্ৰী আছিল গোপীনাথ বৰদলৈ। অসম-ভূমি আৰু ৰাজহ বিধান, ১৮৮৬ Assam Land Revenue Regulation 1886) খন সংশোধন কৰি এটা অধ্যায় (দশম অধ্যায়) নতুনকৈ যোগ দিয়া হ'ল। এই অধ্যায়টোত মুঠতে ১২ টা ধাৰা আছে (১৬০-১৭১)। সংশোধনী আইনৰ প্ৰস্তাৱনাত কোৱা হৈছে, যিহেতু জনজাতীয় লোকসকল আদিম ৰীতি-নীতিতে চলি আছে, তেওঁলোকৰ শিক্ষা আৰু অন্যান্য সা-সুবিধাৰ অভাৱ, নিজকে নিজে ৰক্ষণাবেক্ষণ কৰিবলৈ আৰু নিজৰ উন্নয়ন সাধিবলৈ তেওঁলোক যিহেতু অক্ষম আৰু যিহেতু তেওঁলোকে জীৱিকাৰ অৰ্থে যথেষ্ট হোৱাকৈ খেতিৰ মাটি পাব পাৰে, সেই অৰ্থে এই সংশোধনীৰ ব্যৱস্থা কৰা হৈছে। দেখা গ'ল, ট্ৰাইবেল অধ্যুষিত এলেকাত কেৱল যে ট্ৰাইবেল সকলেহে বসতি কৰিছে তেনে নহয়; সেইটো পৰ্যায়ৰ আন কিছুমান মানুহো আছে। গতিকে ভৈয়ামৰ জনজাতীয় লোকসকলৰ লগতে পাহাৰী জনজাতি, সাঁওতালী বা চাওঁতাল (অবিভক্ত গোৱালপাৰা জিলাত এওঁলোকৰ সংখ্যা বেছ শকত) চাহবাগান, বনুৱা সম্প্ৰদায়ৰ আৰু তপছীলভুক্ত সম্প্ৰদায়কো জনজাতীয় লোকসকলৰ সৈতে সাঙুৰি লোৱা হ'ল। নেপালী গ্ৰেজিয়াৰ সকলকো পোনতে এই লেখত ধৰা হৈছিল। পিছত বাদ দিয়া হ'ল। এইটো বৰ ভাল কাম নহ'ল। কাৰণ তেওঁলোকে আৰ্থিক জীৱনৰ ঘাটি পৰা দিশ এটা সামৰি লৈছিল। সেইবাবে তেওঁলোক তাত থাকিবহে লাগিছিল। পিছত কোচ ৰাজবংশী সকলকো সংৰক্ষিত বেল্টত ভৰাই লোৱা হ'ল।

চৰকাৰে তৎমুহূৰ্ততে ট্ৰাইবেল বেল্ট ব্লকবোৰ গঠন কৰি দিয়া নাছিল। তেওঁলোকে মাথোন এনে ধৰণৰ ব্লক বা বেল্ট গঠন কৰাৰ অধিকাৰটোহে সাব্যস্ত কৰিছিল। সৰ্বপ্ৰথম কলাইগাঁৱত (দৰং) ট্ৰাইবেল বেল্ট এটা গঠন কৰা হ'ল (১২ জুলাই ১৯৪৭), কছাৰীপাৰা, তেজিয়াল, দলগাঁও আৰু ভুঞাখাত ট্ৰাইবেল বেল্টৰ ভিতৰত সোমাল। কিন্তু দেখা গ'ল, বেল্ট বিধিবদ্ধ হোৱাৰ পূৰ্বেই সেইবোৰ ঠাইত বহুতো মাটি 'বাহিৰা' (ওপৰত উল্লেখ কৰা শ্ৰেণী কেইটাৰ বাহিৰৰ) লোকে কিনিকুটি লৈছিল। তেওঁলোকে সেইবোৰৰ নাম-জাৰি বিচাৰিলে আৰু পালে। আকৌ বহুতো মাটি ১২ জুলাইৰ পিছত কিনি আগতে বাইনা দিয়া বুলি কৈ ৰেজিষ্ট্ৰেশ্যন বিচৰা হ'ল। সেইটোও পালে। ট্ৰাইবেল বেল্টৰ মাটি হস্তান্তৰিত হ'ব নোৱাৰে বুলিহে আইনে কৈছিল। আগতে হস্তান্তৰিত হোৱা মাটিৰ ৰেজিষ্ট্ৰেশ্যন হ'ব পাৰে। এইবোৰ ফাক আইনত থাকি যোৱা বাবে ট্ৰাইবেল আৰু তেওঁলোকৰ সমযোত্ৰীয় লোকসকলৰ হাতত মাটি নৰ'ল। আনকি একচনীয়া মাটিও বিক্ৰী হৈ গ'ল। পিছত কিনা মাটিও আগতে আগতে কিনা বুলি প্ৰমাণিত কৰি ৰেজিষ্ট্ৰেশ্যন লোৱা হ'ল।

গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী এলেকাত ট্ৰাইবেল বেল্ট গঠন কৰা হ'ল ১৯৫৫ চনত। তেতিয়া মুখ্যমন্ত্ৰী আছিল বিষ্ণুৰাম মেধি। ইয়াতো দেখা গ'ল যে ট্ৰাইবেল লোকৰ মাটি একচনাই হওক বা ম্যাদীয়েই হওক আগতে অন্যান্য মানুহে কিনি ল'লেই। প্ৰশ্ন উঠিব পাৰে, জনজাতীয় লোকসকলে মাটিবোৰ এনেদৰে বিক্ৰী কৰি দিলে কিয়? ইয়াৰ প্ৰথম কাৰণ হ'ল, মাটিৰ মূল্যৰ বাবদ ৰূপিত মাটিতে (দ/আলতীয়া) তেওঁলোকে কঠাত ২০ হাজাৰৰ পৰা ৪০ হাজাৰলৈকে পালে। পথাৰ একোখন বিক্ৰী কৰি ইমান টকা পোৱা যাব পাৰে বুলি তেওঁলোকে ভাবিবই পৰা নাছিল। দ্বিতীয়টো কাৰণ হ'ল, মাটিখিনি তেওঁলোকে নিজৰ হাতত ৰাখি থলে এদিন নহয় এদিন চৰকাৰে অধিগ্ৰহণ কৰিব। তেতিয়া মাটিৰ মূল্য বাবদ তেওঁলোকে ২০ হাজাৰহে নালাগে ৫ হাজাৰো নাপাব। (এই শংকা অমূলক নহয়)। তৃতীয়টো কাৰণ হ'ল, তেওঁলোকৰ মাটিবোৰৰ বেছিভাগ আছিল একচনা। এই একচনা মাটিবোৰ তেওঁলোকে পুৰুষানুক্ৰমে ভোগ কৰি আহিছে যদিও ম্যাদী কৰি ল'ব পৰা নাই। গতিকে সেইবোৰ জঞ্জাল চম্ভালিব পৰা মানুহ যদি ওলায়, তেন্তে ভালেই। তেওঁৱেই কিনি লওক।

১৯৬৪ চনত ৰাজহ আইনখন (১৮৮৬, সংশোধনী ১৯৪৭) আকৌ সংশোধিত কৰি কেইটামান ছেদ যোগ দিয়া হ'ল। তেতিয়া মুখ্যমন্ত্ৰী আছিল বিমলা প্ৰসাদ চলিহা। ট্ৰাইবেল এলেকাৰ মাটি বিক্ৰীতেই হওক বা লীজতেই হওক হস্তান্তৰিত কৰিব নোৱাৰা কৰা হ'ল। এনে ধৰণে হস্তান্তৰিত যদি হৈছে, তেন্তে কিনোতাই সেই মাটিৰ পট্টা পাব নোৱাৰে। তেনে মাটি কোনেও বন্ধকতো ল'ব নোৱাৰিব। এনে ধৰণৰ লেনদেনৰ ৰেজিষ্ট্ৰেশ্যনো হ'ব নোৱাৰে।

যিটো লম্ফজম্ফ কৰি চলিহা চৰকাৰে এই আইনখন সংশোধিত কৰিলে, তালৈ চাই আমি ভাবিছিলো যে এইবাৰ ট্ৰাইবেল লোকক সূচ্যাগ্ৰ পৰিমিত মেদিনীও আনে সৰকাব নোৱাৰে; গদাহস্তে খোদ মুখ্যমন্ত্ৰী দণ্ডায়মান হৈছে। কিন্তু আমাৰ মোহভঙ্গ হ'বলৈ বেছিপৰ নালাগিল। এই সংশোধনী বৰযুণ গ'লে মূৰত জাপি লোৱাৰ নিচিনা হ'ল। তেতিয়ালৈ ট্ৰাইবেল বা তৎস্থানীয় লোকৰ হাতত আগৰ মাটিৰ শতকৰা ২৫ ভাগহে বাকী আছিল। ইখিনি ইতিপূৰ্বে হস্তান্তৰিত হৈ গ'লেই। উপায়ান্তৰত পৰি চলিহা চৰকাৰে ওলোটা খৰ মাৰিলে। ১৯৬৯ চনত চলিহাৰ ৰাজহমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিধানসভাত ঘোষণা কৰিলে যে গুৱাহাটীৰ লগালগিকৈ থকা ট্ৰাইবেল ব্লকটো একেবাৰে উঠাই দিয়া হ'ল। বিধান সভাত এই বিষয়টোৰ ওপৰত বেছ সৰৱ বিতৰ্ক হৈছিল। ৰাজহ মন্ত্ৰীয়ে ব্লক উঠাই দিয়াৰ সপক্ষে যিবোৰ যুক্তি দাঙি ধৰিলে, তাৰ সাৰমৰ্ম হ'ল এয়ে যে ট্ৰাইবেল বেল্টৰ মাটিবোৰ ইতিপূৰ্বে জনজাতীয় লোকৰ হাতৰ পৰা এৰাই গ'ল। যিবোৰ মানুহে কিনি ল'লে, সেইবোৰৰ পৰা চৰকাৰে

ৰাজহ পাব লাগিলে, মাটিৰ লেনদেনবোৰত স্বীকৃতি জনাব লাগিব। তদুপৰি উদ্যোগী কৰণৰ যিটো ধুম উঠিছে, সেইটোৰ সন্মুখত ট্ৰাইবেল ব্লক এটা তিষ্ঠি থাকিব নোৱাৰে। বিকল্প একো নাই যেতিয়া ৰাজহ মন্ত্ৰীৰ যুক্তিকে আমি মানি ল'ব লাগিব।

১৯৭৪ চনত চৰকাৰে ভৈয়াম জনজাতি কল্যাণ পৰিষদৰ উপ-সমিতি এটাক ট্ৰাইবেল বেল্ট আৰু ব্লকবোৰৰ মাটি-বাৰীৰ খতিয়ান এটা পৰ্যালোচনা কৰি চাবলৈ দিয়ে। উপসমিতিয়ে তদন্ত কৰি দেখিলে যে চৰকাৰী শাসনযন্ত্ৰটো হাত কৰি লৈ বাহিৰা মানুহে ট্ৰাইবেল বেল্টৰ মাটি হস্তগত কৰিয়েই আছে। ৩৭ টা ট্ৰাইবেল বেল্টৰ মুঠ ১৩২ হাজাৰ বিঘা ম্যাদী পট্টাৰ মাটি ট্ৰাইবেল লোকৰ পৰা অজনজাতীয় লোকলৈ হস্তান্তৰিত হৈছে। তদুপৰি ৬১,৫২৭ বিঘা মাটি বেদখল কৰা হৈ গৈছে। উপসমিতিৰ পৰামৰ্শ হ'ল এই যে বেদখলকাৰীক উচ্ছেদ কৰি মাটিবোৰ মোকলাই আগৰ মাটিগিৰীক চমজাই দিব লাগে আৰু পূৰ্ব বংগৰ ভগনীয়া সকলক ট্ৰাইবেল ব্লকবোৰৰ সংস্থাপিত কৰিব নালাগে।

এই তথাকথিত বেদখলবোৰ প্ৰকৃততে বেদখল নহয়, বেনামা বিক্ৰীহে। পূৰ্ব বংগৰ ভগনীয়া বহুতকে ইতিপূৰ্বে ট্ৰাইবেল বেল্টত সংস্থাপিত কৰা হৈছিলেই। এতিয়া তেওঁলোকক উচ্ছেদ কৰাটো সম্ভৱপৰ নহয়। ৰেৱা, মহেশ্বৰ, জপতা, মিতনি, আজুৰি ইত্যাদি ঠাইত যিসকল ভগনীয়া বহিল, তেওঁলোকে আকৌ আন আন ভগনীয়া গোটাই ল'লে। তেওঁলোকৰ সৈতে প্ৰতিদ্বন্দ্বিতাত তিষ্ঠিব নোৱাৰি খিলঞ্জীয়া লোকসকল স্থানচ্যুত হ'ল।

১৯৮১ চনত ভূমি আইনখন (১৮৮৬, সংশোধিত ১৯৪৭, আৰু ১৯৬৪) আকৌ সংশোধিত কৰা হ'ল। এই সংশোধনীত ট্ৰাইবেল বেল্টবোৰৰ ৰক্ষণাবেক্ষণৰ অৰ্থে প্ৰতিখন জিলাত একোজনকৈ অতিৰিক্ত উপায়ুক্ত আৰু সংশ্লিষ্ট চাৰ্কোলবোৰত একোজনকৈ অতিৰিক্ত উপপ্ৰতি সমাহৰ্তা নিয়োগ কৰাৰ ব্যৱস্থা কৰা হ'ল। এই সংশোধনী আছিল তেনেই অনাৱশ্যক। আইনখনত যদি কিবা ফাক আছে, তেন্তে অফিচাৰ এজনহে নালাগে, এশজন থাকিলেও মাটিৰ এনে ব্যৱসায় বন্ধ কৰিব নোৱাৰে। তদুপৰি মাটি এবাৰ হস্তান্তৰিত বা বিক্ৰি হ'লে পিছত তাক নিয়মিত কৰি লোৱাৰ উপবন্ধ আইনখনৰ ১৬৬ ধাৰাত দিয়া আছে।

ট্ৰাইবেল লোকৰ মাটিখিনি ধৰি ৰখাত চৰকাৰৰ আন্তৰিকতা নাই নেকি? মোৰ বোধেৰে আন্তৰিকতা নোহোৱা নহয়। সমস্যা হ'ল এই যে আমাৰ দেশৰ আইনমতে মাটি হ'ল ব্যক্তিগত সম্পত্তি (Private Property)। অন্যান্য সম্পত্তিৰ দৰে ইয়াৰ কিনা-বিকা হ'ব পাৰে। চৰকাৰে যিবোৰ আইন কৰিছে, তাত য'তে বিধি (rule) এটা দিয়া হৈছে, ত'তে তাৰ ব্যতিক্ৰমটোও দিয়া হৈছে। কোনোবা যদি বিধিমতে ধৰা পৰে, তেন্তে ব্যতিক্ৰম অনুযায়ী সাৰি যায়। তথাপি চৰকাৰে এটা কাম কৰিব পাৰিলেহেঁতেন। তেওঁলোকে এটা এটাকৈ ট্ৰাইবেল ব্লকবোৰ নুখুলি ১৯৪৭ চনতে একেলগে আটাইবোৰ (মুঠ- ৩৭ টা) বেল্টৰ সীমা-আমনা ঠিক কৰি দিব লাগিছিল। এটা নিৰ্দিষ্ট তাৰিখ ধৰি সেই তাৰিখৰ পৰা এই বেল্টবোৰৰ ভিতৰত য'ত যিমান একচনা মাটি আছে, সকলোবোৰ ম্যাদী কৰি পেলাব লাগিছিল আৰু সেই বেল্টৰ ভিতৰৰ মাটি কোনেও চৰকাৰৰ বিনা অনুমতিত কিনিব নোৱাৰিব বুলি হুকুম জাৰি কৰিব লাগিছিল। সেয়ে হ'লে কিছু মাটি জনজাতীয় লোকৰ হাতত ৰৈ গ'লহেঁতেন। এতিয়া জনজাতীয় বেল্টবোৰত ৩,১৫৩ খন গাওঁ (কেডেষ্ট্ৰিয়েল) আছে। এইবোৰত ১৭,৭৪,০০০ লোকে বসবাস কৰে। কিমান মাটি এওঁলোকৰ চাৰেক দখলত আছে, কিমান দায়গ্ৰস্ত (Excumbered) হৈ আছে, তাৰ হিচাব উলিয়াবলৈ ৩৭ টা মান তদন্ত আয়োগ বহুৱাব লাগিব। এই ১৮ লাখ জনজাতীয় লোকক কোনোপধ্যে স্থানচ্যুত হ'বলৈ এৰি দিব নোৱাৰি। এইটো কেৱল ট্ৰাইবেল সমস্যা নহয়, কৃষিজীৱী মাত্ৰৰে সমস্যা।

আমোলাতন্ত্ৰ বা তথাকথিত 'দুৰ্নীতিপৰায়ণ' বিষয়াবৰ্গৰ সহযোগ ধনী মানুহবোৰে ট্ৰাইবেল লোকসকলৰ মাটিবোৰ কিনি লৈছে বুলি ক'লেই দায়িত্ব পালন কৰা নহয়। চাপৰিলে মেঘ নেৰায়। মাটি বিক্ৰীৰ সিটো দিশলৈও চাব লাগিব। ধৰক, গুৱাহাটী টাউনৰ মিউনিচিপেল এলেকাৰ ভিতৰত থকা মাটি এডোখৰ কঠাত ৮০,০০০ টকাত বিক্ৰী হ'ল। তাৰে গাত লাগি থকা মিউনিচিপেল এলেকাৰ বাহিৰৰ মাটি এডোখৰ ট্ৰাইবেল লোক এজনে কঠাত ৬০,০০০ টকা মূল্যত বিক্ৰী কৰিব খুজিছে। তেওঁক আইনে কিয় নিষেধ কৰিব? পইচা তেওঁক নালাগে নেকি? ইয়াত পইচাৰ জোৰ যাৰ বেছি হ'ব, মুলুকো তাৰেই হ'ব। তেনেহ'লে মাটি কাৰ? টকা আছে যাৰ ●

৭ পৃষ্ঠাৰ পিছৰ পৰা

সেই মোহ বহু পৰিমাণে সংযত কৰাৰ পৰিৱেশ এটাও তাত নিশ্চয় সৃষ্টি হ'ব। এজন মানুহক যিখিনি নিদিলে নহয়, সেইখিনিতকৈ বেছি দিয়াটো কাৰো পক্ষে কল্যাণকৰ নহয়। এই ত্যাগৰ বাবে আমাক লাগিব হৃদয় ধৰ্ম আৰু বৌদ্ধিক শক্তি। ইয়াৰ অধিকাৰী হোৱাৰ সুবিধা সেই সমাজত থাকিব; কিয়নো তাত ভৌতিক উন্নতিয়েই শেষ কথা নহয় সাংস্কৃতিক বিকাশো লগে লগে চলি থাকিব। এইবোৰৰ ফলস্বৰূপে যি নতুন মানুহ ওলাই আহিব, সি ভদ্ৰ, বিবেক সম্পন্ন আৰু সংস্কৃতিবান হ'ব। এই ধৰণৰ মানুহ সকলো সংকীৰ্ণতাৰ পৰাও মুক্ত হ'ব। কোনোৱে হয়তো, ইয়াক দিবাস্বপ্ন বুলি ক'ব পাৰে; কিন্তু ই অসম্ভৱ নহয়।

নতুন বিশ্ব-শৃংখলাৰ যি ইংগিত দেখা গৈছে তাৰ মূলত আছে মানুহৰ সততা আৰু বৌদ্ধিক শক্তি। আধুনিক হোৱা মানে কেৱল সৎ হ'বলৈ চেষ্টা কৰাই নহয়, লগতে বৌদ্ধিক বিশ্লেষণ শক্তিও অৰ্জন কৰা; নহ'লে ক্ৰমশঃ জটিল হৈ পৰা সমাজৰ আসোঁৱাহবোৰ চকুত নপৰে। আমাৰ দৰে উন্নয়নশীল দেশত সমস্যা বহুত, দাৰিদ্ৰ্য আৰু অজ্ঞতাৰ মাজত লাখ লাখ মানুহ বুৰ গৈ আছে। আমাৰ কৰ্ণধাৰসকলে এইবোৰ কথা কয়, কিন্তু তাৰ প্ৰতিকাৰৰ বাবে প্ৰয়োজনীয় সততা, আৰু বৌদ্ধিকশক্তি তেওঁবিলাকৰ নেথাকে। ৰাজনৈতিক নেতৃত্বই এই গুণসমূহ অৰ্জন কৰিব লাগিব। আমাৰ দেশৰ পৰিবেশ এতিয়া ডাৱৰে আবৰা। দ্বেষ-বিদ্বেষ, ঈৰ্ষাৰ অগ্নি কুণ্ড নাগৰিক জীৱনৰ কপটতা, ভোগবাদৰ নিচা, দুৰ্নীতিৰ বিষ আদি নানা অশান্তিৰ ধুমুহাত দেশ এখনৰ ভৌতিক, সাংস্কৃতিক আৰু সামাজিক উন্নতি আকাশ-কুসুম। ব্যক্তি আৰু সমাজৰ পাৰস্পৰিক সম্পৰ্ক সুস্থ কৰিবলৈ ব্যক্তিও সমাজৰ উৰ্ধলৈ গৈ ব্যৱস্থাটোৰ ভাল বেয়া জনা প্ৰয়োজন। ব্যক্তি সৎ, যুক্তি প্ৰৱণ আৰু বাস্তৱবোধসম্পন্ন হোৱাৰ যি ধাৰণা আছে, তাৰ পুনৰ্জন্ম নহ'লে কোনো সম্পৰ্কই মানৱীয় হ'ব নোৱাৰে। মানবীয় প্ৰমূল্যক জীয়াই ৰাখিব প্যাৰিলেহে – কথা আৰু কামৰ প্ৰভেদ গুচিব আৰু নতুন সংস্কৃতিৰ জন্ম হ'ব। পইচা আৰু বাহুবল সংস্কৃতি নহয়। ইতিহাসেই আজি আমাক এইবুলি সকীয়াই দিছে যে আমাৰ চৰিত্ৰত পৰিমিতিবোধ নাথাকিলে ভৱিষ্যত অন্ধকাৰ। এই কাম আমি কৰিব পাৰিলে গণতন্ত্ৰও সুস্থ হ'ব। তাকে যদি আমি কৰিব নোৱাৰোঁ আমি কেৱল অপসংস্কৃতিৰ জনক হৈয়ে থাকিম আৰু আমাৰ সৰ্বনাশ আমি নিজেই মাতি আনিম। ধৰ্ম জাতি ভাষা আনকি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাকো ভোট আৰু ক্ষমতা লাভৰ আহিলা হিচাপে ব্যৱহাৰ কৰি আমি সুস্থ গণতন্ত্ৰ স্থাপন কৰিব নোৱাৰোঁ।●

# অসমক অখণ্ডিত কৰি ৰখাৰ বাবে আমি কি ব্যৱস্থা লৈছো

**সদা শইকীয়া**

শেহতীয়াকৈ ৰাজহুৱা সভাত ভাষণ দিওঁতে মুখ্যমন্ত্ৰী মহন্তই কোৱা কথাবোৰৰ ভিতৰত দুটাই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। প্ৰথমতে, যোৰহাটত তেওঁ কয় যে, ৰাজ্য চৰকাৰে অসমক উত্তৰ-পূব অঞ্চলৰ অন্য ৰাজ্যসমূহৰ দৰে বিশেষ শ্ৰেণীৰ ৰাজ্যৰ মৰ্যাদা দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে। দ্বিতীয়তে, অলপতে কোকৰাঝাৰত ৰাজহুৱাভাৱে দিয়া এক ভাষণ প্ৰসঙ্গত তেওঁ দৃঢ়তাৰে কয় যে অসমক পুনৰ খণ্ডিত হ'বলৈ দিয়া নহ'ব। তেওঁ কংগ্ৰেছ(ই) দলক সমালোচনা কৰি কয় যে এই দলটোৱে অসম গণ পৰিষদৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলাই জনসাধাৰণৰ মাজত বিভাজন অনাৰ উদ্দেশ্যে জনগোষ্ঠীক সুকীয়া ৰাজ্যৰ বাবে উচটাইছে আৰু এই প্ৰক্ৰিয়াৰে বিভিন্ন গোটৰ মাজত অশান্তি আৰু বিভ্ৰান্তিৰ সৃষ্টি কৰি অসম গণ পৰিষদ চৰকাৰক ক্ষমতাচ্যুত কৰিবলৈ বিচাৰিছে। তেওঁ লগতে বিভাজনকাৰী শক্তিক সতৰ্ক কৰি দিয়ে যে "অসম চৰকাৰে অসমক পুনৰ খণ্ডিত হ'বলৈ নিদিব।"



মুখ্যমন্ত্ৰীৰ সতৰ্ক বাণীটো যে যথেষ্ট বলিষ্ঠ হৈছে তাত সন্দেহ নাই। কিন্তু কংগ্ৰেছ(ই) বা অন্য বিভাজনকাৰী শক্তিয়ে ৰচনা কৰা কৌশল ব্যৰ্থ কৰাৰ বাবে অসম চৰকাৰ বা অসম গণ পৰিষদ দলে কি বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিছে বা কৰিবলৈ লৈছে সেয়াহে মূল কথা **আমাৰ চকুৰ আগতেই অসমৰ পৰা ইখনৰ পিছত সিখন পৃথক ৰাজ্যৰ সৃষ্টি হৈ গ'ল। অসমত গোপীনাথ বৰদলৈৰ পিছত এজনো নেতা নোলাল যি এই পৃথকীকৰণবোৰক বাধা দিব পাৰিলে।** কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলটোক ভাগ ভাগ কৰি দুৰ্বল কৰি ৰখাৰ ঔপনিবেশিক নীতি হেলাৰঙে সাব্যস্ত কৰি আহিছে। ইমানদিনে অসমৰ শাসনৰ গাদীত থকা কংগ্ৰেছ দলে কি মাৰাত্মক ভুল কৰি আহিছে সেয়া ব্যাখ্যা নকৰিলেও বুজিবলৈ আৰু কোনো সচেতন লোকৰ বাকী নাই। যদি তেওঁলোকৰ বংশধৰসকলে এতিয়া আকৌ সুকীয়া ৰাজ্যৰ বাবে অসমৰ জনগোষ্ঠীক উচটনি দি থকাটো সত্য বুলি প্ৰমাণিত হয় তেন্তে অসমৰ জনসাধাৰণে নিশ্চয় ইয়াৰ বিচাৰ কৰিব। কিন্তু সেই অৱস্থালৈ যোৱাৰ পূৰ্বে অসমৰ জনসাধাৰণে লক্ষ্য কৰিব- বিভাজনকাৰী শক্তিসমূহৰ কূট-কৌশল ব্যৰ্থ কৰাৰ বাবে অসমৰ গণ পৰিষদ চৰকাৰ বা গণ পৰিষদ দলে কি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। সুকীয়া ৰাজ্যৰ দাবী তোলাসকলক শান্তিৰ পথলৈ আহিবৰ বাবে আহ্বান জনাই থাকিলেই নিশ্চয় সমস্যাটোৰ ওৰ নপৰে। এই ক্ষেত্ৰত, ভালেমান প্ৰশ্নই আমাৰ মনত ভুমুকি মাৰে। ধৰি লওক, সাধাৰণঃ এটা প্ৰশ্নঃ জনজাতীয় লোকসকলৰ মাজেৰেই এক বুজন সংখ্যক সচেতন লোকে সুকীয়া ৰাজ্যৰ দাবীটো যুক্তিসঙ্গত হোৱা নাই বুলি ভাবে। তেওঁলোকে ভাবে- অসমৰ জনজাতীয় লোকসকলৰ আৰ্থ-সামাজিক সাংস্কৃতিক বিকাশৰ কাম-কাজ ত্বৰান্বিত কৰি তোলা উচিত; তেওঁলোকক যাতে কোনো চক্ৰই কোনো ৰকমে শোষণ কৰিব নোৱাৰে তাৰ বাবে সম্পূৰ্ণ ৰক্ষণাবেক্ষণ দিয়া উচিত আৰু সম্প্ৰতি যাতে তেওঁলোকৰ ন্যায্য স্বাৰ্থ ব্যাহত হৈছে তাতেই আৰ্থ-সামাজিক ন্যায় যথাশীঘ্ৰে প্ৰতিষ্ঠা কৰা উচিত- ইত্যাদি। এতিয়া প্ৰশ্ন হৈছে (১) এই লোকসকলক সংগঠিত মাধ্যমেৰে জনজাতীয় লোকৰ মাজত সেৱা আগবঢ়াবলৈ চৰকাৰে কি সুবিধা কৰি দিছে? (২) দ্বিতীয়তে, এই লোকসকলক অসম গণ পৰিষদ দলে দলীয় নেতৃত্বৰ আসনলৈ আনিব পাৰিছেনে? এই লোকসকলৰ মাজৰ পৰা অসম গণ পৰিষদ দলে দলীয় কৰ্মীৰ দল সৃষ্টি কৰিব পাৰিছেনে? (৩) তৃতীয়তে, ট্ৰাইবেল চাবপ্লেনৰ নামত চৰকাৰৰ ভড়ালৰ পৰা যি ধন ব্যয় কৰা হৈ আছে- তাৰ ফলাফলসমূহ কেনেধৰণৰ হৈছে সেই বিষয়ে চৰকাৰে সঘনে পৰ্যালোচনা কৰি চাইছেনে? (৪) চতুৰ্থতে, জনজাতীয় অঞ্চলসমূহৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ নিয়াৰিকৈ কাৰ্যকৰী কৰা হৈছেনে? এই আঁচনিসমূহৰ প্ৰতি জনজাতীয় ৰাইজক আগ্ৰহান্বিত কৰা হৈছেনে? এই আঁচনিসমূহৰ উপকাৰিতাৰ কথা জনজাতীয় ৰাইজক অৱগত কৰোৱা হৈছেনে? (৫) পঞ্চমতে, অতি গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে- জনজাতীয় বেষ্টনীসমূহত বৰ্তি থকা শোষণমূলক কাৰ্যকলাপ বন্ধ কৰাৰ বাবে কি বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

এই কথা সঁকিয়াই দিয়াৰ কোনো প্ৰয়োজন নাই যে জনজাতীয় ৰাইজৰ মনত সুমুৱাই দিয়া অসন্তুষ্টিৰ বীজ নিৰ্মূল কৰিবলৈ হ'লে তেওঁলোকৰ মাজত আৰ্থ-সামাজিক উন্নয়নৰ কাম-কাজ সময়োচিত গতিৰে আগুৱাই নিব লাগিব আৰু ইয়াৰ গুৰি ধৰিব লাগিব জনজাতীয় নেতা আৰু কৰ্মীসকলেই। বৰ বৰ আমোলাৰ ফাইলত লিপিবদ্ধ হিচাপ নিকাচত জনজাতীয় অঞ্চলৰ বিকাশৰ ছবি চাই মন জুৰাই থাকিলে নহ'ব। অথবা সমস্ত ৰাইজৰ নেতৃত্বৰ বোজা নিজ কান্ধতেই জাপি লোৱাৰ দম্ভ চলাই ৰাখিলেও নহ'ব। বিভাজনমুখী ৰাজনীতি প্ৰতিহত কৰাৰ বাবে সৰ্বপ্ৰথমে প্ৰয়োজনীয়তা হৈছে -ঐক্য আৰু সংহতিৰ ক্ষেত্ৰবোৰ চিহ্নিত কৰি এক তৎকালীন গঠনমূলক কাৰ্যসূচীৰে এই ক্ষেত্ৰবোৰত চৰকাৰ আৰু দলৰ সহযোগিতাৰে জনগণক সংগঠিত কৰি তোলা। অসমত জনজাতীয় ৰাইজ আৰু থলুৱা

*১ ম বছৰ সপ্তম সংখ্যা 'ৰূপান্তৰ'ত "কিমান দিন ৰৈ থাকিম" শিৰোনামাৰে আমি লিখা আলোচনাটিত "হতাশাগ্ৰস্ত" বুলি যি উল্লেখ কৰিছিলো তাৰ দ্বাৰা অসমৰ কোনো সংগঠনকে আমি বুজোৱা নাছিলো। আলফাৰ উদ্দেশ্য আছে, সংগঠন আছে। গতিকে আলফাক হতাশাগ্ৰস্ত ডেকাসকলৰ সংগঠন বুলি কোনো পধ্যেই ক'ব নোৱাৰো। -লিখক।*

*আমাৰ চকুৰ আগতেই অসমৰ পৰা ইখনৰ পিছত সিখন পৃথক ৰাজ্যৰ সৃষ্টি হৈ গ'ল। অসমত গোপীনাথ বৰদলৈৰ পিছত এজনো নেতা নোলাল যি এই পৃথকীকৰণবোৰক বাধা দিব পাৰিলে।*

অজনজাতীয় ৰাইজৰ স্বাৰ্থৰ মাজত বিৰোধিতা নাই। **জনজাতীয় অঞ্চলসমূহত আৰু অজনজাতীয় অঞ্চলসমূহত শোষণমূলক কাৰ্যকলাপ এটা শ্ৰেণীয়েই চলাই আছে। উদাহৰণ স্বৰূপে অসমৰ বনজ সম্পদৰ ভিত্তিত যি কেইটা শিল্প স্থাপন কৰা হৈছে বা যিবিলাক ব্যৱসায়িক কাম-কাজৰ সম্প্ৰসাৰণ ঘটিছে সেইবিলাকৰ গুৰি ধৰিছে অসমৰ বাহিৰৰ এক শোষণকাৰী চক্ৰই।** আন কি, একচেতিয়া পুঁজিপতিৰ মূলধনো পোনপটীয়া আৰু পৰোক্ষ -উভয় ধৰণেৰে নিয়োজিত হৈ পৰিছে। এতিয়া বনজ সম্পদৰ ভিত্তিত বিভিন্ন উদ্যোগো গঢ়ি তোলাৰ বাবে থলুৱা প্ৰচেষ্টা গঢ়ি তোলাটোও হ'ব- ঐক্য আৰু সংহতিৰ এক উমৈহতীয়া পদক্ষেপ। ই উমৈহতীয়া সংহতিমূলক কাৰ্যসূচীৰ এটা মাত্ৰ ইঙ্গিতহে। অসমৰ থলুৱা জনজাতীয় বোৱনীসকল আৰু অজনজাতীয় বোৱনীসকল বয়ন-কাৰ্যত সিদ্ধহস্ত। কিন্তু তেওঁলোকৰ মাজত বয়ন-শিল্পটো আজিকোপতি ব্যৱসায়িক ভিত্তিত প্ৰতিষ্ঠা কৰিব পৰা নাই। তেওঁলোকৰ মাজত বয়ন-শিল্প ব্যৱসায়িক ভিত্তিত প্ৰতিষ্ঠা কৰিব পাৰিলে তেওঁলোকৰ নিজৰ চাহিদা পূৰণ কৰাৰ উপৰিও আভ্যন্তৰীণ আৰু বিদেশী উভয় বজাৰৰ স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ব। আৰু এটা সাধাৰণ উদাহৰণ দিব পাৰি। দিল্লী-মাদ্ৰাজ আদি ঠাইৰ পৰা আমদানি কৰি অনা কণীৰ বজাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ থিতাপি লাগি পৰিছে। বাহিৰৰ পৰা অনা কণীৰ বজাৰখন শেযত দিনক দিনে সম্প্ৰসাৰিত হৈছে। অসমৰ জনজাতীয় অঞ্চলসমূহত (অজনজাতীয় অঞ্চলসমূহতো) হাঁহ-কুকুৰা পাম ব্যাপকভাৱে গঢ়ি তুলিব নোৱাৰাৰ কোনো কাৰণ নাই। সেইদৰে গাহৰি পাম, ছাগলী (ভেড়া) পাম, মীন মহল, জালুক জিৰা-ধনীয়া আদি মচলা জাতীয় শস্যৰ খেতি, আদাৰ খেতি, ৰবৰৰ খেতি, ফলমূল সংৰক্ষণ আৰু ফলমূলৰ প্ৰক্ৰিয়াকৰণ, উদ্যোগ আদি গঢ়ি তুলিব পাৰি। জনজাতীয় ডেকা চামটোক এইবিলাক কৰ্মৰ জৰিয়তেই সংগঠিত কৰিব পৰা যায়। এটা কথা আমি অতি গুৰুত্ব সহকাৰে মন কৰা উচিত যে জনজাতীয় অঞ্চলসমূহত অৰ্থনৈতিক বিকাশৰ কাম-কাজ আমি যিমান দ্ৰুততা আৰু দক্ষতাৰে কৰি যাম সিমানেই বিভাজনমুখী ৰাজনীতিৰ অনুপ্ৰবেশকো বাধা দি যাব পাৰিম।

**১৯৭১ চনত অসমৰ নগৰাঞ্চলত বসবাস কৰা জনজাতীয় লোকৰ শতকৰা ৩৪.৯৪ জন পুৰুষ আৰু** শতকৰা ৫.৭৪ গৰাকী মহিলাই শ্ৰমিক আছিল। সেইদৰে সেই বছৰ অসমৰ গাঁৱত বসবাস কৰা জনজাতীয় ৰাইজৰ শতকৰা ৪৬.৭৬ জন পুৰুষ আৰু শতকৰা ৩.৩৫ গৰাকী মহিলা আছিল শ্ৰমিক। অসমৰ জনজাতীয় ৰাইজৰ এই শ্ৰম-শক্তি ১৯৭১ চনৰ পৰা বৰ্তমানলৈ নিশ্চয় বহু পৰিমাণে বৃদ্ধি পাইছে। এই শক্তিটোক লাভজনকভাৱে কেনেকৈ উৎপাদনৰ আৰু ব্যৱসায়ৰ কাৰ্যত নিয়োজিত কৰিব পৰা যায় সেইবিষয়ে চৰকাৰে কি কৰিছে আমি নাজানো, কিন্তু তাৰ প্ৰয়োজনীয়তা যে চৰম বিন্দুত উপনীত হৈছেহি সেইকথা ন-দি কোৱাৰ প্ৰয়োজন নাই।

১৯৭৪ চনৰ তথ্যমতে অসমত ১৬২০ হেজাৰ হেক্টাৰ সংৰক্ষিত বনাঞ্চল আৰু ১২২৯ হেজাৰ হেক্টৰ অশ্ৰেণীভুক্ত ৰাজ্যিক বনাঞ্চল আছে। ৰাজ্যখনৰ মুঠ ভৌগোলিক ক্ষেত্ৰৰ শতকৰা ৩৫ ভাগেই বনাঞ্চলে আগুৰি ৰাখিছে। গোটেই দেশৰ সৰ্বমুঠ ভৌগোলিক ক্ষেত্ৰৰ শতকৰা ২০.৫ ভাগ ক্ষেত্ৰহে বনাঞ্চলে আগুৰা। এতেকে সহজেই বুজিব পাৰি যে অসমৰ মাটিত কৃষিৰ পিছতেই বনজ সম্পদৰ স্থান। বনাঞ্চলৰ পিছতেই উল্লেখ কৰিব পাৰি চাহ শিল্পৰ কথা। ১৯৭৩ চনৰ তথ্যমতে অসমৰ ১৮৬০৯৯ হেক্টাৰ মাটিত চাহ খেতি কৰা হয় আৰু এই শিল্পত প্ৰায় ৫ লাখ বনুৱা নিয়োজিত হৈ আছে। বনাঞ্চল আৰু চাহ শিল্পক ভিত্তি কৰি অসমৰ থলুৱা জনসাধাৰণক, ঘাইকৈ জনজাতীয় ৰাইজক কেনেকৈ উপকৃত কৰিব পাৰি, সেই বিষয়ে ফলদায়ক কাৰ্যসূচী যুগুতোৱা হৈছেনে? আমাৰ সৰ্বসাধাৰণ মানুহৰ চকুত তেনে ধৰণৰ উল্লেখযোগ্য কাৰ্যসূচী পৰিলক্ষিত হোৱা নাই। আমি কি দেখিছো? বনজ সম্পদৰ দিশটোলৈকে চাওক। অসমত বনজ সম্পদৰ ভিত্তিত বেছি উদ্যোগ গঢ়ি তোলা হোৱা নাই। যি কেইটা হৈছে তাৰ 'ক্ৰীমখিনি' বহিৰাগত পুঁজিপতি আৰু ব্যৱসায়ীয়ে উপভোগ কৰিছে। যেনে প্লাইউড্ উদ্যোগ। কাঠ ফলা, (Saw milling), লগিং (Logging), জুইশলা তৈয়াৰী, কাঠ চলিৰা (Splint Industry) কাঠৰ বাকচ তৈয়াৰী (যেনে চাবোনৰ বাকচ, চাহপাতৰ বাকচ), ৰেলপথৰ শ্লিপাৰ তৈয়াৰী আদি উদ্যোগৰ সিংহভাগ কাৰ হাতত? এইবিলাক শিল্পৰ পৰা বছৰি লাখ লাখ টকা কোনে লুটি নিছে? আমি নিশ্চিত যে কোকৰাঝাৰ, কামৰূপ, ধুবুৰী, গোৱালপাৰা, দৰং, শোণিতপুৰ আদি জিলাত বসবাস কৰা থলুৱা জনজাতীয় লোকসকলৰ আৰ্থিক বিকাশৰ ক্ষেত্ৰত উপৰোক্ত উদ্যোগ (গঢ়ি তোলা হ'লে) সমূহে যথেষ্ট ৰঙণি যোগাব পাৰিব। অসম গণ পৰিষদ চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ দিনৰ পৰা এইবিলাক দিশত কিমানদূৰ আগুৱাইছে সেই বিষয়ে আমাৰ হাতত তথ্য নাই। মাজতে অৱশ্যে চৰকাৰে বাতৰি কাকতত বিজ্ঞাপনৰ জৰিয়তে বিভিন্ন বিভাগৰ কাম-কাজৰ আঁচনিৰ কথা এলানি প্ৰকাশ কৰিছিল। কিন্তু ফলাফলৰ বিষয়ে জনসাধাৰণ বিদিত নহয়।

অসমৰ জনজাতীয় ৰাইজক যে অজনজাতীয় অসমীয়া মানুহে শোষণ কৰি থকা নাই সেই কথা জনজাতীয় অঞ্চলসমূহত ব্যাপকভাৱে প্ৰচাৰ কৰিব পাৰিব লাগিছিল। কিন্তু অগপ চৰকাৰেই হওক বা অগপ দলেই হওক এই ক্ষেত্ৰত আওকণীয়া হৈ থকাহে দেখা যায়। যদি কেনেবাকৈ ক'ৰবাত কোনোবা অসমীয়া মানুহে জনজাতীয় লোকক শোষণ কৰিছে তেন্তে তেনে কাৰ্যৰ পৰা অসমীয়া জনক বাৰণ কৰিবই লাগিব। জনজাতীয় লোকসকলেও এই কথা উপলব্ধি কৰা উচিত যে শোষকৰ এটাই জাত- সেয়া হৈছে শোষক। শোষকে শোষণৰ ক্ষেত্ৰত জাতকুল বিচাৰ নকৰে। তেনে ধৰণৰ অসমীয়া মানুহে অজনজাতীয় অসমীয়া মানুহকো জানো শোষণ কৰি থকা নাই? বা তেনে ধৰণৰ জনজাতীয় লোকেই গৰীব জনজাতীয় সকলক জানো শোষণ কৰি থকা নাই। (মেঘালয়ৰ অৰ্থনৈতিক ব্যৱস্থাটো গমিপিতি চোৱা উচিত)। এই দৃষ্টিত জনজাতীয় শোষিত সকল আৰু অজনজাতীয় শোষিতসকলৰ মাজত স্বাৰ্থৰ কোনো সংঘাত নাই,



*জনজাতীয় অঞ্চলসমূহত আৰু অজনজাতীয় অঞ্চলসমূহত শোষণমূলক কাৰ্যকলাপ এটা শ্ৰেণীয়েই চলাই আছে। উদাহৰণ স্বৰূপে অসমৰ বনজ সম্পদৰ ভিত্তিত যি কেইটা শিল্প স্থাপন কৰা হৈছে বা যিবিলাক ব্যৱসায়িক কাম-কাজৰ সম্প্ৰসাৰণ ঘটিছে সেইবিলাকৰ গুৰি ধৰিছে অসমৰ বাহিৰৰ এক শোষণকাৰী চক্ৰই।*

OKDISCD

বৰং স্বাৰ্থৰ সামঞ্জস্যহে আছে। মনত ৰখা উচিত হ'ব যে অসমৰ থলুৱা ৰাইজৰ প্ৰধান শত্ৰু হৈছে বহিৰাগত শোষকসকলহে। এই বহিৰাগতসকলৰ ভিতৰত বুদ্ধিমান সকলে জনজাতীয় অঞ্চলত ব্যৱসায়-বানিজ্যত খোপনি পুতিছে আৰু আনহাতে সুবিধা বুজি অসমীয়াভাষী সকলৰ বিৰুদ্ধে কৌশলো ৰচনা কৰিছে। জনজাতীয় ডেকা চামটোক এই কথা পতিয়ন নিয়াবই লাগিব যে শোষিত জনজাতীয় ৰাইজ আৰু অসমীয়াভাষী শোষিত ৰাইজ একগোট হৈ থিয় দিলেহে সমস্যাটোৰ সমাধান'ৰ পথ ওলাব। সুকীয়া এখন ৰাজ্য স্থাপিত হ'লেও গৰীব জনজাতীয় লোকসকলৰ সমস্যাৰ ওৰ নপৰিব।

আমি আৰম্ভণিতেই কৈ আহিছো যে সমগ্ৰ উত্তৰ-পূব অঞ্চলত কেন্দ্ৰীয় ৰাজনীতিৰ লক্ষ্য হৈছে অঞ্চলটোৰ জনসাধাৰণক ভাগ ভাগ কৰি দুৰ্বল কৰি ৰখা। কেন্দ্ৰীয় ৰাজনীতিৰ বাঘজৰী যিসকলৰ হাতৰ মুঠিত সেই সকলৰ সমগোত্ৰীয় মহাজন-পুঁজিপতি চক্ৰয়ো তাকেই কামনা কৰে। তেওঁলোকৰ সোণ বুটলা ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য সুপ্ৰতিষ্ঠিত হ'লে তেওঁলোকে যে এইহেন ক্ষেত্ৰৰ পৰা এদিন নহয় এদিন বিতাৰিত হ'ব লাগিব সেই কথা তেওঁলোকে জানে। অকল তেওঁলোকেই নহয়, এই অঞ্চলসমূহলৈ প্ৰব্ৰজন হোৱা অন্যান্য বহিৰাগতেও এই কথা জানে। এই অঞ্চলটোৰ



জনসাধাৰণে যাতে কোনো পধ্যেই স্ব-নিয়ন্ত্ৰণৰ প্ৰকৃ অধিকাৰ পাব নোৱাৰে তাৰ বাবে কেন্দ্ৰীয় ৰাজনৈতি চক্ৰৰ লগতে এই বহিৰাগত চক্ৰটোৱেও পাৰ্যমা চেষ্টা চলাই যে থাকিব তাত সন্দেহ নাই। এই সন্দৰ্ভ বিশেষ আলোচনাৰ থল আছে। থূলমূলকৈ ক'বৰ গ'লে গোটেই উত্তৰ-পূব অঞ্চলটোৰ ৰাইজৰ প্ৰকৃ উপকাৰ সাধিত হ'ব স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ তেওঁলোৱে লাভ কৰিলেহে। অসমীয়া বৃহত্তৰ জাতিটোৰ সমুখ দেখা দিয়া সমস্যাৰ পৰিপ্ৰেক্ষিতত আটাইতক প্ৰয়োজনীয় হৈছে অসমীয়া জাতি বুলিলে সাঙো খাই থকা সকলো জনগোষ্ঠীক লৈ জন্ম-নিয়ন্ত্ৰণ অধিকাৰৰ বাবে আন্দোলন চলাই যোৱা। এই অধিকা হ'লঃ "(১) নিজৰ ভূ-খণ্ড ৰক্ষা কৰাৰ অধিকা (২) থলুৱা বিভিন্ন জনগোষ্ঠীয় ভাষা-সংস্কৃতিৰ সমন্বিত অসমীয়া ভাষা-সংস্কৃতি সুৰক্ষিত আৰু বিকশিত কৰা অধিকাৰ (৩) নিজৰ আৰ্থ-সামাজিক অস্তিত্ব ৰক্ষা ক আৰু বিকাশ সাধন কৰাৰ অধিকাৰ আৰু (৪) নিজ ৰাজনৈতিক প্ৰশাসন আৰু ব্যৱস্থা গঢ়ি তোল অধিকাৰ।" এই অধিকাৰসমূহ অসমৰ সকল জনগোষ্ঠীৰ স্বাৰ্থ ৰক্ষাৰ লগত জৰিত। গতিকে অসম সকলো জনগোষ্ঠীক সাঙুৰি লৈ এই অধিকাৰসম লাভ কৰিবৰ বাবে হয়তো সুদীৰ্ঘ সংগ্ৰাম ক যাবলগীয়া হ'ব আৰু এই সংগ্ৰামৰ জৰিয়তেই অসম বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত একতাও প্ৰতিষ্ঠিত হ'ব


কাব্য গ্ৰন্থৰ অনুপম সম্ভাৰ

**জোনাকৰ পানী গছা**
কেশৱ ভাগৱতী

**বাৰী কোঁৱৰ**
নীলিম কুমাৰ

**এই সময় কবিতা সংকলন**
সম্পাঃ- অৰুনী চক্ৰৱৰ্তী

**পৰাণ নিগৰে**
শৰৎ বৰকটকী

**খলিল জিব্ৰানৰ কবিতা**
অনুঃ দিলীপ তালুকদাৰ
বিদ্যুৎ বিকাশ ভূঞা

**তোমাৰ প্ৰেম**

**মোৰ কবিতাৰ জোনাক**
শচীন দাস

**অংশুমান**
ভৰলুমুখ, গুৱাহাটী-৯



*গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাষা সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান 'জনমানস'ৰ দ্বাৰা প্ৰকাশিত হ'ব*

**'অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি'**

*লেখকসূচীঃ ডঃ মহেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, ডঃ মুকুন্দ মাধৱ শৰ্মা, ডঃ উপেন্দ্ৰ নাৰায়ণ গোস্বামী, ডঃ হীৰেণ গোহাই, ডঃ বীৰেন্দ্ৰ নাথ দত্ত, ডঃ নিৰ্মলপ্ৰভা বৰদলৈ, ডঃ শৈলেন ভৰালী, ডঃ হৰিনাথ শৰ্মাদলৈ, হীৰেন্দ্ৰ নাথ দত্ত, অধ্যাপক ভৱ প্ৰসাদ চলিহা, ডঃ বানী শৰ্মা, ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, বীৰেশ্বৰ বৰুৱা, ডঃ অনিমা দত্ত, ডঃ পৰীক্ষিত হাজৰিকা, ডঃ নগেন ঠাকুৰ, ডঃ লীলাৱতী বৰা শইকীয়া, ডঃ উমেশ ডেকা, প্ৰদীপ চলিহা, নীলপৱন বৰুৱা, দীপঙ্কৰ মৰল, ডঃ সুকুমাৰ বিশ্বাস, ডঃ প্ৰবীণ চন্দ্ৰ দাস, ডঃ নবীন চন্দ্ৰ শৰ্মা, পৱন কুমাৰ বৰুৱা আৰু সমীৰণ বৰুৱা।*

*সম্পাদনা*

ডঃ শৈলেন ভৰালী, মুৰব্বী অধ্যাপক
বিপুল কুমাৰ মহন্ত
অসমীয়া বিভাগ
'জনমানস'।



# গৃহভূমিৰ সন্ধানত বিক্ষুব্ধ জনজাতি সকল

ভুবন বৰুৱা



যোৱা দুটা বছৰত অসমৰ ৰাজনৈতিক দৃশ্যপট সৰ্বক্ষণে উত্তপ্ত কৰি ৰখা সমস্যাটো হ'ল ৰাজ্যখনৰ জনজাতীয় ভাইসকলে গৃহভূমিৰ সন্ধানত চলোৱা আন্দোলন, যি মাজে মাজে হিংস্ৰ ৰূপ লৈ নিৰপৰাধ লোকৰ জীৱন নাশৰ দৰে ঘটনাৰ উদ্ভৱ কৰি আহিছে। গৃহভূমিৰ দাবীৰ আঁৰত এটা ট্ৰেজিক পৰিহাস নিহিত আছে। অসমৰ বৰ্তমান ভৌগোলিক পৰিস্থিতিত জনজাতীয় সমূহেই আদিবাসী, অথচ কালৰ কুটিল গতি আৰু ৰাজনৈতিক পাকচক্ৰৰ মাজত সোমাই তেওঁলোকেই স্বগৃহৰ ভিতৰতে উত্থাপন কৰিছে গৃহভূমিৰ- ইয়াতোকৈ করুণ পৰিহাসৰ কথা আন কিবা হ'ব পাৰেনে? ৰাজনৈতিক নেতৃত্ব লোৱা সকলেও সমস্যাৰ গুৰিগছ নিবিচাৰি বহু সময়ত সৰলীকৰণৰ মনোভাবেৰে অসফলভাবে সমাধান বিচাৰি ফুৰা নাইবা অন্তৰৰ ক্ষোভ বিক্ষোভক কেৱল মাথোন আইন-শৃঙ্খলাৰ প্ৰশ্ন হিচাপে ঠেক দৃষ্টিৰে চাবলৈ লোৱাৰ পৰিণামতে সমস্যাৰ পৰিসৰ বাঢ়িছে, বিক্ষুব্ধ জনৰ হতাশা বিক্ষোভে তীব্ৰ ৰূপ ধৰি অসমৰ অঞ্চল বিশেষত জলন্ত সমস্যাৰ সৃষ্টি কৰিছে! অৰ্থনৈতিক দুৰাৱস্থাৰ অবসান নাইবা বিক্ষোভ উপসমৰ সহজ পথৰ অন্বেষণ নকৰি বা সমস্যা দেখি ৰাজনৈতিক ভাৱে মূৰ গুজি থকাৰ চৰকাৰী দৃষ্টিভংগীৰ পূৰ্ণ সুযোগ লৈছে ৰাজনৈতিক মঞ্চত অৱতীৰ্ণ হোৱা নতুন চাম জনজাতীয় নেতৃত্বই, যি সকলক জনজাতিৰ লোকসকলে হাড়ে হিমজুৰে নিজৰ বুলি আস্থা বিশ্বাসত ল'বলৈ ঘটনাৰ অনিবাৰ্য পৰিণতিতে বাধ্য হৈ পৰিছে। আনকি অতীতত জনজাতীয় লোকৰ বাবে ৰাজনৈতিক অস্তিত্ব বা উদয়াচল আদিৰ দাবী তোলা সকলো ৰাজনৈতিক বেচা-কিনাৰ ফলত জনসাধাৰণৰ পৰা প্ৰায় অন্তৰ্হিত। সেই ঠাই দখল কৰি লৈছেহি নতুন নেতৃত্বই, আজি জনজাতীয় জনগোষ্ঠী তেওঁলোকৰ ৰাজনৈতিক বাঁহীৰ সুৰত উতলা। অলপতে অসমৰ মুখ্যমন্ত্ৰী মহন্তই গৃহভূমিৰ দাবী তোলা বড়ো আন্দোলনৰ প্ৰতি সকলো বড়ো লোকৰ সমৰ্থন নাই বুলি অলপ আত্মসন্তুষ্টি মূলক ভাৱে মন্তব্য কৰিছে। কোনো আন্দোলনৰ প্ৰতিয়েই সৰ্বজনে সমৰ্থন নিদিয়ে, অসম আন্দোলনৰ প্ৰতি সকলোৰে সমৰ্থন নাছিল, কিন্তু তাৰ অৰ্থ জানো আন্দোলনৰ সাৰ্বজনীনতা অস্বীকাৰ কৰা? এনে সৰলীকৰণ মনোভাবেৰে আন্দোলন একোটাৰ প্ৰতি দৃষ্টি দিয়াৰ ফলতে আমি অতীতত বহুমূল্য দিব লগা হৈছিল। ভৱিষ্যতে যাতে একে কথাৰ পুনৰাবৃত্তি নহয় তাক নিশ্চিত কৰাতে বৰ্তমান চৰকাৰ ৰাজনৈতিক প্ৰজ্ঞাৰ প্ৰমাণ ওলাব।

জনজাতীয় লোকসকলৰ অৰ্থনৈতিক দুখ-দুৰ্দশা, হতাশা বেদনাৰ ওপৰত ভৰ দি আৰম্ভ কৰা গৃহভূমিৰ সন্ধানৰ এই আন্দোলনৰ ৰাজনৈতিক উদ্দেশ্য সম্পৰ্কে আমি যি মন্তব্যকে নিদিও কিয়, কিন্তু এই কথা ক'লে সত্যৰ অপলাপ হ'ব যে অসমৰ মূল জনগোষ্ঠীৰ এই সৰলচিতীয়া লোকসকলৰ কেতবোৰ নিজস্ব অৰ্থনৈতিক সমস্যা নাই। এইখন আলোচনীৰে যোৱা সংখ্যাত 'মাটি কাৰ' শীৰ্ষক প্ৰবন্ধত শ্ৰীসদানন্দ চলিহাদেৱে নিপুনভাৱে এই কথাকে প্ৰতীয়মান কৰিছে গুৱাহাটীৰ সমীপৱৰ্তী দিছপুৰকে ধৰি সমস্ত অঞ্চলটোৰ অজলা জনজাতীয় লোকসকলৰ মাটিবাৰী এদেও দুদেওকৈ বিভিন্ন স্বাৰ্থান্বেষী লোকে দখল কৰি লৈছে। ঘাইকৈ অৰ্থনৈতিক অনগ্ৰসৰতা আৰু দুৰাৱস্থাৰ হেতুকেই জনজাতীয় লোকসকল গভীৰভাৱে উদ্বিগ্ন হৈ পৰিছে আৰু মাটিৰ পৰা বিচ্ছিন্ন হ'বলগীয়া অৱস্থা এটা কেৱল কেইখনমান চহৰ আৰু সমীপৱৰ্তী অঞ্চলতে সীমাবদ্ধ হৈ থকা নাই, ই বিয়পি পৰিছে দূৰ দূৰণিলৈ, গাওঁভূঁইত বসবাস কৰা নানা জনজাতীয় লোকক অবৈধ প্ৰব্ৰজন, মাটিৰ লোলুপ দালাল মহাজন, দুৰ্নীতিপৰায়ণ বিষয়াসকলে ক্ৰমান্বয়ে ঠেলি দিছে গভীৰ অৰণ্যৰ মাজলৈ হিমালয়ৰ পাদদেশলৈ। তাতো জানো তেওঁলোক শান্তিৰে বসবাস কৰিব পাৰিছে? ৰাজনৈতিক নেতৃত্বই আগপাছ নুগুনাকৈ সিদ্ধান্ত লৈ অৰণ্য অঞ্চলত বাস কৰা সকলৰ বিৰুদ্ধে চলাইছে অবিবেচক উচ্ছেদ

কাৰ্য। একালত জনজাতীয় লোকৰ সুৰক্ষা দিবলৈ সৃষ্ট ট্ৰাইবেল ব্লকত অজনজাতীয় যি ব্যাপক দখল বা বিদেশী নাগৰিকৰ অবাধ বিচৰণ তাকে দেখি গৃহতে আলহী হোৱাৰ আশঙ্কাই জনজাতীয় মন বিক্ষুব্ধ কৰাই স্বাভাৱিক। ঠিক তেনে এটা পৰিস্থিতিতে গৃহভূমিৰ আন্দোলন আৰম্ভ কৰা নেতৃবৰ্গই সাধাৰণ চাম লোকক এই কথা পতিয়ন নিয়াব পাৰিছে যে অসমৰ খিলঞ্জীয়া অধিবাসী হৈও জনজাতীয় লোকসকল অসমৰ মধ্যবিত্ত ৰাজনৈতিক নেতৃত্বৰ কবলত অৰ্থনীতিৰ মূলাধাৰ মাটিৰ পৰা বিচ্ছিন্ন। গতিকে সমস্যাৰ সমাধানো কিছু সৰলীকৃতভাৱে দাঙি ধৰিছে এনেদৰে যে গৃহভূমিয়েহে সমস্যাৰ সমাধান কৰিব, তেনে প্ৰচাৰৰ ফলতে আবছুৰে জুৰা আন্দোলনৰ প্ৰতি এনে স্বতঃস্ফূৰ্ত আৰু বিপুল সমৰ্থন। পিছে গৃহভূমিৰ দাবী কৰোতাসকলে এনে এটা জটিল সমস্যাৰ সমাধান যিমান সহজে হ'ব বুলি ধাৰণা কৰিছে সেইটো বাস্তৱ ক্ষেত্ৰত কিমান হ'বগৈ তাক কোৱা টান। সঠিক নীতিৰ সহায়ত বৰ্তমানৰ ৰাজনৈতিক গাঁথনিতে সমাধানৰ পথ নিৰ্দেশ আছে। অসমৰ ৰাজনৈতিক নেতৃত্বই তাকে কৰিবলৈ ব্যৰ্থ হোৱা বাবে নাইবা জনজাতীয় লোকৰ মনত আস্থা বিশ্বাসৰ ভাব জগাই তোলাত বিফল হোৱাৰ সুবিধা গ্ৰহণ কৰিছে আবছুৰ দৰে সংগঠনে। জনজাতীয় সমস্যাত নিহিত সৰল সত্যৰ উপলব্ধিয়ে আবছুক কৰিছে শক্তিশালী, অসম চৰকাৰ আজি যেন দুবৈৰ শতৰু।

প্ৰসংগক্ৰমে উল্লেখ কৰা উচিত হ'ব যে জনজাতীয় লোকক মাটিৰ পৰা বিচ্ছিন্ন কৰা সমস্ত প্ৰক্ৰিয়াটো যোৱা আধা শতিকা কাল অব্যাহত ভাৱে চলি আহিছে আৰু দূৰ অতীজৰে পৰা ইয়াত ইন্ধন যোগাই আহিছে অসমলৈ উন্মুক্ত সীমান্তইদি অবাৰিতভাৱে চলি থকা অবৈধ অনুপ্ৰবেশে। এনে কাৰ্যত এচাম দুৰ্নীতিপৰায়ণ স্বাৰ্থান্বেষী বিষয়া, দালাল মহাজনে অনিষ্টকাৰী ভূমিকাও লৈছিল। পিছে তাৰ অৰ্থ এইটো নহয় যে এই সকল লোকৰ এনে ভূমিকাৰ বাবে জগৰীয়া সমস্ত অসমীয়াভাষী লোকসকল। পিছে গৃহভূমিৰ আন্দোলন চলোৱা সকলে ঠিক তেনে এটা ধাৰণাৰ বশৱৰ্তী হৈয়েই অসমক ফিফটি ফিফটিকৈ দুভাগ কৰাৰ দাবী তুলিছে। তৰ্কৰ খাতিৰত বাৰু ধৰি ল'লো যে ইতিমধ্যে বহু খণ্ডিত হোৱা ক্ষুদ্ৰাকাৰ অসম খনক পুনৰ দুখণ্ড কৰা হ'ল, তাৰে জানো জনজাতীয় লোকৰ সমস্যাৰ ওৰ পৰিব? যি সকলে এনে দাবীৰ ভিত্তিত আন্দোলন চলাইছে তেওঁলোকে জনগাঁথনিৰে স্বৰূপটোকে পাহৰি গৈছে। জনজাতীয় লোকৰ সমস্যাৰ সমাধান কেৱল গৃহভূমি লাভহে হ'ব বুলি ভৱাটো এটা মাথোন ভ্ৰান্ত ধাৰণা। এইবোৰ অঞ্চলত অৰ্থনৈতিক ক্ষমতা যিসকলৰ দখলত তেওঁলোকে বৰ্তমানৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ গাঁথনিত তাক এৰি দিবনে? এনেবোৰ কথাৰ প্ৰতি চকু নিদিয়াকৈ কেৱল মাথোন গৃহভূমিয়ে ঘটাব নোৱাৰে। আজি যিবোৰ সমস্যাত জনজাতীয় লোকসকল যন্ত্ৰণাক্লিষ্ট, একে ধৰণৰ অৱস্থাই নতুন গৃহভূমি লাভৰ পাছতো উদ্ভৱ নহ'বনে? কাৰণ তাতো সৰু বৰ নানা জনগোষ্ঠী থাকিব আৰু আন্দোলনৰ শীৰ্ষত থকা বড়ো কছাৰীসকলে যদি সকলো সা-সুবিধা হস্তগত কৰে তেনেহ'লে অসন্তুষ্টিৰ উদ্ভৱ নহ'বনে? জনজাতীয় জনগোষ্ঠীৰ শিক্ষিত আৰু চাকৰিমুখী শ্ৰেণীটোৱে বৰ্তমানৰ আৰ্থ-সামাজিক গাঁথনিত তেওঁলোকৰ বঞ্চনাৰ ক্ষেত্ৰ বিচাৰি পাইছে চাকৰি বাকৰিৰ ক্ষেত্ৰত সাংবিধানিক সুৰক্ষা, ৰক্ষণাবেক্ষণৰ অভাৱৰ অভিযোগত। এই ক্ষেত্ৰত অসমৰ ৰাজনৈতিক নেতৃত্ব লৈ থকা মধ্যবিত্ত শ্ৰেণীটোৱে কিছু অদূৰদৰ্শিতা দেখুওৱাৰ কথা অস্বীকাৰ কৰিবও নোৱাৰি।

এইটো ঠিক যে চাকৰি বাকৰিৰ সুবিধাৰ অভাৱে জনজাতি অজনজাতীয় সকলো লোকক সমানে অৰ্থনৈতিক সমস্যাৰ সন্মুখীন কৰাইছে, কিন্তু বিশ্লেষণ কৰিলে দেখা যায় যে ৰাজ্যখনৰ চৰকাৰী খণ্ডৰ যিখিনি কামৰ সুবিধা ওলাইছে তাৰ সিংহভাগ দখল কৰি অজনজাতীয় লোকেহে জনজাতীয় লোকৰ বাবে সাংবিধানিক ৰক্ষণাবেক্ষণৰ যি ব্যৱস্থা আছে সেইবোৰো কাৰ্যকৰীভাৱে ৰূপায়িত নোহোৱাৰ কথাকে তথ্যপাতিয়ে প্ৰমাণ কৰে ফলত বেক লগ বাঢ়িছে, আৰু তাকে লৈ আপত্তি কৰাৰ থলো ওলাইছে। কিছুদিনৰ আগেয়ে প্ৰকাশিত তথ্য এটাৰ মতে দিছপুৰ সচিবালয়ৰ বিভিন্ন পদবীৰ জনজাতীয় লোকৰ নিযুক্তিৰ ক্ষেত্ৰত ১৯৮৬ চনলৈকে নিম্নবৰ্গ সহায়কৰ ২৮ শতাংশ আৰু পিয়ন আদিৰ কামৰ ৬৬.২০ শতাংশ মকৰল নোহোৱাকৈ বেকলগ হিচাপেই আছে। জনজাতীয় লোকৰ মাজত যিখিনি শিক্ষাদীক্ষাৰ বিস্তাৰ ঘটিছে সিয়েই কেৰেণী, পিয়নৰ যোগ্যতা থকা লোক উলিয়াব পৰা নাইনে? নে সেইওটা অসমীয়াভাষীসকলৰ বৈষম্যমূলক আচৰণ? এনে কথাৰ উপলব্ধিয়ে আজি জনজাতীয় লোক সকলক বিক্ষুব্ধ কৰি তুলিছে, তেওঁলোকৰ নেতৃত্ব লোৱাসকলে সাধাৰণ লোকক পতিয়ন নিয়াব পাৰিছে যে বৰ্তমানৰ শাসন গাঁথনিত তেওঁলোক প্ৰবঞ্চিত। গৃহভূমিৰ সমাধানে জনজাতীয় লোকক অৰ্থনৈতিক সুবিধা কিমান দিব ক'ব নোৱাৰো, কিন্তু বৰ্তমানৰ আৰ্থ-সামাজিক পৰিস্থিতি আৰু ৰাজনৈতিক নেতৃত্বৰ অপৰিণামদৰ্শী দৃষ্টিভংগীয়ে আন্দোলন জোৰদাৰ কৰাত নিশ্চিতভাৱেই সহায় কৰিছে।

আন্দোলনৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ ফালৰ পৰা এই কথা সঘনে ঘোষিত হৈ আছে যে জনজাতীয় লোকৰ উন্নয়নৰ বাবে নানা আচুতীয়া আঁচনি লোৱা হৈ আহিছে আৰু তাৰ বাবে যথেষ্ট ধনো বিনিয়োগ কৰা হৈছে। ওপৰে ওপৰে চালে কথাটোৰ সত্যতা নথকা নহয়। কিন্তু তেনে বিনিয়োগৰ সুফল কোনে ভোগ কৰিছে তাৰ কোনোবাই মূল্যায়ন কৰিছেনে? অপ্ৰিয় যেন লাগিলেও এই কথা সঁচা যে অৱহেলিত জনজাতীয় লোকৰ বাবে নিৰ্ধাৰিত বিনিয়োগৰ সিংহভাগ নানা সুৰুঙাৰে সৰকি গৈ সমৃদ্ধ কৰিছে দুৰ্নীতিগ্ৰস্ত বিষয়া ৰাজনৈতিক নেতা, দালাল শ্ৰেণীৰ লোককহে। ফলত উৎপত্তি হৈছে দুৰ্নীতিৰে লালিত পালিত এটা ৰাজনৈতিক শ্ৰেণী আৰু তালৈ চকু দিবলৈ আনকি স্বাৰ্থপৰ জনজাতীয় নেতাসকলৰো অতদিনে আহৰি নোলাল। ইয়াৰ বাবে অসমীয়া ভাষী নেতৃত্ব যিমান জগৰীয়া, সিমানেই দোষৰ ভাগী জনজাতীয় নেতাসকল, যি সকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সৰ্বসাধাৰণৰ দুখদুৰ্দশাৰ ফালে পিঠি দি বছৰৰ পাছত বছৰ কাম কৰি আছে। গতিকে জনজাতীয় জনসাধাৰণৰ দুখ-দুৰ্গতিৰ বাবে সমানে জগৰীয়া নহয়নে?

এখন সুকীয়া ৰাজ্য নাইবা গৃহভূমি লাভ কৰি লেই জনজাতীয় লোকৰ আৰ্থ-সামাজিক সমস্যাৰ অৱসান ঘটিব বুলি ভৱাটো এক প্ৰকাৰৰ ভ্ৰান্ত ধাৰণা বুলিয়েই ভাবো। কাৰণ, তাতো থাকিব দুৰ্নীতিপৰায়ণ নেতা, বিষয়া, ৰাজনীতি কৰোতা, নিজৰ স্বাৰ্থসিদ্ধিত অনবৰতে ব্যস্ত মধ্যবিত্ত শিক্ষিত শ্ৰেণী আৰু বৰ্তমানৰ সুৰুঙাবোৰো একেদৰেই মুকলি হৈ ৰ'ব। জনজাতীয় গৃহভূমিত অৰ্থনৈতিকভাৱে অনগ্ৰসৰ সৰু সৰু জনগোষ্ঠীবোৰো থাকিব। তেওঁলোকৰ সুষম উন্নয়ন গৃহভূমিত হ'বনে? তাতোকৈ ডাঙৰ কথা আবছুয়ে দাবী কৰা গৃহভূমি ভৌগোলিক ভাৱে হ'ব নিশকতীয়া ক্ষুদ্ৰ গোট আৰু এনে গোটৰ বিকাশৰ বাবে সম্পদ বিচাৰি কেন্দ্ৰৰ ওচৰত মুখাপেক্ষী হ'ব লাগিব। তেনে এটা স্থিতিয়ে গৃহভূমিৰ ৰাজনৈতিক সৰলতা দিবনে? কাটি টুকুৰা টুকুৰ হোৱা অঞ্চল এটা অৰ্থনৈতিক ভাৱে যে সবল হ'ব নোৱাৰে তাৰ অসংখ্য প্ৰমাণ আছে। তেনে দাবী গৃহভূমিৰ নেতৃত্ব লোৱা সকলে পৰিহাৰ কৰি বৰ্তমানৰ আৰ্থ-সামাজিক ৰাজনৈতিক গাঁথনি অধিক ক্ষমতা, উন্নয়ন, বিকাশৰ আঁচনি আৰু সম্পদৰ ওপৰত গুৰুত্ব দিলে অতদিনে অৱহেলিত জনজাতীয় ৰাইজৰ উপকাৰ হ'ব বুলি ধাৰণা হয়।

এই কথাও ঠিক যে অসমৰ বিভিন্ন জনজাতীয় আৰু পিছপৰা সম্প্ৰদায়ৰ সমস্যাৰ ধৰণো সুকীয়া বিধৰ। যিটো সমাধান বড়োভাষীসকলৰ বাবে হ'ব পাৰে, ঠিক একেটোৱেই কাৰ্বি আংলঙৰ নাথাকিবও পাৰে। সম্প্ৰতি উজনি অসমতো চাহ শ্ৰমিক জনগোষ্ঠীৰ মাজতো আন্দোলনৰ বুৰবুৰনি উঠিছে। প্ৰত্যেকৰে অৰ্থনৈতিক সমস্যা উমৈহতীয়া বিধৰ হ'লেও ৰাজনৈতিক সমাধান ভিন্ন বিধৰ হ'ব পাৰে। গতিকে তাকে কৰিবলৈ অসমৰ ৰাজনৈতিক নেতৃত্ব লোৱা আঞ্চলিক চৰকাৰে অপেক্ষাৰ মনোভাৱেৰে

২৯ পৃষ্ঠাত চাওক

# অসমত নিবনুৱা সমস্যাঃ

## দুআষাৰ দুৰাচাৰী কথা

ডঃ হীৰেন গোহাঁই

আজিকালি আৰু অনগ্ৰসৰ দেশবোৰক অনুন্নত (underdeveloped) বোলা নহয়। সেইবোৰক এতিয়া "উন্নয়নশীল" (developing) নামেৰে মান ধৰা হয়। যেন স্বাৰ্থসিদ্ধিৰ বাবে ভয়-ভয়কৈ ওৰে জীৱন কটোৱা নিধক এটাক মৃত্যুৰ পিছত কোনো চালাক সাংবাদিকে "মৃদু-স্ব ভাৱৰ" বা "অমায়িক" বা "মাৰ্জিতৰুচি" আদি বিশেষণেৰে সজাই-পৰাই সুশোভন ৰূপহে দিলে! দৰকাৰ হ'লে আৰু এখোজ আগুৱাই গৈ ক'ব পাৰি যে তেখেত অতি সংযমী আছিল। তেখেত কেতিয়াও loud (লাউড্) নাছিল, ইত্যাদি ইত্যাদি। কিন্তু জনাই জানিব যে সেই বিশিষ্ট ভদ্ৰলোক আছিল আত্মসন্মানহীন কাপুৰুষ। তেনেকৈ অসমকো এতিয়া "উন্নয়নশীল" ৰাজ্য বুলি সান্ত্বনা দিয়া হয়। বহুতে হয়তো এই বিশেষণতে আপ্লুত হৈ চিৰকালেই "উন্নয়নশীল" হৈ থাকিবলৈ বিচাৰিব। কিন্তু দুষ্ট লোকৰ মিঠা কথাত যি ভোল নাযায়, তেওঁ এনে বিশেষণত কেতিয়াও সুখী হ'ব নোৱাৰে।

অসমৰ নিবনুৱা সমস্যাও অসমৰ অনগ্ৰসৰতাৰে অন্যতম লক্ষণ। অৰ্থনৈতিক উন্নয়ন আৰু শিল্পায়ন যথোপযুক্তভাৱে নোহোৱা বাবেই এই নিবনুৱা সমস্যা হৈছে। অৱশ্যে কম্পিউটাৰ আদি প্ৰযুক্তিগত উন্নতিয়েও পৰিস্থিতি সংকটময় কৰি তুলিছে। কৰ্মসংস্থানৰ প্ৰসাৰণ হোৱা দূৰৰ কথা, ইতিপূৰ্বে হোৱা কৰ্মসংস্থানতো সি বিপৰ্যয়ৰ সৃষ্টি কৰিছে।

সেয়ে অসমৰ নিবনুৱা সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে আমি সতৰ্ক হোৱা ভাল। গাৰ বলেৰে অথবা চমক্‌প্ৰদ বুদ্ধি খটুৱাই আমি এই সমস্যা সমাধান কৰিব নোৱাৰোঁ। সমস্যাটো একেদিনতে হোৱা নাই, তাৰ পম খেদি দূৰলৈ যাব লাগিব, তাৰ সমাধানো একেদিনতে নহয়। সমস্যাটো কোনো বিচ্ছিন্ন ঘটনা নহয়। সি এক সম্পূৰ্ণ systemৰ এক বিশেষ আৰ্থসামাজিক ব্যৱস্থাৰ পৰিণতি। ব্যৱস্থাটোৰ পৰিৱৰ্তন নহ'লে অসমৰ অৰ্থনৈতিক উন্নয়ন তথা নিবনুৱা সমস্যাৰ সমাধান সম্ভৱ নহ'ব।

এখন আলোচনা চক্ৰত শ্ৰোতা হিচাবে উপস্থিত আছিলোঁ। তাতে এনে ধৰণৰ বহু ধাৰণা আৰু অনুমান বক্তাসকলৰ বক্তৃতাৰ মাজত আবিস্কাৰ কৰিলোঁ। এজনে ক'লে, অসমীয়া মানুহ কৰ্মবিমুখ বাবে বহিৰাগত লোকে অসমত যেতিয়া সোণ বোটলে তেতিয়াও তেওঁলোকে একো কৰিব নোৱাৰে। আন এজনে ক'লে যে অসমৰ নিবনুৱা সমস্যা কোনো আৰ্থসামাজিক ব্যৱস্থাৰ পৰিণতি নহয়, তেনে কথা কোৱাটো হেনো ৰাজনৈতিক অপপ্ৰচাৰ মাত্ৰ। আৰু এজনে মন্তব্য কৰিলে যে আগৰ দিনত কি আছিল-নাছিল সেই বিষয়ে বিতং বিৱৰণৰ সকাম নাই, এই মুহূৰ্ত্তত আমি কি কৰিব পাৰোঁ সিহে বিচাৰ্য বিষয়।

কোৱা বাহুল্য এনে এটাইবোৰ পূৰ্বধাৰণাই ভ্ৰান্ত। নিবনুৱা সমস্যা হঠাতে আকাশৰ পৰা পৰা নাই। সি অসম তথা ভাৰতৰ অৰ্থনীতিৰ এক বিশেষ ধৰণৰ ইতিহাসৰ পৰিণতি। সেয়ে অসম তথা ভাৰতৰ সমগ্ৰ অৰ্থনীতিৰ ৰূপ আগতে কেনে আছিল, এতিয়া কি ৰূপ লৈছে, সেই কথা নুবুজিলে সমস্যাৰ আতিগুৰি আমি ধৰিব নোৱাৰিম। অসমীয়া মানুহৰ "কৰ্মবিমুখতা"ও কোনো ৰহস্যজনক জাতিগত চৰিত্ৰ নহয়, তাৰ এক ঐতিহাসিক আৰ্থসামাজিক শিপা আছে। কথাটো নুবুজাকৈ কেৱল উপদেশ বৰ্ষণ কৰি আমি কৰ্মবিমুখতাৰ ঠাইত উদ্যোগী চৰিত্ৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিম।

আৰ্থসামাজিক গাঠনিৰ কি ইতিহাসৰ কথা আমি ক'ব খুজিছোঁ? এইটো সকলোৰে জনা কথা যে ভাৰত অধিকাৰ কৰি সাম্ৰাজ্যবাদী ব্ৰিটিছে আমাৰ দেশৰ অৰ্থনীতিক বিকৃত আৰু পংগু কৰিলে। ভাৰতক সাম্ৰাজ্যবাদী পুঁজিৰ বাবে কেঁচামালৰ যোগনীয়াৰ আৰু সাম্ৰাজ্যবাদী শিল্পৰ শিল্পজাত বস্তুৰ বৃহৎ বজাৰত পৰিণত কৰা হ'ল। বেজীটোৰ পৰা কটাৰিখনলৈ, চুৰিয়াখনৰ পৰা বনিয়নটোলৈ, ব্ৰিটিছ কলকাৰখানাৰ ওচৰত প্ৰয়োজনীয় সকলো সামগ্ৰীৰ বাবে আমি ধৰুৱা হলোঁ। দেশীয় কুটিৰ শিল্প বিধ্বস্ত কৰি, লাখ লাখ শিল্পী তথা শ্ৰমিকৰ জীৱিকা বিধ্বস্ত কৰি, ব্ৰিটিছে খেতিৰ মাটিৰ ওপৰত হেঁচা বঢ়ালে, গ্ৰামাঞ্চলৰ ওপৰলৈ নমাই আনিলে দাৰিদ্ৰ্য আৰু দুৰ্ভিক্ষৰ অপচ্ছায়া। অসমত লাখ লাখ বিঘা মাটি খেতিয়কৰ হাতৰ পৰা কাঢ়ি চাহখেতিত লগাই দিয়া হ'ল, যি চাহখেতিত থলুৱা মানুহৰ ভাগ আছিল সামান্য আধুনিক যাতায়তৰ প্ৰধান পদ্ধতি ৰেলপথৰ গতিপথো চাহবাগানৰ সুবিধা মতেহে নিৰ্দ্ধাৰণ কৰা হ'ল---.নগাওঁ, যোৰহাটৰ দৰে গুৰুত্বপূৰ্ণ চহৰো তাৰ পৰা এফলীয়া হৈ ৰ'ল।

এই সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে দেশজুৰি যি সংগ্ৰাম চলিল তাত নিছলা অসমেও চহকী মনেৰে যোগ দিলে। ত্যাগ আৰু কষ্টৰ ক্ষেত্ৰত অসমৰ ৰাইজে কোনো কাৰ্পণ্য নকৰিলে। কিন্তু স্বাধীনতাৰ পিছত অসমৰ ৰাইজৰ আশা আকাংক্ষা চৰিতাৰ্থ হ'লনে? নহ'ল। কিয় নহ'ল তাৰ উত্তৰো ইতিহাসৰ মাজতে আছে।

ঘাইকৈ সাম্ৰাজ্যবাদী পুঁজিৰ সহযোগী হিছাবেই ভাৰতীয় শিল্পব্যৱসায়ৰ পুঁজি গঢ়ি উঠে। বিশেষকৈ দুখন মহাযুদ্ধৰ সময়ত যুদ্ধৰ তাগিদাতে ভাৰতীয় শিল্পবাণিজ্যৰ পুঁজি শকত হয়। সমগ্ৰভাৱে ব্ৰিটিছৰ শোষণৰ বিৰুদ্ধে ভাৰতীয় জনগণে যি যুদ্ধ চলাই আছিল, ছেগ আৰু সময় বুজি ভাৰতীয় পুঁজিপতি চামেও যোগ দিলে। বিড়লা, বাজাজ আদি পুঁজিপতি আছিল গান্ধীজীৰ ঘনিষ্ঠ সহযোগী। স্বাধীনতাৰ পিছত ব্ৰিটিছ পুঁজিপতিৰ ঠাইত এইচাম লোক দেশৰ অৰ্থনীতিৰ নিয়ামক হৈ পৰিল। অৰ্থনীতিৰ উন্নয়ন, প্ৰসাৰণ, সংস্কাৰ তেওঁলোকৰ স্বাৰ্থতে হ'ল ঘাইকৈ। ৰাইজৰ কষ্টোপাৰ্জিত ধনেৰে যি ৰাষ্ট্ৰীয় খণ্ড ((Public sector) গঢ়া হ'ল, তাৰ পৰা এওঁলোকে নিজৰ কোনো বিপদ (risk) নোহোৱাকৈ সস্তাতে গধুৰ শিল্পৰ উৎপন্ন তীখা আদি প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিলে। ৰাষ্ট্ৰকেই তেওঁলোকে প্ৰধান ক্ৰেতা হিচ্ছপে পালে বিভিন্ন জনকল্যাণমূলক আঁচনিৰ জৰিয়তে। নিজে বিশেষ প্ৰযুক্তিগত পৰীক্ষানিৰীক্ষা নচলাই প্ৰচুৰ ধনৰ বিনিময়ত এওঁলোকে বিদেশী প্ৰযুক্তিৰ ব্যৱহাৰ ধাৰলৈ ল'লে আৰু উৎপন্ন সামগ্ৰীসমূহ প্ৰচুৰ লাভত সৰ্বসাধাৰণ ভাৰতীয় লোকক বিক্ৰী কৰিলে। এওঁলোকৰ বাবে বজাৰ বঢ়াবলৈ অল্প-বিস্তৰ ভূমিসংস্কাৰ কৰা হ'ল, গাওঁৰ উন্নয়নৰ বাবে অলপ ধন ভঙা হ'ল। কিন্তু এওঁলোকেও ঔপনিবেশিক অৰ্থনীতিৰ মূল ধাৰাৰ পৰিৱৰ্ত্তন নঘটালে।

ফলত ভাৰতৰ যি পুঁজিবাদী অৰ্থনৈতিক বিকাশ হ'ল তাৰ পৰা অসমৰ বিশেষ লাভ নহ'ল। অসমৰ প্ৰাকৃতিক সম্পদৰ লুণ্ঠন অবাধ

OKDISCD

গতিত চলি থাকিল, তাৰ মাত্ৰা প্ৰবল আৰু বিপুল হ'ল। অথচ অসমৰ শিল্পায়ন হ'ল নামমাত্ৰ। চাহশিল্পত থলুৱা অসমীয়াৰ যৎসামান্য প্ৰভাৱ টুটি আহিল। খনিজ শিল্পত অসমীয়া মানুহৰ প্ৰভাৱ নগণ্য হৈ ৰ'ল। থলুৱা যুৱকসকলে আগৰ তুলনাত কিছু পৰিমাণে কাৰিকৰী শিক্ষা পালেও তাক প্ৰয়োগ কৰাৰ সুযোগ বেছি নাপালে। ইঞ্জিনিয়াৰসকল লাভখোৰ ঠিকাদাৰৰ হাতৰ পুতলা হ'ল। থলুৱা কুটিৰ শিল্পীসকলৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। খেতিয়কৰ সৰহখিনি দৰিদ্ৰ কৃষক বা ভূমিহীন কৃষকত পৰিণত হ'ল। ৰেলপথৰ সামান্য বিস্তাৰ হ'লেও তাৰ বিকল্প স্বৰূপে আলিবাটৰ যি সমান্তৰাল প্ৰসাৰণ ঘটিল, তাৰ যোগেদি অসমৰ যোগান ব্যৱস্থাৰ ওপৰত বহিৰাগত ট্ৰাক মালিকসকলৰ প্ৰতিপত্তিহে বাঢ়িল।

শিক্ষিত মধ্যবিত্তই এনে পৰিস্থিতিত কৰ্মসংস্থানৰ প্ৰসাৰণ আৰু উন্নতিৰ বাবে আন্দোলন কৰিবলৈ বাধ্য হ'ল। অসমৰ শিল্পায়নৰ লক্ষ্য সমুখত ৰাখি কেইবাটাও গণ আন্দোলন হ'ল। তাৰে ফলস্বৰূপে অনুন্নত দুটামান মজলীয়া আকৃতিৰ তেল শোধানাগাৰ স্থাপিত হ'ল। কিন্তু যথাযোগ্য পৰিকল্পনা আৰু কাৰ্যব্যৱস্থাৰ অভাৱত কি চাকৰি-বাকৰি, কি অন্যান্য অৰ্থনৈতিক সুযোগ-সুবিধা, অসমীয়াৰ ভাগ্যত বেছিকৈ নপৰিল। অসমত যিবোৰ বৃহৎ শিল্প প্ৰতিষ্ঠান গঢ়ি উঠিল তাৰ বিশেষ কুশলী (skilled) শ্ৰমৰ চাকৰিবোৰৰ বাবে যথেষ্ট পৰিমাণে অসমীয়া যুৱকক প্ৰশিক্ষণ দিয়া নহ'ল। নতুন নতুন শিল্প নগৰীৰ প্ৰয়োজন মিটাবলৈ যিবোৰ সৰু-বৰ ব্যৱসায়ে গঢ় ল'লে সেইবোৰৰ সৰহভাগ অসমীয়াৰ হাতত নাথাকিল। তদুপৰি বৃহৎ শিল্প প্ৰতিষ্ঠানে আমাৰ প্ৰয়োজন অনুসাৰে চাকৰি-বাকৰি সৃষ্টি নকৰিলে। লাখ লাখ নিবনুৱাৰ মাজত কেই হাজাৰ মানেহে এনেদৰে আশ্ৰয় পালে।

এতিয়া তাৰ প্ৰতিকাৰ হিছাপে অসমীয়া ডেকা-গাভৰুক স্বনিয়োজিত (self-employed) হ'বলৈ-পৰামৰ্শ দিয়া হৈছে, অৰ্থাৎ ব্যৱসায়-বাণিজ্যত লাগিবলৈ সঁকিয়াই দিয়া হৈছে। কোৱা হৈছে যে অসমৰ বাহিৰৰ মানুহ দলে দলে আহি দ্ৰুতগতিত ব্যৱসায়ত সাফল্য অৰ্জন কৰিছে, অথচ অসমীয়া ডেকাসকলে পৰিশ্ৰম আৰু কষ্টৰ বাট নলৈ সহজে ধনী হোৱাৰ উপায় বিচাৰিছে। ইয়াৰ কাৰণ হিছাপে কোৱা হৈছে যে অসমীয়া ডেকাসকল শ্ৰমবিমুখ। তেওঁলোকে শ্ৰমজীৱী জীৱনৰ সংস্কৃতি (work culture) অৱলম্বন কৰি বহিৰাগত লোকসকলৰ লগত প্ৰতিযোগিতাত নামি যাব লাগে।

কিন্তু শ্ৰম সংস্কৃতি আন যি কোনো সংস্কৃতিৰ দৰে কেৱল উপদেশ আৰু পৰামৰ্শৰে ৰচিব পৰা নাযায়। তাৰ বাবে অন্ততঃ ৩/৪ পুৰুষ ধৰি উপযুক্ত পৰিৱেশত ল'ৰা-ছোৱালী ডাঙৰ কৰিব লাগিব। ঘৰত, স্কুলত, সমাজৰ অন্যান্য ক্ষেত্ৰত তেওঁলোকক পৰিশ্ৰম কৰিবলৈ সুশৃংখল আৰু নিয়মানুৱৰ্ত্তী হ'বলৈ প্ৰভাৱিত কৰিব লাগিব, শিক্ষা দিব লাগিব। এই work culture বা শ্ৰমসংস্কৃতি পশ্চিমতো একেদিনে গঢ়ি উঠা নাছিল। পুঁজিবাদৰ বিকাশৰ লগে লগে প্ৰটেষ্টান্ট মতবাদৰ প্ৰভাৱত দুই-তিনি শতিকা ধৰি ধীৰে ধীৰে এই মনোবৃত্তি তথা সংস্কৃতি গঢ়ি উঠিছিল। দুই-তিনিশ বছৰৰ কাম দহ বা বিশ বছৰৰ ভিতৰতে কৰাবলৈ হ'লে অসমৰ আগবঢ়ুৱা সমাজকৰ্মীসকলে সংগঠিতভাৱে আৰু চৰকাৰে যুদ্ধোদ্যমে পৰিৱেশ সলনি কৰাৰ কামত লাগিব লাগিব। ঘৰে-পথাৰে, স্কুলে-কলেজে তাৰ ভিত্তি ৰচনা কৰিব লাগিব। অসমীয়া ডেকাক বয়ঃপ্ৰাপ্ত হোৱাৰ পিছত উদ্যাগী আৰু কষ্টসহিষ্ণু হ'বলৈ উপদেশ দিলেই সেই পৰিৱৰ্ত্তন নাহে।

> মূলধনৰ অভাৱৰ বাবেই শক্তি, পৰিবহন আদি ক্ষেত্ৰত অসমৰ শিল্প-উদ্যোগগভীৰ সমস্যাৰ সন্মুখীন হৈছে। স্বাস্থ্যবান অৰ্থনীতিৰ অংগ হিচাপে গঢ়ি নুঠা বাবে অশোক পেপাৰ মিল চন্দ্ৰপুৰৰ গ্লাছ ফেক্টৰী আদিত উৎপাদন বন্ধ, আৰু শেহতীয়া খবৰ মতে নামৰূপত সাৰ কাৰখানাৰ উৎপাদনো বন্ধ হৈ যোৱাৰ আশংকা আছে। এনে কথাও শুনা যায় যে ব্যক্তিগত খণ্ডৰ সাৰকাৰখানা বিলাকৰ দুৰ্নীতিপূৰ্ণ প্ৰতিযোগিতাৰ ফলত নামৰূপত উৎপন্ন সাৰৰ বিক্ৰী দ্ৰুতগতিত হ্ৰাস পাইছে।

পঞ্জাব বা আন অগ্ৰসৰ অঞ্চলত work culture আমাতকৈ আগধৰি প্ৰতিষ্ঠা হৈছে। এনেয়ে হোৱা নাই। তাতো চৰকাৰৰ ভূমিকা আছে। ব্ৰিটিছ চৰকাৰেই পঞ্জাবৰ দুৰ্দমনীয় মানুহখিনিক বৰাট ৰাখিবৰ বাবে খেতিবাতিক লাভজনক জীৱিকাত পৰিণত কৰিছিল। তাহানিখনৰ বৃহত্তম জলসিঞ্চন প্ৰকল্প ছুক্কুৰ বান্ধ (Sukkur Barrage) বন্ধাই দি খেতিবাতিৰ সুবিধা কৰি দিছিল। গাৱেঁ-ভূঞে বজাৰ আৰু বেংকৰ ব্যৱস্থা কৰি দি খেতিয়কৰ আয় বৃদ্ধিৰ বন্দোবস্ত কৰিছিল। তাৰ পৰিণাম স্বৰূপে তাহানিখনৰ গাৱঁলীয়া জীৱনৰ অভ্যস্ত শ্ৰমৰ তুলনাত আধুনিক জীৱনযাত্ৰাৰ উপযোগী নিয়মিত আৰু সময়ানুৱৰ্ত্তী শ্ৰমৰ প্ৰৱৰ্ত্তন হৈছিল পঞ্জাবৰ গ্ৰামাঞ্চলত। পঞ্জাবৰ খেতিয়ক সমাজ শ্ৰমৰ প্ৰতি এনেকৈয়ে আসক্ত হৈছিল। তেওঁলোকৰ সতি-সন্ততি সেই ধৰণৰ শ্ৰমত অভ্যস্ত হৈছিল। তেওঁলোকৰ জীৱনলৈ ১৯৪৬-৪৭ চনৰ পৰা দেশবিভাজনে আনি দিছিল আৰু এক ভয়ানক দুৰ্যোগ। সৰ্বস্বান্ত হৈ লাখ লাখ মানুহ পাকিস্তানৰ পৰা ভাৰতলৈ আহিছিল। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ সহায়ত নিজৰ পূৰ্বৰ অৱস্থা ঘূৰাই পাবলৈ মূলধন আৰু সঁজুলি পাইছিল আৰু কঠোৰ শ্ৰম কৰিছিল। এনেকৈয়ে এওঁলোকৰ মাজত আলস্যহীন আৰু বিৰতিহীন কঠোৰ শ্ৰমৰ অভ্যাস, ক্ষমতা আৰু প্ৰবৃত্তিয়ে ভালদৰে খোপনি লয়। আনহাতে গৃহযুদ্ধ, মানৰ আক্ৰমণত ছেদেলি-ভেদেলি অসমীয়া সমাজ ব্ৰিটিছৰ আমোলত মহামাৰী আৰু হতাশাত অধিক পংগু হৈ পৰে। জীৱন সংগ্ৰামৰ পৰা পলাবলৈ বহুতে কানিত ধৰে -ব্ৰিটিছেই অসমত কানিৰ বেপাৰ চলাই হেজাৰ বিজাৰ মানুহক কানিয়া কৰি তোলে। ব্ৰিটিছেই অসমৰ গ্ৰামাঞ্চল অনগ্ৰসৰতা আৰু অৱহেলাৰ পংকত পেলাই থৈ চাহ বাগানৰ মাজেদি আধুনিক উৎপাদন আৰু পুঁজিবাদী অৰ্থনীতিৰ ধাৰা অসমলৈ বোৱাই আনে। আনকি চাহ বাগানৰ মজদুৰসকলৰ বাবে প্ৰয়োজনীয় ৰচদপাতি পাৰ্যমানে অসমৰ বাহিৰৰ পৰা অনাৰ নিয়ম কৰে। তেনেস্থলত অসমীয়া জনসাধাৰণৰ মাজত নিয়মিত কঠোৰ শ্ৰম আৰু বজাৰমুখী উদ্যোগ গঢ়ি উঠেই বা কেনেকৈ? বৰং বাহিৰৰ উদ্যোগী আৰু প্ৰতিযোগিতাত অভ্যস্ত বেপাৰী, শ্ৰমিক আৰু চাকৰিয়ালৰ হাতত সাধাৰণ অসমীয়া বিপৰ্যস্ত হ'বলৈ ধৰে ক্ৰমাগতভাৱে। "শ্ৰমবিমুখতা"ৰ পৰা শ্ৰমমুখিতালৈ যোৱাৰ উপযুক্ত পৰিৱেশ অসমে পালে কেতিয়া?

সম্প্ৰতি ভাৰতীয় অৰ্থনীতি আৰু শিল্প গভীৰ সংকটৰ গৰাহত। "সেউজ বিপ্লৱে" দেশক খাদ্য শস্যৰ ক্ষেত্ৰত স্বনিৰ্ভৰ কৰিলে হয়, কিন্তু খেতিবাতি খেতিয়কৰ বাবে ক্ৰমাৎ ব্যয়বহুল আৰু ক্ষতিকৰ ব্যৱসায়ত পৰিণত কৰিলে। (যি বাবে উত্তৰ ভাৰতত স্বচ্ছল খেতিয়কসকলে বাৰে বাৰে আন্দোলনৰ পথ লৈছে।) সেয়ে শিল্প উৎপাদনৰ বজাৰ গাৱেঁ-ভূঞে আজিও

OKDSCD

যথেষ্ট পৰিমাণে বাঢ়ি নগ'ল। দেশত বজাৰ নাই বুলি ধৰি লৈ চৰকাৰ আৰু শিল্পপতিমহলে বিদেশী বজাৰৰ ওপৰত গুৰুত্ব দিছে। দেশীয় শিল্পজাত সামগ্ৰী পানীৰ দামত বিদেশত বিক্ৰী কৰিবলৈ সাজু হৈছে। তৎসত্ত্বেও ১৯৮৪ চনৰ প্ৰথমভাগত ৰপ্তানি সামগ্ৰীৰ পৰিমাণ আৰু মূল্য আগৰ বছৰৰ তুলনাত বাঢ়িছে মাত্ৰ ০.৪% ভাগ, কিন্তু আমদানি বাঢ়িছে ৩০%। দেশৰ বাণিজ্যঘাটি সেই সময়ত বাঢ়িছে মাত্ৰ ৮০%। লোকচান ভৰা (sick) উদ্যোগ প্ৰতিস্থানৰ সংখ্যা ৮৩০০০ লৈ বাঢ়িছে। এনে অৱস্থাত অসমত থলুৱা লোকৰ শিল্প বা ব্যৱসায়ীয়ে কি আশা কৰিব পাৰে? ১৯৫৬ ৰ পৰা ১৯৭৫ ৰ ভিতৰত সৰুসুৱা কোম্পানীবোৰৰ লাভৰ ভাগ মাত্ৰ। এনে তাকৰ আয়েৰে স্বচ্ছল আৰু নিৰাপদ জীৱননিৰ্বাহ অসম্ভৱ। অসমত অসমীয়া ব্যৱসায়ীয়ে এনে পৰিস্থিতিত চমক্প্ৰদ সাফল্য অৰ্জন কৰিব নোৱাৰে। হয়তো চৰকাৰী বিষয়াৰ লগ লাগি দুৰ্নীতি কৰি দুনম্বৰী উপায়েৰে ব্যৱসায় বঢ়াব পাৰিব। কিন্তু বিনিময়ত সৰ্বসাধাৰণ অসমীয়াৰ উন্নয়ন পংগু কৰিব লাগিব।

অসমৰ বুনিয়াদী শ্ৰমজীৱী জনসাধাৰণৰ উন্নয়নৰ বাবে, থলুৱা শিল্প-ব্যৱসায়ৰ সুস্থ বিকাশৰ বাবে, প্ৰয়োজন পুঁজিৰ। এই পুঁজি বা মূলধন যথেষ্ট পৰিমাণে অসমত থলুৱা মানুহে ওপৰত দিয়া কাৰণবোৰত গঢ়ি তুলিব নোৱাৰে। চৰকাৰেই তেনে মূলধন যোগানৰ দায়িত্ব ল'ব লাগিব। কিন্তু কেনেকৈ? অষ্টম বিত্তীয় নিগমৰ কালছোৱাত (১৯৮৪ ৰ পৰা ১৯৮৯ লৈকে) অসমৰ বাজেট ঘাটি হয় জনমুৰি ১২০.২৩ টকা। কেন্দ্ৰীয় বিত্তীয় সাহাৰ্য আহে জনমুৰি ১৩৩.৮০ টকা। ফলত সেই সময়ত ৰাহি হয় জনমুৰি ১৩.৫৭ টকা। ১৯৮৯-৯০ চনত সেই ৰাহি আৰু কমি গৈ ৭.০৮ টকাত পৰে গৈ। (এই সময়ত মহাৰাষ্ট্ৰৰ জনমুৰি ৰাহি ২৮৫.৬৪ টকা।) সেই সামান্য ধনেৰে অসমত বিস্তৃত শিল্পায়নৰ ভেটি জানো গঢ়িব পৰা যাব? অথচ একে সময়তে অসমৰ চাহ শিল্প আৰু তেলৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰচুৰ আয় হৈ আছে।

এনে মূলধনৰ অভাৱৰ বাবেই শক্তি, পৰিবহন আদি ক্ষেত্ৰত অসমৰ শিল্প-উদ্যোগগভীৰ সমস্যাৰ সন্মুখীন হৈছে। স্বাস্থ্যবান অৰ্থনীতিৰ অংগ হিচাপে গঢ়ি নুঠা বাবে অশোক পেপাৰ মিল চন্দ্ৰপুৰৰ গ্লাছ ফেক্টৰী আদিত উৎপাদন বন্ধ, আৰু শেহতীয়া খবৰ মতে নামৰূপত সাৰ কাৰখানাৰ উৎপাদনো বন্ধ হৈ যোৱাৰ আশংকা আছে। এনে কথাও শুনা যায় যে ব্যক্তিগত খণ্ডৰ সাৰকাৰখানা বিলাকৰ দুৰ্নীতিপূৰ্ণ প্ৰতিযোগিতাৰ ফলত নামৰূপত উৎপন্ন সাৰৰ বিক্ৰী দ্ৰুতগতিত হ্ৰাস পাইছে।

অৰ্থাৎ অসমৰ শিল্পায়ন, ব্যৱসায়-পৰিস্থিতি আৰু কৰ্মসংস্থানে আৰ্থসামাজিক কাৰণতে অনিবাৰ্যভাৱে এনে ৰূপ পাইছে যে তাৰ প্ৰতিকাৰৰ বাবে অসমৰ ৰাইজ আৰু চৰকাৰে যৌথভাৱে আৰু পৰিকল্পিত প্ৰণালীৰে ব্যাপক প্ৰচেষ্টা চলাব লাগিব ৰাজ্যিক চৰকাৰে ব্যাপক হস্তক্ষেপৰ জৰিয়তে বহিৰাগত পুঁজিৰ প্ৰতিপত্তি হ্ৰাস কৰিব লাগিব, বেংক আদিৰ পৰা ফলপ্ৰসূ ঋণদানৰ ব্যৱস্থা কৰিব লাগিব, সুলভ হাৰত শক্তিৰ যোগান ধৰিব লাগিব। উৎপন্ন দ্ৰব্যৰ বাবে যথেষ্ট চাহিদা সৃষ্টি কৰিব লাগিব। চৰকাৰ আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সম্মিলিতভাৱে শিক্ষাব্যৱস্থাৰ মাজেৰে দেশপ্ৰেম, কৰ্তব্যনিষ্ঠা, আৰু শ্ৰমৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিবলৈ আন্তৰিক চেষ্টা চলাব লাগিব। কৃষিৰ উন্নতিৰ বাবে যথোপযুক্ত আঁচনি লৈ, তাক কাৰ্যকৰী কৰিব লাগিব।

বৰ্তমান পৰিবেশত ই জানো সম্ভৱ? অসমত মধ্যবিত্ত শ্ৰেণীৰ লোকসকল ছলে-বলে-কৌশলে নিজৰ নিজৰ অৱস্থা উন্নত কৰাত মত্ত। তেওঁলোকে অসমীয়া সংস্কৃতি সংৰক্ষণবা বিকাশৰ বাবে কোনো কষ্টস্বীকাৰ কৰিব নোখোজে। তেওঁলোকৰ সতিসন্ততি ক্ৰমাৎ থলুৱা সংস্কৃতিৰ পৰা আঁতৰি গৈছে। অসমৰ ৰাজ্যিক চৰকাৰৰ ওপৰত এওঁলোকৰ প্ৰভাৱেই সৰ্বাধিক। সেয়ে ওপৰোক্ত ব্যৱস্থাবোৰ এই দুই শক্তিয়ে নলব।

অসমৰ কৃষক, শ্ৰমিক, নিম্নমধ্যবিত্ত জনসাধাৰণে নিজৰ স্বাৰ্থ তথা দেশৰ উন্নয়নৰ লক্ষ্য পূৰণৰ বাবে চৰকাৰ দখল কৰিব পাৰিলেহে সি হয়তো সম্ভৱ হ'ব।

(আগলৈ)

*WITH BEST COMPLIMENTS FROM AMTRON*

AMTRON now brings to you the state-of-the-art technology in.
- BPABX
- RAX
- TVs, Calculators & LPG-Gas alarms. and specialised services in
- Computer Consultancy,
- Entropreneurship Development & Training
- Infrastructural facilities for the growth of Elactronic Industries through its ELECTRONIC GROWTH CENTRE

AMTRON

Pioneering electronics growth in Assam.
Assam Electronics Development Corporation Ltd.
G. N. B. Road. Guwahati– 781003.

# এখন জীয়া সমাজৰ চিত্ৰ

*ভক্তি ধৰ্মমুখী সমস্ত বৈষ্ণৱ সাহিত্যৰে অঙ্গীভূত এই উপদেশবিলাক মৌখিক উপদেশ মাত্ৰ নাছিল, মহাপুৰুষসকলৰ জীৱনৰ অভিজ্ঞতাৰে সিক্ত প্ৰাণৰ উমেৰে উমাল আছিল সেইবিলাক উপদেশ, সেয়ে সেইবিলাক তেখেতসকলৰ জীৱনৰ বাণীস্বৰূপ হৈ পৰিছিল আমাৰ সমাজত।*

শ্ৰী মহিম বৰা
নব নিৰ্বাচিত সভাপতি
অসম সাহিত্য সভা

পাঁচশ বছৰৰ আগৰ আমাৰ সমাজখনৰ জীৱন্ত ৰূপটো কেনেকুৱা আছিল বাৰু? কেনেকুৱা সামাজিক ৰীতি-নীতি, কি কি জীৱিকা? শিক্ষা-সংস্কৃতিৰ ৰূপটো কেনেকুৱা? মহাপুৰুষ দুজনাই সেই সমাজখনলৈ কেনেকুৱা ধৰণৰ নতুন চেতনাৰ সঞ্চাৰ কৰিলে, যাৰ ফলত সমাজৰ জীৱন ধাৰা, গতি ধাৰাত তোলপাৰৰ সৃষ্টি হ'ল?

সঁচা, আমাৰ বুৰঞ্জী সাহিত্যই এই দিশত আমাক বহুতো পোহৰ দি গৈছে। কিন্তু সেয়া বিশেষকৈ ৰাজনৈতিক ঘটনাৱলীক কেন্দ্ৰ কৰিহে প্ৰকাশিত হৈছে কিন্তু সমাজ জীৱনৰ বিভিন্ন দিশ উজ্বল হৈ পৰিছে "কথা গুৰু চৰিত"তহে। সেই সময়ৰ ৰাইজৰ ৰীতি-নীতি, খেতি-বাতি বেহা-বেপাৰ, সাহিত্য-সংস্কৃতি, গৃহস্থী-জীৱন, গওঁা-সমাজ সম্পৰ্কীয় যাৱতীয় চিত্ৰ সেই সময়ৰ বৈষ্ণৱ সন্ত সকলৰ জীৱন কাহিনীৰ মাজেদিয়ে ফুটি উঠিছে। মহাপুৰুষ দুজনাই পদব্ৰজে, নাৱত উঠি অসম-কামৰূপ-কোচবিহাৰ তিনিও ৰাজ্যৰ বিভিন্ন অঞ্চলত ভকত-বৈষ্ণৱ সকলক লৈ ঘূৰি ফুৰিছিল, অ'ত ছমাহ, ত'ত বছৰেক, কোনো ঠাইত বহুবছৰো অতিবাহিত কৰিছিল- দেশৰ মাটি আৰু মানুহৰ লগত এইদৰে একাত্ম বোধ গঢ়ি তুলিছিল। সেই কাৰণেই দুখীয়া, ভিকহু, সৰ্বহাৰা মানুহৰ দুখ বেদনাৰ সমভাগী হ'ব পাৰিছিল, তেওঁলোকক জীৱনৰ মৰ্যাদা সম্পৰ্কে সচেতন কৰি তুলিব পাৰিছিল এই মহাত্মা পুৰুষ সকলে। ঈৰ্ষা, অসূয়া, অহঙ্কাৰ লোভ-মোহ ত্যাগ কৰা, প্ৰাণী হিংসা ত্যাগ কৰা, সকলো প্ৰাণীকে আত্ম-সম দেখা, এখন তামোলকে সাতজনে ভগাই খাবলৈ শিকা, গ্ৰাম্য কথা ত্যাগ কৰি, সাংসাৰিক কৰ্তব্যৰ মাজত থাকিও ভকতৰ লগত ভগৱন্তৰ নাম লোৱা- বিষয় বাসনাত নিমজ্জিত হৈ জীৱনৰ মহৎ উদ্দেশ্য পাহৰি নাযাবা। এয়ে আছিল মহাপুৰুষ ধৰ্ম/সাহিত্য সংস্কৃতিৰ মূল তত্ত্ব। মানুহৰ প্ৰতি, প্ৰাণীৰ প্ৰতি, বিশ্ব-প্ৰকৃতিৰ প্ৰতি গভীৰ প্ৰেমেই ঈশ্বৰ প্ৰেম গভীৰ কৰি তুলিব। ওবা নৰলোক, হে মনুষ্যসকল, দাতা-চোৰ, মূৰ্খ-পণ্ডিত, মানুহ মাত্ৰকেই বিশেষকৈ ঈশ্বৰ বুলি ভাবিবা আৰু ঈশ্বৰ ৰূপেই মান্যতা দিবা। কুকুৰ, শিয়াল , গাধই নহয়, পোক-পৰুৱা, তেজখোৰা মঁহ দাঁহ পৰ্যন্ত সকলোতে ঈশ্বৰকে দেখিবা। ভক্তি-ধৰ্ম মুখী সমস্ত বৈষ্ণৱ সাহিত্যৰে অঙ্গীভূত এই উপদেশ বিলাক মৌখিক উপদেশ মাত্ৰ নাছিল, মহাপুৰুষ সকলৰ জীৱনৰ অভিজ্ঞতাৰে সিক্ত প্ৰাণৰ উমেৰে উমাল আছিল সেই বিলাক উপদেশ, সেয়ে সেইবিলাক তেখেতসকলৰ জীৱনৰ বাণী স্বৰূপ হৈ পৰিছিল আমাৰ সমাজত।

সেই কাৰণেই স্ত্ৰী-শূদ্ৰ নিৰ্বিশেষে অনাখৰী সমাজতো মহাপুৰুষৰ প্ৰভাৱে নতুন চেতনা, নতুন প্ৰেৰণাৰ ঢল নমাব পাৰিছিল। কেনেকৈ অ'-আ'-ক-খ কেইটা চিনি লৈ জোঁটাই জোঁটাই পুথি এখন পঢ়িব পৰা হয়, কেনেকৈ সাঁচিপাতত তেনে পুথি নকল কৰি ল'ব পৰা হয়, তাৰ বাবে যত্ন চেষ্টাৰ ত্ৰুটী নাছিল। পুথি নকল কৰা কামটো কোনো কোনোৱে বৃত্তি হিচাপেও লৈছিল আৰু তাৰে নিজৰ ভৰণ পোষণৰ ব্যৱস্থাও হৈছিল। যিবিলাকে লিখা-পঢ়াৰ শিকাৰ সুযোগ পোৱা নাছিল, তেওঁলোকে আনৰ পৰা শুনিয়ে পদ-পুথি মুখস্থ কৰি ঘৰত গৈ গৃহিনী আৰু মহিলা সমাজত শুনাব লগাও হৈছিল। পুথি কিনিবলৈ পোৱাৰ কথাটো এইদৰে পাওঁ "কথা-গুৰু চৰিত'ত এবাৰ এঠাইত মাধৱদেৱে নিশা যাপন কৰিব লগা হৈছিল। মুৰাৰী কোঁচ নামৰ এজন পাঠকে সেই সমাজত নিশা মাধৱদেৱৰ "ৰত্নাৱলী"পুথিখন পঢ়িবলৈ ল'লে। কিন্তু উচ্চাৰণ ভুল, 'য'ৰ 'জ' উচ্চাৰণ কৰি যোৱাত মাধৱদেৱে তেতিয়াই পুথিখন নিজৰ ওচৰলৈ নি চোৱাত দেখা পালে যে নকল কাৰেই তেনে ভুল জোঁটনি কৰি থৈছে। কোনে নকল কৰিছিল সোধাতে মুৰাৰীয়ে হাতযোৰ কৰি উত্তৰ দিলে তেওঁ নিজেই নকল কৰি লৈছিল। মাধৱদেৱে খঙেৰে ক'লে, 'নিজে যদি নাজানই, টকা এটা দি কিনি নানিলি কিয়?' শাস্ত্ৰ ভুল কৰি নকল কৰাৰ কাৰণে মুৰাৰীক খেদি পঠিয়ালে মাধৱদেৱে।

বহুতো গীতৰ ৰচনা প্ৰায় মুখে মুখেই হৈছিল, শঙ্কৰদেৱে কিবা বিশেষ কাৰণ উপস্থিত হ'লে মাধৱদেৱক সেই বিষয়টোক কেন্দ্ৰ কৰি গীত ৰচনা কৰিবলৈ কয়। খেতিকৰা মানুহ এজনক দেখি আমাৰো কিৰিষি কৰা বুলি কওঁতে মাধৱদেৱে, কিৰিষি কৰা আনো মনাই' গীতটো (বৰগীত) ৰচনা কৰিলে। আন এবাৰ শঙ্কৰ-মাধৱ-নাৰায়ণ ঠাকুৰ (আগৰ নাম ভৱানন্দ) আৰু জয়ন্তাৰ মাধৱ চাৰিওজন নাৱেৰে ফুৰিবলৈ যাওঁতে শঙ্কৰদেৱে তেওঁলোকৰ প্ৰত্যেককে একোটাকৈ কবিতা ৰচনা কৰিবলৈ কোৱাত নাৱতেই প্ৰত্যেকে একোটাকৈ কবিতা মুখে মুখে ৰচনা কৰি গালে। শঙ্কৰদেৱে লগে লগেই প্ৰত্যেকটোৰ সমালোচনাও দিলে। মাধৱদেৱৰ সেই কবিতাটোৱে হ'ল বিখ্যাত গুৰু-ভটিমা, 'জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ'। আকৌ এবাৰ নাৱেৰে উজাই যাওঁতে বুঢ়ী-লুইতৰ পাৰত এগৰাকী বিধৱাই স্বামীৰ মৃত্যুত কন্দা দেখি মাধৱদেৱক ক'লে, "বৰাৰ পো, আমাৰো এফেৰি কান্দা"। মাধৱদেৱৰ সেই কান্দোনেই হ'ল আন এটি বিখ্যাত বৰগীত, 'কিমতে ভকতি কৰিবো তোমাক হৰি এ, মই মূঢ়মতি নাজানো তাৰ উপায়'।

খেতিয়ক ৰাইজৰ বহুতৰে অৱস্থা বেয়া আছিল, বছৰটো খাবলৈ নোজোৰাৰ সংখ্যাও আছিল যথেষ্ট। কিন্তু বিষয়া, বেপাৰী আদি চহকী মানুহৰ সংখ্যাও তেনেই কম নহয়। এখন ভৰপূৰ গৃহস্থী বুলিলে কি বুজা গৈছিল, তাৰ আভাস পাবলৈ হ'লে আমি হৰসিং বৰা উজীৰৰ গৃহস্থী খনলৈ এবাৰ চকু ফুৰালেই হ'ল। বৰা আছিল আহোম ৰাজবিষয়া।

ভোটৰ উপদ্ৰৱত পলাই অহা মাধৱদেৱৰ পিতৃ -মাতৃক হাবিৰ মাজত নিৰাশ্ৰয় অৱস্থাত পাই বৰাই তেওঁৰ ঘৰলৈ আনি পিতৃ-মাতৃৰূপে জ্ঞান কৰি আশ্ৰয় দান কৰিলে। মাধৱদেৱ তেতিয়া মাতৃ-গৰ্ভতবৰাৰ আশ্ৰয়ত জন্ম হৈছিল মাধৱদেৱৰ। অপুত্ৰক বৰাই মাধৱদেৱকো নিজৰ পুত্ৰ জ্ঞান কৰি তুলিলে।

বৰাৰ টোলত সাতকুৰি গিৰি অৰ্থাৎ পৰিয়াল

GKDISCD

আছিল। তেওঁলোক গোলাম, বহতীয়া, বান্ধা, দাস-দাসী আৰু 'লাৰীয়া' ৰায়ত। চাৰিকুৰি পুৰা মাটিত চ'ত মহীয়াও খেতি আছিল। বাৰিষাৰ খেতিৰ মাটিৰ হিচাপ দিয়া নাই যদিও নিশ্চয় অনুমান কৰি ল'ব পাৰি। গৰুৰ সংখ্যাও দিয়া নাই যদিও সাত জনী গাই খীৰায়। ম'হৰ পালত, এক কম এশ জাতৰ বনৰীয়া ম'হ ঘৰচীয়া কৰিছে। ছাগলীৰ পালত দুশ ছাগলী। বৰাৰ ঘৰো মাধৰদেৱ আৰু তেওঁৰ পিতৃ-মাতৃয়ে এৰিব লগা হ'ল ৰাজৰোষৰ ভয়ত। কাৰণ পাইকে বৰুৱাৰ ওচৰত এওঁলোকৰ বিৰুদ্ধে গোচৰ দিছিল। তেতিয়াৰ পৰা তেওঁলোকৰ দুখকষ্ট বাঢ়িল, পিছলৈ ভিক্ষা কৰিবও লগীয়া হ'ল। এঘৰ আত্মীয়ৰ ঘৰ পালেগৈ, তেওঁলোকে ভাল মাত নিদিলে; মাধৰদেৱে খৰি ফালি দি কোনোমতে ভাত এসাজ মোকলাই ৰাতিটো থাকি পিছদিনা গুছি গ'ল। ইয়াৰ পিছতহে ঘাগৰি মাজিৰ ঘৰত আশ্ৰয় পালে আৰু তাতে চৌদ্ধ বছৰ থাকিল।

ভৱানন্দ আছিল ডাঙৰ মুদৈ। খেতি বাতিও যথেষ্ট। ৰজাৰ মোমায়েক বুলি চকীয়ালক ফাঁকি দি কাটল বা বেহা-বেপাৰৰ কৰ নিদিয়াকৈও চলিছিল। কিছুবছৰ। পিছত অৱশ্যে ধৰা পৰিল যদিও ৰজাই তেওঁক বিনা কাটলে বেপাৰ কৰিবলৈ অনুমতি দিলে। কেইবাখনো ডাঙৰ নাৱত বেহাৰ বস্তু ভৰাদি বহুতো ধন লাভ কৰিছিল। পিছত ভাস্কৰ বিপ্ৰৰ মুখে শঙ্কৰদেৱৰ বাৰ্তা পাই, খাগৰি কটীয়াৰ মুখত শঙ্কৰদেৱৰ ভনিতা থকা বৰগীত শুনি শঙ্কৰদেৱৰ ওচৰ পাই শিষ্যত্ব আৰু মাধৰদেৱৰ সখিত্ব লাভ কৰাৰ উপৰিও শঙ্কৰদেৱে দিয়া নতুন নাম 'নাৰায়ণ' হিচাপেহে জনাজাত হ'ল। ঘাট-মাউৰা ভৱানন্দ মুদৈৰ সৰুতে এসময়ত পানীত হাঁহ নচৰা অৱস্থাও হৈছিল। খুৰাদেৱক চৈতন্যৰ সৈতে আনৰ ঘৰৰ পৰা পাণ কিনি [ নিজে জখলাত উঠি পাণ পাৰি ] হাটত বেচি জীৱিকা উলিয়াইছিল, এঘৰ কায়স্থ লোকৰ বাৰীৰ চুকতে পঁজা এটা সাজিলৈ থাকি।

এই পানৰ বেপাৰ কৰিবলৈও মূলধন গোটালে বজাৰত পোহাৰী বাই এজনীৰ পাণখিনি কিছু সময় ৰাখি দি। সেই সময় কণৰ ভিতৰতে ঠাইৰ সকলো পাণ বেচি লাভ কৰি দিলে। বায়ে আচৰিত হৈ তেওঁক চাৰি পোণ কড়ি বানচ হিচাপে দিলে। সেয়ে হ'ল তেওঁৰ পাণ বেপাৰৰ মূলধন। তাৰ উপৰি আজৰি সময়ত জুৱাতো বহি লাভ কৰিবলৈ ধৰিলে। কিন্তু জুৱাখেল 'সজ বৃত্তি' নহয়, আনহাতে এৰি আহিলেও লগৰীয়াই শুদায়ে নেৰিব। বুদ্ধি শিকালে খুৰাদেৱকক, খেলি থাকোতে লাঠি এডাল লৈ মিছায়ে মাৰ- ধৰ কৰাৰ দৰে ছালে-বেৰে খুন্দিয়াই, তেওঁক খেলৰ মাজৰ পৰা টানি আনিবলৈ। সেই কৌশলৰেই ভতিজাক ভৱানন্দক দদায়েকে দলৰ কু প্ৰভাৱৰ পৰা মুক্ত কৰিলে।

দদাই ভতিজাৰ অৱস্থা অলপ ভাল হোৱাত ঘৰ চলাবৰ কাৰণে দদায়েকে ভতিজাকৰ বিয়া-পাতিব খুজিলে। ভতিজাক মান্তি নহ'ল, কাৰণ শহুৰেক-বোৱাৰীয়েক সম্বন্ধ বৰ সীমাবদ্ধ, পানী এটুপি খুজিব নোৱাৰা অসুবিধা। গতিকে দদায়েকেহে বিয়া কৰাওক, সকলো অসুবিধা আঁতৰিব। তেওঁলোক যাৰ বাৰীত মাটিত বহা বান্ধি আছিল তেওঁলোকৰ গাভৰু কন্যাটিয়ে আহি এওঁলোকৰ সকলো যা-যতন কৰি দিয়ে, পানী অনা, পাচলি কুটা, চাউল-পাতৰ যোগাৰ কৰা, ঘৰ সৰা মছা কৰা। কন্যাটি 'দিব্য সুন্দৰী, সৰ্ব সুলক্ষণী'। কন্যাটিয়ে এদিন এওঁলোকৰ ঘৰুৱা কামখিনি কৰি নিজ ঘৰলৈ গৈ মাকক মুখে হানিয়ে কৈ দিলে, "পিতাক ক'বা, আমাক আৰাতে (চৈতন্যক) বিয়া দি থ'ব।" সেইমতে মাৰ্ক দেউতাকে কুটা এগছো নোলোৱাকৈ চেতন আতৈত কন্যা সম্প্ৰদান কৰিলে।

এই ভৱানন্দ আতাই (নাৰায়ণ ঠাকুৰ) সেই অঞ্চলৰে আন এজন ভৱানন্দ নামৰ সমনীয়াৰ লগত সখি বন্ধালে। এমহা কড়ি সখিয়েকক দিলে ছাগলী এজনী কিনি পুহিবলৈ, আধি ব্যৱস্থাত। দুবছৰমানৰ ভিতৰতে ছাগলী এপাল হ'ল। ভৱানন্দই আধিৰ ভাগ বিচাৰোতে সিজনে ক'লে, "কড়ি এমহাকে ল'বা, কি ছাগৰ কথা কোঁৱা?" সখিৰ অকৃতজ্ঞতাত ভৱানন্দ আতৈৰ খং উঠিল আৰু মেল চপাব বুলি হুমিয়াই গ'ল। পিছদিনা মেল, আগৰাতি দদাই ভতিজা মিলি মেলৰ অখৰা কৰিবলৈ ধৰিলে। খুড়াক হ'ল ছাগলীৰ মালিক ধৰুৱা ভৱানন্দ। দুয়োৰো কথা কটাকটি চলিল। কিন্তু বাদী ভৱানন্দ কথাত হাৰিল। মেলত লাজত পৰাৰ ভয়ত পিছদিনা মেললৈ নগৈ শুই থাকিল। সিজন ভৱানন্দ (ছাগলীৰ মালিক) যেতিয়া মেলুৱৈ লৈ আহিল খুড়াকে তৎক্ষণাত ফাকি দি ক'লে, "তোমাৰ সখিয়ে তোমাৰ লগত কাজিয়া কৰি ভাত নোখোৱাকৈ শুই আছে। কৈছে বোলে 'সখি আহিলে ক'বা, মোক সখিকহে লাগে ছাগ নালাগে।'

সখি ভৱানন্দই তৎক্ষণাৎ ধন আৰু ছাগলীৰ ভাগ দি ক'লে, "মোকো সখিকহে লাগে, ধন নালাগে।"

ইয়াৰ পিছৰ পৰাই ভৱানন্দ আতৈয়ে সাতজন সঙ্গী লৈ এইবাৰ নাৱেৰে বেপাৰ কৰাত লাগিল। তাতো তেওঁৰ টেঙৰালিৰ কথা উল্লেখ কৰি অহা হৈছে। চকিয়ালক তেওঁ পৰিচয় দিয়ে তেওঁৰ নাম গোপাল কোঁৱৰ তেওঁ সেই ৰাজ্যৰ ৰজাৰ জোঁৱাই! 'অচম গাৰো ভোট বঙাল' চাৰিও ৰাজ্যৰ চকীয়ালে ভয়তে 'হাট-ফাট' (হাটৰ মাচুল, জলপথৰ বেপাৰৰ মাচুল) নোলোৱাকৈ অহা যোৱা কৰিবলৈ দিয়া হ'ল। কিন্তু এবাৰ সন্দেহ কৰি 'অচম' ৰজাক জনোৱাত ৰজাই ধৰাই নি ৰাজ চ'ৰাত বিচাৰ কৰিলে। সাউদ ভৱানন্দই তেতিয়া এটা সাধু কথাৰ দৃষ্টান্ত দাঙি ধৰিলে ৰজাৰ আগতঃ এজনী ছাগলী বেপাৰীৰ হাতৰ পৰা পলাই হাবিত সোমাল। হাবিৰ জন্তুবোৰক ক'লে যে তাই সিংহৰ মাহীয়েক। পশুবোৰে ভয়তে তাইক কান্ধত লৈ ফুৰিবলৈ ধৰিলে। এবছৰৰ মূৰত সিংহ আহিল সেই বনলৈ নিজৰ ভাগৰ পশু খাবলৈ। সকলো পশুৱে তাইক আগ কৰি সিংহৰ ওচৰ পালেগৈ। তাই সিংহক আচল পৰিচয় দি ক'লে যে তাই তেওঁৰ নাম লৈয়ে নিৰ্ভয়ে থাকিব পাৰিছে। সিংহই বৰ সন্তোষ পালে, তাইকো নিৰ্ভয় দিলে আৰু বনৰ পশুৰ ভাগো নোলোৱা হ'ল।

সৰ্গদেৱেও ভৱানন্দ সাউদৰ কাহিনীত সন্তোষ লভি তেওঁক নিৰ্ভয়ে, বিনামাচুলে বেপাৰ বণিজ কৰিবলৈ অনুমতি দিলে।

সেই ভৱানন্দ আতৈয়ে চূণপোৱাৰ ওচৰত খাগৰিকটীয়াৰ মুখত 'মন মেৰি ৰাম চৰণেহি লাগু' বৰগীতটো আৰু ভণিতাত, 'জানিয়া শঙ্কৰে কহে ৰাম বিনা গতি নাই',- শঙ্কৰদেৱৰ নাম শুনি শঙ্কৰদেৱত শৰণ ল'লে আৰু লগতে ল'লে নতুন নামটো, নাৰায়ণ ঠাকুৰ। [ প্ৰসঙ্গতঃ এইটোৱে শ্ৰীমন্ত শঙ্কৰৰ প্ৰথম গীত, বদৰিকাশ্ৰমত ৰচনা এই গীতটোকে কমলা প্ৰিয়াই (আন নাম ভুৱনেশ্বৰী) গোৱা শুনি চিলাৰায়ে শঙ্কৰদেৱক গুৰু মানি শৰণ ল'লে আৰু লগে লগে অসম কামৰূপ বেহাৰৰ ধৰ্ম-সাহিত্য সংস্কৃতি আৰু জাতীয় জীৱনৰ এক নতুন অধ্যায় আৰম্ভ হ'ল।শ্ৰীমন্ত শঙ্কৰ মাধৱৰ গীত বিলাকক পিছলৈহে ভকত সকলে 'বৰগীত' আখ্যা দিয়ে।]

নাৰায়ন ঠাকুৰৰ গাঁৱৰ সকলোৱে যোল্ল নমীয়া চৈতন্যদেৱৰ মন্ত্ৰ লৈছিল, ঠাকুৰেই প্ৰথম সেই অঞ্চলত মহাপুৰুষৰ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিলে। পিছত গোবিন্দ গৰমালি নামৰ এজন ঘোৰ শাক্ত আৰু জন্তিৰ সধাইক [ জন্তি বা জয়ন্তি অঞ্চলৰ মধাই বা মাধৰ নামৰ এজন লোকক ] গুৰুৰ ওচৰত শৰণ লোৱালে। এবাৰ ফুৰিবলৈ যাওঁতে বলোৰাম নামৰ লোকৰ কন্ধুৱা হালোৱা এটাক নাঙলত শিতান কৰি ভৰ দুপৰীয়া শুই থকা অৱস্থাত পাই পৰিচয়লৈ গৃহস্থৰ ঘৰলৈ গৈ তাৰ দিব লগা পাঁচটকা দি তাক মুকলি কৰি আনি শঙ্কৰদেৱত শৰণ লোৱালে, নাম হ'ল বলোৰাম আতৈ। শ্ৰীৰাম আতা, যাক দুয়োজনা মহাপুৰুষে 'জীৱন্মুক্ত পুৰুষ' বুলি পিছলৈ আখ্যা দিছিল, তেৱোঁ আছিল লোকৰ ধান দাই প্ৰেট প্ৰৱৰ্তোৱা লোক। নাৰায়ণ ঠাকুৰেই তেওঁকো ধান দাই থকাৰ পৰা আনি গুৰুত শৰণ লোৱালে। শ্ৰী ৰাম আতা গণককুচিত মাধৰদেৱৰ লগত একেলগে থাকি তাৰ পৰাই শঙ্কৰদেৱৰ ওচৰলৈ অহা-যোৱা কৰিছিল।

সাধাৰণ দাস-দাসীৰ জীৱনৰ চিত্ৰও "কথা গুৰু চৰিত"ত বৰ্ণিত হৈছে। শ্ৰী মন্ত শঙ্কৰদেৱৰ দাসী চন্দৰী আইৰ নাম অৱশ্যে জনাজাত, যি বৈকুণ্ঠৰ কল্পতৰু জোপা বৈকুণ্ঠৰ পটৰ

OKDSCP

কোনখিনিত বহুৱাব লাগে দেখুৱাই দিছিল। তাৰ উপৰি পণ্ডিত ব্ৰাহ্মণৰ আগত গীতাৰ কোনো এটা শ্লোকো মাতি শুনাইছিল। এই চন্দৱী আইৰ পুত্ৰ ধ্বজাই শঙ্কৰদেৱৰ বাৰী-ঘৰৰ কাম কৰে। নাৰায়ণ ঠাকুৰ আদি ভক্ত সকলে এদিন গুৰুজনক ক'লে যে তেৰাৰ গৃহত যি সকলে সেৱাকৃত্য কৰিছে তেওঁলোক মহাভাগ্যৱন্ত জীৱ। গুৰুজনে হাঁহি ধ্বজাক মাতিলে। ধ্বজাই বাৰীত কোৰমাৰি থকাৰ পৰা আহি সুধিলে, "কিয় মাতিছা কোঁৱা" ? গুৰুৱে বোলে, "একো নহয়, এযাৰ ৰাম বোল।" ধ্বজাই ক'লে, "বোলে অত কি কুটনি কৰি থাকা, কিয় মাতিছা নোকোৱা কিয়।" গুৰুৱে তেতিয়া তাক কলপাত এখন আনিবলৈ কোৱাত ধ্বজাই ক'লে, "বোলে এৰা এনেকৈ ক'বা।" গুৰুজনে তেতিয়া ভকত সকললৈ চাই ক'লে, "দেখিলাহঁক এতিয়া ভাগ্যৱন্তৰ ভাও ?" এই ধ্বজাই মাকৰ লগত কাজিয়া কৰি উৰিষ্যাৰ কটকলৈ গৈ তাৰ পৰা জগন্নাথলৈ গ'ল। তাতে, "শিলে, বতাসে গছ-গছনি ভাঙ্গি চূণচাৰ কৈ জগন্নাথক সাৰটি ধৰি সেইতে শৰীৰত লয় গ'ল।"

গোঁদা আৰু গোকুলা দুই ভাই-ককায়ো গুৰু জনৰ বনুৱা। মাছ, খড়ি শাক, গাজ বিচাৰি আনি গুৰুক দিয়ে, গুৰুৱে ভকত সকলক বিলাই দিয়ে। তেওঁলোককো এদিন নাম গাবলৈ কোৱাত ক'লে, "ভকতে গালেই হ'ব, আমি ভকতক বস্তুৰ যোগাৰ দিম"।

এদিন কিন্তু দুয়ো ভাই-ককাই নামত বহিল। যথানিয়মে স্নান শুদ্ধি হৈ গুৰুজনাক, গোসানীক আৰু ভকতক সেৱা জনালে। নামৰ শেষত আকৌ সেইদৰে সকলোকে সেৱা জনাই নামঘৰৰ বাহিৰৰ চোতালত এখন কঠতে দুয়ো দুয়োকো সাৱটা-সাৱটি কৰি বহি ৰাম নাম লৈ দেহত্যাগ কৰিলে। "সেই বহা আলিঙ্গন সাৱটাই ৰ'ল"।

তাঁতীকুছিত শ্ৰী শঙ্কৰদেৱে বৃন্দাবনী কাপোৰ বোৱাই থকা অৱস্থাত (মহাৰাজ নৰনাৰায়ণৰ অনুৰোধ মতে) থকা ঠাইৰ পৰা তাঁতীকুছিলৈ অহা যোৱা কৰোঁতে বৰ্তীয়াজানৰ কাষৰ ভীমা বায়নৰ চাকুলী পত্নীয়ে যঁতৰত সূতা কাটি কাটি ঘোষা গাই থকা শঙ্কৰদেৱে প্ৰায়ে শুনিবলৈ পায়। কেতিয়াবা জানৰ ঘাটৰ কাষতে খন্তেক ৰৈও ঘোষা শুনে। মাজতে বৈ কেতিয়াবা চাকুলীয়ে কয়, "কৃষ্ণ দেৱ, তুমি প্ৰভুদীন দুখ হাৰী"। এৰাতি স্বপ্নত শঙ্কৰদেৱে দেখা দি ক'লে, "চাকুলী উঠ"। "বাপ, মই জন্মৰে চাকুলী কেনেকৈ উঠিম ? "চাকুলীয়ে সপোনতে ক'লে। তেতিয়া শঙ্কৰদেৱে দুহাতে ধৰি ভৰিত ভৰি দি পোন কৰি দিলে। চাৎ কৰে সাৰ পাই চাকুলীয়ে উধাতু খাই গিৰিয়েকক মাতিলে। গিৰিয়েক উঠি লৰালৰিকৈ জুই কুৰা ফুৰাই জ্বলাই দি পোহৰত দেখে যে চাকুলী থিয় হৈ আছে।

পিছদিনা শঙ্কৰগুৰুৰ ওচৰলৈ দুয়ো গৈ সমস্ত বৃত্তান্ত জনোৱাত গুৰুৱে ক'লে, "ছদ্মকৈ চাকুলী মই নহয়, গুণ লোভী হৰি, [ মোৰ ছদ্ম ৰূপত গুণ লোভী হৰিয়েহে তোমাক পোন কৰিলে, মই কৰা নাই,- এই অৰ্থত ] গতিকে- হৰি গুণ গাৰ ভাই কৰিয়া উৎসৱ গুণ তেসে তুষ্ট গুণ লুবুধ মাধৱ।" মাধৱদেৱক দেখা কৰিবলৈ অহা গাৰো জনজাতিৰ ভকত গোবিন্দ আতাৰ সৰলতাৰ এটি ঘটনাৰ কথাও "কথা গুৰু চৰিত"ত ধৰি ৰখা হৈছে। তেওঁ মাধৱদেৱক দেখা কৰি উভতি যাওঁতে ভকত সকলে তেওঁক বুজালে যে গুৰুজনক তেওঁ 'তই' 'তোৰ' আদি সম্বোধন কৰিব নালাগে, 'তুমি', 'তোমাৰ' সম্বোধনহে কৰিব লাগে। গোবিন্দ আতৈয়ে শলাগি ঘৰ পালেগৈ আৰু কেইদিনমানৰ পাছতে চাৰিখন ভাৰ লৈ (চাৰিজন ভাৰীৰে) আকৌ মাধৱদেৱৰ কাষ পালেহি। মাধৱদেৱ অলপ আচৰিত হ'ল, সুধিলে, "গোবিন্দদেখোন আকৌ আহিলা ?" "বোলে বাপ, তোকে 'তুমি' বুলিবলৈ আহিছো এইবাৰ" গোবিন্দই উত্তৰ দিলে।

মাধৱদেৱে তেতিয়া সন্তোষেৰে ক'লে, গোবিন্দ মোক তুমি 'তই' বুলিলে যিমান সন্তোষ পাওঁ **আপুনি** 'তুমি' বুলি মাতিলেও তিমান (সন্তোষ) নাপাওঁ।

এই কাহিনীৰ যোগেদি গোবিন্দ আতৈ তথা জনজাতীয় বাইজৰ সৰলতা গুণৰ কথা যেনেদৰে ফুটি উঠিছে, তেনেদৰে জনজাতীয় বাইজৰ প্ৰতি মহাপুৰুষ সকলৰ দৃষ্টিভঙ্গীৰ সম্যক পৰিচয়ো ফুটি উঠিছে, যাৰ ঐতিহাসিক গুৰুত্ব বুজিব নোৱাৰাৰ ফলত আমাৰ দুৰৱস্থা আৰম্ভ হৈছে।

কেইজনমান অতি হোলগোজ, হোজা ভকতৰ কেইটামান সৰু সুৰা ঘটনাৰ কথাও চৰিত পুথিখনত বৰ্ণিত হৈছে, যিবিলাক ঘটনা ভাগ্যে ভয়ানক দুৰ্ঘটনাত পৰিণত নহ'ল। মাধৱদেৱৰ কথাৰ অৰ্থ পোনপটীয়াকৈ বুজি লোৱাৰ ফলতে এনে দুৰ্ঘটনা ঘটিব খুজিছিল। ভকতে অজগৰ বৃত্তি ল'ব লাগে',- কথাষাৰৰ সৰল অৰ্থমতেই হৰিগতি আতৈ বাঁহৰ কাষৰ খাৱৈ এটাত পেট পেলাই পৰি আছিল, 'ভকতে মোহ-পাশ ছেদিব লাগে',- গতিকে গাহৰি আতৈ নামৰ এজনে নৰণি ধৰাইছিল কলৰ মাজত সুমুৱাই গিলি মৰিবলৈ, ৰঘু আতৈ নামৰ এজন দা ধৰাইছিল একমাত্ৰ ভাগিনটোক কাটিবলৈ ! ভাগ্যে সময়মতে লগৰ ভকতে বাধা দি এই দুৰ্ঘটনা বিলাকক বাধা দিব পাৰিলে। তাহানি বৈষ্ণৱ ভকতৰ উপৰিও আন আন লোকো ব্যক্তিগত ভাৱে তীৰ্থ ভ্ৰমণলৈ গৈছিল। তেনে এজন ভকত হ'ল কায়ৰা কৃষ্ণাই আতৈ। গঙ্গা গয়া কাশীৰ পৰা গৈ হৰিদ্বাৰত নবীয়া পৰিল। অসুখৰ পৰা উঠি বিল এখনত দুটা মাছ ধৰি পাৰতে ৰান্ধি-বাঢ়ি খাবলৈ বহোতে ধোঁৱাৰ চিনে চিনে গাৱঁৰ মানুহ গৈ 'মাছ খোৱা বন মানুহ' বুলি মাৰিবলৈ বেঢ়ি ধৰিলে। মুখৰ ভাত ফোৰোহনি মাৰি দিয়াত মানুহ বিলাক পলাল। লৰালৰিকৈ খাইবৈ দেশলৈ খোজ ল'লে। মধুপুৰত মাধৱদেৱক পাই ভক্তি ধৰ্ম ধৰি মাধৱদেৱৰ লগতে থাকিল।

'কীৰ্তন দশমতে মই থাকিম'। গ্ৰন্থ আৰু গ্ৰন্থকাৰ অভেদ, পিতা-পুত্ৰৰ দৰেই অভেদ। কিজানি পিতা-পুত্ৰতকৈও অভেদ। মহাপুৰুষদুজনাৰ গ্ৰন্থ কীৰ্তন দশম গুণমালা, ৰত্নাৱলী আৰু নামঘোষা মহাপুৰুষীয়া মতাৱলম্বী ৰাইজে থাপনাত থৈ স্বয়ং ভগৱান ৰূপে সেৱা জনায়।

মাধৱদেৱ পুৰুষ মধুপুৰত থাকোতে এবাৰ পদ্মনাথ লস্কৰ নামৰ এজন ভকতে "দশম" পুস্তকখনি (শ্ৰী মদ্ভাগৱত পুৰাণৰ আদি মধ্য খণ্ডৰ পদ, শ্ৰীশঙ্কৰদেৱৰ ৰচনা। শেষভাগ কবি অনন্ত কন্দলিৰ ৰচনা।) পদ্মনাথ লস্কৰ নামৰ এজন ভকতে নিজে লিখি ল'বৰ কাৰণে ঘৰলৈ নিবলৈ মাধৱদেৱত প্ৰাৰ্থনা জনালে। এটোলা সোণ পুথিখনলৈ আগ কৰি এই প্ৰাৰ্থনা জনাইছিল। মাধৱদেৱে পুথিখন শিৰতকৈ দাঙি নি আগবঢ়াই দিলে আৰু পদ্মনাথ লস্কৰেও সেইদৰে ভক্তিভাৱে পুথিখন ধৰি শিৰতকৈ ল'লে। **"আজি তোমাৰ ঘৰলৈ শ্ৰী শঙ্কৰদেৱ যায়, সাৱধানে নিবা থবা"**- মাধৱদেৱে পুথিখন ভক্তি সহ আগবঢ়াই দি ক'লে।

পুথিখনি ঘূৰাই দিবৰ সময়ত 'এতোলা সোণৰ শলখা দি, ভোগ-শৰাই দি, সাগৰ-টৌ (?) কাপোৰ গিলিপ দি, গায়ন-বায়নেৰে খোল তাল বজাই' যথাস্থানত থৈ গ'ল বুলি চৰিতত আছে। এয়া শ্ৰী শঙ্কৰ দেৱে নৰ-দেহ এৰাৰ পিছৰ কথা। মাধৱদেৱে নিজেও এবাৰ ভকতৰ প্ৰশ্নৰ উত্তৰত কৈছিল, "দশম কীৰ্তন গুৰুজনৰ মূৰ্তিৰ সমান ; ঘোষা, ৰত্নাৱলী আমাৰ থাকিবৰ স্থান কিন্তু অঞ্জনীয়াক আশ্ৰয় লৈ সুধিব লাগিব।" মথুৰাদাস বুঢ়া আতাক মালাবস্তু দি লগৰ ওঠৰজন ভকতৰ আগত মাধৱদেৱে কৈছিল ঃ "মই গুৰু-সেৱা কৈ যি পালো তাকে ঘোষাতে থৈছোঁ, অনেক শাস্ত্ৰ বিচাৰি যি ৰস-তত্ত্ব পালো তাকো ঘোষাতে থৈছোঁ, আৰু পৰমাত্মা ইষ্টে হৃদিত থাকি যি বুদ্ধি দিলে তাকো ঘোষাতে থৈছোঁ। এতেক পদাৰ্থে, ভাবাৰ্থে, তত্ত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৰা সৈতে সন্তৰ কৃপাত পাব, আমাক সম্পূৰ্ণ দেখিব।"

এনে আৰু বহু কাহিনী, বহু ঘটনাৰ কথা চৰিতখনত বৰ্ণিত হৈছে, যিবোৰৰ পৰা সেই সময়ৰ সমাজখনৰ জীৱন্ত গতি ধাৰাৰ উপলব্ধি হোৱাৰ উপৰিও জীৱন্ত জাতি এটাৰ প্ৰাণৰ স্পন্দনো অনুভৱ কৰিব পাৰি। বহুতো ঘোষা-পদ পুথিৰ ৰচনাৰ পটভূমিৰ বিষয়েও জানিব পাৰোঁ। দুই এটা নৈতিক স্খলনৰ চিত্ৰও 'ইকৰাপাত এটাৰ আঁৰ' নকৰাকৈও বৰ্ণনা কৰা হৈছে। মুঠতে এখন জীয়া সমাজৰ প্ৰাণৰ খলকনি যেন শুনিবলৈ পাওঁ। ●

OKDISCD



# মদন কামদেৱ

ডঃ প্ৰদীপ শৰ্মা

মদন-কামদেৱ এখন পুৰণি তীৰ্থস্থান। নগৰীয়া কোলাহলৰ পৰা আঁতৰত সেইজীয়া পাহাৰ জঙ্গলেৰে ভৰা এক বিতোপন পৰিবেশৰ মাজত ই এখন সকলোৰে বাবে আকৰ্ষণীয় ঠাই। ইয়ালৈ বাইহাটা চাৰিআলিৰ পৰা দক্ষিণে দূৰত্ব হ'ল পাঁচ কিলোমিটাৰ।

১৯৭৭ চনৰ আৰম্ভণিলৈকে মদন-কামদেৱ সৰ্ব-সাধাৰণৰ বাবে প্ৰায় অজ্ঞাত অৱস্থাত আছিল। ওচৰৰ গাঁৱৰ এচাম তীৰ্থকৰা লোকৰ বাদে ইয়ালৈ বাহিৰৰ মানুহ অহাৰ কোনো প্ৰয়োজনবোধ কৰা নাছিল। আঁতৰৰ দুই এক যিয়ে ইয়াৰ নাম শুনিছিল, তেওঁলোকেও অসমৰ চুকে-কোণে থকা শ শ ধৰ্মস্থানৰ ভিতৰত অন্যতম বুলি ধৰি লৈ ইয়ালৈ অহাৰ কোনো আচুতীয়া উৎসাহ অনুভৱ কৰা নাছিল। '৭৭ ৰ জানুৱাৰীত যেতিয়া অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ে ইয়াত পৰীক্ষামূলক খননৰ কাম আৰম্ভ কৰে, গছ-গছনিৰে দিনতে অন্ধকাৰময় হৈ থকা ঠাইটুকুৰা জয়াল জয়াল অনুভৱ হৈছিল। সন্ধিয়াৰ লগে-লগে ঠাইডোখৰ হৈ পৰিছিল জীৱ-জন্তুৰ বিচৰণ ভূমি, ওচৰৰ গোপেশ্বৰ পাহাৰৰ পৰা গোটেই ৰাতি শুনা গৈছিল নৰখাদকৰ গোজৰণি।

মন্দিৰ বোলোঁতে ইয়াত আছিল ধ্বংসস্তূপৰ ওপৰত হেলেকা খুটাৰে এখন টিঙৰ চালি ভিতৰত গহবৰত অস্পষ্টতাৰ মাজত আলিঙ্গণাৱিষ্ট উমা-মহেশ্বৰৰ বৃহৎ মূৰ্ত্তিজনা। এই মন্দিৰৰ সন্মুখত বিশ হাত পূবলৈ জঙ্গলেৰে আবৃত হৈ আছিল লিঙ্গ থকা সৰু শিৱ



মন্দিৰটো। তেতিয়াৰ মদন-কামদেৱ আছিল জনমানৱহীন এক পৰিত্যক্ত এৰাবাৰী।

বিৰাশীচনৰ এপ্ৰিলত এই অঞ্চলত জৰীপৰ কাম আৰম্ভ কৰি মদন-কামদেৱ পাহাৰৰ মূধচৰ ওপৰে ওপৰে এলানি শিল আৰু ইটাৰ অৱশেষ স্থাপত্যৰ সন্ধান পোৱা গ'ল। উল্লেখযোগ্য যে সমগ্ৰ মদন-কামদেৱ অঞ্চলত চিনাক্ত কৰা প্ৰায় চব্বিশটা অৱশেষৰ কেৱল এই পাহাৰতেই বিশটা থকাৰ প্ৰমাণ পোৱা যায়। এই জৰীপৰ আঁত ধৰি ছিয়াশী চনৰ এপ্ৰিললৈকে একেৰাহে উদ্ধাৰকাৰ্য চলাই মুঠ চৈধ্যটা অৱশেষৰ ভেটি চিকুৰোৱা হয়। দুখৰ বিষয়, বছৰৰ পিছত বছৰ ধৰি চলা লুণ্ঠনৰ ফলত ইয়াৰ মদন-কামদেৱ নামৰ পশ্চিম প্ৰান্তীয় মন্দিৰটোৰ বাদে বাকী সকলোবোৰ স্থাপত্যৰ ভেটিৰ সামান্য চিনহে বৰ্তি ৰ'ল।

মদন-কামদেৱত শিল আৰু ইটা দুয়োবিধ স্থাপত্যৰ প্ৰাদুৰ্ভাব দেখা যায়। এই পাহাৰৰ ওপৰে ওপৰে হাবিতলীয়া পূব অঞ্চলত এলানি ইটাৰ অৱশেষৰ উমান পোৱা যায়। ইয়াৰ উপৰিও পাহাৰটোৰ দক্ষিণলৈ ওলাই যোৱা এটা ঠেঙুলি আৰু উত্তৰৰ নামনিত থকা সৰু টিলা কেইটাত ইটাৰ অৱশেষ চকুত পৰে। পাহাৰৰ পশ্চিমৰ অংশত কেৱল শিলৰ স্থাপত্যইহে প্ৰাধান্য লাভ কৰিছে। মদন-কামদেৱ পাহাৰৰ টিলাৰ পশ্চিম প্ৰান্তত পূবমুৱালৈ মদন-কামদেৱ মন্দিৰ অৱস্থিত। ইয়াৰ কাযতে উত্তৰফালে এটা ইটাৰ গাঁঠনিও উদ্ধাৰ কৰা হৈছে। এই মন্দিৰৰ পূবত লিঙ্গ থকা সৰু শিৱ



মন্দিৰটো আছে। বৰ্তমানে কেৱল মদন-কামদেৱ আৰু এই শিৱ মন্দিৰতহে পুজা সেৱা চলি আছে। শিৱ মন্দিৰৰ পুবত উত্তৰা-দক্ষিণাকৈ সমান্তৰালভাৱে দুশাৰী শিলৰ স্থাপত্যৰ চিন দেখা যায়। ইয়াৰে পূবৰ শাৰীত পাঁচটা আৰু পশ্চিমৰ শাৰীত তিনিটা, মুঠ আঠোটা মন্দিৰৰ অৱশেষ আছে। মন্দিৰৰ মজিয়াবোৰ মোটামুটিভাৱে টিকি আছে যদিও চৌপাশে থকা ভেটিৰ শিলবোৰ লুণ্ঠনকাৰীয়ে এঢ়ুৱাই নিয়াত ভেটিবোৰৰ আকৃতি পূৰ্ণাঙ্গ অৱস্থাত নাই। তথাপি মন্দিৰবোৰ বিমান মণ্ডপৰ অৱস্থাৰপৰা অনুমান হয়। ইয়াৰ পূবৰ শাৰীৰ দুৱাৰমুখবোৰ পশ্চিমফালে আৰু পশ্চিমৰ শাৰীৰ পূবফালে আছিল। কোনটো মন্দিৰত কি বিগ্ৰহ আছিল সেয়া জানিবৰ বাবে কোনো প্ৰত্যক্ষ সাক্ষ্য বৈ যোৱা নাই। এই দুইশ্ৰেণীৰ মন্দিৰৰ পূবলৈ পাহাৰৰ মুধচেৰে আগুৱাই গ'লে তুলনামূলকভাৱে ডাঙৰ আন তিনিটা মন্দিৰৰ অৱশেষ দেখা যায়। এই মন্দিৰবোৰৰ ভেটিবোৰ অবাধ লুণ্ঠনৰ বলি হোৱাত সেইবোৰৰ আকৃতি বিকৃত হৈছে। ইয়াত থকা স্থাপত্যাংশসমূহৰ ভিতৰত দুৱাৰৰ চৌকাঠৰ কাৰুকাৰ্যখচিত দুৱাৰ-গৰিলা, শিৰপা..., ৰথ আকৃতিৰ থাপনা আৰু মন্দিৰ শীৰ্যত ব্যৱহৃত কলহ, আমলক আদিয়েই প্ৰধান। দুৱাৰ-গৰিলাবোৰত একাদশ-দ্বাদশ শতিকাৰ জনপ্ৰিয় ঢৌ-লেখীয়া নক্সা আৰু কল্পবৃক্ষৰ ব্যৱহাৰ মন কৰিবলগীয়া। শিৰপট্টি বা শিনটেলবোৰ পথালিয়ে দুটা শাখাত বিভক্ত। ইয়াৰে ওপৰ শাখাত নাগৰ মন্দিৰৰ আকৃতি, স্তুপ, শৰাই আদিৰ নক্সাৰে সজ্জিত আৰু তলৰ শাখাত লতাৰ ঢৌ দেখা যায়। এই শাখাৰ মধ্যৱৰ্তী ললাটবিম্বত মন্দিৰ ভেদে গণেশ, গজলক্ষ্মী আদিৰ মূৰ্তি খোদিত কৰা হৈছে। এই মন্দিৰকেইটাৰ এটা মন কৰিবলগীয়া কথা হ'ল ইয়াৰ কোনোটো অৱশেষতে চৌকাঠৰ থিয় অংশ দুটা বা জাম্ব্ দুটা দেখা নাযায়।

ওপৰত উল্লেখিত তিনিটা মন্দিৰৰ ভিতৰত একেবাৰে পূবত থকাটো আটাইতকৈ স্থূলাকৃতিৰ আছিল বুলি ইয়াৰ অংশবোৰৰ পৰা প্ৰমাণিত হয়। ইয়াৰ গৰ্ভগৃহৰ মজিয়া মণ্ডপৰ মজিয়াতকৈ ওখত আছে। মণ্ডপটো আহল-বহল হোৱাৰ বাবে ইয়াৰ মাজত চাৰিটা স্তম্ভৰ ব্যৱহাৰ হৈছিল, যাৰ অতিকায় স্তম্ভপাদ কেইটা এতিয়াও ঠাইতে আছে। এইমন্দিৰত গজ-সিংহৰ ব্যৱহাৰ আন কেইটাৰ তুনাত অধিক হৈছিল বুলি ইয়াৰ চৌপাশে থকা একাধিক মূৰ্তিৰ পৰা ধৰিব পাৰি। উল্লেখযোগ্য যে এই মন্দিৰৰ লগে লগে মদন কামদেৱ পাহাৰৰ মুধচেৰে পশ্চিমৰ পৰা পূবলৈ থকা শিলৰ মন্দিৰৰ শাৰীটোৰ অন্ত পৰে আৰু ইয়াৰ পৰা পূবলৈ ইটাৰ স্থাপত্য আৰম্ভ হয়।


মদন-কামদেৱৰ উদ্ধাৰ কাৰ্যত পোহৰলৈ অহা স্থাপত্যসমূহৰ অৱশেষৰ পৰিমাণ সীমিত হোৱা স্বত্বেও প্ৰায়বোৰৰ ক্ষেত্ৰত পূৰ্ণাঙ্গ ৰূপ কল্পনা কৰাত বিশেষ অসুবিধা হোৱা নাই। মন্দিৰৰ গাভাগ আৰু শিখৰৰ পৰা বৈ যোৱা দুই এটা অংশই মন্দিৰৰ ৰূপ উত্তৰ ভাৰতীয় নাগৰ শৈলীৰ আছিল বুলি নিৰ্ভুলভাৱে দেখুৱায়। এনে মন্দিৰ দেখাত কৰ্দৈশিৰীয়া হয় আৰু ইয়াৰ থিয় বেৰৰ ওপৰত কলচীৰে সৈতে এটা শিখৰ থাকে। মন্দিৰৰ প্লেন অৰ্থাৎ ব্ৰাস্তুপুৰুষ মণ্ডল ত্ৰিৰথ, পঞ্চৰথ, সপ্তৰথ আদি আকৃতিৰ। মদন-কামদেৱৰ পা-ভাগ জঙ্ঘা, শিখৰ, মস্তক আদিৰ ভগ্নাংশবোৰত নাগৰ মন্দিৰৰ স্পষ্ট স্মৃতি বৈ গৈছে। মন্দিৰৰ ৰূপ তথা ভাস্কৰ্যৰ শৈলীৰ পৰা এইবোৰ মন্দিৰ একাদশ দ্বাদশ শতিকাৰ বুলি ক'ব পাৰি। মদন-কামদেৱ অঞ্চলত পোৱা অৱশেষ সমূহৰ সকলোতকৈ সৰহ অংশটো মদন-কামদেৱ মন্দিৰৰ চৌপাশৰ পৰা উদ্ধাৰ হয়। উল্লেখযোগ্য যে এই উদ্ধাৰকাৰ্য এই অঞ্চলত চলোৱা কামৰ আটাইতকৈ শেহতীয়া আছিল।

বৰ্তমানলৈকে পোৱা সমলৰ ওপৰত নিৰ্ভৰ কৰি কব পাৰি যে মদন-কামদেৱত গঢ় লৈ উঠা সকলোখিনি স্থাপত্যৰ ভিতৰত মদন-কামদেৱ মন্দিৰেই আটাইতকৈ বিতোপন আছিল। এই মন্দিৰত এটা পঞ্চৰথ বিমান আৰু ইয়াৰ সন্মুখত এটা বৰ্গক্ষেত্ৰাকাৰ মণ্ডপ আছিল। পুবমূৱাকৈ সজা মন্দিৰটোৰ উত্তৰ, পশ্চিম আৰু দক্ষিণৰ বেৰত একোটাকৈ বাঢ়ি অহা দেবকোষ্ঠ আছিল আৰু প্ৰতিটো



দেবকোষ্ঠতে একোজনা দেবীৰ মূৰ্তিয়ে শোভা কৰিছিল। প্ৰতিজনা দেৱীৰে তিনিখনকৈ মুখ আছিল আৰু তেওঁলোক একোটা মৰাশৰ ওপৰত বহি আছিল। মৰাশটো শিয়াল আৰু শগুণে আজুৰি থকা অৱস্থাত খোদিত কৰা হৈছিল। এই মূৰ্তিৰ উত্তৰত দেৱকোষ্ঠত থকা মূৰ্তি তলৰ সামান্য অংশ ভগ্ন দেবকোষ্ঠত টিকি আছে, দক্ষিণৰ মূল অংশবোৰ বৰ্তি আছে যদিও মূৰ্তিজনা কেইবাখণ্ড হৈ পৰাত পূৰ্ণ অৱস্থাত নাই। কেৱল উত্তৰৰ ভগ্ন দেবকোষ্ঠত থকা মূৰ্তিজনা অঙ্গক্ষত হৈয়ো ই মোটামোটি সম্পূৰ্ণাৱস্থাত আছে।

উদ্ধাৰকাৰ্যত ওলাইপৰা মদন-কামদেৱ মন্দিৰৰ বাহিৰ অংশৰ বেৰৰ কেৱল ভেটি ডোখৰ আৰু জঙ্ঘা বা থিয়বেৰৰ কিয়দংশহে বৰ্তমানলৈ বৰ্তি আছে, ইয়াৰে ভেটিৰ অংশটো খাজকটা শিল ব্যৱহাৰ কৰি নিমজকৈ কৰা হৈছে। এই অনাড়ম্বৰ অংশৰ ওপৰত ভাস্কৰ্যখচিত দুটা পটি আছে। ইয়াৰে তলৰ শাৰীত এলানি একেৰূপৰ কীৰ্তিমুখ আৰু তাৰ ঠিক ওপৰতে এশাৰী নৰ-নাৰীৰ মূৰ্তি আছে। উদ্ধাৰকাৰ্যত পোৱা বিভিন্ন জোখৰ মূৰ্তিয়ে প্ৰমাণ কৰে যে মন্দিৰৰ বেৰভাগত ডাঙৰৰ পৰা সৰুলৈ কেইবাশাৰীও মূৰ্তি ক্ৰমে তলৰ পৰা ওপৰলৈ সজোৱা আছিল। বেৰৰ মূৰত শিখৰৰ চৌপশে কেইটামান গোটাদ'ল বা অঙ্গশিখৰ আছিল। গাত মূৰ্তি আৰু ফুল-লতাৰ নক্সা কটা



এনে কেইটামান অঙ্গশিখৰ অৱশেষৰ মাজৰ পৰা উদ্ধাৰ হৈছে। উল্লেখযোগ্য যে মূল মন্দিৰৰ দৰে এই অঙ্গশিখৰবোৰো পঞ্চৰথ আৰ্হিৰ অৰ্থাৎ পাঁচশিৰীয়া আছিল। এই মন্দিৰৰ বিমানৰ ৰূপ অনাড়ম্বৰ পঞ্চৰথ আৰ্হিৰ আছিল বুলি প্ৰাপ্ত স্থাপত্যাংশ বোৰৰ পৰা অনুমান কৰিব পাৰি আৰু বিমানশীৰ্ষত থকা মস্তক বা কলচী অংশত সচৰাচৰ নাগৰ মন্দিৰত থকাৰ দৰে আমলখিৰ লেখীয়া আমলক আৰু কলশ বা কলহ আছিল বুলি প্ৰমাণিত হয়। মন্দিৰ গৰ্ভৰ কিছু অংশ বৰ্তমানেও অক্ষত অৱস্থাত আছে। এই অংশ টান আৰু নিমজ শিলেৰে তৈয়াৰ হৈছিল। গৰ্ভগৃহত বিশ্বপদ্ম খচিত এখন চন্দ্ৰতাপৰ লেখীয়া চিলিং আছিল। এই চিলিং এচটা প্ৰকাণ্ড শিলেৰে গঢ়া হৈছিল যাৰ ওজন প্ৰায় দুই টন বুলি অনুমান কৰা হৈছে। শিলচটা অক্ষত অৱস্থাত পোৱা গৈছে, আৰু দৰ্শকৰ সুবিধাৰ বাবে বৰ্তমানে ছয়টা কংক্ৰীট্ স্তম্ভৰ ওপৰত ৰখা হৈছে। স্থাপত্যাংশবোৰৰ আন এক আকৰ্ষণীয় বস্তু হ'ল এচটা বৃহৎ আকাৰৰ অৰ্ধবৃত্তাকাৰ শিল.যাৰ পৰিধিত এশাৰী ডাঙৰ ডাঙৰ পদুম পাহিৰ নক্সা কটা আছে। অনুমান মতে এই শিলচটা মন্দিৰৰ মস্তকত ব্যৱহাৰ হৈছিল আৰু ইয়াৰ বাকী অংশৰ নক্সা কটা খণ্ডবোৰ-অৱশেষৰ মাজৰপৰা উদ্ধাৰ কৰা হৈছে।

গৰ্ভগৃহলৈ সোমোৱা দুৱাৰৰ চৌকাঠ বৰ্তমানে নাই যদিও ইয়াৰ দুৱাৰ-গৰিলা অতীতৰ ঠাইতে অক্ষতাৱস্থাত আছে। দুৱাৰ-গৰিলাৰ মাজ অংশত এজোপা কল্প বৃক্ষই শোভা কৰিছে আৰু দুকাষে দুটা সিংহ আছে। দুৱাৰ-গৰিলাৰ দুই মুৰে থকা দেৱকোষ্ঠত বহি থকা অৱস্থাত দুজনা মূৰ্তি আছে। প্ৰতিজনাৰে দুয়োকাষে দুজনকৈ দ্বাৰপাল থিয় অৱস্থাত আছে। গৰ্ভগৃহৰ পূবত গাতে লাগি থকা মণ্ডপৰ মজিয়া প্ৰায় অক্ষত অৱস্থাত আছে যদিও ইয়াৰ পুব আৰু দক্ষিণৰ ভেটি পূৰ্ণাংগ হৈ থকা নাই। মূল মন্দিৰ অৰ্থাৎ বিমানৰ ভেটিৰ ওপৰত থকা কীৰ্তিমুখৰ পটিটো একে অনুপাত আৰু উচ্চতাত মণ্ডপৰ ভেটিৰো চৌপাশে খোদিত কৰা হৈছিল বুলি বৰ্তমানে টিকি থকা অংশই প্ৰমাণ কৰে। মণ্ডপৰ মজিয়াত থকা চাৰিটা বৃত্তাকাৰ চিনে প্ৰমাণ কৰে যে ইয়াত ঘূৰণীয়া স্তম্ভপাদবিশিষ্ট চাৰিটা স্তম্ভ আছিল। ভেটিৰ আকৃতিৰ পৰা অনুমান হয় মণ্ডপৰ পূবত এখন দুৱাৰ আছিল আৰু যিমান দুৰ সম্ভৱ এই দুৱাৰৰ পৰা এখন আহলবহল চিৰি ক্ৰমে তললৈ নামি গৈছিল।



*মুঠ কথাত, স্থাপত্যৰ বিচাৰেৰে পূৰ্ণাংগ মদন-কামদেৱ মন্দিৰৰ ৰূপ উত্তৰ ভাৰতীয় নাগৰ শৈলীৰ আছিল। ইয়াৰ বিমানৰ বাস্তুপুৰুষমণ্ডল পঞ্চৰথ আৰ্হিৰ আছিল আৰু মণ্ডপ বৰ্গক্ষেত্ৰৰ আকাৰত গঢ়া হৈছিল।*



*স্থাপত্য-কল্পনা তথা ভাস্কৰ্যৰ শৈলীৰ ফালৰপৰা ই একাদশ শতিকাৰ হোৱালৈ চাই সেই সময়ত কামৰূপত শাসন কৰা পাল-বংশীয় ৰজাসকলৰে অৱদান বুলি ভবাৰ থল আছে। যিহেতু মদন-কামদেৱৰ ঐতিহ্যৰ সকলোখিনি উদ্ধাৰ হ'বলৈ এতিয়াও বাকী আছে, আমি অদূৰ ভবিষ্যতে ইয়াৰ সম্পূৰ্ণ ইতিহাস জনাৰ আশা কৰিব পাৰো।*

অনুমান হয়, অৱশেষৰ মাজত ওলোৱা বৃহৎ আকাৰৰ গজ-সিংহৰ মূৰ্তি দুজনা এই চিৰিৰ দুয়োকাষে আছিল। মণ্ডপৰ চালৰ বিষয়ে কোনো প্ৰত্যক্ষ প্ৰমাণ অৱশেষৰ মাজত ৰৈ যোৱা নাই কিন্তু স্থাপত্যৰ অংশবোৰৰ আকৃতিৰ পৰা ধাৰণা হয় ইয়াত চেপেটা বা পীৰাদেউলৰ সলনি কৰ্দৈশিৰীয়া শিখৰ আছিল।

মুঠ কথাত, স্থাপত্যৰ বিচাৰেৰে পূৰ্ণাংগ মদন-কামদেৱ মন্দিৰৰ ৰূপ উত্তৰ ভাৰতীয় নাগৰ শৈলীৰ আছিল। ইয়াৰ বিমানৰ বাস্তুপুৰুষমণ্ডল পঞ্চৰথ আৰ্হিৰ আছিল আৰু মণ্ডপ বৰ্গক্ষেত্ৰৰ আকাৰত গঢ়া গৈছিল মণ্ডপৰ চিলিঙৰ সবিশেষ অৱশেষৰ পৰা অনুমান কৰিব পৰা হোৱা নাই যদিও ইয়াৰ স্তম্ভত ব্যৱহৃত কাৰুকাৰ্যখচিত স্তম্ভ শীৰ্ষৰপৰা অনুমান হয়। চিলিঙত ব্যৱহৃত ধাম আৰু আন অংশবোৰো কাৰুকাৰ্যখচিত আছিল। এই বিচাৰেৰে এই মন্দিৰৰ ৰূপ উৰিষ্যাৰ উকা চিলিং থকা মণ্ডপতকৈ মধ্যভাৰতীয় খাজুৰাহো আদিৰ অলংকৃত চিলিং থকা মন্দিৰৰ লগত বেচি মিল থকা বুলি অনুমান কৰিব পাৰি। স্থাপত্যৰ কাৰিকৰী সবিশেষ আৰু ভাস্কৰ্যৰ আকৃতিৰ পৰা এই মন্দিৰ একাদশ শতিকাত নিৰ্মাণ হৈছিল বুলি ভবাৰ থল আছে। মদন-কামদেৱৰ মূল আকৰ্ষণ হ'ল ইয়াত আৱিষ্কৃত মূৰ্তি আৰু কাৰুকাৰ্যখচিত স্থাপত্যাংশ সমূহ। এই ভাস্কৰ্যবোৰ প্ৰধানকৈ এইদৰে ভাগ কৰিব পাৰিঃ

(ক) দেৱ-দেৱীৰ মূৰ্তি
(খ) নৰ-নাৰীৰ মূৰ্তি
(গ) প্ৰতীকধৰ্মী ভাস্কৰ্য
(ঘ) অলংকৰণ বিষয়ৰ ভাস্কৰ্য

দেৱ-দেৱীৰ মূৰ্তিৰ ভিতৰত মন্দিৰৰ গৰ্ভগৃহত বৰ্তমানে পূজা-অৰ্চনা হৈ থকা মূৰ্তিজনাই সৰ্ববৃহৎ। প্ৰায় দুই মিটাৰ ওখ এই মূৰ্তিজনা আলিংগনোপৱিষ্ট উমা-মহেশ্বৰ যুগল মূৰ্তি। মূৰ্তিজনাৰ মুখমণ্ডল আৰু গাৰ সন্মুখভাগ যথেষ্ট পৰিমাণে ক্ষয় গৈছে। মন্দিৰৰ বাহিৰফালে বেৰত থকা মূৰ্তিৰ ভিতৰত উত্তৰফালৰজনা প্ৰায় অক্ষত অৱস্থাত থকাৰ বাবে অধ্যয়নৰ সুবিধা হৈছে। শিয়াল-শগুণে খাই থকা এটা মৰাশৰ ওপৰত বহি থকা এই দেৱী গৰাকীৰ ৰূপ ষোড়শী, পূৰ্ণযৌৱনা। মূৰ্তিজনাৰ এটা মনকৰিবলগীয়া বিশেষত্ব হ'ল এই যে ইয়াৰ তিনিখন মুখৰ দুয়োকাষে থকা দুজন ক্ৰমে বৰাহ (গাহৰি) আৰু সিংহৰ। এই অস্বাভাৱিক দেৱী গৰাকীক সম্প্ৰতি বৈকুণ্ঠ-বৈষ্ণৱীৰ মূৰ্তি বুলি চিনাক্ত কৰা হৈছে। অৱশেষৰ মাজত আৱিস্কৃত আন আন মূৰ্তিৰ ভিতৰত ছয়হতীয়া শিৱৰ মূৰ্তি নটৰাজ, ইন্দ্ৰ, বিষ্ণু আদিৰ মূৰ্তি বিশেষ উল্লেখযোগ্য।

ভাৰতীয় মাৰ্গীয় স্থাপত্যৰ পৰম্পৰা মানি এই মন্দিৰৰ অলংকৰণত জন-সাধাৰণৰ দৈনন্দিন



জীৱন ফুটাই তোলা আন এক বৈশিষ্টপূর্ণ ক্তিয়েও পাইছিল। মন্দিৰৰ গাত বৰ্তমানে টিকি থকা নৰনাৰীৰ মূৰ্তিৰ পটিত নৃত্যৰত শিল্পী, ৰিপুঞ্জয়ী যোদ্ধা, কৰ্মৰত ভাস্কৰ আদিৰ দৃশ্যৰ উপৰিও উৎকট শৃঙ্গাৰ ৰসাত্মক ভালেমান মূৰ্তিয়ে স্থান পাইছে। ইয়াৰ উপৰিও অ'ত ত'ত ভালেমান গণ, বিদ্যাধৰ, দ্বাৰপাল আদিৰ মূৰ্তি দেখা গৈছে।

প্ৰতীকধৰ্মী মূৰ্তিৰ ভিতৰত গজ-বিয়াল আৰু কীৰ্তিমুখ জাতীয় মূৰ্তিয়েই প্ৰধান। ইয়াতে সামান্য ক্ষত আৰু অসম্পূৰ্ণ ভালেমান গজ-বিয়ালৰ মূৰ্তি পোৱা গৈছে। ভাওনাত ব্যৱহাৰ কৰা মুখাৰ অনুৰূপ, কীৰ্তিমুখ নামৰ দৈত্যৰ মুখ থকা পটি এটাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। স্কন্দপুৰাণত থকা জালন্দৰ শিৱৰ আকৰ্ষণীয় কাহিনীৰ লগত জড়িত, মহান শিৱভক্ত এজনৰপৰা সৃষ্টি হোৱা কীৰ্তিমুখ ভাৰতীয় স্থাপত্যৰ বাবে এক অপৰিহাৰ্য অংগ হৈ পৰিছিল। অসমৰ আদি-মধ্যযুগীয় প্ৰায়বোৰ ভগ্নাৱশেষত এই মূৰ্তিৰ প্ৰাদুৰ্ভাৱ দেখা যায়।

মদন-কামদেৱত অলংকৰণ বিষয়ক ভাস্কৰ্যৰ পৰিমাণ সীমিত যদিও তাৰ বিবিধ ব্যৱহাৰ মনকৰিবলগীয়া। ইয়াত গছ-লতাৰ ব্যৱহাৰৰ উদাহৰণ আছে কিন্তু পৰিমাণ বৰ কম। ফুলৰ ব্যৱহাৰো বেছি নহয়। কিন্তু পদুমৰ পাহিৰ ব্যৱহাৰ অত্যাধিক দেখা যায়। এই পাহি ভগ্নাৱশেষত থকা দুৱাৰৰ চৌকাঠ আৰু দুই এপদ অৱশেষত খোদিত আছে কিন্তু সেইবোৰৰ আকাৰ বৰ ডাঙৰ নহয়। চিলিঙৰ শিলচটাত থকা বিৰাট আকাৰৰ বিশ্বপদ্মৰ পাহিবোৰ কেৱল ডাঙৰেই নহয়, সেইবোৰ যথেষ্ট গভীৰভাৱেও কটা হৈছে।

সম্ভৱতঃ মস্তকত ব্যৱহাৰ হোৱা অৰ্দ্ধবৃত্তাকাৰ শিলচটাত ব্যৱহৃত পাহি সকলোতকৈ বৃহৎ আকাৰৰ। অলংকৰণৰ ক্ষেত্ৰত পাহিৰ বাদেও কল্পবৃক্ষ আৰু নানাবিধ জ্যামিতিক নক্সা ব্যৱহাৰ হৈছে। মন্দিৰৰ নক্সা, শৰাই, স্তুপ আদিৰ অলংকৰণৰ কথা ইতিমধ্যে দোহাৰা হৈছে। মূৰ্তিৰ পৰিমাণৰ তুলনাত এনে বস্তু তাকৰীয়া যদিও পূৰ্ণাংগ মন্দিৰত নিশ্চয় তাৰ পৰিমাণ তথা গুৰুত্ব বহুত বেচি আছিল।

*মন্দিৰৰ গাত বৰ্তমানে টিকি থকা নৰ-নাৰীৰ মূৰ্তিৰ পটিত নৃত্যৰত শিল্পী, ৰিপুঞ্জয়ী যোদ্ধা, কৰ্মৰত ভাস্কৰ আদিৰ উপৰিও উৎকট শৃংগাৰ ৰসাত্মক ভালেমান মূৰ্তিয়ে স্থান পাইছে। ইয়াৰ উপৰিও অ'ত ত'ত ভালেমান গণ, বিদ্যাধৰ দ্বাৰপাল আদিৰ মূৰ্তি দেখা গৈছে।*

অসমত বৰ্তমানে আদি-মধ্যযুগীয় যিখিনি স্থাপত্যৰ ভেটিভাগ বৰ্তি আছে তাৰ ভিতৰত কেৱল মদন-কামদেৱ মন্দিৰৰ ভেটিতেই ভাস্কৰ্যৰ অলংকৰণ পূৰ্বাৱস্থাত টিকি আছে। বমন(দৰং), ৰাজবাৰী (নগাওঁ), গণেশ মন্দিৰ (গোৱালপাৰা) আদিত উদ্ধাৰ কৰা শিলৰ ভেটিবোৰত উচ্চ কাৰিকৰীৰ স্মৃতি আছে কিন্তু ভাস্কৰ্য বা আন অলংকৰণ নাই। এতেকে অধ্যয়ন গৱেষণাৰ দিশৰপৰা মদন-কামদেৱৰ গুৰুত্ব অসীম। মূৰ্তি উৰ্দ্ধাৰৰ পৰিমাণৰ ফালৰ পৰাও মদন-কামদেৱ এই পৰ্যন্ত অতুলনীয় হৈ আছে। কিন্তু ইমানখিনি প্ৰত্নতত্বৰ সম্ভাৰ থকা স্বত্বেও উপযুক্ত প্ৰমাণৰ অভাৱত এই স্থাপত্যৰ পৃষ্ঠপোষক কোন আছিল আজিকোপতি জানিবপৰা নাই। তথাপি স্থাপত্য-কল্পনা তথা ভাস্কৰ্যৰ শৈলীৰ ফালৰ পৰা ই একাদশ শতিকাৰ হোৱাঁলৈ চাই সেই সময়ত কামৰূপত শাসন কৰা পাল-বংশীয় ৰজাসকলৰে অবদান বুলি ভবাৰ থল আছে। যিহেতু মদন-কামদেৱৰ ঐতিহ্যৰ সকলোখিনি উদ্ধাৰ হ'বলৈ এতিয়াও বাকী আছে। আমি অদূৰ ভৱিষ্যতে ইয়াৰ সম্পূৰ্ণ ইতিহাস জনাৰ আশা কৰিব পাৰো। ●

---

*২৭ পৃষ্ঠাৰ পিছৰ পৰা*

ৰামবাবুৱে পুনৰ হাঁহি ক'লে, "চাৰ, মোক মাৰি পেলাব? কিন্তু, আমাৰ আটাইবোৰকতো মাৰিব নোৱাৰিব চাৰ। আমাৰ চিন্তা ভাৱনাবোৰটো গুলিৰ আঘাতত শেষ হৈ নাযায়। বাৰু ঠিক আছে, কৰক, আপোনালোকৰ কামখিনি শেষ কৰি পেলাওক।"

ৰামমূৰ্তিয়ে 'নো চাৰ' বুলি কৈ বন্দুক নমাই ঠিয় দি থাকিল।

"ৰান নাইণ্টি নাইন।"

"নো চাৰ।"

"টু হান্‌ড্ৰেড।"

"নো চাৰ।"

এজন এজনকৈ প্ৰতিজন পুলিচেই বন্দুক নমাই মনে মনে ঠিয় দি ৰ'ল। এছ আই আৰু ডি এছ পিয়ে ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰিব ধৰিলে।

পিছ মুহূৰ্ততে ডি এছ পিৰ পিস্তলৰ পৰা গুলি ওলাই গ'ল।

ৰামবাবুৰ শৰীৰ মাটিত বাগৰি পৰিল।

ইমানকৈ তেজ ওলাব ধৰিলে যে সেইখিনি ঠাইৰ মাটি তেজেৰে চপ্‌চপীয়া হৈ পৰিল।

সেই ৰঙা মাটিডোখৰ যেন প্ৰতিফলিত হ'ব ধৰিলে আকাশত।

কাম শেষ কৰি জীপখন উভতি যাব ধৰিছিল। বাটত হঠাতে জীপৰ পানী শেষ হৈ গ'ল। জীপখন ৰৈ গ'ল। সকলোৱে ইজনে সিজনক সুধিব ধৰিলে- "ইয়াত পানী ক'ত পোৱা যাব?"

অলপ সময় ভাবি ৰামমূৰ্তিয়ে ক'লে, "যোৱাৰ সময়ত সিপিনে পানী দেখা যেন লাগিছিল চাৰ।" ভয়ে ভয়ে সি ডি এছ পিক ক'লে।

"তেনেহ'লে ৰান নাইণ্টি,তুমি ৰামমূৰ্তিৰ লগত যোৱা।" এছ আই শিৱলিংগমে ক'লে।

মই নাযাওঁ চাৰ, বৰ ভয় লাগিছে।"

কেৱল ৰামমূৰ্তিৰ বাহিৰে অইন কোনেও ভয়তে যাব নিবিচাৰিলে। "আজি থানালৈ গ'লে তোমালোকৰ অৱস্থা কি হয় চাবা।" গোঁফত তাও দি ডি এছ পি বেড্ডিয়ে ক'লে। তাৰ পিছত ৰামমূৰ্তিক লগত লৈ পানীৰ সন্ধানত আগুৱাই গ'ল।

সেই গভীৰ হাবিত খোজ কাঢ়ি কাঢ়ি তেওঁলোক বহুদূৰলৈ গুছি গ'ল। ৰামমূৰ্তিৰ মনত তেতিয়া ধুমুহা বৈছিল। গোটেইখন হাবিৰ গছৰ পাতে পাতে যেন ধ্বনিত প্ৰতিধ্বনিত হৈছিল ৰামবাবুৰ কথা। অকল কথাই নহয়, তাৰ প্ৰাণখোলা হাঁহিও মাজে মাজে ৰামমূৰ্তিৰ কানত বাজিছিল। ৰামবাবু যেন বহি আছে গছে গছে, হাঁহি হাঁহি।

"ৰামমূৰ্তি, তোমাৰ ভয় লাগিছে নেকি?" ডি এছ পিয়ে সুধিলে।

"নাই লগা চাৰ।"

তেওঁলোকে পুনৰ খোজ কাঢ়িব ধৰিলে। নদীৰ দৰে। ৰামমূৰ্তিয়ে দেখা পাইছিল- প্ৰতিমুহূৰ্ততে যেন ৰামবাবুৱে তেওঁৰ চকুৰ সন্মুখত ঠিয় দি হাঁহিব ধৰিছে হো-হোৱাই। তেওঁ দেখা পাইছিল- ৰক্তাক্ত মাটিত শুই ৰামবাবুৱে হাঁহিমুখেৰে হাত আগবঢ়াই দিছে তেওঁৰ পিনে।

ক্ৰমান্বয়ে কঠিন হৈ পৰিছিল ৰামমূৰ্তিৰ মন। চকুৰ পলকতে বন্দুকৰ গুলিৰে ডি এছ পি ৰেড্ডিক মাটিত বগৰাই দিলে। ডি এছ পিৰ খাপৰ পৰা পিস্তলটো টানি উলিয়াই যিডোখৰ ঠাইত ৰামবাবুৰ মৃতদেহ পৰি আছিল সেই ডোখৰ ঠাইলৈ ঢাপলি মেলিলে ৰামমূৰ্তিয়ে।

দুদিন পিছত বাতৰি কাকতত খবৰ ওলাল ঃ পুলিচৰ লগত হোৱা সংঘৰ্ষত দুজন নক্‌চালৰ মৃত্যু হৈছে। তাৰে মাজৰ এজনৰ বয়স চৌদ্ধ বছৰ আছিল বুলি জনা গৈছে। এটা বন্দুক, দুটা সতেজ বোমা আৰু কিছু মাওপন্থী কিতাপ পত্ৰও পোৱা গৈছে। কোনো পুলিচ নিহত বা আহত হোৱা নাই। ●



OKDISCD

তেলেগু গল্প

# চিৰঞ্জীৱ

মূল- চেৰবন্দৰাজু অনুঃ শংকৰ শইকীয়া



এই বাটটো বৰ দুৰ্গম। এইটো বাটত গাড়ী চলোৱাটো বৰ বিপদজনক। সকলো সময়তে দুয়ো হাতেৰে ষ্টিয়েৰিং ধৰি থাকিবলগীয়া হয়। বুকু কঁপে দুৰু দুৰুকৈ। য'তে ত'তে খলা-বমা, গাঁত। চ'ত মাহত ধূলিৰ প্ৰকোপ যেনে, বাৰিষাতো ঠিক তেনেদৰেই বোকা। কেনেবাকৈ গাঁতত পৰিলে আৰু ৰক্ষা নাই। ড্ৰাইভাৰ খাছিণ্ডৰ এই বাটটো সম্পৰ্কে যথেষ্ট তিক্ত অভিজ্ঞতা আছে।

সেই বাটটো। বাট-পথ কুঁৰলীয়ে ঢাকি পেলাইছে। বাৰে বাৰে মচিবলগীয়া হৈছে সন্মুখৰ কাঁচ। জীপৰ গতি যিমানে বাঢ়ে জাৰ বাঢ়ে তাতোকৈ এশ গুণ বেছি। তাৰোপৰি আছে ভয়। বাটৰ ভয়। দুৰ্ঘটনাৰ ভয়। ভীষণ ভোক লাগিছিল। ক্ষুধা, ভয়, জাৰ—এই তিনিওটাই যেন প্ৰতিযোগিতাতহে নামিছে—কাৰ কিমান বেছি ক্ষমতা। আৰু এই তিনিওটাকেই চুই গৈছে পেট্ৰ'লৰ গোন্ধই।

কেৰল জানো ইমানেই? কাষতেই ডি এছ পি ৰেড্ডি। মুখত ম'হৰ শিঙৰ দৰে বিৰাট একোচা গোঁফ। এটা শকত চুৰট মুখত লৈ অহৰহ টানি আছে। পেট্ৰ'লৰ গোন্ধ আৰু ধোঁৱাৰ গোন্ধত বমি অহাৰ উপক্ৰম হৈছিল। তীক্ষ্ণ দৃষ্টিৰে সি ইফালে সিফালে চাবলৈ ধৰিলে।

ডি এছ পি ৰেড্ডিৰ কাষত এজন ল'ৰা। বয়স চৌদ্ধ বছৰ। গাত এটা হাত কটা চোলা। পিন্ধনত এটা ফটা পেণ্ট। ল'ৰাজনৰ মুখত লেশমানো ভয়ৰ চাপ নাই। ওঠযুৰিলৈ চালে ধাৰণা হয় সি যেন ৰংমনেৰে কিবা এটা গীতৰ কলি গুণ-গুণাই আছে। ল'ৰাজনৰ পিঠিৰ পিনে লক্ষ্য কৰি ইন্সপেক্টৰে মেচিনগান এটা টোৱাই আছিল। দুটা প্ৰকাণ্ড শিলৰ মাজত এমুঠি কোমল ঘাঁহৰ দৰে লাগিছিল ল'ৰাটোক। তাৰ নাম ৰামবাবু। পিঠিখনলৈ যেনেকৈ মেচিনগানটো টোঁৱাই আছে তাকে দেখি কিছুসময় পিছত ৰামবাবুৱে হাঁহি পেলালে। কি ভাবি জানো সি ক'লে, 'এই ঠাইডোখৰ একেবাৰে মুকলি, পথাৰ। ইয়াত ভয় কৰিবলগীয়া একোৱেই নাই। মেচিনগানটো কাষত থৈ দিব পাৰে।' 'মনে মনে থাক পাষণ্ড!' মেচিনগান ধৰি থকা শিৰলিঙ্গম গৰ্জি উঠিল।

তাৰোপৰি সেইখন জীপত আৰু ছ'জন পুলিচ আছিল; সিহঁতৰ প্ৰত্যেকৰে হাতত বন্দুক। আৰু, সিহঁতৰ প্ৰত্যেকৰে অন্তৰত ভয়ো আছিল। প্ৰত্যেকেই কঁপিছিল। সিহঁত জাৰতেই কঁপিছিল নে ভয়তেই কঁপিছিল সেয়া কিন্তু বুজিব পৰা হোৱা নাছিল। প্ৰত্যেকেই সামান্য আঁতৰি বহিবলৈ ইচ্ছা কৰিছিল। নিজকে পৃথক কৰি ৰাখিবলৈ। ভাবটো এনেধৰণৰ- হঠাৎ এটা গুলি আহি তেওঁলোক আটাইকেইজনকেই যাতে একেলগে বিন্ধি নেপেলায়!

দুই এমাইলমান আঁতৰে আঁতৰে একোটাহঁত ঘৰ। সেই ঘৰবোৰৰ সন্মুখত দুই-চাৰিজন খেতিয়কক দেখা পোৱা গৈছিল। যিমানবাৰ খেতিয়কসকলক দেখা পাইছে সিহঁতে সিমান কেইবাৰেই ট্ৰিগাৰত আঙুলি থৈছে। আৰু কাৰোবাৰ হাতত টাঙোন নাইবা অইন কিবা দেখা পালেতো কথাই নাই। জীপৰ শব্দ শুনি ল'ৰা-ছোৱালী-বৃদ্ধ আটায়েই ঘৰৰ পৰা জপনামুখলৈ ওলাই আহি জুমি জুমি চাবলৈ ধৰিলে। জীপখন হঠাৎ এজন বাটৰুৱাৰ সন্মুখতে পৰিল। মানুহজনে প্ৰচণ্ড ৰ'দত সূৰ্যৰ পিনে চোৱাৰ দৰে কঁপালত হাত থৈ জীপখনৰ পিনে চালে। জীপখন তেতিয়াও এক ফাৰ্লংমান আঁতৰত আছিল। বাটৰুৱাজন বাটৰ এদাঁতিত ঠিয় দিলে। কিছুসময় পিছত নিজৰ মনতে 'এইখন দেখোন জীপ' বুলি তেওঁ পুনৰ খোজ কাঢ়িবলৈ ধৰিলে। জীপখন বাটৰুৱাজনৰ কাষ পাওঁতেই ডি এছ পি ৰেড্ডিৰ নিৰ্দেশত হঠাৎ

জীপৰ গতি বাঢ়ি গ'ল। জীপৰ তেনে আকস্মিক গতিৰ তীব্ৰতা দেখি বাটৰুৰাজন সামান্য হতভম্ব হ'ল।

সেই ঠাইডোখৰ আছিল এখন নামকৰা গাওঁ। দুই-তিনিটা খাপৰিৰ ঘৰো আছিল সেইখন গাঁৱত। বাকী আটাইবোৰ পাত আৰু খেৰেৰে চোৰা ঘৰ। দুপৰীয়া ধূলিত গোটেই বাটটো ধোঁৱাৰে ভৰি যোৱাৰ দৰে হৈছে। জীপখন যিটো বাটেৰে গৈছে সেই বাটটোৰ মানুহে ধূলিৰ আন্ধাৰত বাট-পথ একোকে নেদেখা হৈছে। একা-বেঁকা বাটেৰে গাড়ী ঘূৰাওতে ঘূৰাওতে খাছিং এই জাৰতো ঘামত তিতি গৈছে। ইমান ধূলিৰ মাজত যিমানেই গাড়ীৰ গতি নবঢ়াওক কিয়, ডি এছ পিয়ে বিচৰা মতে স্পীদ কেতিয়াও নহয়। গতি কমিলেই ডি এছ পিয়ে ড্ৰাইভাৰ খাছিঙৰ পিনে তীক্ষ্ণ দৃষ্টিৰে চায়। হঠাৎ এটা ভাঁজৰ মূৰত 'সৌটো ৰামবাবু' বুলি কিছুমান মানুহৰ কণ্ঠস্বৰ শুনা গ'ল। তাকে শুনি ডি এছ পি উচপখাই উঠিল। দেখা পালে কিছুমান ল'ৰাই চিঞৰি ৰিবধৰিছে। সিহঁতৰ প্ৰক্ষেপিত শব্দৰ প্ৰত্যুত্তৰত ৰামবাবুই হাত জোকাৰিলে। তাকে দেখি ল'ৰাবোৰেও হাত জোকাৰিলে।

তাৰ পিছত সন্মুখত বহা ইন্সপেক্টৰ আৰু ডি এছ পিয়ে নিজৰ মাজতেই ইংৰাজীতে কথা-বতৰা পাতি ৰামবাবুক জীপৰ পিছপিনে, য'ত দুজন পুলিচ বহি আছিল, তালৈ পঠিয়াই দিলে।

"কেলেই ইমান ভয় খাইছে চাৰ'? এইবুলি কৈ বামবাবু জীপৰ পিছপিনলৈ উঠি গ'ল।

"ল'ৰাটোৰ দৃষ্টি নহয় যেন বৰ্শাৰ চোক হে।"

"ল'ৰাটোৰ চকুত তৰাব চিকমিকণি আছে।'

"সঁচাকৈয়ে কি সুন্দৰ চকু।"

"বাছাধনৰ গোঁফে ঠুটিয়াইছেহে এথোন"

"দেখাত একেবাৰে মোৰ ল'ৰাটোৰ দৰে।"

"এইকণ ল'ৰাও যে দলত আছে, ভাবিবলৈকে টান। ইয়াৰ ওঠ টিপিলেই গাখীৰ ওলাব। দলত ইহঁতে কি কৰেনো বাৰু?" "আমাক যিবোৰে শেষ কৰিবলৈ আহে সিহঁতৰ বয়স আমি নাচাওঁ। হে'ৰা সোণামুৱা, শত্ৰুক শত্ৰু হিচাপে চাবলৈ নাপহৰিবা।"

"মোৰ যে ল'ৰাটো একেবাৰে অধঃপাতে গৈছে। তাতোকৈ বৰং ইহঁতৰ দলত আহি লগ লগাহেঁতেনো ভাল আছিল।" পুলিচ কেইটাৰ যাৰেই মুখত যি আহিছে তাকেই কৈছে। আটায়ে জানে যে সিহঁতে যি চাকৰি কৰিছে তাত সিহঁতৰ কিমানখিনি স্বাধীনতা আছে! আনকি কথা কোৱাৰো সিহঁতৰ একোটা বাধ্যবাধকতা আছে।

সেই বাধ্যবাধকতা পাৰ হৈ গ'লে সিহঁতৰ আনকি চাকৰিলৈকে টনাটনি। প্ৰতিবাদ কৰাৰো কোনো উপায় নাই। সিহঁতক আলিৰ দাঁতিত ঠিয় কৰোৱাৰো বহুতো ধাৰা আছে।

ৰামবাবুই এজন এজনকৈ প্ৰত্যেকৰে মুখলৈ চাইছিল।

পুলিচকেইটাৰ প্ৰত্যেকৰে শৰীৰত এক কিলোগ্ৰামকৈয়ো মাংস আছেনে? চকুত লাগি আছে টোপনিৰ আবেশ। কোনে জানে ইহঁত প্ৰত্যেকেই কিমান দিন টোপনি মৰা নাই? চকুবোৰলৈ চাই ধাৰণা হয় ভিতৰৰ পৰা যেন কিহবাই টানি আছে। আই ঐ দেহি, হাতৰ যিহে অৱস্থা, হাতৰ ঠাৰি নহয় যেন কুঁহিয়াৰৰ টুকুৰাহে। আৰু এনে দুহাতেৰেহে ধৰি আছে বন্দুক। একো একোডাল সিৰা কেনেদৰে যে ফুলি উঠিছে। উজ্জ্বলতা বুলিবলৈ কাৰো মুখত একোৱেই নাই। সিহঁতৰ পিনে চাই থাকি ভাবোতে ভাবোতে ৰামবাবুৰ দুচকু পানীৰে সেমেকি উঠিল। তেনে অৱস্থাতেই ৰামবাবুৱে সিহঁতৰ পিনে চাই সুধিলে- "আটাইবোৰ পুলিচেই দুখীয়া নে?" ৰামবাবুৱে সিহঁতৰ পিনে কথাখিনি এনেদৰে নিক্ষেপ কৰি ক'লে সি যেন ঘিটমিটিয়া আন্ধাৰৰ মাজত সিহঁতৰ সন্মুখত এধানিমান পোহৰহে তুলি ধৰিছে; যেন লঘোণীয়া পুলিচহঁতক খাবলৈহে মাতিছে। সেই মুহূৰ্তত পুলিচকেইটাৰ ধাৰণা হ'ল সিহঁতৰ বাবে হাজাৰ হাজাৰ মানুহে চিন্তা কৰি দুখ পাব ধৰিছে। পুলিচকেইটাৰ মাজৰেই ৰামমূৰ্তিয়ে এটা সৰু দাবী মাৰি ক'লে, "এই ৰামবাবু।" দাবীটো এনেদৰে দিলে যেন নিজৰ ল'ৰাইহে এটা সামান্য নকৰিবলগীয়া দোষ কৰিছে, তাৰ বাবেই তেওঁ শাসনৰ সুৰত বকিছে।

"কি হৈছে?" সন্মুখৰ পিনৰ পৰা এটা গৰ্জ্জন শুনা গ'ল। "ইমান কথা কিহৰ?" সন্মুখৰ পৰা ভাঁহি আহিল অন্য এটা কণ্ঠস্বৰ।

পুলিচকেইটাৰ মাজৰ এজনে ৰামবাবুৰ মুখখন সোপা মাৰি ধৰিলে।

সঁচাকৈ ক'বলৈ হ'লে ৰামবাবুৰ কথা শুনিবলৈ পুলিচকেইজনৰ ভালেই লাগিছিল। সিহঁতে ৰামবাবুৰ পিনে যি দৃষ্টিৰে চাইছিল সেই দৃষ্টি হ'ল করুণাৰ, দয়াৰ।

ৰামমূৰ্তিয়ে ৰামবাবুৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰ আৰু তাৰ বুদ্ধি-বৃত্তি সম্পৰ্কে ভালকৈয়ে জানে। আজিলৈকে পুলিচৰ জীৱনত ৰামমূৰ্তিয়ে ৰামবাবুৰ দৰে ল'ৰা এজনো দেখা নাই। কেৱল দেখাই নহয়, এনে ল'ৰাৰ কথা শুনাও নাই। ল'ৰাজনে সাহিত্যৰ খা-খবৰ ৰাখে। কোনে কোনটো গান ভালকৈ গায় সি তাকো জানে। সাধাৰণ জ্ঞান বুলি কওঁতে যাক বুজায়, যিখিনি বহুতো ডাঙৰ মানুহৰো নাথাকে, সেইখিনি ৰামবাবুৰ আছিল। ৰামবাবুক যিয়ে এবাৰ দেখা পায়, যিয়ে এবাৰ শুনা পায় তাৰ কণ্ঠস্বৰ, তেওঁ কেতিয়াও তাক পাহৰিব নোৱাৰে। তিনিবছৰ আগেয়ে বিজয়ৱাড়াত গভৰ্নৰপেটা কেন্দ্ৰত ডিউটি দিয়াৰ সময়ত ৰামবাবুৱে যি বুৰ্ৰা কথা শুনাইছিল- ৰামমূৰ্তিয়ে সেয়া আজিও পাহৰিব পৰা নাই।

আজিও ৰামমূৰ্তিৰ কাণত ৰিণি-ৰিণিকৈ বাজি উঠে সেই বুৰ্ৰা কথাবোৰ। হৰিণাৰ পোৱালীৰ দৰে হাতত খুঞ্জুৰী লৈ ৰামবাবুৱে সিদিনা নাচি নাচি অভিনয় কৰি যি বুৰ্ৰা কথা শুনাইছিল আজিও তেওঁ তাক পাহৰিব পৰা নাই। তাৰ নাচ আৰু অভিনয় দেখি ভাব হৈছিল যেন পাৰাৰ দৰে সি উজ্জ্বল আৰু চঞ্চল। কি যে উজ্জ্বল হাঁহিয়েই নাছিল তাৰ চকুৱে মুখে! মুখৰ ভাষা আৰু চকুৰ ভাষা একাকাৰ হৈছিল। ছাত্ৰসকলৰ ওপৰত গুলিবৰ্ষণ কৰিছে। এইবোৰ কৰোতে কৰোতে তাৰ মনটোও ক্ৰমশঃ কঠোৰ হৈছে। এই সকলোবোৰ সি কৰিছে অইন বহুতো পুলিচৰ দৰে, চাকৰিৰ স্বাৰ্থত, ইচ্ছা থাকক বা নাথাকক। সিহঁতে বলধৰ দৰে কাম কৰিবলগীয়া হৈছে। সি সকলো কৰিবলগীয়া হৈছে চাবি দিয়া পুতলাৰ দৰে। বিশ্বাস কৰিবলগীয়া হৈছে যে সি যি কৰিবলগীয়া হৈছে সেই সকলোবোৰ দেশৰ স্বাৰ্থতহে কৰিছে। আটাইবোৰ কথাই যে বিশ্বাস হৈছে সেয়াও নহয়। কিয়নো সিহঁতৰ প্ৰত্যেকষাৰ কথা বিশ্বাস কৰিলে ধাৰণা হয়- দেশৰ আটাইতকৈ শ্ৰেষ্ঠ দেশপ্ৰেমিক হ'ল পুলিচ। অথচ সি নিজে বুজিছে, দেখিছে যে সমাজত পুলিচৰ তেনেধৰণৰ কোনো মৰ্যদা নাই। ডি এছ পি ৰেড্ডিৰ দুয়োটা চেহেৰাই সি দেখিছে। তেওঁৰ দৰে মিছলীয়া, নিষ্ঠুৰ আৰু ব্যভিচাৰী খুব কমেইহে আছে। কিন্তু তেওঁৰ আভৰণখন অন্য ধৰণৰ। তেওঁৰ কথা শুনি ভোল যাবই লাগিব। এনে সুন্দৰকৈ মিছা কথা এষাৰ সঁচাকৈ সজাই-পৰাই বুজাই-বঢ়াই ক'ব যে শুনোতাই সেয়া বিশ্বাস কৰিবই লাগিব।

ৰামমূৰ্তিৰ এবাৰ ইচ্ছা হৈছিল নিজৰ বন্দুকৰ গুলিৰে নিজকে শেষ কৰি পেলাবলৈ। পলাতক বন্দীৰ দৰে তাৰো ইচ্ছা হৈছিল চাকৰি এৰি দি পলাই যাবলৈ। যিকোনো মুহূৰ্ততে কিবা নহয় কিবা এটা সমস্যাত পৰিবই লাগিব। চাকৰিটোও হ'ল এনে- যেতিয়া শৰীৰৰ বাবে জিৰণীৰ প্ৰয়োজন তেতিয়া সি জিৰণী ল'বলৈকো সময় নাপায়। শ্ৰী কাকুলামত ডিউটিলৈ অহাৰ পিছত সি বুজিব পাৰিলে যে জীৱনৰ আন নাম সংগ্ৰাম। ইমান গভীৰ উপলব্ধি তাৰ আগেয়ে কেতিয়াও হোৱা নাছিল। শ্ৰী কাকুলামতেই আত্মৰক্ষাৰ নামত ওপৰৰ নিৰ্দেশত সি যি কৰিবলগীয়া হৈছে, যিমান মানুহৰ অত্যাচাৰ কৰিবলগীয়া হৈছে- তাৰ জীৱনত তেনে ধৰণৰ আগে পিছে আৰু কেতিয়াও হোৱা নাই। শ্ৰীকাকুলামৰ স্মৃতিয়ে তাক ওৰে জীৱন অশান্তি দিব। সি নিজে মনতে ভাবে- ইন্সপেক্টৰবোৰে ঠিকেই কয় "পুলিচ হ'ল বলধ। সিহঁত মানুহ নহয়। বলধো আকৌ যেই সেই বলধ নহয়- একেবাৰে ঘাল্লিৰ বলধ।" ৰামমূৰ্তিয়ে বহু সময় ধৰি এইবোৰ ভাবি থাকি নিজেই আপোন মনেৰে মাজে মাজে কৈ উঠে, "ভগৱান, আৰু কিমান দিন যে এনেদৰে কটাবলগীয়া

OKDISCD

হ'ব কোনে জানে?" ৰামমূৰ্ত্তিয়ে দীৰ্ঘনিশ্বাস পেলালে।

ৰামবাবুক দেখি ৰামমূৰ্ত্তিৰ মনত কিমান যে প্ৰশ্ন জাগিছিল তাৰ লেখ নাই। তাৰ শৰীৰটো যেন মাজে মাজে জঠৰ হৈ যায়। কিন্তু ল'ৰাটোৰ কথা ভাবি সি এটা উজ্জ্বল ভৱিষ্যতৰ সপোন দেখে।

ৰামবাবুৱে ঠিকেই কৈছে- পুলিচবোৰ বৰ দুখীয়া। সকলো ফালৰ পৰাই দুখীয়া। হাতেৰে যেতিয়া বন্দুক তুলি লওঁ আমি তেতিয়া পশু। হাতত বন্দুক নাথাকিলে কোনো কামৰেই লায়ক নহওঁ। এই কথাষাৰকেই ৰামবাবুক কওঁ বুলি তাৰ মুখেৰে ওলাই আহিছিল। কিন্তু, কোৱা নহ'ল। ক'ব সি নোৱাৰিলে। তাৰ মনত ভীষণ ইচ্ছা হ'ল ৰামবাবুক উৎসাহী কৰি তুলিবলৈ। বিভিন্ন ধৰণেৰে অন্যমনস্ক কৰি ৰাখিবলৈ। কিন্তু নোৱাৰিলে। বাটপথ পাৰ হৈ পিছপিনে ধাননী পথাৰ এৰি থৈ গভীৰ হাবিৰ মাজত হঠাৎ জীপখন ৰৈ গ'ল। পুলিচবোৰে জীপখনৰ পৰা নামি নিয়মানুযায়ী হাতত বন্দুক লৈ থিয় দিলে।

"আগুৱাই ব'ল।" "সাপৰ পোৱালীটোৰ ওপৰত চকু ৰাখিবি।" ডি এছ পি ৰেড্ডি আৰু এছ, আই শিৱলিংগমে গাড়ীখনৰ পৰা হুকুম দিলে। খাছিঙৰ হাততো বন্দুক।

নিয়ম অনুযায়ী সিহঁতে ৰামবাবুক মাজত লৈ খোজ কাঢ়িছিল। সন্মুখত এছ আই; পিছপিনে ডি এছ পি। ৰামবাবুৰ হাতৰ শিকলিবোৰে যেন সেই হাবিত অসংগত শব্দ তুলিছিল। তাৰ দুয়োখন হাত গধুৰ হৈ উঠিছিল। সিহঁতৰ বুটৰ শব্দ শুনি এনেহে লাগিছিল যেন হাবিৰ গছবোৰে কাঁহিছে। পাত এটা লৰিলেও সিহঁত থমকি ঠিয় দি ইফালে সিফালে চকু ফুৰাইছিল।

ৰামবাবুৰ কিন্তু কোনোপিনেই ভ্ৰূক্ষেপ নাই। সিহঁতৰ মাজতেই, সিহঁতৰ লগতেই খোজ কাঢ়ি কাঢ়ি অনৰ্গল কথা কৈ কৈ গৈ আছিল। সি কৈ গৈ আছিল এটাৰ পৰা আইন এটা বিষয় লৈ। মানুহ পৰিস্থিতি, ৰাজনৈতিক দলৰ কৰ্তব্য, পথ আৰু মতৰ মিল তথা অমিল। বিশ্বৰ কেওঁদিশৰ বিপ্লৱীসকলৰ কাৰ্য্যৱালী। শোষকৰ বিৰুদ্ধে সংগ্ৰাম, শাসকৰ হাতত আইন-আদালত, ভাৰত ৰাষ্ট্ৰৰ শ্ৰেণীবিভক্ত সমাজ আৰু বহুতো বিষয়ৰ নানা কথা সি কৈ গৈ আছিল। এনেদৰে কৈছিল যে, যিসকলে শুনিছিল সিহঁতৰ কেতিয়াবা হাঁহি উঠিছিল, আকৌ কেতিয়াবা গধুৰ হৈ উঠিছিল মনবোৰ। অহৰহ সি কৈ গৈছে আৰু পুলিচৰ স'তে খোজ মিলাই খোজ কাঢ়িও গৈ আছে।

মাজে মাজে তাৰ পিঠিত আহি লাগিছিল বন্দুকৰ নলী। কিন্তু সেইপিনে তাৰ কোনো ভ্ৰূক্ষেপ নাছিল। সি যেন সকলোখিনি জানি পেলাইছে।

'মই হেনো দেশদ্ৰোহী। মোৰ বয়স চৌদ্ধ বছৰ। চৌদ্ধ বছৰৰ দেশদ্ৰোহী। মোৰ শ্বাস-প্ৰশ্বাসত দেশদ্ৰোহীতাৰ বতাহ।

মই দেশদ্ৰোহী; গতিকে, যি দেশত মই জন্মগ্ৰহণ কৰিছোঁ সেয়া মোৰ জন্মভূমি নহয়। তাত মোৰ কোনো অধিকাৰ নাই। মোৰ গান, মোৰ গল্প লাখ লাখ মানুহে শুনিছে। যিসকলে শুনিছে তেওঁলোকে শুনাবই। সঁচা বুলি যি বুজিছো- গান আৰু গল্পৰ মাধ্যমেৰে তাকেই শুনাইছোঁ। মোক লুকুৱাই থব পাৰে। কিন্তু, মোৰ যি গান আৰু গল্প, সেয়াতো হেৰাই নাযায় কোনোদিনে। মোক নিঃশেষ কৰি পেলাব পাৰে; কিন্তু, মোৰ গান আৰু গল্প সেইবোৰতো মুখে মুখেই প্ৰচলিত। আপোনালোক শাসকইতৰ শাসনযন্ত্ৰৰ একো একোটা নট-বল্টু। আমি দুখীয়াৰ সপক্ষে। আমি জিকো নে হাৰো- তাৰ বিচাৰ কৰিব ইতিহাসে। বাৰু, এটা প্ৰশ্ন সোধো, আপোনালোকে যি কৰে, সকলো সময়তে জানো ইচ্ছা কৰিয়েই কৰে? বিবেকৰ স্বীকৃতি থাকে জানো? শত্ৰু পক্ষৰ কাম-কাজ আপোনালোকে আৰু কিমান দিনলৈকে কৰিব? যি শাসন ব্যৱস্থা ৰক্ষা কৰিবলৈ আপোনালোকে জীৱন পাত কৰিছে—সিয়ে জানো আপোনালোকৰ কম ক্ষতি কৰিছে? আপোনালোকৰ পৰিয়ালৰ অৱস্থা কেনে? ল'ৰা-ছোৱালীৰ কথা কি ভাবিছে? ভাবক। চিন্তা কৰক।' ৰামবাবুৱে কৈ কৈ মাজে মাজে ৰৈ গৈছিল। এনেদৰে কৈছিল যে তাৰ প্ৰতিটো কথা পুলিচবোৰৰ মনত গাঁঠি গৈছিল। সিহঁতে শুনি গৈছিল মনে মনে। নিজৰ বুটৰ শব্দত সিহঁত যেন নিজেই বিৰক্ত হৈছিল।

আৰু অৱশেষত গন্তব্যস্থল পালেহি। আহিয়েই ৰৈ গ'ল। নিয়ম অনুযায়ী পুলিচকেইটাই শাৰীপাতি ঠিয় দিলে। এছ আই শিৱলিংগমে বৰ মৰমসনা মাতেৰে ক'লে, "হেৰা ৰামবাবু, তুমি এতিয়াও ল'ৰা হৈয়েই আছা। বুজিয়েই হওঁক বা নুবুজিয়েই হওঁক বহুতো কথাই ক'লা। ইমানখিনি কম বয়সত কিমানখিনিয়েই বা দেখিছা আৰু কিমানখিনিয়েই বা জানা?"

"আমাৰ এইবোৰ কথা জনাৰ বাবে বয়সৰ কোনো বাধা নাই চাৰ। ল'ৰা-ছোৱালী, সৰু-ডাঙৰ, বুঢ়া-বুঢ়ী সকলোৱে জানিব পাৰে। আমি যিবোৰ কিতাপ পঢ়োঁ, সেই আটাইবোৰ বিজ্ঞান ভিত্তিক। যদি কিবা শিকিব বিচাৰে- তেনেহ'লে সেয়া আমাৰ ওচৰতেই শিকিব লাগিব। চাৰ, আপোনালোকৰ ওচৰত আমাৰ শিকিবলগীয়া একোৱেই নাই।"

"শুনা ৰামবাবু, তুমি যদি ঘৰলৈ উভতি যাব বিচাৰা, যদি স্কুলত ভালকৈ পঢ়া-শুনা কৰিবলৈ বিচাৰা তেনেহ'লে কোৱা। তোমাক ফুলৰ দোলাত বহুৱাই নি তোমাৰ ঘৰত থৈ আহিমগৈ। মা-ৰা দেউতাৰাৰ মনত দুখ নিদিবা ৰামবাবু। তোমাৰ পিনে চালে চেনেহ উপজে।"

কথাষাৰ শেষ হোৱাৰ আগেয়েই ৰামবাবুৱে হো-হোৱাই হাঁহি দিলে আৰু ক'লে- "চাৰ, মোৰ প্ৰতি দেখিছো আপোনালোকৰ চেনেহ উথলি উঠিছে- মোৰ সকলো কথা কোৱা হৈ গ'ল। এতিয়া আপোনালোকে মোক ফুলৰ দোলাত বহুৱায় নে ক'ত বহুৱায় আপোনালোকেই জানে।"

"সেয়ে নেকি?"- ডি এছ পিয়ে সুধিলে।

"হয় চাৰ। মই যি কৈছো সেয়া আখৰে আখৰে সঁচা।"

"যদি সঁচাকথা কোৱাৰ অভ্যাস আছে তেনেহ'লে কোঁৱাচোন, তোমালোকৰ নেতাবোৰ ক'ত? তোমালোকৰ থকা ঠাই ক'ত?"

ৰামবাবুৱে হাঁহি হাঁহি উত্তৰ দিলে- "থকা ঠাই জানি কি কৰিব চাৰ? আপোনালোকৰ কলিজাত ইমান সাহস আছেনে যি সাহসেৰে আপোনালোক তালৈ যাব পাৰিব? এটা সময় আছিল, কিন্তু এতিয়া আৰু নাই। প্ৰতিখন গাঁওত, প্ৰতিগৰাকী মাতৃৰ বুকুত, প্ৰতিটো ক্ষুধাৰ্ত পেটত, সমস্যা-জৰ্জৰিত প্ৰতিজন মানুহৰ মনত আছে আমাৰ থকা ঠাই। যদি ক্ষমতা থাকে যাওঁক সেই থকা ঠাইবোৰলৈ। মইনো আৰু কি ক'ম?"

"বৰ অপ্ৰয়োজনীয় কথাবোৰ কৈছা। সকলোৰে একোটা সীমা থকা প্ৰয়োজন।"

"আমাৰ কোনো সীমা নাই চাৰ। আমাৰ সাহসৰ, আমাৰ ভালপোৱাৰ, আমাৰ মৰম চেনেহৰ কোনো সীমা নাই। সীমা নাই বাবেই আমাৰ প্ৰাণত ভয়ো নাই। যিজনৰ নীতি থাকে তেওঁ প্ৰাণৰ ভয় নকৰে। নীতিক আৱৰি ৰাখে। প্ৰাণ দি ৰক্ষা কৰে। আৰু প্ৰায় মোৰেই দৰে কথা কয়। পৃথিৱীৰ যিকোনো দেশৰ এজন সত্যবাদীক সোধক তেৰো মোৰ কথাষাৰ স্বীকাৰ কৰিব। প্ৰকৃত ক্ষমতাতো আপোনালোকৰ হাতত নাই। এই বন্দুক যিবোৰে তৈয়াৰ কৰে, ক্ষমতা আছে সিহঁতৰ হাতত। বাৰু কওঁকচোন, আপোনালোকৰ এই শৰীৰটো কেৱল ধনীবোৰক ৰক্ষা কৰিবৰ বাবেই নেকি? সিহঁতক ৰক্ষা কৰিবৰ বাবে জানো আপোনালোকে ওৰেটো জীৱন সিহঁতে দিয়া এইবোৰ কানি কাপোৰেই পিন্ধি থাকিব? শাসকবোৰে আমাৰ সম্পৰ্কে আপোনালোকৰ মনত ভয় সুমুৱাই দিছে। সেয়েহে, সিহঁতে যি কয় আপোনালোকে তাকেই কৰে। সিহঁতে যি শুনায় তাকেই শুনে। আপোনালোকে যিটো ঘৰত থাকে সেইটো জানো চৰকাৰৰ? আপোনালোকৰ শ্বাস-প্ৰশ্বাসৰ যি বতাহ সেয়া জানো শোষকৰ? আপোনালোকে যি পানী খায় সেয়া জানো ধনীৰ? হাজাৰ হাজাৰ একৰ মাটিৰ মালিকবোৰে যে দেশৰ কিমান ক্ষতি কৰে সেইবোৰ জানো আপোনালোকৰ চকুত নপৰে? আপোনালোক মোৰ ককাইদেউৰ বয়সৰ আপোনালোকে ভাবক, চিন্তা কৰক। এই আটাইবোৰ বন্দুক দুখীয়া মানুহৰ হকে ব্যৱহাৰ কৰক।"

"এই চুঁৰৰৰ বাচ্চা, চুপ্ থাক্।" ডি এছ পি গৰ্জি উঠিল।

"টু টুৱেণ্টি থ্ৰি, ফায়াৰ হিম।"

২৪ পৃষ্ঠাত চাওক



OKDISCD

# গুৱাহাটী গ্ৰন্থমেলা ঃ আশাৰ ৰ'দালি নিৰাশাৰ ডাৱৰ

এইবাৰ গুৱাহাটী গ্ৰন্থমেলাত অসমৰ গ্ৰন্থ অনুৰাগী ৰাইজৰ গ্ৰন্থ সম্পৰ্কত থকা আগ্ৰহ আৰু ইয়াৰ বিভিন্ন দিশ সম্পৰ্কে জানিবৰ বাবে আমি গ্ৰন্থমেলাৰ শেষৰ দিনা মেলাৰ বিভিন্ন বিপনিলৈ গৈ গ্ৰন্থমেলাত কেনে ধৰণৰ কিতাপৰ চাহিদা বেছি আছিল আৰু কোনটো শ্ৰেণীৰ গ্ৰাহকে অধিকহাৰত কিতাপ ক্ৰয় কৰিছিল, এই সম্পৰ্কত আলোচনা কৰিছিলোঁ।

পোনপ্ৰথমে আমি কাষ চাপিছিলোঁ বিশ্ববিখ্যাত গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান 'অক্সফোৰ্ডৰ'। তেওঁলোকৰ নিজস্ব অভিধান আৰু ভূচিত্ৰাৱলীৰ বিক্ৰী আটাইতকৈ ভাল আছিল যদিও সাহিত্যৰ কিতাপো বিক্ৰী নোহোৱাকৈ থকা নাছিল। সাহিত্যৰ বিভিন্ন কিতাপৰ ভিতৰত এলিয়টৰ বিভিন্ন কাব্য সংগ্ৰহ, কাব্যনাট Murder in the Cathedral আদিৰ বিক্ৰী আছিল চমকপ্ৰদ। শতাব্দীৰ আটাইতকৈ অধিকভাৱে আলোচিত কবি টি এছ এলিয়টৰ ৰচনাৰ বিক্ৰী হোৱাটো মন কৰিব লগীয়া। এলিয়টৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনে 'এলিয়ট চৰ্চা'ৰ বাট অধিক মুকলি কৰা যেন লাগে। অসমতো 'এলিয়ট চৰ্চা'ৰ এই প্ৰৱণতা নিশ্চয় আমাৰ বৌদ্ধিক দিশৰ সুখকৰ বিকাশ বুলিব পাৰি। কিন্তু আমি দুখেৰে লক্ষ্য কৰিলোঁ যে; oxford এ ছপাই উলিওৱা পুৰণি প্ৰকাশন যেনে A.B Keith ৰ History of Sanskrit Literature History of classical Sanskrit Literature কে ধৰি বিভিন্ন উল্লেখযোগ্য কিতাপ তেওঁলোকৰ বিপনিত নাই। সেই সম্পৰ্কে জানিব বিচৰাত তেওঁলোকে আমাক জনাইছিল যে, উল্লিখিত কিতাপসমূহ তেওঁলোকৰ হাতত নাই। একে সময়তে দিল্লী, জামছেদপুৰ আৰু পাটনাতো গ্ৰন্থমেলা হৈ থকা বাবে তেওঁলোকৰ দ্বাৰা প্ৰকাশিত বিভিন্ন কিতাপসমূহ ভগাই পেলাবলগীয়া হ'ল। ফলস্বৰূপে কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ তেওঁলোকৰ 'ষ্টল'ত ৰাখিব পৰা নাই যুৱক-যুৱতী গ্ৰাহকেই তেওঁলোকৰ বিপনিত অধিকহাৰত যোগ দিছিল।



দেশৰ 'অভিজাত' প্ৰকাশন প্ৰতিষ্ঠান 'সাহিত্য অকাডেমী'য়ে এইবাৰ তেওঁলোকৰ বিপনিত অসমীয়া, সংস্কৃত, বঙালী আৰু ইংৰাজী এই চাৰিটা ভাষাৰ কিতাপ ৰাখিছিল। তেওঁলোকৰ মতে, অসমীয়া ভাষাৰ কিতাপৰ বিক্ৰীয়েই আছিল সৰ্বাধিক। তাৰ পিছতে বিক্ৰীৰ স্থান লৈছিল বাংলা ভাষাৰ গ্ৰন্থই। মন কৰিবলগীয়া, 'সাহিত্য অকাডেমীয়ে পোনপ্ৰথমবাৰৰ বাবে গুৱাহাটী গ্ৰন্থমেলাত অংশ গ্ৰহণ কৰিছিল। অসমৰ পাঠকৰ গ্ৰন্থৰ প্ৰতি থকা অনুৰাগে তেওঁলোকক (অকাডেমীৰ কৰ্মকৰ্তাক) মোহিত কৰিছিল, এই কথা সাক্ষাৎ প্ৰসংগত তেওঁলোকে উল্লেখ কৰে। 'যুৱক যুৱতী সকলৰ যোগদান তেওঁলোকৰ বিপনিত বেছি হাৰত নাছিল' আক্ষেপেৰে জনালে তেওঁলোকে।

গ্ৰন্থমেলাৰ দৰ্শকসকলক বিশেষকৈ আকৰ্ষণ কৰিছিল কলিকতাৰ 'মনীষা প্ৰকাশন' আৰু স্থানীয় 'প্ৰগেছিভ বুক হাউছ'ৰ যৌথ প্ৰচেষ্টাত আয়োজিত বিপনিখনে। মূলতঃ সমাজবাদী দৃষ্টিভঙ্গীৰে লিখা কিতাপৰ যোগান ধৰা এই প্ৰকাশন প্ৰতিষ্ঠান দুটাৰ সৰ্বাধিক হাৰত বিক্ৰী হোৱা কিতাপ কেইখন যথাক্ৰমে হ'ল মেক্সিম গৰ্কীৰ মা, জন ৰীডৰ পৃথিৱী কপোৱা দহদিন, টলষ্টয়ৰ গল্প আৰু উপন্যাসৰ সংগ্ৰহ আৰু ডষ্টয়েভস্কিৰ বিভিন্ন ধ্ৰুপদী গ্ৰন্থসমূহ। ৰুছ দেশৰ 'ক্লাছিক' সাহিত্যৰ প্ৰতি গ্ৰন্থপ্ৰেমীসকলৰ প্ৰতি অনুৰাগ মন কৰিবলগীয়া। অৱশ্যে চিৰ্বিয়েছ্ গ্ৰন্থসমূহ তুলনামূলকভাৱে কমমূল্যত দিয়া বাবেও পাঠকৰ আগ্ৰহ উপজিব পাৰে। কৰ্মকৰ্তাসকলৰ মতে বিজ্ঞান আৰু শিশু সাহিত্যৰ পুথিৰ বিক্ৰীও আছিল উল্লেখযোগ্য। উল্লেখযোগ্য যে, এই বিপনিত ছোভিয়েট দেশ, ছোভিয়েট নাৰী, ছোভিয়েট স্পৰ্টচ, স্পুটনিক, ইয়থ বিভিউ আদিৰ দৰে আলোচনীসমূহৰ বছৰেকীয়া গ্ৰাহক কৰাৰ ব্যৱস্থা ৰখা হৈছিল। এইক্ষেত্ৰত ৰাইজৰ অভূতপূৰ্ব সহাৰি পোৱা গৈছিল। আনহাতেদি প্ৰখ্যাত ৰুছ সাহিত্য পত্ৰিকা 'Soviet Literature'এ গ্ৰাহকক বিশেষভাৱে আকৰ্ষণ কৰিব নোৱাৰিলে।

গুৱাহাটী গ্ৰন্থমেলাৰ উদ্যোক্তা অনুষ্ঠান 'অসম প্ৰকাশন পৰিষদে' এইবাৰৰ গ্ৰন্থমেলা উপলক্ষে প্ৰায় পঁচিশখন গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা হাতত লৈছিল। কিন্তু দুখৰ বিষয় যে, বিভিন্ন কাৰণত, বাণীকান্ত কাকতিৰ পুৰণি অসমীয়া সাহিত্য, মহিম বৰা সম্পাদিত শংকৰ দেৱৰ নাট, ডক্টৰ উপেন্দ্ৰ নাথ গোস্বামীৰ অসমীয়া লিপি(পুনৰ মুদ্ৰণ) আদিৰ দৰে মূল্যবান প্ৰায় ৭ খন গ্ৰন্থ পাঠকৰ হাতত তুলি দিয়াত প্ৰকাশন পৰিষদ ব্যৰ্থ হ'ল। প্ৰকাশন পৰিষদে ছপাই উলিওৱা 'ৰামায়ণ' 'মহাভাৰত', জ্যোতিপ্ৰসাদ ৰচনাৱলী আৰু শেহতীয়াকৈ প্ৰকাশিত ৰাধানাথ ফুকন ৰচনাৱলীৰ বিক্ৰী আছিল সৰ্বাধিক। সকলো স্তৰৰ বয়সৰ লোকেই তেওঁলোকৰ ষ্টলত ভুমুকি মৰাটো মন কৰিবলগীয়া।

দেজ পাবলিচিংৰ দৰে প্ৰকাশন প্ৰতিষ্ঠানৰ সচৰাচৰ বিক্ৰী হোৱাৰ লেখীয়াকৈ 'শংকৰ সুনীল বিমল মিত্ৰ শীৰ্ষেন্দু'ৰ কিতাপ এইবেলিও অধিক হাৰত বিক্ৰী গৈছিল। মৈত্ৰেয়ী দেৱীৰ 'নহন্যতে' বিচাৰি হাবাথুৰি খোৱা দৰ্শক-পাঠকো আমি দেখিছোঁ।

অসমীয়া গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত এক অভিনৱ প্ৰচেষ্টা চলোৱা স্থানীয় প্ৰকাশন অনুষ্ঠান 'ষ্টুডেণ্টচ্ ষ্টৰে' গ্ৰন্থমেলা উপলক্ষে এডজন নতুন গ্ৰন্থ পাঠকৰ হাতত তুলি দিয়াটো অসমীয়া গ্ৰন্থ প্ৰকাশনত মাইলৰ খুঁটি স্বৰূপ। শেহতীয়াকৈ প্ৰকাশিত ডক্টৰ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'এই বন্দৰৰ আবেলি, মামণি ৰয়ছম গোস্বামীৰ 'আধা লেখা দস্তাবেজ' আৰু 'কটনিয়ানৰ নিৰ্বাচিত গল্প' সংকলনটিয়ে পাঠকৰ বিশেষ সমাদৰ লাভ কৰিছিল। গ্ৰন্থ প্ৰেমীসকলৰ মতে 'কটনিয়ানৰ নিৰ্বাচিত গল্প' সংকলনটো প্ৰকাশ কৰি এক

OKDISCD

ঐতিহাসিক কাৰ্য সমাপন কৰা হ'ল। ইয়াৰ উপৰিও তেওঁলোকৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত হোমেন বৰগোহাঞিৰ আত্মানুসন্ধান, 'হালধীয় চৰায়ে বাওধান খায়' (পুনৰ মুদ্ৰণ), ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্প সংগ্ৰহ, লক্ষ্মীধৰ শৰ্মাৰ ৰচনাৱলী, ডক্টৰ শিৱনাথ বৰ্মনৰ টংক মামাৰ অংকৰ সাধু, গীতাৰ্থ পাঠকৰ চাচাৰামৰ কাৰণে এটি গোলাপ, প্ৰফুল্ল চন্দ্ৰ বৰাৰ আধুনিক অসমীয়া সাহিত্যত শংকৰদেৱ প্ৰসংগ, চৈয়দ আব্দুল মালিকৰ অন্য যুগ ভিন্ন তীৰ্থ, স্বপ্ন দুঃস্বপ্ন আৰু অন্য কিছু কথা আদি গ্ৰন্থৰ বিক্ৰী আছিল ভাল।

গ্ৰন্থমেলাত এইবেলি পোনপ্ৰথমবাৰৰ বাবে যোগদান কৰা পশ্চিমবঙ্গ ৰাজ্যিক পুস্তক পৰ্যদৰ বিপনিত ছাত্ৰ-ছাত্ৰীৰ যোগদানেই আছিল বেছি। তেওঁলোকৰ বিপনিত ইতিহাস, দৰ্শন সাহিত্য আৰু ৰাজনীতি বিজ্ঞান বিষয়ক গ্ৰন্থৰ বিক্ৰী আছিল বেছি।

অসমৰ প্ৰখ্যাত গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান'চন্দ্ৰ প্ৰকাশ'ৰ আগৰ বছৰৰ তুলনাত এইবেলিৰ বাণিজ্যিক দিশটো কিছু পৰিমাণে ম্লান। তেওঁলোকৰ মতে, প্ৰতিষ্ঠিত লিখকসকলৰ পুৰণি কিতাপসমূহৰ বিক্ৰী এহাতেদি যেনেদৰে হৈছে, আনহাতেদি আকৌ একে লিখকৰে নতুন গ্ৰন্থৰ বিক্ৰী তেনেদৰে হোৱা নাই। 'মামৰে ধৰা তৰোৱাল' 'এই নদী নিৰবধি, 'ফেৰেংগাদাও', 'ইতিহাসে সকীয়ায় আদি গ্ৰন্থৰ বিক্ৰীয়েই আছিল সৰ্বাধিক।

তেওঁলোকৰ মতে, পূৰ্বৰ তুলনাত এইবাৰ 'কমিকছ'ৰ বিক্ৰীতকৈ আন শিশু সাহিত্যৰ গ্ৰন্থ বেছি বিক্ৰী হৈছে।

তেওঁলোকৰ মতে, বিশৰ পৰা চল্লিছ বছৰ বয়সৰ ভিতৰত গ্ৰাহকৰ সংখ্যাই বেছি আছিল।

প্ৰকাশন প্ৰতিষ্ঠানসমূহৰ কৰ্মকৰ্তাসকলৰ উপৰোক্ত বক্তব্যসমূহে অসমৰ গ্ৰন্থৰ বজাৰৰ এখন সম্যক ছবি দাঙি ধৰে। এই দিশটোৰ বিশ্লেষণ কৰিলে আমি এখন আশাপ্ৰদ ছবিকেই বিচাৰি পাওঁ যদিও উদ্যোক্তাসকলৰ প্ৰচেষ্টা এইক্ষেত্ৰত ম্লান যেন পৰিলক্ষিত হয়। কাৰণ পূৰ্বৰ বছৰসমূহৰ দৰে এইবাৰ গ্ৰন্থ প্ৰকাশৰ সমস্যা, পাঠক লিখকৰ সমস্যা আদি বিষয়ক কোনো আলোচনা চক্ৰৰ আয়োজন নকৰাটো গ্ৰন্থমেলাৰ বিয়োগাত্মক দিশ। কিয়নো এই অনুষ্ঠানসমূহে পাঠক লিখক প্ৰকাশকৰ ত্ৰিভূজটো গঢ়ি তোলাত সহায় কৰে। সৰ্বোপৰি উল্লেখযোগ্য কথাটি হ'ল, অসমৰ গ্ৰন্থ অনুৰাগীসকলে কেনে ধৰণৰ গ্ৰন্থ বিচাৰে, তাৰ এটি সম্যক ধাৰণা বাহিৰৰ পৰা অহা প্ৰকাশক সকলৰতো নায়েই, স্থানীয় প্ৰকাশন প্ৰতিষ্ঠানসমূহৰো নাই। যাৰ ফলত গ্ৰন্থমেলাৰ পৰা সকলো শ্ৰেণীৰ পাঠক উপকৃত হ'ব পাৰিছেনে নাই, তাক সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰি। এইক্ষেত্ৰত আগলৈ গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ পূৰ্বে যদি পাঠকৰ অভিৰুচি সম্পৰ্কত জৰীপ চলাব পৰা যায়, আৰু সেই অনুসাৰে বাহিৰৰ বিভিন্ন প্ৰকাশন তথা স্থানীয় প্ৰকাশনসমূহৰ তেনেধৰণৰ গ্ৰন্থ আনিবলৈ অনুৰোধ জনোৱা হয়, তেতিয়া হ'লে গ্ৰন্থমেলাই হয়তো অধিক সাফল্য লাভ কৰিব পাৰিব। আমি ভাবোঁ জৰীপৰ এই দিশটোত প্ৰকাশন পৰিষদৰ আলোচনী 'প্ৰকাশ' আৰু মুকুতাই বিশেষ ভূমিকা ল'ব পাৰিব।

**প্ৰসংগক্ৰমে ঃ**

Display & decorationৰ বাবে আগবঢ়োৱা প্ৰকাশন পৰিষদৰ প্ৰথম তিনিটা স্থান লাভ কৰে যথাক্ৰমে ইউ বি এছ পাব্লিকেছনচ (পাটনা) ষ্টুডেন্টচ ষ্টৰছ (গুৱাহাটী) আৰু Teachers' concern (কলিকতা)এ।

আমি দুখেৰে ক'ব লাগিব, 'গুৱাহাটী গ্ৰন্থমেলাই 'চিৰিয়াচ' পাঠক শ্ৰেণীক হতাশ কৰিছে। এই পাঠক শ্ৰেণীটোৱে অসমীয়া ভাষাত প্ৰকাশিত কিতাপৰ উপৰিও ইংৰাজী মাধ্যমত চিৰায়ত (Classic) কিতাপ পঢ়াত আগ্ৰহী। গ্ৰন্থমেলাৰ পৰা তেওঁলোকে বিশেষ একো নাপালে- আমি লগ পোৱা কেইগৰাকীমান 'চিৰিয়াচ' পাঠকৰ এয়া মনৰ কথা। অসমীয়া ভাষাত গ্ৰন্থমেলা উপলক্ষে যুগান্তৰকাৰী কোনো বিশেষ গ্ৰন্থৰ প্ৰকাশ নোহোৱাটো মনকৰিবলগীয়া(অৱশ্যে এই মন্তব্য নিতান্তই ততাতৈয়া, গ্ৰন্থমেলা উপলক্ষে প্ৰকাশিত সকলোবোৰ কিতাপ প্ৰতিবেদকদ্বয়ে পঢ়া নাই)। কবি আৰু চিত্ৰ সমালোচক নীলমণি ফুকনৰ 'ৰূপ-স্বৰ্গ-বাক' আছিল এই ক্ষেত্ৰত ব্যতিক্ৰম। আনহাতেদি ইংৰাজী ভাষাতো তেনে উল্লেখযোগ্য কিতাপ বিচাৰি পোৱা নগ'ল। গুন্টাৰ গ্ৰাছৰ The Flounderৰ দৰে গ্ৰন্থৰ পৰিবেশন আছিল আঙুলিৰ মূৰত গণিব পৰা। 'ভষ্টক'ৰ দৰে ছোভিয়েট প্ৰকাশন প্ৰতিষ্ঠানে আগবঢ়োৱা শ্ৰেষ্ঠ গ্ৰন্থ সমূহৰ বাহিৰে অন্য ধ্ৰুপদী সাহিত্যৰ পৰিবেশন আছিল বৰ দৰিদ্ৰ। Oxford এ পৰিবেশন কৰা গ্ৰন্থসমূহ (তেওঁলোকে ff পাব্লিকেছনৰ গ্ৰন্থও তেওঁলোকৰ বিপনিত ৰাখিছিল)ৰ অত্যাধিক মূল্যই পাঠকক বিমুখ হ'বলৈ বাধ্য কৰিছিল। তদুপৰি Oxford এ যোগান ধৰা কিতাপসমূহ গুৱাহাটীৰ বজাৰতে দুৰ্লভ নহয়। মায়াকভস্কিৰ কাব্য সংকলন পোৱা গ'লেও ভাস্ক পপা, পাবলো নেৰুদা আদিৰ কাব্য সংকলন (অন্ততঃ ইংৰাজী মাধ্যমত)ৰ অভাৱ বাৰুকৈয়ে অনুভূত হৈছিল।

সি যি কি নহওক, অসমত গ্ৰন্থমেলা এক বছৰেকীয়া উছৱলৈ পৰিণত কৰাত অসম প্ৰকাশন পৰিষদে যি, প্ৰচেষ্টা চলাইছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। অসমত গ্ৰন্থৰ প্ৰতি অনুৰাগ আগতকৈ বাঢ়িছে- গুৱাহাটী গ্ৰন্থমেলাৰ সাৰ্থকতা অন্ততঃ সেইখিনিতেই। ●


এম কামালুদ্দিন আহমেদ, জয়ন্ত কুমাৰ শৰ্মা



*১৪ পৃষ্ঠাৰ পিছৰ পৰা*


বালিত মূৰ গুজি কালাতিপাত কৰাৰ নীতি নলৈ সমস্যা আৰু দাবীৰ অন্তৰালত থকা কাৰণবোৰ অন্তদৃষ্টিৰে চাব পাৰিব লাগিব। এই ক্ষেত্ৰত সময় থাকোতে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰি জোৰ পুৰি হাত পোৱাৰ অৱস্থালৈ বাট চালে সৰ্বনাশহে ঘটিব। সম্প্ৰতি আবছুৰ দৰে সংগঠনে সাময়িকভাৱে আন্দোলন প্ৰত্যাহাৰ কৰাৰ অৱস্থাত গৃহভূমি আন্দোলনৰ ৰাজনৈতিক নিষ্পত্তি, মীমাংসা এটা উচিত বুলি ভাবো। আবছুয়ে উত্থাপন কৰা ৯২ দফীয়া দাবীৰো বহুখিনি ৰাজ্য চৰকাৰে পূৰণ কৰিব পাৰে বুলি ভবাৰ কাৰণ আছে। গৃহভূমিৰ সন্ধানৰ আন্দোলনে অসমৰ ৰাজনৈতিক আকাশলৈ যি কলীয়া ডাৱৰ আনিছে তাক আঁতৰ কৰাৰ বাবে প্ৰথম প্ৰয়োজন হৈ পৰিছে বৰ্তমানৰ সন্দেহ, সংশয়ৰ ভাব আঁতৰাই পাৰস্পৰিক বুজাপৰা আৰু সদিচ্ছাৰ পৰিবেশ সৃষ্টি কৰা। চাপৰিলে মেঘ নাতৰাৰ দৰে, বড়ো আন্দোলন, কোনোবা ৰাজনৈতিক দল বা বিদেশী শক্তিৰ উচটনিত হোৱা বুলি বিবৃতি দিলেই সমস্যাৰ ওৰ নপৰে। তাতোকৈ অধিক অৰ্থপূৰ্ণ হ'ব এটা সদিচ্ছামূলক বাতাৱৰণৰ সৃষ্টি কৰি সমিলমিলৰ মাজেদি সমস্যাৰ সমাধান বিচৰাটোহে। তাৰ বাবে প্ৰয়োজন ৰাজনৈতিক বিচক্ষণতাৰ আৰু তাৰ প্ৰমাণ বৰ্তমান চৰকাৰে দিব বুলি আমি আশা কৰো। এই কথাও আমি দোহাৰিব খোজো যে নিজৰ গৃহতে গৃহভূমিৰ অন্বেষণ কৰিলেই জনজাতীয় ৰাইজৰ অৰ্থনৈতিক সমস্যাৰ থাউকতে সমাধান হোৱাৰ সম্ভাৱনা নাই। তেনে কথাই কাৰোবাৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰিলেও তাত সাধাৰণ লোকৰ অৰ্থনৈতিক মুক্তিৰ সোপান নাই। কথাটোলৈ গৃহভূমিৰ আন্দোলন চলোৱা সকলে দৃষ্টি দিবনে? কাৰোবাৰ ৰাজনৈতিক প্ৰৰোচনাত নাইবা অৰ্থনৈতিক হতাশাত নিজৰ গৃহত্যাগ কৰাৰ মনোভাবক কোনোমতেই সুবিবেচনাৰ কাৰ্য হিচাপে মানি ল'ব নোৱাৰি। বৰ্তমান আবছুয়ে তেওঁলোকৰ আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখোতে অসম চৰকাৰেও নিষ্ঠা সহকাৰে জনজাতীয় সমস্যাৰ সমাধান বিচাৰি উলিয়ালেহে অসমৰ জলন্ত সমস্যা এটাৰ সমাধান ওলাব আৰু অসমক বিভক্ত কৰাৰ আন্দোলনৰ সমাপ্ত হ'ব।


OKDISCD

আমাৰ প্ৰকাশিত গ্ৰন্থ

সব্যসাচী বিষ্ণুৰাভা - চিত্ৰ মহন্ত

আশাৰ পানচৈ — পৰেশ বৈশ্য

ৰত্নতত্ত্ব — কৃষ্ণহৰি ডেকা

কেৰ্কেটুৱাই কোৱা সাধু — মিনি মিচেলছন গুদাল
অনুঃ খগেন্দ্ৰ নাথ বৰা

আকাংক্ষাৰ আটলাণ্টা — শ্যামাপ্ৰসাদ শৰ্মা

লগতে শিশু উপযোগী
আটকধুনীয়া অফচেটত ছপা
ৰঙীন পুথি
অকণিৰ
অ আ ক খ
পদ্মিনী কাকতি

ডি ডি প্ৰকাশ
উলুবাৰী, গুৱাহাটী-৭

প্ৰকাশ পালে

ডঃ প্ৰবীণ চন্দ্ৰ দাসৰ

পুণ্যভূমি হাজো

দ্বিতীয় পৰিবৰ্ধিত সংস্কৰণ

মুল্য-১০ টকা

পৰিবেশক
বাণী প্ৰকাশ
পাণবজাৰ গুৱাহাটী ৭৮১০০১

(স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ যাৱতীয় পোছাক যোগান ধৰাৰ নিৰ্ভৰ যোগ্য প্ৰতিষ্ঠান)

গ্ৰিচনি এণ্টাৰপ্ৰাইজ

উলুবাৰী, গুৱাহাটী
সহযোগীৰ ওচৰত

এচ. এম. প্ৰডাকচনৰ নিবেদন

ৰংপুৰীয়া

বিহুসুৰীয়া আধুনিক গীতৰ কেছেট

কণ্ঠশিল্পী

অৰূপ দত্ত / ৰিদিপ / শান্তা / মহানন্দ / দিলীপ দত্ত

সঙ্গীত ব্যৱস্থাপক-
ভূপেন উজীৰ

প্ৰযোজনা
শংকৰ/মুনু

# হৈমন্তিক

লুট্ফা হানুম ছেলিমা বেগম

সৰাপাতবোৰে গছৰ বুকুলৈ
উভতি যোৱাৰ
সেউজীয়া 'বাট এটা বিচাৰিছে

চৰাইবোৰে কণীৰ বুকুত
হালধীয়া হ'বলৈ বিচাৰিছে
মৰা মাছবোৰ পানীলৈ গুচি যোৱাটো
নদীয়ে বিচাৰিছে

ছাঁবোৰে গছ হ'বলৈ বিচাৰিছে
মানুহৰ হৃদয় হ'বলৈ
ধোঁৱাবোৰে জুইৰ বুকুলৈ উভতি যোৱাৰ
ৰঙা বাট এটা বিচাৰিছে

পানীবোৰ শিল হ'বলৈ বিচাৰিছে
শিলবোৰ পমি যাবলৈ বিচাৰিছে
মানুহৰ বুকত

ময়ো তোমাতে গলি গলি
মোলৈ উভতি যোৱাৰ
বাট এটা বিচাৰিছোঁ
সেউজীয়াৰ মাজেৰে

পানী শিল শব্দ আৰু
ধ্বনিৰ মাজেৰে

# জোনাক

নীলিম কুমাৰ

ঢৌবোৰক সাবটি ধৰে জোনাকে

আকাশলৈ জপিয়াই ঢৌ
মোৰো হৃদয়
আকাশলৈ জপিয়াই মাছ

গছবোৰ জপিয়াই উঠে
ঘৰবোৰ জপিয়াই উঠে
জোনাকত

জোনাকে ঢৌৱাই দিয়ে শিলবোৰ
বালিচৰত জোনাকে চালি ধৰে

গছৰ খোৰোঙতো জোনাক
ধাননীৰ মাজৰ পানীতো জিলমিলাই জোনাক
চৰাইবোৰৰ বুকুৰে সৰকি যায় জোনাক

গাত মেটেকা ফুল পিন্ধি ঢৌৰে ঢৌৰে ভৰি দি
জলকুঁৱৰী আহে

জলকুঁৱৰীয়ে উচুপে জোনাকত
উচুপে জোনাক

OKDISCD

# সাহিত্য সংবাদ

## জৈনেন্দ্ৰ কুমাৰ

হিন্দী মনস্তাত্বিক উপন্যাস আৰু চুটি গল্পৰ বাটকটীয়া জৈনেন্দ্ৰ কুমাৰৰ অলপতে মৃত্যু ঘটিছে। ব্যক্তিগত সমস্যাকেই তেওঁৰ উপন্যাস আৰু চুটি গল্পত জৈনেন্দ্ৰ কুমাৰে ৰূপায়িত কৰিছে যদিও যৌন সমস্যাৰ বিশ্লেষণ তেওঁৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য। বহুতো বীভৎস বৰ্ণনাও এই হিন্দী সাহিত্যিক জনাই এনেদৰে বৰ্ণনা কৰিছে য'ত সম্পৃক্ত হৈ আছে করুণ ৰস। সমালোচক কিছুমানে ক'ব খোজে যে, জৈনেন্দ্ৰ কুমাৰে আত্মপৰিধিৰ বিস্তাৰৰ প্ৰচেষ্টাহে চলায়, উন্নয়নৰ নহয়। আন এচামে কয়, যৌনবাদীৰ জীৱন দৃষ্টিৰ স্পষ্টতা তেওঁৰ উপন্যাসত বিচাৰি পোৱা নাযায়। তেওঁলোকে কয়, নগ্নতাই বিদ্ৰুপৰ জন্ম দিব পাৰে, কাম ভাবনাৰ উচিত প্ৰতিফলন কৰিব নোৱাৰে। (ডক্টৰ তিলকৰাজ শৰ্মা ঃ হিন্দী সাহিত্য কা বিবেচনাত্মক ইতিহাস)।

মনস্তাত্বিক সমস্যাৰ চিত্ৰণত উপন্যাসতকৈ চুটি গল্পতহে তেওঁ বিশেষ কৃতিত্ব অৰ্জন কৰিব পাৰিছিল। ডক্টৰ তিলকৰাজ শৰ্মাই কৈছে উপন্যাস লেখাৰ যি প্ৰেৰণা, সেয়া তেওঁ লাভ কৰিছে যেনিবা প্ৰেমিকাৰ পৰা, আনহাতেদি চুটি গল্পৰ লেখাৰ প্ৰেৰণা পাইছে যেনিবা পত্নীৰ পৰা।

## সোমধিৰিৰ সোঁৰৰণিৰ কবি

আবেগ আৰু বাস্তৱৰ এটা সুসমন্বিত ৰূপ আধুনিক অসমীয়া কবিসকলৰ কবিতাত খুব কমেইহে পোৱা যায়। এই ক্ষেত্ৰত ব্যতিক্ৰম হীৰেন্দ্ৰ নাথ দত্ত। দ্বিতীয় মহাযুদ্ধৰ ধামখুমীয়াত তেওঁৰ কাব্য সংকলন 'সোমধিৰিৰ সোঁৰৰণি'ৰ খবৰ বহুতেই নাপালে। গতিকে আজিও হীৰেন দত্তৰ কবিতাৰ যোগ্য সমালোচনা নহ'ল। এই হীৰেন দত্ত এইবেলি অসম সাহিত্য সভাৰ কবি সন্মিলনৰ সভাপতি মনোনীত হৈছে। কবি গৰাকীলৈ আমাৰ অভিনন্দন যাচিছোঁ।

অভিনৱ চিত্ৰকল্প প্ৰয়োগৰ কথা ইমদাদ উল্লাহে সৃজন আৰু মনন'ত আঙুলিয়াই দিছে। 'ক্ষোভ', 'উপান', 'বাৰিষাৰ এছাটি ডাৰৰ'ৰ কথাই এইখিনিতে মনলৈ আহিছে। তেওঁৰ কবিতাত থকা জতুৱা ঘৰুৱা ঠাঁচো মন কৰিব লগীয়া দিশ। সমালোচক ইমদাদ উল্লাহে তেওঁৰ কবিতা সম্পৰ্কে কৈছে, " -----হীৰেন্দ্ৰ নাথ দত্তৰ বৈশিষ্ট্য হ'ল অতীতমুখী আবেগ আৰু আন কেতিয়াবা বৰ্তমানৰ নাগৰিক জীৱনৰ অন্তঃসাৰশূন্য, প্ৰৱঞ্চক ৰূপটোক শ্লেষাত্মক ভাষাৰে প্ৰয়োগ কৰা।"

## কা না সুব্ৰহ্মনিয়ম



প্ৰখ্যাত তামিল লিখক আৰু সমালোচক কা না সুব্ৰহ্মনিয়ামৰ ১৬ ডিচেম্বৰ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

'এটি সাহিত্যিক আন্দোলনৰ ফালে' নামৰ সমালোচনামূলক গ্ৰন্থৰ বাবে ১৯৮৬ চনত তেওঁক সাহিত্য অকাডেমী বঁটা প্ৰদান কৰা হয়। কাব্য সংকলন 'মায়ন কবি থাইকাল'ৰ বাবে তেওঁক কুমাৰণ আসন্ন বঁটাও প্ৰদান কৰা হয়। দিল্লীৰ তামিল লেখক সংঘৰ সভাপতি আছিল আজীৱন। পণ্ডিচেৰী বিশ্ববিদ্যালয়ত অতিথি অধ্যাপক হিচাপেও তেওঁ সেৱা আগবঢ়াইছিল।

তামিল সাহিত্যৰ নৱ জাগৰণ (১৯৩০)ৰ সময়ছোৱাত সুব্ৰহ্মনিয়াম আছিল আগশাৰীৰ লেখক। জনপ্ৰিয় (তেওঁৰ দলৰ) নামটো আছিল (mammikkoti around of writer) তেও ইংৰাজী ভাষাতো লিখে। ভাৰতীয় চুটি গল্পৰ এটা সংকলনো সম্পাদনা কৰে। পিছলৈ তেওঁ সাহিত্য সমালোচনা আৰু তুলনামূলক তামিল সাহিত্য চৰ্চাত মনোনিবেশ কৰিবলৈ লয়। সৃজনীশীল সমসাময়িক লিখকসকলৰ সৃষ্টিশীলতাক তেওঁ নাকচ কৰিবলৈ লোৱাত বিতৰ্কৰ জোৱাৰ উঠে। Indian Author ৰ প্ৰতিষ্ঠাপক সম্পাদক। 'জ্ঞানাৰ থাম' তামিল মাহেকীয়াৰ সম্পাদনা। ৭০ খন কিতাপৰ প্ৰকাশ। বেছি ভাগে লিখিছে KNS, Manyas, Andal, Mayam, R.Satyam আৰু Kaa Naa Su ছদ্মনামত। ছুইডিছ ভাষাতো তেওঁ সাহিত্য ৰচনা কৰিছে।

## অসমৰ দুগৰাকী সাহিত্যিকলৈ অকাডেমী বঁটা

সমাজত দুই শ্ৰেণীৰ অসাধু ব্যৱসায়ীয়েই থাকে। এচামে নিচাগ্ৰস্ততাৰে নিজৰ স্বাৰ্থৰ খাতিৰত অসাধুতাৰ আশ্ৰয় লয় (যিসকল মূলতঃ অসাধু) আৰু আন এচাম সহজ সৰল মানুহ বাছি থকাৰ তাগিদাতেই এনে অসাধু কাৰ্যত লিপ্ত হয়। ডক্টৰ লক্ষ্মীনন্দন বৰাই তেওঁৰ 'পাতাল ভৈৰবী'ত এই দুই শ্ৰেণীৰ ব্যৱসায়ীৰ চিত্ৰকেই অংকণ কৰিছে। ডক্টৰ বৰাই পাতনিত কৈছে, "প্ৰায় এবছৰ ধৰি লিখা উপন্যাসখনিৰ ঘটনাক্ৰম আৰু চৰিত্ৰাৱলী মোৰ পূৰ্বৰ সৃষ্টিতকৈ বহুত সুকীয়া। পৰিবেশো হ'ল ডিব্ৰুগড়ৰ পৰা ডিগবৈলৈকে আৰু উত্তৰে লক্ষীমপুৰ জিল্লালৈকে। এই বিস্তীৰ্ণ অঞ্চলটোৰ বিবিধ জাতিৰ লোক, অনা-অসমীয়াসকলৰ ব্যৱসায়-বাণিজ্য আৰু অপৰাধপ্ৰৱণ পাতাল জীৱনক ভালেমান বছৰৰ পৰা ঔপন্যাসিকৰ দৃষ্টিৰে চাই আহিছোঁ। ব্যৱসায়ী অসাধুতা, চোৰাং বজাৰ, অপৰাধ আৰু মোৰ পৰিচিত কিছুমান অদ্ভুত চৰিত্ৰ আৰু সিহঁতৰ পাপ চেতনাৰে সৈতে অঞ্চলটো সমাজতত্বৰ ফালৰ পৰা ভীতি সঞ্চাৰক আৰু ঔপন্যাসিকৰ ফালৰপৰা আকৰ্ষণীয়।" ব্যৱসায়িক অসাধুতা, চোৰাং কাৰবাৰ আদি বিষয়ৰ সহযোগত যিহেতু বৰাই 'পাতাল ভৈৰবী'ৰ সৃষ্টি কৰিছে, তেনেস্থলত 'গংগা চিলনীৰ পাখি'ৰ লিখকজনক বিচাৰিলে নহ'ব। ডক্টৰ বৰাই লাভ কৰা 'সাহিত্য অকাডেমী' বঁটাৰ বাবে আমাৰ অভিনন্দন যাঁচিছো।

অসমৰ আন এগৰাকী নেপালী ভাষাৰ সাহিত্যিক পুষ্প উপাধ্যায়েও তেওঁৰ 'উষা মঞ্জৰী' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমীৰ বঁটা লাভ কৰিছে। উপাধ্যায় দেৱলৈও আমাৰ অভিনন্দন যাঁচিছো।

## 'জোনাকী'ৰ এশ বছৰ

১৮৮৯ চনৰ ১৩ জানুৱাৰীত 'জোনাকী'ৰ প্ৰথম সংখ্যা প্ৰকাশ হয়। নন্দ তালুকদাৰে লিখিছে, "অসমৰ আলোচনী আৰু সংবাদ পত্ৰৰ ইতিহাসত 'অৰুণোদয়' আৰু 'জোনাকী' দুটি মাইলষ খুটি। 'অৰুণোদই' আধুনিক অসমীয়া ভাষা সাহিত্যৰ বাট কাটোতা আৰু 'জোনাকী' 'অৰুণোদয়ে' হাবি কাটি মুকলি কৰা বাটৰ আৰিয়াধাৰী। অসমীয়া সাহিত্যত নৱন্যাস যুগৰ সূচনা কৰাৰ গুৰিতেও 'জোনাকী' আলোচনী, জোনাকী আলোচনীৰ কৰ্ণধাৰসকল আৰু জোনাকী গোষ্ঠী।" (সংবাদ পত্ৰৰ ব'দ কাচলিত অসমীয়া সাহিত্য।)

'অৰুণোদয়' অসমীয়া ভাষাৰ প্ৰথম কাকত হ'লেও তাত সৃষ্টিশীল সাহিত্য কৰ্ম নাছিল বুলিলেই হয়। ১৮৪৬ চনৰ পৰা ১৮৮৯ চনলৈকে এই সুদীৰ্ঘ কালছোৱাত অসমীয়া সাহিত্যই এটা নতুন সুঁতিৰে বৈ যাবলৈ, বিচাৰিছিল। সেইটো সম্ভৱ হৈছিল চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতাৰ 'জোনাকী'ত প্ৰকাশেৰে।

'জোনাকী'ৰ এশ বছৰ পূৰ্তি উপলক্ষে যোৱা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত কলিকতাত বিশেষ উছৱৰ আয়োজন কৰা হৈছিল।

## সাংবাদিক অৰবিন্দ ফুকনৰ মৃত্যু

আসাম ট্ৰিবিউন কাকতত সহকাৰী সম্পাদক হিচাপে সাংবাদিক জীৱনৰ পাতনি মেলা অৰবিন্দ ফুকনৰ ১৬ জানুৱাৰীৰ দিনাখন পৰলোকপ্ৰাপ্তি ঘটে। স্থানীয় 'নিউজ ষ্টাৰ' কাকততো তেওঁ সহকাৰী সম্পাদক হিচাপে কাম কৰিছিল। 'গোপীনাথ বৰদলৈ এণ্ড হিজ টাইমছ' ফুকনৰ উল্লেখযোগ্য গ্ৰন্থ।

OKDISCD



## ছাফদাৰ হাছমী

*"তুমি চৰাই হালধীয়া ঠোঁটত ৰূপান্তৰৰ পৰাগ"*

লৰ্কা, সৰোজ দত্ত অথবা বেঞ্জামিন মলইছৰ প্ৰতিবাদী কণ্ঠ যেনেদৰে ৰুদ্ধ কৰা হৈছিল, তেনেদৰে আন এগৰাকী সংগ্ৰামী চেতনাৰ বাহকৰ প্ৰতিবাদৰ কণ্ঠ সিদিনা ৰুদ্ধ কৰি দিয়া হ'ল- নাম তেওঁৰ ছাফদাৰ হাছমী। নাট্যকাৰ- তাতকৈ বহল অৰ্থ প্ৰকাশ কৰিব নাট্যকৰ্মী বুলিলে। তেওঁক হত্যা কৰা হ'ল- কাৰণ তেওঁ বিচাৰিছিল ৰূপান্তৰ।
এই উৰ্দু ভাষাৰ নাট্যকাৰ গৰাকীয়ে চাহিদাবাদত এখন বাটৰ নাট মেলিছিল। নাটকখনৰ নাম 'হাল্লা বোল'। ভাৰতবৰ্ষত অমানৱীয়কৰণ প্ৰক্ৰিয়া শেষ হ'বলৈ এতিয়া বাকী নাই। 'হাল্লা বোল'ৰ সামৰণি নঘটা অৱস্থাত এটা বিশেষ ৰাজনৈতিক দলৰ কৰ্মীয়ে ছাফদাৰ হাছমীক হত্যা কৰিলে।
দেশে-বিদেশে এই হত্যাকাণ্ডৰ কটু ভাষাৰে সমালোচনা কৰা হৈছে। মানৱৰ অমানৱীয়কৰণ প্ৰক্ৰিয়াক বাধা দিয়াৰ সাহস সৌন্দৰ্যসন্ধানী ভাৰতীয় লিখক সাহিত্যিক শিল্পীৰ আছে বুলিয়েই ভীষ্ম সাহানী, মৃণাল সেন, শাবানা আজমীইঁতে এই নাৰকীয় ঘটনাৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। অসমতো বিভিন্ন ঠাইত এই পৈশাচিক কাৰ্যৰ প্ৰতিবাদৰ ধ্বনি উচ্চাৰিত হৈছে।

## আনন্দৰাম বৰুৱাঃ মৃত্যু শতবাৰ্ষিকী

বিদগ্ধ সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাৰ মৃত্যু শতবাৰ্ষিকী অসমত গাম্ভীৰ্যপূৰ্ণভাৱে পতা হয়। A practical English -Sanskrit Dictionary , নানাৰ্থ সংগ্ৰহ, অমৰ সিংহৰ নামলিং গানুশাসনম্, Bhavabhuti and his place In Sanskrit Literature, Acient Geography of India Higher Sanskrit Grammer prosdy আদি তেওঁৰ সাহিত্যকৃতি। তেওঁৰ প্ৰতিখন গ্ৰন্থই ভাৰততত্ত্বৰ চৰ্চাত সহায় কৰে। ওপৰত উল্লেখ কৰা প্ৰথম তিনিখন গ্ৰন্থ কোষগ্ৰন্থ। ইংৰাজী সংস্কৃত অভিধানখনৰ বিষয়ে ভি.এছ আপ্তেই কৈছে, "Mr Anandaram Baruah's work is eminently Practical; it abounds with quotations from several standard authors, the renderings are generally happy, and the work has at least, a classical appearance."
দেশত বিশেষকৈ অসমত সংস্কৃত ভাষা-সাহিত্য চৰ্চাৰ পৰিবেশ এতিয়া ক্ষীণ। পণ্ডিত আনন্দৰাম বৰুৱাৰ মৃত্যু শতবাৰ্ষিকী উদ্‌যাপনে এই পৰিবেশ উন্নত কৰিব পাৰিলে ভাল হয়।

## ডক্টৰ উমাশঙ্কৰ যোশী

প্ৰখ্যাত সাহিত্য পত্ৰিকা 'সংস্কৃতি'ৰ সম্পাদক 'Kalidas's Poetic voice আদি চিৰিয়াচ গ্ৰন্থৰ লিখক গুজৰাটী ভাষাৰ খ্যাতনামা কবি ডক্টৰ উমাশঙ্কৰ যোশীৰ যোৱা ১৯ জানুৱাৰীত পৰলোকপ্ৰাপ্তি ঘটিছে।
এই প্ৰখ্যাত সাহিত্যিকজনাই আমাক দি থৈ গ'ল বিভিন্ন চিৰিয়াছ প্ৰবন্ধ, বহুতো শ্ৰেষ্ঠ কবিতা আৰু মৃত্যুৰ পিছত তেওঁ লগত লৈ গ'ল 'বালকৰ অনন্ত আশাভৰা বহুতো নয়ন'।



## 'অক্টেভিঅ' পাজ্ ভূপালত বিশ্ব কবি সন্মিলন

সাতদিন জুৰি চলিল এই কবিতাৰ উছৱ। যোৱা ১০ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰীলৈকে ভূপালৰ ভাৰত ভৱনত এই সন্মিলন হৈ যায়। দক্ষিণ আফ্ৰিকাৰ Dennis Brutus, Leopold senghar নবেল বঁটা বিজয়ী Czeslaw Milorz, Allen Ginsberg মেক্সিকোৰ কবি Octavio Paz ইংৰাজী সাহিত্যৰ কবি স্পেন্দাৰক এই কবি সন্মিলনত যোগ দিয়াৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল। এই ছয়গৰাকী বিশ্ববিখ্যাত কবিৰ প্ৰথম পাঁচ গৰাকীৰ কবিতা জানুৱাৰী মাহৰ Illustrated Weeklyৰ এটা সংখ্যাত প্ৰকাশিত হৈছে। ●


আধুনিক অসমীয়া চিত্ৰকলা সমালোচক
নীলমণি ফুকনৰ শেহতীয়া গ্ৰন্থ

ৰূপ বৰ্ণ বাক

শান্তি প্ৰকাশন ॥ গুৱাহাটী

প্ৰকাশ পালে




OKDISCD

# নগা সমস্যা

## অতীত বৰ্তমান আৰু ভৱিষ্যত



যতীন্দ্ৰ কুমাৰ বৰগোহাঞিঃ

আমি অসমৰ মানুহে পেলেষ্টাইন বা আফগানিস্তান সম্পৰ্কে যিমান কথা জানোঁ, ওচৰতে থকা নগাৰাজ্যত ঘটি থকা ঘটনাৱলী সম্পৰ্কে সিমান কথা নাজানোঁ। প্ৰকৃততে 'নগা' বুলি ক'লে আমাৰ বেছি ভাগ মানুহে ভয়ানক প্ৰকৃতিৰ জনজাতি মানুহৰ এটা সম্প্ৰদায় বুলি ভাবে। বৰ্বৰ আৰু মানুহৰ মূৰ কটা এটা পৰম্পৰা নগাসকলৰ মাজত প্ৰচলিত আছে বুলি সকলোৰে কম বেছি পৰিমাণে এটা ধাৰণা আছে, গতিকে বেছি ভাগেই 'নগা' বুলিলে ভয় কৰিহে চলে। উঠোতে-বহোতে কাম কৰোতে তথা খোজ কাঢ়োতে এটা সুৰীয়া ছন্দত গীত গাই গাই জীৱন নিৰ্বাহ কৰা এই মানুহখিনিক কিয় 'নগা' বোলে সেই সম্পৰ্কে আমাৰ ইতিহাস নিমাত। সামগ্ৰিক বিচাৰত বৃহত্তৰ মংগোলীয় জন-গোষ্ঠীৰ অন্তৰ্ভুক্ত এই 'নগা'সকলে মধ্যযুগত নিজকে 'নগা' বুলি চিনাকি দিয়া নাছিল, আংগামী, ছেমা, লোতা, ৰেংমা, আইতনীয়া আদি নামেৰে অসমৰ মানুহে তেওঁলোকক জানিছিল যদিও এইসকলো গোষ্ঠীকে একেলগে অসমৰ মানুহে নগা বুলিছিল। সুদূৰ অতীতৰ 'নাগ' মানুহ বোলোতে যিসকলক বুজোৱা হৈছিল তেওঁলোকৰ লগত 'নগা'ৰ সম্পৰ্ক আছিল নে কি সেই বিষয়েও ইতিহাস নিমাত। কোন শতিকাৰ নগাসকল বৰ্তমান বসতিস্থললৈ আহিল সেই সম্পৰ্কেও জনা নাযায়। ইতিহাসে চুকি পোৱা যুগত ছেমাসকলৰ বাহিৰে বাকী সম্প্ৰদায়সমূহ সুস্থিৰভাৱে গাওঁপাতি থকা বুলি জনা যায়। ছেমাসকলৰ এটা স্থান সলোৱা আৰু দখল বঢ়োৱা প্ৰৱনতা বা যাযাবৰ অভ্যাস সুদীৰ্ঘ কাল ধৰি আছিল — বৰ্তমানো কিছু পৰিমাণে আছে বুলি কোৱাৰ কিছু থল আছে।

সামাজিকভাৱে নগাসকলৰ সমাজ সম্প্ৰসাৰিত পৰিয়ালভিত্তিক গ্ৰাম্য সমাজ। পৰম্পৰা অনুসৰি নগা সম্প্ৰদায়ৰ কোনো ৰজা নাছিল। নগা গাওঁ মূলতঃ জনজাতীয় আৰ্হিৰ এক গণতান্ত্ৰিক আৰ্হিৰ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত আছিল। দুই এটা সম্প্ৰদায়ৰ ক্ষেত্ৰত গাওঁবুঢ়াৰ ক্ষমতা আহোম যুগৰ শেষৰ ফালে তথা ইংৰাজৰ যুগত বৃদ্ধি পোৱাৰ প্ৰমাণ পোৱা যায় যদিও ৰাজতন্ত্ৰৰ আৰ্হি নগাভূমিত প্ৰচলন হোৱা নাছিল। হাট্ট ... দৰে ইংৰাজ তত্ত্ববিদসকলে 'নগা জা... বুলি এটা 'জাতি'ৰ পৰিচয় দাঙি ধৰা নাই, তেওঁলোকে সদায় আও, আংগামী, ছে... আদি সম্প্ৰদায়ভিত্তিক অধ্যয়নহে আ...লৈ এৰি গৈছে।

...সমৰ মানুহে কিন্তু অতি... ...ষ্টভাৱে ন... বুলি এক নিৰ্দিষ্ট ... ...বশিষ্ট পাহাৰীয়া জ...-জাতি মানুহককহে বুজাইছিল। এই ন মেৰেই পিছলৈ নগাসকলে নিজকে এটা জাতি হিচাপে ঐক্যবদ্ধ কৰাৰ প্ৰয়াস কৰে। নগা জাতিৰ জীৱনত প্ৰগতি তথা বিপৰ্যয়ৰ সকলো দিশতে প্ৰভাৱ বিস্তাৰ কৰা, যোৱা ত্ৰিছ বছৰৰ ঘটনাৱলী মূলত এই জাতীয় উত্থানৰ প্ৰক্ৰিয়াৰ লগত বিজড়িত। জাতি



OKDISCD

*হিচাপে নগাসকলৰ মূল বৈশিষ্টই হ'ল এওঁলোকৰ নিৰ্ভীক, স্বাধীনতাপ্ৰেমী তথা মুক্ত মন। এই মুক্ত মন নৈ আৰু নিজৰাৰ দৰে, পখী কিম্বা হৰিণাৰ দৰে প্ৰাকৃতিক। এই স্বাধীনতাৰ স্বীকৃতি দিয়াতো বা ইয়াক প্ৰকৃত অৰ্থত বুজাতো শ্ৰেণী বিভক্ত সমাজৰ মানুহৰ বাবে সম্ভৱ নহয়। প্ৰকৃত অৰ্থত, এই স্বাধীনতাৰ অৰ্থ আমাৰ মানুহে বুজিকে নাপায়। আমাৰ মানুহে স্বাধীনতা মানে বুজি পায় যুক্তিনিৰ্ভৰ বুৰ্জোৱা স্বাধীনতাক। ই প্ৰাকৃতিক জনজাতীয় মূলৰ ধাৰণাতকৈ বহু দূৰস্থ ধাৰণা। স্বাধীনতা সম্পৰ্কে ধাৰণাৰ পাৰ্থক্য থকা বাবেই নগাই বিচৰা আৰু ভাৰতৰ মানুহে দিব খোজাৰ মাজত কোনো দিনে প্ৰকৃত সমন্বয় গঢ় লৈ উঠা আমি দেখা নাই পোৱা। অৱশ্যে এই কথাও ঠিক যে দিন যোৱাৰ লগে লগে পশ্চিমীয়া শিক্ষা, সংস্কৃতি তথা ধৰ্মৰ প্ৰভাৱত, সামাজিক অৱস্থা নিৰ্ভৰ মানুহৰ আপেক্ষিক স্বাধীনতাৰ সোৱাদ নগা লোকসকলেও উপভোগ কৰিবলৈ ধৰিছে আৰু ভাৰতীয় ভোটদাতা নাগৰিকৰ লগত নগা নাগৰিকৰ পাৰ্থক্য ক্ৰমশঃ নাইকিয়া হৈ আহিছে। এই প্ৰক্ৰিয়া কিন্তু সহজ সাধ্যও নহয় আৰু সৰলো নহয়। ইয়াৰ পৰিনতিও এতিয়াই সম্পূৰ্ণ বোধগম্য নহয়। হৰিণ কিম্বা পখীৰ গতি আৰু গীত উভয়ে স্তব্ধ হৈ নগ'লেই নগাসকলৰ মংগল। আমাৰ এই গতিশীল আৰু গীত গোৱা ওচৰঘৰীয়া সকলৰ জীৱন-প্ৰৱাহ ঘূৰ্ণীপাকৰ সাথঁৰ ভঙা বহু সময়ত সহজ নহয়। তথ্য-পাতিৰ অভাৱত কেতিয়াবা উজুটি খোৱাও যায়। তথাপি আমাৰ এই প্ৰচেষ্টাত সম্পূৰ্ণ নিৰপেক্ষ দৃষ্টিৰে ঘটনা-প্ৰৱাহ নিৰীক্ষণ কৰিবলৈ চেষ্টা কৰা হৈছে। সিদ্ধান্ত লোৱাৰ দায়িত্ব নিৰ্ণায়ক শক্তিসমূহৰ। তেওঁলোক আগবাঢ়ি অহা উচিত, সততাৰে আৰু আত্মবিশ্বাসেৰে, সত্যক তথা অনিবাৰ্যতাক স্বীকৃতি দি নগা জাতিৰ জটিল সমস্যাটোৰ সমাধানসূত্ৰ উলিয়াবৰ বাবে তেওঁলোকে চেষ্টা কৰা উচিত।* ●

# জন-জাতি যুদ্ধৰ পৰা জাতীয় মুক্তি যুদ্ধলৈ

ইতিহাসে ঢুকি নোপোৱা যুগৰেপৰা নগাসকলৰ ইতিহাস জন-জাতি যুদ্ধৰ ইতিহাস; ঐতিহাসিকভাৱে কিছুমান গুৰুত্বপূৰ্ণ পৰিবৰ্তনৰ প্ৰভাৱত এই জন-জাতি যুদ্ধৰ বৰ্বৰতাৰ অন্ত পৰিল আৰু জন-জাতি যুদ্ধ জাতীয় মুক্তি যুদ্ধলৈ ৰূপান্তৰিত হ'ল। মুক্তি যুদ্ধৰ আখৰা ইংৰাজৰ দিনতে নগাসকলে কৰিছিল, কিন্তু এই আখৰা আছিল বিভিন্ন। প্ৰতিটো নগা সম্প্ৰদায় সুকীয়াভাৱে ইংৰাজৰ লগত যুদ্ধত লিপ্ত হৈছিল। পৰম্পৰাগত অস্ত্ৰ যাঠি আৰু দা তথা ধনুলৈ শ শ নগাই ইংৰাজৰ বন্দুকৰ আগত প্ৰাণ আহুতি দিছিল। বন্দুকৰ বৰ্বৰতম শক্তিৰ বিষয়ে সঠিক জ্ঞান নগাসকলৰ নাছিল; এই শিক্ষা নগাসকলে সাম্ৰাজ্যবাদী শক্তিৰপৰাই ঘটনাক্ৰমে লাভ কৰিছিল।

ইংৰাজে নগাসকলক অকল যে পৰাভূত কৰিছিল সেইটো নহয়-- তেওঁলোকক দুটা বস্তু দিছিল ১। পশ্চিমীয়া শিক্ষা আৰু ২। আনটো খৃষ্টান ধৰ্ম! নৃগোষ্ঠীগত মংগোলীয় চৰিত্ৰ, ভঙা ভঙা অসমীয়াৰ দৰে এটা সকলো সম্প্ৰদায়ে বুজি পোৱা সাধাৰণ নগা ভাষা আৰু খৃষ্টান ধৰ্মই নগাসকলক দিলে এটা নতুন বন্ধন, নতুন ইচ্ছা শক্তি--- যি জনজাতি যুদ্ধ আৰু জন-জাতি সমাজৰ চৰিত্ৰ সলনি কৰাত বিপুল প্ৰভাৱ বিস্তাৰ কৰিছে। জন-জাতি সমাজৰ পৰিবৰ্তনত নতুনকৈ শিক্ষা পোৱা মধ্যবিত্ত শ্ৰেণীৰ প্ৰভাৱেই আটাইতকৈ বেছি। খৃষ্টান ধৰ্ম গ্ৰহণ কৰা এই নতুন মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধি আংগামী ফিজো আছিল পশ্চিমীয়া শিক্ষাৰে শিক্ষিত এজন স্বাধীনতাপ্ৰেমী যুৱক যি ইংৰাজৰদ্বাৰা লুণ্ঠিত স্বাধীনতা উদ্ধাৰ কৰাৰ



কথা ভাবিছিল। ব্যক্তিগত জীৱনত তেওঁ প্ৰথম চেষ্টা কৰিছিল ব্যৱসায়ী হ'বৰ কাৰণে, তাতো তেওঁ দেউলীয়া মাৰিলে আৰু ব্ৰহ্মদেশলৈ নিৰ্বাসিত হৈছিল। ৰেঙুণত থিতাপি লৈ এইজন নগা যুৱকে চিন্তা কৰিলে শতধাছিন্ন নগাসকলক ঐক্যবদ্ধ কৰাৰ কথা! ঠিক এই সময়তে সাম্ৰাজ্যবাদী যুদ্ধৰ মঞ্চত অৱতীৰ্ণ হ'ল শতাব্দীৰ জঘন্যতম যুদ্ধৰ নায়ক ইংৰাজ আৰু জাপানীসকল। জাপানৰ সমৰ্থিত আজাদ হিন্দ ফৌজেও ভৰি দিলেহি নগাৰাজ্যৰ পবিত্ৰ ভূমিত! এই সাম্ৰাজ্যবাদী যুদ্ধৰ পটভূমিত আৰু আজাদ হিন্দ ফৌজৰ আবেগ সঞ্চাৰকাৰী আগমনৰ ফলত নগাসকলৰ মানসিক গঢ়ৰো ব্যাপক পৰিবৰ্তন সাধন হৈছিল। একেজন নগাই জাপানী আক্ৰমণকাৰীক এবাৰ পথ-প্ৰদৰ্শক হিচাপে নগৰাজ্যত সুমুৱালে, আকৌ এবাৰ পৰাভূত জাপানীক এৰি বিজেতা ইংৰাজৰ পথ প্ৰদৰ্শক হৈছিল; কিন্তু ইংৰাজ বা জাপানী কাৰো কাৰ্যকে ভিতৰি ভিতৰি সমৰ্থন নকৰিছিল। কহিমাৰ পথে-পথে, নগা ভূমিৰ হাবিয়ে-জংঘলে নগাসকলে দেখিছিল বন্দুকৰ শক্তিৰ ভয়াবহতা, দেখিছিল হতাহতি সংগীনৰ যুদ্ধ। দেখিছিল ভয়াবহতা। নগা যুৱকসকলৰ একাংশক দি থৈ গৈছিল আধুনিক যুদ্ধৰ পৰোক্ষ শিক্ষা। জাপানীসকলে ভাৰত এৰিলে কিন্তু মঞ্চত অৱতীৰ্ণ হ'ল উদীয়মান নগা জাতিৰ প্ৰতিভূ *আংগামী ফিজো।*

অৰণ্যক আশ্ৰয় হিচাপে লৈ উত্তৰ ব্ৰহ্মদেশৰ কাচিন তথা কাৰেণ বিদ্ৰোহীসকলৰ দৰেই ফিজোয়েও সূচনা কৰিছিল নগাসকলৰ মুক্তিযুদ্ধৰ। কাচিন নেতা থাকিন অন্ তুনে

গ্ৰহণ কৰিছিল পূৱৰপৰা মাৰ্ক্সবাদ আৰু মাও জেদুঙৰ চিন্তা। কিন্তু ফিজোয়ে, মাৰ্ক্সবাদৰ বিষয়ে অজ্ঞাত নাছিল যদিও, গ্ৰহণ কৰিছিল খৃষ্টান ধৰ্ম আৰু যীশু খৃষ্টৰ আদৰ্শ! থাকিন তান তুন তথা ফিজোৰ মাজত সেইটোৱেই পাৰ্থক্য।

নগা জাতীয়তাবাদৰ বিকাশৰ গতিধাৰা বিশ্লেষণ কৰিলে আমাৰ চকুত পৰে যে, ইংৰাজৰ উপনিবেশ বিস্তাৰ, খৃষ্টান ধৰ্ম আৰু ইংৰাজী শিক্ষাৰ প্ৰসাৰৰ লগত নগা জাতীয়তাবাদৰ সম্পৰ্ক অতি ওচৰ। প্ৰকৃত অৰ্থত নগা জাতিৰ অভ্যুত্থানৰ তথা নগাসকলৰ আধুনিক ইতিহাসৰ প্ৰাৰম্ভিক আয়োজন ইংৰাজেই পৰোক্ষভাৱে কৰি থৈ গৈছিল। ইংৰাজৰ অনুপ্ৰবেশ তথা সম্প্ৰসাৰণৰ পূৰ্বে নগা আৰু আহোম তথা অসমৰ মাজত সম্পৰ্ক বিজিত আৰু বিজেতাৰ নাছিল। আহোমসকলে যদিও পাটকাইৰ মাজেদি নগা সম্প্ৰদায়ৰ লোকক পৰাভূত কৰিয়েই সৌমাৰ পীঠত প্ৰৱেশ কৰিছিল আৰু ইতিহাস অনুসৰি অতি বৰ্বৰভাৱে নগাসকলৰ একাংশক অবদমন কৰিছিল, তথাপি নগাসকলৰ লগত আহোমসকলৰ বৈবাহিক সম্পৰ্ক হৈছিল আৰু 'মিতিৰ'সূলভভাৱে বন্ধুত্ব আৰু সহাৱস্থান বৰ্তি আছিল। নগাৰাজ্যৰ উত্তৰ আৰু উত্তৰ-পূবৰ অংশৰ সম্প্ৰদায়সমূহ তথা নামনি-পাহাৰৰ অঞ্চলসমূহত আহোম ৰাজ্যৰ প্ৰভাৱ বিস্তাৰ হৈছিল যদিও, গভীৰ অৰণ্য অঞ্চলত আৰু দক্ষিণৰ নগা সম্প্ৰদায়সমূহৰ ওপৰত আহোমৰ আধিপত্য বিস্তাৰ হোৱা নাছিল। ইংৰাজেই প্ৰথম অৰণ্যৰ ভিতৰলৈকে প্ৰৱেশ কৰি নগা সম্প্ৰদায়ৰ বিভিন্ন জনগোষ্ঠীক প্ৰভাৱান্বিত কৰিছিল।

ব্ৰহ্মদেশৰ প্ৰথম যুদ্ধত কেপ্তেইন নিউভিলে প্ৰথম নগাৰাজ্যৰ মাজেদি পাটকাই পৰ্বতমালা অতিক্ৰম কৰিছিল। চিংফৌৰ হাতত বন্দী ছয়হাজাৰ নগা দাসক মুক্ত কৰাৰ যোগেদি নগাসকলৰ মাজত ইংৰাজ এক প্ৰকাৰ ত্ৰানকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। নগাসকলৰ ক্ষেত্ৰত ইংৰাজেও সুদীৰ্ঘকাল ধৰি নৰম মত পোষণ কৰা দেখা গৈছিল। নগাসকলক আক্ৰমণ কৰি দমন , কৰাৰ পৰিবৰ্তে সা-সুবিধা প্ৰদান কৰি নিজৰ ফাললৈ অনাৰ চেষ্টাতহে ইংৰাজ ব্ৰতী হৈছিল। ১৯৪১ চনত, আহোমে প্ৰবৰ্তন কৰা লোণকৰ উঠাই দি, লোণৰ উৎপাদনত ব্ৰতী ছেমা নগাসকলৰ মন ইংৰাজে জয় কৰিছিল। ১৮৪১ চনৰ পৰা ১৯৪১ চনৰ ভিতৰলৈকে মুঠতে অমি কমেও দহবাৰ ইংৰাজে নগাসকলৰ মাজত 'শান্তি প্ৰতিষ্ঠা'ৰ নামত সামৰিক অভিযান চলাইছিল। দেখা যায় বন্দুকৰ ব্যৱহাৰ নজনাৰ কাৰণে সীমাহীন সংখ্যক নগৰ ইংৰাজৰ বন্দুকৰ আগত প্ৰাণ গৈছিল। অকল ১৮৫৪ৰ পৰা ১৮৬৫ চনৰ ভিতৰতে উনৈশবাৰ আংগামীসকলে ইংৰাজৰ বিৰুদ্ধে আক্ৰমণ চলাইছিল, ফলত ক্ৰমান্বয়ে নগাৰাজ্যৰ ক্ষেত্ৰতো সক্ৰিয় আৰু আক্ৰমণশীল নীতি ইংৰাজে অনুসৰণ কৰিবলৈ লৈছিল। প্ৰকৃত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিক আধাৰ হিচাপে লৈ ইংৰাজে নগা অধ্যুষিত অঞ্চলো নিজৰ নিয়ন্ত্ৰণৰ ভিতৰত ৰাখিবলৈ চেষ্টা কৰিছিল যদিও, প্ৰকৃত অৰ্থত ইংৰাজে নগা অধ্যুষিত অঞ্চলো কিয় পৰাভৰ কৰিব লাগে বা কৰা উচিত তাৰ কোনো যুক্তি দাঙি ধৰিব পৰা নাছিল। ১৮৬৯ চনৰ গাৰো পাহাৰ আইন সম্প্ৰসাৰণৰ জৰিয়তে ইংৰাজে ১৮৬৯ চনত নগা অঞ্চললৈ নিজৰ প্ৰশাসন সম্প্ৰসাৰিত কৰিছিল। ১৮৭২ চনৰ কোদ অৱ ক্ৰিমিনেল প্ৰচিদিউৰ আৰু ফৰেইন জুৰিচদিকচন এণ্ড এক্সট্ৰেদিছন এক্ট অনুসৰি ইংৰাজৰ ৰাজ্যৰ সীমাৰ বাহিৰৰ অঞ্চললৈও ইংৰাজৰ প্ৰশাসন বঢ়োৱাৰ অধিকাৰ ইংৰাজে সাব্যস্ত কৰিছিল যদিও, এই অধিকাৰ প্ৰকৃততে কি কৰ্তৃত্বৰ বলত ইংৰাজে খটুৱাইছিল সেই কথা কোনোদিনেই পৰিস্কাৰ নাছিল। ১৯৮৯ চনৰ আইন অনুসৰি ভাৰতৰ সংজ্ঞা দিয়া হৈছিল ইংৰাজৰ সাম্ৰাজ্য আৰু ইয়াৰ-লগতে সকলো স্থানীয় ৰজা আৰু মুৰব্বীৰ তলত থকা অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰি। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুসৰি 'জনজাতি অঞ্চল'ৰ এটা সংজ্ঞা দিয়া হৈছিল আৰু এই সংজ্ঞা মতে ইংৰাজ শাসনাধিষ্ঠিত অঞ্চলৰ ভিতৰত জনজাতি অঞ্চলসমূহ নপৰে বুলি যুক্তি থিয় কৰাৰ সুৰুঙা আছে। সাংবিধানিকভাৱে ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুসৰি সীমান্ত অঞ্চলত থকা সকলো জনজাতি অঞ্চলৰ ওপৰত ইংৰাজৰ আধিপত্যৰ স্বীকৃতি প্ৰদান কৰা হয় যদিও জনজাতি অঞ্চলসমূহক এটা বিশেষ মৰ্যদা প্ৰদান কৰা হয়।

১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুসৰি জনজাতি অঞ্চল হ'ল ঃ "the areas along the frontiers of India or in Baluchistan which are not part of British. India or of Burma or of any Indian state or of any forign state." [ Government of India Act, 1935, Section 311ki]

জন-জাতি অঞ্চল হিচাপে নগাৰাজ্য প্ৰকৃত অৰ্থত ৰাজ্যিক চৰকাৰ ,ইংৰাজৰ কেন্দ্ৰীয় চৰকাৰ তথা ব্ৰহ্মদেশৰ তলত প্ৰত্যক্ষভাৱে নথকা অঞ্চল হিচাপে বিশেষ মৰ্যদাত প্ৰতিষ্ঠিত। তথাপি ইংৰাজ চৰকাৰে নগা অঞ্চলসমূহৰ ওপৰত গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধি হিচাপে গৱৰ্ণৰৰ শাসন প্ৰতিষ্ঠা কৰে আৰু গৱৰ্ণৰৰ তলত আচাম ৰাইফল তথা অচোম চিভিল ফৰ্চৰদ্বাৰা এই সীমান্তৱৰ্তী অঞ্চলসমূহত ইংৰাজৰ আধিপত্য বিস্তাৰৰ সূচনা হয়। ইংৰাজে প্ৰত্যক্ষ শাসন চলোৱা পূৰ্বৰ নগা অঞ্চলসমূহৰ বাহিৰেও সীমান্তৱৰ্তী নগা অঞ্চলসমূহত 'ৰাজনৈতিক নিয়ন্ত্ৰণ' চলোৱা হৈছিল। দ্বিতীয় মহাসমৰৰ আগতেই ইংৰাজ আধিপত্যৰ বাহিৰত পৰা অঞ্চল প্ৰায় নাইকিয়া হৈ পৰিছিল। ১৮৮২ চনৰ পৰা ১৯৪৩ চনৰ ভিতৰত নগা বসতিপূৰ্ণ প্ৰায় সকলো অঞ্চল ইংৰাজ শাসনৰ ভিতৰত সোমাই পৰিছিল যদিও, ব্ৰহ্মদেশৰ ভিতৰুৱা গভীৰ অৰণ্য অঞ্চলৰ নগাসকলক ইংৰাজৰ বেয়নেটেও ঢুকি পোৱা নাছিল।

ক্ষমতা হস্তান্তৰৰ সময়ত,পূৰ্বে স্বীকৃতি দিয়া 'জনজাতি অঞ্চল'ৰ সুবিধা সম্পূৰ্ণৰূপে ভাৰতৰ অস্থায়ী সংবিধানৰ পৰা বাদ দিয়া হয়। ভাৰতৰ নতুন সংবিধানে নগা অঞ্চলসমূহৰ অসমৰ জনজাতি অঞ্চলৰ অন্তৰ্ভুক্ত কৰে আৰু দুটা ভাগত নগা জনজাতি অঞ্চলক খ(B) শ্ৰেণীভুক্ত জনজাতি অঞ্চল আৰু নগা পাৰ্বত্য জিলাক ক(A) শ্ৰেণীভুক্ত জনজাতি অঞ্চল হিচাপে স্বীকৃতি দিয়ে।

ইংৰাজ শাসন আৰম্ভ হোৱাৰে পৰা ১৯৪৭ চনৰ ১৫ আগষ্টত ক্ষমতা হস্তান্তৰ হোৱা পৰ্যন্ত সাম্ৰাজ্যবাদী প্ৰশাসকৰ দৃষ্টিৰে নগাসকলৰ ভৱিষ্যত সম্পৰ্কে ইংৰাজে যি দৃষ্টিৰে চাইছিল তাৰ বিৰুদ্ধে নগা জনজাতিৰ অৰ্ন্তভূক্ত বিভিন্ন সম্প্ৰদায়ে সুকীয়া সুকীয়া নগাসকলে বিদ্ৰোহ কৰিছিল যদিও কোনো দিনে সকলো নগা সন্মিলিত হৈ স্বাধীনতাৰ জাতীয় সংগ্ৰাম আৰম্ভ কৰা নাছিল।ফ্যাচিষ্টশক্তিৰ ওচৰত সেওমনাৰ বাবেই হওক বা ইংৰাজৰ প্ৰচণ্ড বন্দুকৰ শক্তিৰ বৰ্বৰতাৰ বাবেই হওক নগাসকলে ইংৰাজক মানি নললেও, সন্মিলিতভাৱে বিদ্ৰোহৰ সূচনা কৰিব পৰা নাছিল।

কংগ্ৰেছ দলৰ নেতৃত্বত স্বাধীনতা সংগ্ৰাম আগবাঢ়ি যোৱাৰ লগে লগে নগা শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়েও অৱশ্যে নগাৰাজ্যৰ ভৱিষ্যতৰ কথা চিন্তা কৰিছিল। ১৯১৮ চনত নগা ক্লাৱ গঠিত হৈছিল আৰু এই ক্লাবেই চাইমন কমিছনৰ আগত নগা ৰাইজৰ প্ৰতিনিধিত্ব কৰি লৈছিল যে ভৈয়ামৰ জনগণৰ দ্বাৰা তেওঁলোক বিলুপ্ত হোৱাৰ বিপদৰ পৰা নগাসকলৰ অস্তিত্ব যাতে বিপন্ন নহয়, সেই উদ্দেশ্যে আগত ৰাখি নগা পৰ্বতক সংস্কাৰসমূহৰ বাহিৰত ৰাখিব লাগে। চাইমন কমিছনৰ আগত এই ক্লাৱে দাবী তুলিছিল ঃ "You are the only people who have ever conquered us and when you go, we should be as we are." সুদীৰ্ঘ কাল ধৰি নগা মধ্যবিত্ত শ্ৰেণীৰ মানসিক গঢ় এই মতবাদে বলিষ্ঠভাৱে আচ্ছন্ন কৰি ৰখা দেখা যায়।

১৯৪৫ চনত চাৰ্লচ পাওচিৰ যত্নত নগা পাৰ্বত্য জিলা পৰিষদ গঠন হৈছিল আৰু এই মধ্যবিত্ত শিক্ষিত শ্ৰেণীৰ সংগঠনটো এবছৰ পিছত নগা জাতীয় পৰিষদ (Naga National Council) নামেৰে অভিহিত হৈছিল। নগা নেতাসকলে এই জাতীয় পৰিষদৰ

OKDISCD

জৰিয়তে প্ৰথম অসমৰ ভিতৰতে নগা সকলৰ এখন স্বায়ত্বশাসিত জিলা দাবী কৰিছিল আৰু নগাসকলক স্বয়ংশাসনৰ বাবে প্ৰশিক্ষিত কৰি তোলাৰ ওপৰত গুৰুত্ব দিছিল। ১৯৪৭ চনৰ ক্ষমতা হস্তান্তৰৰ দিন ওচৰ চাপি অহাৰ লগে লগে, নগা নেতাসকলে গৰৰ্ণৰ জেনেৰেলক এখন স্মাৰক পত্ৰযোগে জনাইছিল যে ভাৰতে অভিভাৱক শক্তি হিচাপে দহ বছৰ নগাসকলক শাসন কৰিব পাৰে, কিন্তু তাৰ পিছত নগাসকলে নিজৰ ভৱিষ্যৎ নিজে নিৰূপণ কৰাৰ অধিকাৰ থাকিব। ১৯৪৭ চনৰ ২০ মে'ইত নগা নেতাসকলে আদিবাসী উপদেষ্টা কমিটিৰ আগত একেই দাবী দোহাৰিছিল।

প্ৰকৃত অৰ্থত ৪৭ চনৰ ২৭ জুনৰ পৰা ১৯৫১ চনৰ ভিতৰৰ ঘটনা-প্ৰবাহ নগাৰাজ্যৰ ইতিহাসৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ। এই কালছোৱাতে ভাৰতীয় প্ৰশাসন যন্ত্ৰই নগাৰাজ্যত ভাৰতীয় প্ৰশাসন যন্ত্ৰ সুপ্ৰতিষ্ঠিত কৰিবৰ বাবে আহোপুৰুষাৰ্থ কৰিছিল। আনফালে নগা নেতাসকলে বুজাবুজিৰ মাজেদি নগাসকলৰ স্বাধীনতা অৰ্জনৰ বাবে চেষ্টা কৰিছিল। এই প্ৰসংগত নেহৰু তথা গান্ধীৰ দৰে নেতাসকলৰ বক্তব্য স্মৰণ কৰাটো অযুক্তিকৰ নহ'ব। নেহৰুৱে ভাৰত-সন্ধেদ গ্ৰন্থত উল্লেখ কৰিছিল ঃ

"---- it may be desirable to fix a period of say ten years later after the establishment of free Indian state, at the end of which the right to accede may be excereised throught proper constitutional process and in accordance with the clearly expressed will be the inhabitants of the area concerned." (Nehru, the Discovery of India, 19+2, P 534) দেখা যায় নেহৰুৰ দৰে নেতায়ো এসময়ত নগা নেতাসকলৰ দৃষ্টিভংগী অস্বীকাৰ কৰিব পৰা নাছিল।

১৯৪৭ চনৰ জুন মাহত তেতিয়াৰ অসমৰ গৰৰ্নৰ চাৰ আকবৰ হাইদৰিৰ লগত নগা জাতীয় পৰিষদৰ এখন ন-দফীয়া চুক্তি হয়। এই চুক্তিৰ বহু বিতৰ্কিত শেষ দফাটো নেহৰুৰ বক্তব্যৰ প্ৰতিধ্বনি দেখা যায় ঃ

"The Government of *Assam as the agent of* the Indian Union will have a special responsibility for a period of 10 years to ensure the due observence of this agreement, at the end of this period the Naga National Council will be asked whether they require the above agreemnt to be extended for a further period or a new agreement regarding the future of the Naga people arrived at ." গৰৰ্ণৰ হাইদৰিৰ লগত হোৱা চুক্তি অনুসৰি কৃষি, গড়কাপ্তানি, শিক্ষা, ন্যায়পালিকা, বিধান সভা, ভূমি আৰু ইয়াৰ সম্পদৰ ওপৰত নগা জাতীয় পৰিষদৰ পূৰ্ণ অধিকাৰো মানি লোৱা হয়।

নগা নেতাসকলে নগা জাতীয় পৰিষদৰ অধিকাৰ খৰ্ব কৰিবৰ বাবে ভাৰতৰ চৰকাৰে ষড়যন্ত্ৰ কৰিছে বুলি সন্দেহ কৰিবলৈ ধৰিছিল আৰু স্বাধীনতাৰ প্ৰাক মুহূৰ্তত ঘটা ঘটনাৱলীয়ে এই সন্দেহ সম্পূৰ্ণ অমূলক নহয় বুলি প্ৰতীয়মান কৰিছিল। যি সময়ত ভাৰত চৰকাৰে হায়দৰি চাহাবৰ লগত হোৱা চুক্তিৰ কথা প্ৰায় পাহৰি গৈছিল আৰু নগা ৰাজ্য ভাৰতৰ ভিতৰত ৰাখিবৰ বাবে সামৰিক বাহিনী সাজু কৰিছিল, ঠিক সেই সময়ত নগা নেতাসকলে গান্ধীক লগ ধৰি নিজৰ ভয়ৰ কথা ব্যক্ত কৰিছিল। গান্ধীয়ে সেই সময়ত নগা নেতাসকলক অভয় প্ৰদান কৰি কৈছিল ঃ "if you do not wish to join the Union of India nobody will force you to do that." * (Peace in Nagaland, Aram, 1979, page 83-84) ১৯৪৭ চনৰ ১৯ জুলাই ফিজোৰ নেতৃত্বত এই নগা নেতাসকলক গান্ধীয়ে কৈছিল যে যদিহে নগাই ১৪ আগষ্টত স্বাধীনতা ঘোষনা কৰিলে ভাৰতীয় সেনা বাহিনীয়ে গুলী কৰে, তেন্তে তেওঁ বন্দুকৰ আগত বুকু পাতি দিব ঃ "I will come to kohima and ask them to shoot me before they shoot our Naga."

ঘোষণা কৰা মতেই ফিজোৰ নেতৃত্বত নগা জাতীয় পৰিষদে ১৯৪৭ চনৰ ১৪ আগষ্টত স্বাধীনতা ঘোষণা কৰিলে আৰু ১৯৪৭ চনৰ ১৫ আগষ্টৰ চৰকাৰী কাৰ্যসূচী নগাসকলে প্ৰায় বৰ্জন কৰিছিল। হায়দৰি চাহাবৰ চুক্তিৰ প্ৰতি নগাসকলে তেতিয়াও বিশ্বাস ৰাখিছিল আৰু ইয়াক কাৰ্যকৰী কৰাৰ দাবী জনাই ১৯৪৮ চনৰ জুন মাহত অসমৰ গৰৰ্ণৰ আৰু মুখ্যমন্ত্ৰীক লগ ধৰিছিল। মুখ্যমন্ত্ৰী তথা গৰৰ্ণৰে হায়দৰি চাহাবৰ লগত হোৱা চুক্তি আখৰে আখৰে কাৰ্যকৰী হ'ব বুলি লিখিতভাৱে নিশ্চয়তা প্ৰদান কৰিছিল। (* Y.D. Gundevia, War and peace in Nagaland, 1975 1963-64 ) কিন্তু কাৰ্যতঃ দেখা গ'ল ভাৰত চৰকাৰ, অসম চৰকাৰ তথা অসমৰ গৰৰ্ণৰে নিজৰ বক্তব্য নিজেই ৰক্ষা কৰাত অসুবিধা হৈছিল। ৰাজনৈতিক কাৰণতে হওক বা প্ৰতিৰক্ষামূলক লক্ষ্য সাধনৰ প্ৰয়োজনতে হওক নগাসকলক স্বাধীনতা প্ৰদান কৰিবলৈ ১৯৪৭ চনৰ ১৫ আগষ্টৰ পিছত কোনো সাজু নাছিল আৰু ইয়াৰ ফলতে সূচনা হৈছিল নগা ৰাজ্যৰ খাণ্ডৱ দাহ য'ত হাজৰ হাজাৰ নিৰীহ নগা লোকে নিপীড়নৰ বলি হ'ব লগা হৈছিল।


# গণ-ভোট ঃ নগা সকলৰ যুদ্ধৰ অস্ত্ৰ

নগা জাতীয় পৰিষদে নিজৰ দাবীত লাগি থাকি শেষ পৰ্যন্ত গণ-ভোটৰ (plebiscite)ৰ দাবী তুলিছিল। নগা জাতীয় পৰিষদৰ এই দাবী কিন্তু ভাৰত চৰকাৰৰ মনঃপুত হোৱা নাছিল। জলা জুইত ঘিউ ঢালি, অসম চৰকাৰে নিজৰ বক্তব্যৰ পৰা পিছুল খাই ১৯৪৮ চনৰ জুলাই মাহত ফিজোকে ধৰি নগা জাতীয় পৰিষদৰ মুখ্য নেতাসকলক আটক কৰিছিল। কাৰাগাৰৰ পৰা ওলায়েই ১৯৫০ চনত ফিজো নগা জাতীয় পৰিষদৰ চেয়াৰমেন হ'ল। এইবাৰ নগা মঞ্চত জুই ফিৰিঙতি বিয়পি পৰিছিল। ১৯৫১ চনত ফিজোৱে একপক্ষীয় ভাবে গণ-ভোটৰ আয়োজন কৰিছিল। হাজাৰ হাজাৰ নগাই এই গণ-ভোটত স্বাধীনতাৰ পক্ষে ৰায় দান কৰিছিল। ভাৰত চৰকাৰে এই ৰায়দান সম্পূৰ্ণ আওকান কৰি গৈছিল আৰু ১৯৫২ চনত নিৰ্বাচনৰ আয়োজন কৰিছিল, কিন্তু জাতীয় পৰিষদে এই নিৰ্বাচন বৰ্জন কৰিছিল।

১৯৫১ চনৰ পৰা ১৯৫৩ চনত নেহৰুৱে ভ্ৰমণ কৰা পৰ্যন্ত, কহিমাৰ ওচৰত হোৱা এটা গুলীচালনাৰ ঘটনাৰ বাহিৰে, উভয় পক্ষৰ মাজত কোনো ধৰণৰ সংঘৰ্ষ হোৱা নাছিল। ১৯৫৩ চনত জৱাহৰলাল নেহৰুৱে কৰা ভ্ৰমণৰ দ্বাৰা একাংশ নগা উল্লসিত হৈছিল যদিও নগা নেতাসকল ক্ষুব্ধহে হৈছিল। কাৰণ নগা নেতাসকলক স্মাৰক পত্ৰ তথা কোনো ধৰণৰ দাবী উত্থাপন নকৰিবৰ বাবে নেহৰুৱে দিয়া পৰামৰ্শ নগা নেতাসকলে ভাল নাপাইছিল আৰু নেহৰুৰ সভা নগা জাতীয় পৰিষদে বৰ্জন কৰিছিল।

ইয়াৰ পিছতে সূচনা হৈছিল সন্ত্ৰাসৰ ৰাজত্ব। অসমৰ পুলিচ বাহিনী নগাজাতীয় পৰিষদৰ বিৰুদ্ধে উঠি-পৰি লাগিছিল। ভঁৰাল ঘৰকে ধৰি গাওঁ-ভূই জ্বলাই দিয়া, জনসাধাৰণক অত্যাচাৰ কৰা, নেতাসকলক বিচাৰি নাৰী-পুৰুষ নিৰ্বিশেষে সকলোকে নিপীড়ন কৰৰ ঘটনা নিত্ত-নৈমিত্তিক হৈ পৰিছিল। প্ৰাক্তন নগা মুখ্যমন্ত্ৰী এচ চি জমিৰৰ ভাষাত ঃ Most of the villages and granaries were burnt down and people preferred to run aways and hide in the jungles for safety." এইটোৱেই অৱস্থা, যি সশস্ত্ৰ বিদ্ৰোহৰ বাবে পৰিৱেশ গঢ়ি তুলিছিল আৰু শান্তিপূৰ্ণ আন্দোলনৰ পথ গ্ৰহণ কৰা জন-সাধাৰণৰ সক্ৰিয় অংশও ক্ষুব্ধ হৈ পৰিছিল। নগাসকল স্বাভাৱিকতে স্বাধীনতাপ্ৰেমী, চৰকাৰী উৎপীড়নে যে তেওঁলোকৰ একাংশক অস্ত্ৰ ধৰিবলৈ পৰোক্ষভাৱে বাধ্য কৰিছিল তাক

OKDISCD




অস্বীকাৰ কৰাৰ উপায় নাই। কিন্তু এই কথাও বিচাৰ্য যে যি স্বাধীনতাৰ দাবীত একাংশ

নগালোক দৃঢ়ভাবে লাগি আছে তাক দিল্লী প্ৰশাসনে মানি লোৱাৰ সম্ভাৱনাও নাছিল।

ফলত দৃঢ়প্ৰতজ্ঞ সকলে ফিজোৰ নেতৃত্বত আগবাঢ়িছিল বিদ্ৰোহৰ কণ্টকাকীৰ্ণ পথেদি।



ফিজো

# ফিজোৰ উত্থান আৰু বিদ্ৰোহ

শ্বিলঙত উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষা সাং কৰা ফিজোয়ে কহিমাত আৰম্ভ কৰিছিল টায়াৰৰ ব্যৱসায়। ইংৰাজ বিৰোধী স্বভাৱৰ বাবে এই সময়তে ফিজো আছিল ইংৰাজৰ চকুৰ কুটা। ব্যৱসায়ৰ ক্ষেত্ৰত দেউলীয়া বুলি ইংৰাজে ঘোষণা কৰা চক্ৰান্তমূলক ঘটনাটোৰ অন্তৰালত দেখা যায় যে ফিজোক শলঠেকত পেলাবৰ বাবেই ইংৰাজে ব্যৱসায় ক্ষেত্ৰতো কূটকৌশল প্ৰয়োগ কৰিছিল। ফিজো ব্ৰহ্মদেশলৈ দেশান্তৰিত হৈছিল আৰু ব্ৰহ্মদেশতেই স্বপ্ন দেখিছিল স্বাধীন নগাৰাজ্যৰ। দেশান্তৰিত ফিজো আৰু তেওঁৰ ভ্ৰাতৃ কেভি য়ালেইৰ সা-সম্পত্তি ইংৰাজে বাজেয়াপ্ত কৰিছিল আৰু ইংৰাজ সৈন্য নগাৰাজ্য এৰি নোযোৱা পৰ্যন্ত ফিজোয়ে নগাৰাজ্যত ভৰি দিয়া নাছিল।

ফিজোৰ নিজৰ বক্তব্য অনুসৰি ১৯৪২ চনত ৰেঙুণত তেওঁ; আৰু তেওঁৰ ভ্ৰাতৃৰ লগত জাপানীৰ সংযোগ হৈছিল। নগাৰ পূৰ্ণ স্বাধীনতাৰ স্বীকৃতি দিয়া চুক্তিৰ ভিত্তিত ফিজোয়ে জাপানীসকলক সাহায্য প্ৰদান কৰিছিল। জাপানী আৰু জাপানীৰ সহযোগত অহা সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজ পৰাভূত হোৱাৰ সময়ত নগাৰাজ্যৰ পটভূমিত দেখা গৈছিল হাজাৰ হাজাৰ নগৰৰ মিত্ৰপক্ষ তথা ইংৰাজৰ প্ৰতি সহযোগিতা। জাপানী তথা ইংৰাজৰ জয়-পৰাজয়ে ফিজোক প্ৰভাৱান্বিত কৰিব পৰা নাছিল, কাৰণ আদি বিদ্ৰোহী গোটবোৰে, যিসকলে স্বাধীনতা অৰ্জনৰ স্বপ্ন ৰচনা কৰিৰিছিল নিজ নিজ পিতৃভূমিৰ । শিলাময় অৰণ্য তথা অটব্য অঞ্চলত বহি বহি ফিজোৱে স্বপ্ন দেখিছিল স্বাধীন নগা ৰাজ্যৰ। কাচিন বিদ্ৰোহী নেতা থাকিল তান তুনে কমিউনিষ্ট আদৰ্শ গ্ৰহণ কৰাৰ দৰে ফিজোয়ে পিকিঙৰ সাহায্যৰ কথা ভবাও নাছিল। কিন্তু ইতিহাসৰ এখিলা পাত উদং হৈ পৰি আছিল ফিজোৰ, শিক্ষিত, সহযোগী থুংগালিং মুইভাৰ বাবে, যি বাট বুলিছিল পিকিং অভিমুখে স্বাধীন নগাৰ মুক্তি যুদ্ধৰ বাবে সাহায্য বিচাৰি।

ফিজোৰ দৃঢ় বিশ্বাস আছিল যে নগাৰাজ্য স্বাধীন আৰু তেওঁৰ লগত সৰহভাগ নগা আছে; ১৯৫২ চনৰ গণ-ভোটৰ জৰিয়তে ফিজোয়ে তাক প্ৰমাণ কৰিছিল। ১৯৫৩ চনত ফিজোয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নেহৰুক লগ ধৰিছিল, সম্ভৱতঃ এই সাক্ষাৎকাৰতে ফিজো হতাশ হৈ পৰিছিল আৰু নগাৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ গুৰি ধৰিবৰ বাবে দৃঢ়তাৰে খোজ আগবঢ়াইছিল অৰণ্যলৈ। আদিতে তেওঁ লগত যোগ দিছিল কনিষ্ঠ ভ্ৰাতৃ কেভি ফালেই, থিউ চাখ্ৰি, থুংতি চাং, কুখ্যাতো চুখাই, স্কাতো স্বু ৰিচেটো মেদন, কাইতো, চেমা, ইমকংমেৰেল, ভবু আদি শিক্ষিত নগা বিদ্ৰোহীসকলে, কিন্তু মূল যোদ্ধা বাহিনী আছিল গাওঁৰ সৰল মনা নগাসকল- যি ফিজোৰ স্বপ্নৰ স্বাধীন নগাৰাজ্যৰ অস্তিত্ব মানি লৈছিল আৰু মনে-প্ৰাণে সেই স্বাধীনতা অৰ্জনৰ দাবীত নিজকে নিয়োজিত কৰিছিল।

নগাৰ স্বাধীনতাৰ দাবী আন্তৰ্জাতিক মঞ্চত তুলি ধৰিবৰ বাবে ফিজোৱে ১৯৫২ চনৰ এপ্ৰিল মাহতে ৰাষ্ট্ৰসংঘৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰিছিল। আনহাতে ব্ৰহ্মদেশৰ নগাসকলক সংগঠিত কৰিবৰ বাবে পূব নগা বিপ্লৱী পৰিষদ (Eastern Naga Revolutionary Council) গঠন কৰিছিল। ১৯৫২ চনৰ গণভোট আৰু নিৰ্বাচন বৰ্জনৰ পিছত মাত্ৰ তিনি বছৰৰ ভিতৰতে ফিজোৱে এটা সমান্তৰাল চৰকাৰ গঠন কৰিছিল। পিছলৈ ফিজোৰ সশস্ত্ৰ বিদ্ৰোহৰ নীতিত আস্থা নৰখা আৰু বিদ্ৰোহী বাহিনীৰ হাতত প্ৰথম প্ৰাণ হেৰুৱা নেতৃস্থানীয় নগা, নগা জাতীয় পৰিষদৰ সম্পাদক চাখ্ৰিৰ অৱদানো আছিল এই ফেদাৰেল সমান্তৰাল চৰকাৰ গঠনৰ এজন মূল কাৰিকৰ।

ফিজোৰ সমান্তৰাল চৰকাৰৰ গঠন আছিল তলত দেখুওৱা আৰ্হিৰ ঃ

ফেদাৰেল চৰকাৰ

কেধেজ (সভাপতি) — নগাজাতীয় পৰিষদ — তাতাৰ হোহো (পাৰ্লিয়ামেণ্ট)

কেদালো (উপ-সভাপতি)

আতো কিলোনচাৰ (প্ৰধানমন্ত্ৰী)

কিলোনচাৰ (মন্ত্ৰী)

সৰ্বোচ্চ ন্যায়ালয় — আংচ (গৰ্বনৰসকলৰ)

আঞ্চলিক ন্যায়ালয়

গাওঁ পৰিষদ — নিদান পিউ (কমিছনাৰসকল)

পাংতংচ (উপআয়ুক্ত) — ৰাজাউ পিউচ (সহ আয়ুক্তসকল)

ৰূপা পিউ (গাওঁ (গোটৰ সভাপতি)

ফিজোৰ ফেদাৰেল আৰ্হিৰ চৰকাৰৰ লগত সহযোগিতা কৰা প্ৰধান জনজাতি গোষ্ঠী হ'ল (১) আংগামী, (২) চেমা, (৩) লোথা, (৪) আও, (৫) চাকেচাং, (৬) কোম, (৭) কন্যাক, (৮) যিমচুংগাৰ (৯) খেইমুংগান, (১০) চাং, (১১) ৰেংমা, (১২) জেলিয়াংৰং, (১৩) চাংটাম আৰু মণিপুৰস্থ (১৪) তাংখুল, (১৫) মাও-মাৰাম আৰু (১৬) আনাল আদি।

ফিজোয়ে ফেডাৰেল চৰকাৰ ঘোষণা কৰিছিল ১৯৫৬ চনৰ ২২ মাৰ্চত। কেধেজ খ্ৰীচানিচাৰ তলত প্ৰতিষ্ঠা কৰা এই চৰকাৰৰ পতাকা,ৰঙা, হালধীয়া আৰু সেউজীয়া ৰঙেৰে ৰঞ্জিত আৰু সোঁহাতে ৰঙা তাৰকাৰে মণ্ডিতহৈ 'ওফিও'ৰ চৌপাশে উৰিবলৈ ধৰিছিল। অত্যুৎসাহৰ ফলত পতাকা নোহোৱা সকলে উৰুৱাইছিল নগা শ্বালখনকে। কাইতো ছেমা আৰু থুংতি চাঙৰ নেতৃত্বত সূচনা হ'ল ফেডাৰেল বাহিনীৰ বিদ্ৰোহী গেৰিলা অভিযান। প্ৰথম বিদ্ৰোহী অভিযানত অসম পুলিচ বাহিনীৰ অস্ত্ৰ-শস্ত্ৰ তথা পুলিচ চকীসমূহ নগা বিদ্ৰোহীয়ে প্ৰায় দখল কৰিলে বুলিব পাৰি। অতি দ্ৰুত গতিৰে প্ৰথম পৰ্যায়ৰ আক্ৰমণৰ পিছতে ১৯৫৬ চনৰ এপ্ৰিল মাহৰ পৰা আৰম্ভ হৈছিল সামৰিক বাহিনীৰ অভিযান।

নগা বিদ্ৰোহীয়ে মূলতঃ ব্ৰহ্মদেশত তথা *মণিপুৰত গভীৰ অৰণ্যানি পৃষ্ঠদেশত* ৰাখি যুদ্ধত নামিছিল, গতিকে অসুবিধা মূলতঃ ভাৰতীয় সেনা-বাহিনীৰেই হৈছিল। অসুবিধাত পৰিলেই এই গেৰিলা বাহিনীয়ে স্থানান্তৰিত কেন্দ্ৰসহ অৰণ্যলৈ পলাই যোৱাই এই যুদ্ধৰ ধৰ্ম! সামৰিক বাহিনীৰ আন এটা অসুবিধা আছিল বিদ্ৰোহী চিনাক্ত কৰাত। সাধাৰণ নগা লোক আৰু বিদ্ৰোহীৰ মাজত প্ৰকৃত পাৰ্থক্যৰ সীমাৰেখা ক'ত সেইটো কাৰো জনা নাছিল। গতিকে নগাৰাজ্যৰ সাধাৰণ ৰাইজৰ জীৱনলৈ নামি আহিছিল অমানিশাৰ কলীয়া ডাৱৰ। ●

*আগলৈ- 'ধৰ্ম আৰু বিদেশৰ লগত সম্পৰ্ক'*
*'সন্ত্ৰাস চৰকাৰী আৰু বেচৰকাৰী*



OKDISCD

# বিশ্ববিদ্যালয়ত চতুৰ্ভূজ অকাডেমীৰ ৰমনী গাভৰু

## কমলেন্দ্ৰ ভৰালী



যাঠি সত্তৰৰ দশকত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ সাহিত্য-সংস্কৃতি কৰ্মৰ জীয়া থৰ্লি আছিল। আশীৰ দশকৰ মাজভাগৰ পৰা আৰু বিশেষকৈ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সৰ্বগ্ৰাসী কাৰ্যসূচীৰ মাজত বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক কাৰ্যক্ৰমত দুই এক ব্যতিক্ৰমৰ বাহিৰে বিশেষ জীয়া চৰিত্ৰৰ উমান পাবলৈ টান। এনে এক ব্যতিক্ৰম ৰূপেই উনৈশ শ তিৰাশী চনত আনুষ্ঠানিক ভাৱে চতুৰ্ভুজ সাংস্কৃতিক একাডেমীৰ জন্ম হয় ডঃ উপেন দাসক সভাপতি, ডঃ প্ৰবীণ চন্দ্ৰ দাসক কাৰ্যকৰী সভাপতি আৰু শ্ৰীনৱ কুমাৰ চৌধুৰীক সম্পাদক ৰূপে লৈ সম্পূৰ্ণ প্ৰতিকূল পৰিবেশৰ মাজতো চেগা-চোৰোকাকৈ হ'লেও এই একাডেমীয়ে 'গোমধৰ কোঁৱৰ'ৰ দৰে বুৰঞ্জীমূলক নাট নিবেদনৰ দৰে সাংস্কৃতিক কাৰ্যসূচী অব্যাহত ৰখাৰ ফলশ্ৰুতিয়ে হ'ল যোৱা একৈশ আৰু বাইশ ডিচেম্বৰত নিবেদন কৰা নাট 'ৰমনী গাভৰু'। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত ২১-২২ ডিচেম্বৰৰ দুদিনীয়াকৈ অসম চৰকাৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত চতুৰ্ভূজ সাংস্কৃতিক একাডেমীয়ে মঞ্চস্থ কৰে সুৰেন ভাগৰতী ৰচিত বুৰঞ্জীমূল নাটখনি।

অসম বুৰঞ্জীৰ এটি আকৰ্ষণীয় চৰিত্ৰ ৰমণী গাভৰুক মূল চৰিত্ৰ হিচাপে লৈ ৰমনী আৰু মইনা লিগিৰাৰ অসম প্ৰেম, আতন বুঢ়াগোঁহাই আৰু চামধৰা ৰকুৱাৰ স্বদেশপ্ৰেম, ৰাজভক্তি আৰু লালুক সোলা বৰফুকনৰ বিশ্বাসঘাটতাকেই নাটখনিত সুন্দৰভাৱে দাঙি ধৰাৰ লগতে স্বাৰ্থলোভী লালুক আৰু বাদুলী ফুকন বীৰ লাচিতৰ ককায়েক, মোমাই তামুলী বৰবৰুৱাৰ পুতেক হৈও কেনেকৈ দেশক আৰু দেশবাসীক বিশ্বাসঘাটকতা কৰিলে তাকে অংকিত কৰা হৈছে। নাটখনিৰ মূল বিষয়বস্তু হ'ল- ৰমণী গাভৰু নাটকৰ কাহিনী বুৰঞ্জীৰ এটা খণ্ড অধ্যায় অসম বুৰঞ্জীৰ এক উপেক্ষিত চৰিত্ৰ। তেওঁৰ বিষয়ে বুৰঞ্জীত পাবলৈ নাই। ডঃ সূৰ্যকুমাৰ ভূঞাদেৱৰ সম্পাদিত 'ৰমণী গাভৰু' নামৰ পুথিখনত পোৱা সমলবোৰেই ৰমণী গাভৰু নাটকৰ সমল।

বঙ্গৰ নবাব মোগল প্ৰতিনিধি মীৰজুমলাই অসম আক্ৰমণ কৰা সময়ত বাদুলি ফুকনৰ বিশ্বাস ঘাটকতাত স্বৰ্গদেউ জয়ধ্বজ সিংহই পৰাজয় স্বীকাৰ কৰে। এই পৰাজয়ৰ পিছত মিৰজুমলাৰ লগত অসম ৰজা জয়ধ্বজ সিংহই যি সন্ধি কৰিছিল সেই সন্ধিমতে জয়ধ্বজ সিংহৰ জীয়ৰী ৰমণী গাভৰু আৰু মইনা লিগিৰা মোগল দেশলৈ যৌতুকত যাব লগা হ'ল। জীয়ৰীৰ লোক আৰু পৰাজয়ৰ গ্লানিত জয়ধ্বজ সিংহই মৃত্যুবৰণ কৰে। তাৰ পিছত চক্ৰধ্বজ সিংহ ৰাজপাটত উঠি সেই চুক্তি ভংগ কৰে আৰু মোগল সেনাপতি ৰাম সিংহক অসম সেনাপতি লাচিতে পৰাস্ত কৰি মানাহ নদী পাৰ কৰি খেদি পঠায়। ভাৰত সম্ৰাট ঔৰংজেৱে ৰমণী গাভৰুৰ ৰূপ আৰু চৰিত্ৰত আকৃষ্ট হৈ পুতেক আজমতৰাৰ লগত বিয়া পাতে। ৰমণী আজমতৰা বেগম হ'ল; কিন্তু অসম দেশৰ প্ৰতি তেওঁৰ মমতা নুগুচিল। দিন যায় মানে ৰমণীৰ অন্তৰত অসম প্ৰেম জাগ্ৰত হৈ উঠে। তেওঁ বাৰে বাৰে আজমতৰাক অনুৰোধ কৰে অসমলৈ যোৱাৰ বাবে। কিন্তু সম্ৰাটৰ আদেশত ৰমণী অসমলৈ যাব নোৱাৰে।

সম্ৰাট ঔৰংজেৱে লোভ সামৰিব নোৱাৰে। তেওঁ আজমতৰাক বঙ্গৰ নবাব পাতি অসম আক্ৰমণ কৰিবলৈ পঠিয়ায়। সেই সময়ত অসমৰ সিংহাসনত আছিল স্বৰ্গদেউ চুডেংফা বা তেজসিংহ। প্ৰধানমন্ত্ৰী আতন বুঢ়াগোঁহায়ে পৰম চতুৰতাৰে দেশ ৰক্ষা কৰিছিল। কিন্তু গুৱাহাটীৰ বৰফুকন লালুকসোলাই বিশ্বাস ঘাটকতা কৰি আজমতৰাৰ লগত মিত্ৰতা স্থাপন কৰে আৰু বিনা যুদ্ধে গুৱাহাটী মোগলক এৰি দিব বুলি প্ৰস্তাৱ দিয়ে সেই প্ৰস্তাৱ শুনি ৰমণীয়ে গোপনে বৰফুকন আৰু আতন বুঢ়াগোহাঁইলৈ চিঠি লিখি মইনা লিগিৰাক পঠাই সকলো কথা জনাই দেশ ৰক্ষাৰ চেষ্টা কৰে। কিন্তু লালুক সোলাই মইনাৰ চিঠি হস্তগত কৰে আৰু মইনাক বধ কৰে। গুৱাহাটী মোগলে বিনাযুদ্ধে পোৱাত ৰমণীয়ে এক বিপ্লৱৰ সংকেত দিয়ে। ইয়াতে নাটখনি সামৰণি পৰিছে।

সাংস্কৃতিক সঞ্চালকালয়ৰ শ্ৰীঅবিনাশ শৰ্মাৰ সু পৰিচালনাত 'ৰমণী গাভৰু'ৰ প্ৰায়বোৰ কলা কুশলী আশাজনক ভাৱে নিজ নিজ দায়িত্ব পালন কৰে। অভিনয়ৰ দিশত প্ৰথমতে একমাত্ৰ নাৰী চৰিত্ৰ ৰমণী গাভৰুৰ ভূমিকাত অভিনয় কৰা সম্ভাৱনাপূৰ্ণ অভিনেত্ৰী শ্ৰীহেমা শৰ্মাৰ নাম ল'ব লাগিব। তেওঁৰ স্বাভাৱিক প্ৰাণস্পৰ্শী অভিনয়ে দৰ্শকসকলক মোহিত কৰে। আজমতৰাৰ ভূমিকাত শ্ৰীহিৰণ্য ভূঞা আৰু নাটখনিৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ মইনা লিগিৰাৰ ভাওত শ্ৰী গৌতম দাসৰ অভিনয় উপভোগ্য হৈছিল। সমসাময়িক সাধাৰণ অসমীয়া সমাজখনৰ আভাস দিবলৈ নাটখনিত এটি ধেমেলীয়া দৃশ্যৰ অৱতাৰণা কৰা হৈছে। চেতনাহীন আৰু কৰ্মবিমুখ সমাজখনক দুটি ভাঙুৰীৰ চৰিত্ৰৰ মাজেৰে প্ৰতিফলিত কৰা হৈছে। দৃশ্যটোৰ চৰিত্ৰ এটিত তপন দাসৰ অভিনয় মনত ৰাখিবলগীয়া। ৰমণী গাভৰু নাটৰ উপস্থাপনাত মঞ্চ সজ্জাৰ পৰিকল্পনাত নতুনত্ব দেখা গৈছিল । পৌৰাণিক আৰু ঐতিহাসিক নাটত সাধাৰণতে কৰাৰ দৰে জাকজমকপূৰ্ণ দৃশ্যপটৰ পৰিবৰ্তে একেখনি মঞ্চতে তিনিটা সৰল অথচ প্ৰতীকধৰ্মী দৃশ্যপট ব্যৱহাৰ কৰি আলোকসম্পাতেৰে অভিনয়ৰ দৃশ্যসমূহ ৰচনা কৰা হৈছিল। ইয়াৰ ফলত নাটখনিৰ গতি অব্যাহত থকাৰ লগতে ভাৱৰীয়াসকলৰ সম্পূৰ্ণ অভিনয় দেখাৰ সুযোগ পোৱা গৈছিল। নৱেন দাসৰ সংগীত উপভোগ্য হৈছিল।

আমি চতুৰ্ভূজ সাংস্কৃতিক একাডেমীৰ পৰা আৰু অধিক উচ্চ মানৰ পৰিসীমিত নাট আশা কৰিছো।



# জনজাতি আন্দোলন আৰু শীতল অনিশ্চয়তা

**ৰূপান্তৰ প্ৰতিনিধি ধ্ৰুৱ মহন্তই কোকৰাঝাৰ ভ্ৰমণ কৰি আহি যুগুত কৰা শেহতীয়া বিশেষ *প্ৰতিবেদন***

এটা ভয়ানক দুৰ্যোগৰ আগে আগে যিদৰে খন্তেক সময়ৰ বাবে এক অস্বাভাৱিক শীতলতাই দেখা দিয়ে, ২৩ ডিচেম্বৰৰ বিয়লি কোকৰাঝাৰত উপস্থিত হৈ তেনে এক অস্বাভাৱিক শীতলতাকে চহৰখনৰ বুকুত দেখা পাইছিলো। কোকৰাঝাৰ যেন এটা বাৰুদৰ স্তূপৰ ওপৰত থিয়হৈ আছে। সামান্য এটা ফিৰিঙতিয়েও ভয়ঙ্কৰ বিস্ফোৰণ ঘটাই সকলোবোৰ ছিন্ন-ভিন্ন কৰি দিয়াৰ আশঙ্কা জীয়াই আছে প্ৰতিমুহূৰ্তত। মানুহবোৰৰ মুখত ভয়, আশঙ্কা, সন্দেহ, আৰু হতাশা,ক্ষোভৰ স্পষ্ট প্ৰতিচ্ছবি। কোনেও মুখখুলি কথা ক'ব নিবিচাৰে। সকলোৱেই সকলোৰে ওপৰত ক্ষুব্ধ, অথচ সকলোৰে মুখত অস্বাভাৱিক মৌনতা।

১৯৮৭ চনৰ মাৰ্চ মাহৰ পৰা দীৰ্ঘদিন ধৰি পৃথক ৰাজ্যৰ দাবীত অবিৰতভাৱে আন্দোলন চলাই থকাৰ পিছত সম্প্ৰতি আবছুৱে আলোচনাৰ শান্তিপূৰ্ণ বাতাবৰণ সৃষ্টি কৰাৰ বাবে তেওঁলোকৰ আন্দোলনৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখিছে। এই সময়ছোৱাতে যোৱা ১৯ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ ধুবুৰী জিলাৰ



বাচবাৰী অঞ্চলত আবছুৰ বিংশতিতম অধিবেশনখনো অনুষ্ঠিত হৈ যায়। জানিবপৰা মতে, অধিবেশনৰ শেষৰ দিনা মুকলি সভাত লক্ষ্যাধিক লোকৰ সমাৱেশ ঘটিছিল। আবছুৰ লগতে সেইদিনা মঞ্চত আটছু, আপছু, আমছু, আকছা, কোচ-ৰাজবংশী ক্ষত্ৰিয় সন্মিলন আদি সংগঠনসমূহৰ নেতাসকলেও আবছুৰ মঞ্চৰ পৰা আবছুৰ দাবীসমূহৰ সমৰ্থনত বক্তব্য ৰাখে।

অধিবেশনত আবছুৰ ৯২ দফীয়া দাবীচনদৰ ৰাজনৈতিক দাবী তিনিটাকে অগ্ৰাধিকাৰ দিয়া হয় আৰু ইয়াৰে পৃথক ৰাজ্যৰ দাবীটোকে মুখ্যস্থান দিয়া হৈছে। আবছুৱে সম্প্ৰতি আন্দোলনৰ কোনোধৰণৰ কাৰ্যসূচী ঘোষণা কৰা নাই যদিও মুকলি অধিবেশনত হেনো আপছুৰ এগৰাকী নেতাই উপস্থিত ৰাইজক সম্বোধন কৰি কয় যে তেওঁলোকে প্ৰস্তাৱিত এহাজাৰ ঘণ্টীয়া বন্ধৰ কাৰ্যসূচী সফল কৰি তুলিব পাৰিলেহে তেওঁ আবছুৱে সফল অৰ্থত আন্দোলন চলাবলৈ সক্ষম হোৱা বুলি স্বীকাৰ কৰি ল'ব। ইয়াৰপৰা অনুমান কৰা হৈছে যে আবছুৱে আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী

হিচাপে হয়তো এহাজাৰ ঘণ্টীয়া বন্ধৰ কাৰ্যসূচী ঘোষণা কৰিব।

কোকৰাঝাৰত বিৰাজ কৰা পৰিস্থিতিৰ ভয়াবহতা নেদেখিলে সঁচা অৰ্থত উপলব্ধি কৰিব নোৱাৰি। সকলোতে অনিশ্চয়তা, কোনেও কাকো বিশ্বাসত ল'ব নোৱাৰে। যোৱা ২৪ ডিচেম্বৰৰ দিনা কোকৰাঝাৰত যুৱ-ছাত্ৰ পৰিষদে ঘোষণা কৰা অসম বন্ধ কাৰ্যসূচী সম্পূৰ্ণৰূপে সফল হয়। আচলতে মানুহবোৰ এনেধৰণে ভীতিগ্ৰস্ত হৈ আছে যে বন্ধ শব্দটোৱেই তেওঁলোকৰ বাবে যথেষ্ট। কোনে দিছে, কিয় দিছে সেইবোৰৰ প্ৰয়োজন নাই। যোৱা ২৫ ডিচেম্বৰৰ দিনা সন্ধিয়া এদল দুৰ্বৃত্তই পুলিচৰ হাতৰ পৰা দুটা বন্দুক কাঢ়ি নিয়ে। ঘটনাটোৰ কথা চহৰখনত বিয়পি পৰাৰ লগে লগে চহৰখনলৈ মৰিশালীৰ স্তব্ধতা নামি আহে। সমগ্ৰ কোকৰাঝাৰখনৰে পৰিস্থিতি ইমান জটিল হৈছে যে অঞ্চলটো নিবিড়ভাৱে ভ্ৰমণ কৰিও তাত সৃষ্টি হোৱা সমস্যাটো সম্পৰ্কে বিশেষ একোৱেই বুজিব নোৱাৰি, সম্ভৱতঃ আবছুৱে বিচৰাৰ দৰেই এই মুহূৰ্ততে যদি এখন পৃথক ৰাজ্যৰ সৃষ্টিও কৰা হয়, তথাপি কোকৰাঝাৰৰ জটিলতাৰ অৱসান ঘটাৰ সম্ভাৱনা একেবাৰেই নাই। তাত ঘটি থকা কুটাঘাটমূলক কাৰ্যকলাপবোৰৰ বাবে ইটো পক্ষই সিটো পক্ষক দায়ী কৰিছে, কিছুমানে চৰকাৰৰ নিষ্ক্ৰিয়তাক গৰিহণা দিছে।

জনজাতি সমস্যাটো সন্দৰ্ভত বহুবাৰ আলোচনা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসমূহৰ জাতিসত্বাৰ নিৰাপত্তা আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নটোৰ গুৰুত্ব সকলোৱেই কম-বেছি পৰিমাণে স্বীকাৰ কৰি লৈছে। কিন্তু মৌলিক সমস্যাটো হৈছে, প্ৰায়বোৰেই সমস্যাটোৰ সমাধানকল্পে পৃথক ৰাজ্যৰ দাবীটোকো স্বীকাৰ কৰি লোৱা নাই নতুবা তাৰ সুস্থ বিকল্পও আগবঢ়াব পৰা নাই। ফলত গোটেই সমস্যাটোৱেই অনিশ্চয়তাত। সঁচাকথা ক'বলৈ গ'লে, বড়োসকলক যদি এটা স্বতন্ত্ৰ জাতি হিচাপে স্বীকাৰ কৰি লোৱা হয়, তেন্তে বোধকৰো পৃথক ৰাজ্য গঠনৰ বাহিৰে এইমুহূৰ্তত সমস্যাটোৰ অন্য কোনো সমাধান নাই।

এইকথা সত্য যে বৰ্তমানে কোকৰাঝাৰত আবছুৰ (উঃ বঃ) সাংগঠনিক ভেঁটি যথেষ্টভাৱে শক্তিশালী হৈ উঠিছে। ইয়াৰ বিপৰীতে পি টি চি একে ধৰি অন্যান্য সংগঠনবোৰৰ ভেঁটি একেবাৰে থৰক-বৰক হৈ পৰিছে। অঞ্চলটোৰ বড়ো জনগোষ্ঠীয় লোকসকল একান্তভাৱে আবছুৰ সমৰ্থক হৈ পৰিছে। আবছুৰ প্ৰতি তেওঁলোকৰ আস্থা ইমান প্ৰবল হৈছে যে আবছুৰ আহবানত বন্দুকৰ সন্মুখত বুকু পাতি দিবলৈকো তেওঁলোকে কুণ্ঠাবোধ নকৰে। জনসাধাৰণৰ এই আস্থাৰ আঁৰত জনমানসক প্ৰভাৱিত কৰা চিন্তাটো হৈছে, বড়োসকলে তেওঁলোকৰ নিজৰ ৰাজ্য এখন পাব, য'ত তেওঁলোকে নিজেই নিজক শাসন কৰিব, য'ত তেওঁলোকক কোনেও অৱহেলা কৰিব নোৱাৰিব। মৌলিক প্ৰশ্নটো হৈছে জনসাধাৰণৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক প্ৰয়োজন পূৰণৰ। বড়োসকলে ধাৰণা কৰিছে যে পৃথক ৰাজ্য গঠনে তেওঁলোকক তেওঁলোকৰ প্ৰয়োজনসমূহ পূৰণৰ সুবিধা প্ৰদান কৰিব আৰু সেই ধাৰণাৰ ভিত্তিতেই তেওঁলোক ৰাজপথলৈ আগবাঢ়ি আহিছে। ইয়াৰ বিপৰীতে অসম চৰকাৰে বিষয়টোৰ ক্ষেত্ৰত প্ৰকাশ

> ৰাজ্য চৰকাৰৰ ভূমিকাত জিলা প্ৰশাসনো বাৰুকৈয়ে অসন্তুষ্ট। জিলাপ্ৰশাসনৰ এগৰাকী বিষয়াই এই প্ৰতিনিধিৰ আগত অত্যন্ত বিৰক্তিৰে ব্যক্ত কৰে "কিবা ৰাজনৈতিক সমস্যা আছে যদি চৰকাৰে ৰাজনৈতিকভাৱে সমাধান কৰক। আমাক হাৰাশাস্তি কৰি মাৰিছে কিয়? কোন উগ্ৰপন্থী ক'ত আছে আমি জানো। কিন্তু

### উপেন ব্ৰহ্মৰ সৈতে—
### ২৫ ডিচেম্বৰ বিয়লি ৪বজা

যোৱা ২৫ ডিচেম্বৰৰ ৰাতিপুৱা নমান বজাত আবছুৰ আন্দোলন সম্পৰ্কত আলোচনা কৰাৰ উদ্দেশ্যে কোকৰাঝাৰ চহৰৰ পাতাল পুৰৰ প্ৰমীলাবালা ব্ৰহ্মৰ ঘৰত উপস্থিত হ'লোগৈ। কিন্তু তেখেত গীৰ্জালৈ যোৱাৰ বাবে এগৰাকী মহিলাই মোক এঘণ্টামান পিছত আহিবলৈ ক'লে। পুনৰ বাৰমান বজাত তাত উপস্থিত হৈ জানিব পাৰিলো যে শ্ৰীমতী ব্ৰহ্ম সমাষ্টতে আবছুৰ কেইবাজনো নেতা আহি তাত উপস্থিত হৈছেহি। কিন্তু উপেন ব্ৰহ্ম সেইসময়ত জিলাৰ উপায়ুক্তৰ সৈতে আলোচনাত ব্যস্ত থকাত (উপায়ুক্তৰ বাসভৱনত) এজন যুৱকে মোক কিছুসময় অপেক্ষা কৰিবলৈ ক'লে। যুৱকজনৰ আহবানত মই ড্ৰইং ৰূমত প্ৰৱেশ কৰিলো। তাত 'ভি চি আৰ' চলি আছে, ইংলিছ কেছেট এটা। প্ৰায় ছজনমান ল'ৰা আৰু তিনিগৰাকীমান ছোৱালীয়ে একাগ্ৰতাৰে চিনেমা চাই আছে।

উপেন ব্ৰহ্মক লগ পালো। কিন্তু তেখেত পূৰ্বনিৰ্দ্ধাৰিত কাৰ্যসূচীত ব্যস্ত থকা বাবে মোক চাৰিমান বজাত তালৈকে আমন্ত্ৰণ জনালে।

যি কি নহওক, আবেলি চাৰিবজাত আবছুৰ সভাপতি গৰাকীৰ সৈতে মুখামুখি আলোচনাত বহিলো।

> "যেতিয়ালৈকে সম্ভৱ, আমাৰ আন্দোলন আমি অহিংসা পদ্ধতিৰেই চলাই যাম। কিন্তু চাওক, বড়োসকল দুৰ্বল নহয়। আমাক যদি অব্যাহতভাৱে অত্যাচাৰ কৰি যোৱা হয়, তেন্তে আমি প্ৰতিৰোধ গঢ়ি তুলিবলৈ বাধ্য হ'ম।" আন্দোলনৰ আগন্তুক কাৰ্যসূচী সম্পৰ্কত তেও কয়, "যোৱা দুমাহ ধৰি আমি আমাৰ আন্দোলন স্থগিত ৰাখিছো। অথচ অসম চৰকাৰে আমাৰ প্ৰতি সামান্যতম আগ্ৰহো দেখুওৱা নাই।

আলোচনাৰ আৰম্ভণিতেই শ্ৰী ব্ৰহ্মই কয়, "আমাক পৃথকৰাজ্য লাগিবই। অসমীয়া আমোলাচক্ৰ আৰু বুদ্ধিজীৱী গোষ্ঠীৰ সৈতে আমাৰ বাহিৰ হোৱা আহিব নোৱাৰে। অসমীয়াইতে পৃথক ৰাজ্যৰ কথাতো সহ্য কৰিব নোৱাৰে। কাৰণ তেতিয়া তেওঁলোকৰ ক্ষমতা বহু সংকুচিত হৈ পৰিব। অসমীয়া বুদ্ধিজীৱীসকলে মুখেৰে বিকল্পৰ কথা কয়। আমাৰ বিৰাল্লৰৰ দফীয়া দাবীচনদৰ একান্নবোৰটোৰ ক্ষেত্ৰতে পৃথক ৰাজ্যৰ দাবীটো বাদ দি তেওঁলোকে বিশেষ আপত্তি নেদেখুৱায়। অথচ আজিলৈকে সেইখিনি দাবীৰ কেইটা মানি ল'লে বা কেইটা কাৰ্যকৰী কৰিলে? আমাৰ ল'ৰাবোৰ কিন্তু সেইখিনি দাবীকে উত্থাপন কৰিবলৈ গৈ পুলিচৰ হাতত মৰিয়েই আছে। আমাৰ Homeland গঠিত হ'লে আমাৰ দাবী চনদৰ দাবীসমূহ আমি নিজেই কাৰ্যকৰী কৰিব পাৰিম। গতিকে যিকোনো মূল্যৰ বিনিময়ত হ'লেও আমাক পৃথকৰাজ্য লাগিবই।"

আবছুৰ আন্দোলনৰ নীতি সম্পৰ্কত তেওঁ কয় "আমি অহিংসা পদ্ধতিৰেই আমাৰ আন্দোলন আগবঢ়াই নিম। যদিহে চৰকাৰ আৰু প্ৰশাসনে কঠোৰভাৱে বাধা দিয়ে(?) বুলি পুনৰ সোধাত তেওঁ কয়, "যেতিয়ালৈকে সম্ভৱ, আমাৰ আন্দোলন আমি অহিংসা পদ্ধতিৰেই চলাই যাম। কিন্তু চাওক, বড়োসকল দুৰ্বল নহয়। আমাক যদি অব্যাহতভাৱে অত্যাচাৰ কৰি যোৱা হয়, তেন্তে আমি প্ৰতিৰোধ গঢ়ি তুলিবলৈ বাধ্য হ'ম।" আন্দোলনৰ আগন্তুক কাৰ্যসূচী সম্পৰ্কত তেওঁ কয়, "যোৱা দুমাহ ধৰি আমি আমাৰ আন্দোলন

OKDISCD

পুলিচ সোমাবই নোৱাৰে। আমি কিবা এটা কৰিব খুজিলেই চাৰিওফালে হুলস্থুল লাগে। চৰকাৰে আমাক শান্তি ৰক্ষাৰ প্ৰয়োজনীয় সুবিধাখিনিও নিদিয়ে। কিন্তু কিবা ঘটিলেও আমাৰ গাতেই দোষ পৰে। বহু সময়ত আকৌ ডবা-হকা দি পইচা-পাতি লৈ যোৱাৰ পিছতো পৃহস্থই আমাক নকয়। ৰাইজৰ সহযোগ নহ'লে আমি কি কৰিম?"

কৰা অনীহাৰ মনোভাৱে সমস্যাটো জটিল হোৱাত বাৰুকৈয়ে ইন্ধন যোগাইছে।

ৰাজ্য চৰকাৰৰ ভূমিকাত জিলা প্ৰশাসনো বাৰুকৈয়ে অসন্তুষ্ট। জিলাপ্ৰশাসনৰ এগৰাকী বিষয়াই এই প্ৰতিনিধিৰ আগত অত্যন্ত বিৰক্তিৰে ব্যক্ত কৰে "কিবা ৰাজনৈতিক সমস্যা আছে যদি চৰকাৰে ৰাজনৈতিকভাৱে সমাধান কৰক। আমাক হাৰাশাস্তি কৰি মাৰিছে কিয়? কোন উগ্ৰপন্থী ক'ত আছে আমি জানো। কিন্তু পুলিচ গাৰলৈ সোমাবইনোৱাৰে।আমিকিবাএটাকৰিবখুজিলেই চাৰিওফালে হুলস্থুল লাগে। চৰকাৰে আমাক শান্তি ৰক্ষাৰ প্ৰয়োজনীয় সুবিধাখিনিও নিদিয়ে। কিন্তু কিবা ঘটিলেও আমাৰ গাতেই দোষ পৰে। বহু সময়ত আকৌ ডবা-হকা দি পইচা-পাতি লৈ যোৱাৰ পিছতো গৃহস্থই আমাক নকয়। ৰাইজৰ সহযোগ নহ'লে আমি কি কৰিম?"

জিলা প্ৰশাসনৰ আন এগৰাকী বিষয়াই কয়, "এয়াও জীৱন নেকি? আমি এখোজ বাহিৰলৈ ওলাব নোৱাৰো। অনবৰত চিকিউৰিটী লৈ বহি থাকিব লাগে।

আমি দোষীক ধৰিব খুজিলেও পাব্লিকক হাৰাশাস্তি কৰা বুলি হুলস্থুল লাগে। আমি বহি নাথাকি কিবা কৰিব পাৰো নেকি? এই বছৰটোতে এতিয়ালৈকে নজন অফিচাৰক মাৰিলে। কি হ'ব? মৰিলে একলাখ টকা দিব? চৰকাৰে আমাক টোপহে ৰাখিছে! সংবাদ পত্ৰৰ ভূমিকাত প্ৰশাসনৰ বিষয়াসকল আৰু অসন্তুষ্ট, "ভূমকাৰ ঘটনাটো লৈ গোটেই দেশতে হুলস্থুল লাগিল। অথচ কোনেও ঘটনাস্থলীলৈ গৈ ঘটনাৰ তদন্ত নকৰিলে। দোভাষী, ৰাজনৈতিক নেতাৰ কথাকে সঁচা বুলি ধৰি লৈ প্ৰশাসনক জঘণ্যতম ভাষাৰে গালি পাৰিলে। এয়াও সাংবাদিকতা নেকি? ৰামফলবিল গাঁৱৰ পূৰ্ণিমা ব্ৰহ্মৰ মৃত্যুত কোনেও একো নামাতিলে কিয়?

তাইক ৰাস্তাৰ পৰা এগৰাকী বান্ধবীসহ অপহৰণ কৰি নিয়া হ'ল, সামূহিকভাৱে ধৰ্ষণ কৰা হ'ল। তাইৰ ব্ৰেষ্ট এটা কামুৰি ছিঙি নিলে, যৌনাঙ্গ গৰম লোহাৰে পুৰি দিলে। গোটেই দেহটো কামুৰি-আঁচুৰি ক্ষতবিক্ষত কৰি পেলালে। পূৰ্ণিমাৰ বান্ধবীজনীৰ মৃতদেহটো এতিয়াও বিচাৰি পোৱা নাই। এতিয়া ক'লৈ গ'ল সেই মানৱতাদৰদী সেই মহান বুদ্ধিজীৱীসকল? ভূমকাৰ ঘটনাটোলৈ যে টেঁটুফালি চিঞৰিছিল, এতিয়া তেওঁলোকৰ মাত নোলাল কিয়? কিয় পূৰ্ণিমাৰ এখন ফটোও বাতৰিকাকতত প্ৰকাশ নাপালে?"

এই ক্ষোভৰ আঁৰত কিছু সত্যতা হ'লেও নিশ্চয় আছে। লক্ষ্যণীয় যে পূৰ্ণিমাক কিন্তু পি টি চি এ আৰু আবছু (উঃবঃ) প্ৰত্যেকেই নিজৰ সমৰ্থক বুলি দাবী কৰিছিল আৰু প্ৰতিপক্ষক এই হত্যাকাণ্ডটোৰ বাবে জগৰীয়া কৰিছিল। কল্পনাৰ হত্যাকাৰী এতিয়াও ধৰা নপৰাটো অৱশ্যেই দুৰ্ভাগ্যজনক।

অৱশ্যে জিলা প্ৰশাসন একেবাৰে দোষমুক্ত নহয়। পুলিচে পৰাপক্ষত গাঁৱৰ ভিতৰলৈ সোমাব নিবিচৰাটো

স্থগিত ৰাখিছো। অথচ অসম চৰকাৰে আমাৰ প্ৰতি সামান্যতম আগ্ৰহো দেখুওৱা নাই। মাজতে দুৰ্গাদাস বড়োৰ সৈতে হোৱা আলোচনা অনানুষ্ঠানিক, কোনো গুৰুত্ব নাই। আৰু কেইদিনমান চাওঁ, জানুৱাৰী মাহটো চাওঁ। চৰকাৰে একো নকৰিলে ফেব্ৰুৱাৰী মাহৰ পৰা আন্দোলন আকৌ চলিব। অৱশ্যে আন্দোলনৰ কাৰ্যসূচী এতিয়াও যুগুতোৱা হোৱা নাই।

তেওঁৰ অসমীয়াবিৰোধী মনোভাৱৰ সম্পৰ্কত শ্ৰীব্ৰহ্মই কয় "স্বাধীনতাৰ পিছৰ দুকুৰি বছৰীয়া প্ৰতাৰণাৰ পিছত এতিয়া আমি অসমীয়াসকলক কেনেকৈ বিশ্বাসত ল'ম? জাতিগঠন প্ৰক্ৰিয়া গোটেই বস্তুটোৱেই বিভ্ৰান্তিকৰ, অথচ জাতিগঠনৰ নামত তেওঁলোকে আমাক জোৰকৈ অসমীয়া কৰিব খোজে। আমাৰ ওপৰত অসমীয়া ভাষা-সংস্কৃতি জোৰকৈ জাপি দিব বিচাৰে। সেয়া আমি কিয় মানি ল'ম? অসমীয়া মানুহে আমাৰ সমস্যাবোৰ বুজিবলৈ চেষ্টা নকৰে। বুজিলেও নুবুজাৰ ভাও ধৰে। আছুকে আমি বহুবাৰ আলোচনা কৰিবলৈ মাতিছো। অথচ তেওঁলোকে আমাৰ সৈতে কথা পাতিবলৈ নিবিচাৰে। বাতৰিকাকতে আমাৰ কথাবোৰ প্ৰকাশ কৰিব নিবিচাৰে। এতিয়া বহুতো অসমীয়া বুদ্ধিজীৱীয়ে স্বায়ত্ত শাসন, হাবি-জাবি আদিৰ কথা ক'বলৈ আৰম্ভ কৰিছে। কিন্তু এই সকলোবোৰেই চক্ৰান্ত, আমাক নিঃশেষ কৰি দিয়াৰ চক্ৰান্ত, আমাক অসমীয়াৰ ভৰিৰ তলত ৰাখিব বিচৰাৰ চক্ৰান্ত। অসম চৰকাৰে আমাক শেষ কৰি দিয়াৰ হুমকি দিছে। কেন্দ্ৰীয় চৰকাৰেও আমাৰ দাবীসমূহৰ প্ৰতি সামান্যতম মনোযোগো দিয়া নাই। এই প্ৰতিকূল পৰিৱেশৰ মাজতো নিজক জীয়াই ৰাখিব বিচৰাটোৱেই আমাৰ আন্দোলনৰ






বিৰাট ইতিবাচক দিশ।"

এইবাৰ কাৰ্বিআংলঙৰ প্ৰসঙ্গ উত্থাপন কৰি মই কওঁ যে কাৰ্বিআংলঙৰ আন্দোলনটোৱে কিন্তু কিছুসংখ্যক অজনজাতীয়ৰো সমৰ্থন লাভ কৰিছে, কাৰণ কাৰ্বি আন্দোলনকাৰীসকলে বাকীসকলকো বিশ্বাসত লৈছে। তেনেস্থলত আবছুৱে হলোৱা- হজুৱাশ্ৰেণীৰ অসমীয়াসকলকো বিশ্বাসত লব নোৱাৰাৰ কাৰণ সোধাত তেওঁ কয়, কাৰ্বি আংলঙৰ পৰিস্থিতি ভিন্ন। কাৰ্বিসকলৰ দাবীৰ সাংবিধানিক ভেঁটি আছে। কিন্তু আমাৰ ক্ষেত্ৰত সেয়া প্ৰযোজ্য নহয়। অসমীয়াসকলৰ সৈতে আমাৰ কোনো শত্ৰুতা নাই। কিন্তু তেওঁলোকৰ সৈতে আমি ভাতৃত্বৰ সম্পৰ্কহে ৰাখিব বিচাৰো, দাসত্বৰ নহয়। সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ আমিও পাবই লাগিব আৰু সেয়া পৃথকৰাজ্যৰ মাজেৰেহে সম্ভৱ। এই কথা চাওঁক, আপোনাৰ পূৰ্বেও আমাৰ ইয়ালৈ বহু সাংবাদিক আহিছে, আমাৰ সৈতে ঘণ্টাৰ পিছত ঘণ্টা নিবিড়ভাৱে কথা পাতিছে। কিন্তু উভতি গৈ প্ৰকাশ কৰিছে সেই একেই পৃথক ৰাজ্যবিৰোধী ভাষ্য। (ইতিকিওৱ হাঁহি মাৰি) আপুনিও তাকে কৰক। গুৱাহাটীলৈ গৈ আছু কৰকগৈ। মিছামিছি-বড়োৰ কথা চিন্তা কৰি মৰিবলৈ আপোনাক কিহে পাইছে? আবছুৰ আন্দোলনত খৃষ্টিয়ান মিছন নতুবা আই-কংগ্ৰেছৰ প্ৰভাৱৰ সম্পৰ্কত শ্ৰী ব্ৰহ্মই ইয়াক পি টি চি এ আৰু অ গ পৰ অপপ্ৰচাৰ বুলি অভিহিত কৰে পি টি চি এক তেওঁ বিশ্বাসঘাতক আৰু অ গ পৰ ধেমাধৰা দল বুলি অভিহিত কৰে। অন্যান্য ছাত্ৰ সংগঠনৰ সৈতে তেওঁলোকৰ সম্পৰ্কৰ ক্ষেত্ৰত শ্ৰী ব্ৰহ্মই কয়, "আটছুৰ সৈতে আমাৰ সৌহাৰ্দ্যমূলক

যিদৰে সঁচা, সেইদৰে কিবা এটা অঘটন ঘটি যোৱাৰ পিছত সন্মুখত পোৱা সকলোকে নিৰ্বিচাৰে সাঙুৰি অনাটোও সমানেই সঁচা।

কোকৰাঝাৰৰ অ গ পৰ বিষয়ববীয়া এগৰাকীয়ে এই প্ৰতিনিধিক কয় যে বিশেষকৈ কোকৰাঝাৰ আৰু কাৰ্বিআংলং, এই জিলাদুখনত হোৱা ব্যাপক দুৰ্নীতিয়েই জনসাধাৰণক আন্দোলনৰ পথত নামিবলৈ বাধ্য কৰিছে। ইয়াৰ উদাহৰণ হিচাপে তেওঁ কয় যে শ্ৰীৰামপুৰ চেকগেটত অসমে বছৰি ১৮-২০ লাখ টকা ৰাজহ আয় কৰে। কিন্তু মাজতে চৰকাৰে কঠোৰ নিৰ্দেশনা প্ৰেৰণ কৰাত ২০ দিনৰ ভিতৰতে (তৰ পৰা ২২ নবেম্বৰলৈ) ১১ লাখতকৈয়ো অধিক টকা শ্ৰীৰামপুৰ গেটত ৰাজহ হিচাপে লাভ কৰে। অ গ পৰ আমোলত দুৰ্নীতি নিৰ্মূল নহ'লেও হ্ৰাস হোৱাৰ সপোন সকলোৱেই দেখিছিল। কিন্তু সময়ে প্ৰমাণ কৰিলে যে অ গ পৰ কৰ্মীসকলো দুৰ্নীতিৰ মেৰপাকত বান্ধ খাই আছে। কোকৰাঝাৰত যেনিবা দৃশ্যটো অধিক প্ৰত্যক্ষ। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণ কোকৰাঝাৰত প্ৰায় নৰ্ঘটেই। বহুসময়ত হেনো মাটি এচপৰা নলৰোৱাকৈও পথবন্ধা, বা পুখুৰী পোতাৰ বিল পাঁচ হৈ যায়। ফলত চল্লিশটা বছৰৰ প্ৰতাৰণাই কোকৰাঝাৰত আজি বিস্ফোৰিত ৰূপ লৈছে। অৱশ্যে জনসাধাৰণৰ নিৰক্ষৰতায়ো দুৰ্নীতিৰ প্ৰকোপ প্ৰবল হোৱাত যথেষ্ট ইন্ধন যোগাইছে। এতিয়াও কোকৰাঝাৰত জনজাতিৰ নামত এটা বিশেষ গোটেহে সকলোবোৰ চৰকাৰী সুবিধা নিৰ্বিবাদে উপভোগ কৰি আছে। কোকৰাঝাৰৰ সহজ-সৰল বড়ো ৰাইজে আবছুক এইবাবেই সমৰ্থন জনাইছিল যে তেওঁলোকে ধাৰণা কৰিছিল, নতুন ৰাজ্যখন হ'লে তেওঁলোকে নিজৰ ৰাজ্য এখন পাব। কিন্তু এতিয়া ৰাজ্যতকৈয়ো তেওঁলোকৰ বাবে শান্তিহে বেছি প্ৰয়োজনীয় হৈ দেখা দিছে। চহৰ অঞ্চলৰ সকলো শ্ৰেণীৰ ৰাইজেই কিন্তু (আনকি বড়োসকলেও) পৰাপক্ষত এই গোটেই সমস্যাটোৰ পৰা নিজকে আঁতৰাই ৰাখিব খোজে।

আবছুৰ আন্দোলনটোত খৃষ্টান মিচনৰী আৰু কংগ্ৰেছ আইৰ প্ৰভাৱৰ কথা আবছুৰ নেতৃত্বই দৃঢ়ভাৱে অস্বীকাৰ কৰে যদিও প্ৰাপ্ত তথ্যসমূহে কিন্তু ইয়াৰ বিপৰীতটোহে প্ৰতিপন্ন কৰে। কোকৰাঝাৰৰ বিভিন্নজনৰ মুখত ৰণেন বসুমতাৰী, লুইচ ইচলাৰী আদি কংগ্ৰেছী সকলৰ সৈতে আবছুৰ নেতাসকলৰ হাত-বাটৰ অভিযোগ শুনিছিলো। এতিয়া আনকি আবছুৰ কাৰ্যসূচীসমূহত কংগ্ৰেছ(আই)ৰ লোকসকলে প্ৰত্যক্ষভাৱেই অংশগ্ৰহণ কৰিবলৈ লৈছে। উল্লেখযোগ্য যে এসময়ত আবছুৱে কিন্তু কংগ্ৰেছ(আই)ক চকুপাৰি দেখিব নোৱাৰিছিল। এতিয়া তেওঁলোকৰ মাজৰ সম্পৰ্ক কিন্তু যথেষ্ট বন্ধুত্বপূৰ্ণ হোৱা পৰিলক্ষিত হৈছে। আনকি আবছুৰ উপেন ব্ৰহ্মৰ সৈতে হোৱা দিঘলীয়া কথোপকথনৰ সময়ছোৱাতো তেওঁ আই-কংগ্ৰেছ বা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে এটা শব্দও উচ্চাৰণ কৰা নাছিল, আনকি কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা সম্পৰ্কে প্ৰশ্ন সোধোতেও।

আবছুৰ আন্দোলনত খৃষ্টিয়ান মিচনেৰীৰ ভূমিকাটো এক বিতৰ্কিত অধ্যায়। বহুতেই আবছুৰ আন্দোলনটোৰ সৈতে বেংতল কেথলিক চাৰ্চৰ ফাদাৰ জোছেফ জুৰি বিৰেটো নিবিড়ভাৱে জড়িত থকা বুলি সন্দেহ কৰে। এই ইটালিয়ান ফাদাৰগৰাকীক হেনো শৰৎ সিংহৰ

**সংবাদপত্ৰৰ ভূমিকাত প্ৰশাসনৰ বিষয়াসকল আৰু অসন্তুষ্ট। "ভূমকাৰ ঘটনাটোক লৈ গোটেই দেশতে হুলস্থূল লাগিল। অথচ কোনেও ঘটনাস্থলীলৈ গৈ ঘটনাৰ তদন্ত নকৰিলে। দোভাষী, ৰাজনৈতিক নেতাৰ কথাকে সঁচা বুলি ধৰি লৈ প্ৰশাসনক জঘণ্যতম ভাষাৰে গালি পাৰিলে। এয়াও সাংবাদিকতা নেকি? ৰামফলবিল গাঁৱৰ পূৰ্ণিমা ব্ৰহ্মৰ মৃত্যুত কোনেও একো নামাতিলে কিয়?**

বুজাবুজি আছে যদিও দাবীৰ ক্ষেত্ৰত আমাৰ মাজত মৌলিক পাৰ্থক্য আছে। আটছুৰ ফেডাৰেলিজিমৰ দাবীটোৰ পৰিপক্কতা নাই। তাৰোপৰি বগোজ পেগুইত হৈছে মাক্সবাদী, কিন্তু আমিতো মাৰ্ক্সবাদী নহয়। আমছু বা আকছাৰ সৈতে আমাৰ সম্পৰ্কতো এক ৰাজনৈতিক কৌশল। আমাৰ ৰাজ্যত নিশ্চয় তেওঁলোকক কোনো বিশেষ সুবিধা দিয়া নহ'ব। আটাইতকৈ ডাঙৰ কথা আমাৰ ৰাজ্যত বিদেশীক কোনো চৰ্ততে থাকিবলৈ দিয়া নহ'ব। অৱশ্যে থলুৱা অজনজাতীয়সকলক সম্পূৰ্ণ নিৰাপত্তা দিয়া হ'ব। কাইলৈ হয়তো উপেন ব্ৰহ্ম মন্ত্ৰী, এম এল এও হ'ব পাৰিব। কিন্তু বাকী বড়োসকলৰ ভৱিষ্যৎ কি হ'ব? অসমৰ বুদ্ধিজীৱীসকলে জনজাতীয়সকলৰ সমস্যা সম্পৰ্কত নিজাববীয়াকৈ কেতিয়াবা আগ্ৰহ দেখুৱাইছিলনে? অথচ এতিয়া আমি নিজে নিজৰ সমস্যাৰ কথা চিন্তা কৰাত তেওঁলোকে 'বৃহৎ অসম', 'বৃহৎঅসমীয়া'ৰ চিঞৰ-বাখৰ লগাইছে। এনেয়ে 'অসম' আৰু 'অসমীয়া' শব্দ দুটা বাদ দিব নোখোজাসকলেই কিন্তু বিভিন্ন অঘটনসমূহৰ ক্ষেত্ৰত 'বড়ো' শব্দটোহে ব্যৱহাৰ কৰে। এইবোৰে কি সূচায়? ইয়াৰ পিছত কাক বিশ্বাসত ল'ম?

পৃথক ৰাজ্যখনৰ সম্পৰ্কত তেওঁ কয়, "আমাৰ ৰাজ্যখনত চৰকাৰী ভাষা হ'ব ইংৰাজী। বড়ো হ'ব সহযোগী ৰাজ্যভাষা। তাৰোপৰি প্ৰতিটো জনগোষ্ঠীয়েই মাতৃভাষাযোগে শিক্ষাগ্ৰহণৰ সম্পূৰ্ণ সুবিধা পাব। আমি হ'বলগা ৰাজ্যখনৰ প্ৰশাসন সুস্থ-সবল কৰি তোলাৰ বাবে অৱশ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছোঁ। অভিজ্ঞ ব্যক্তিৰ জৰিয়তে আমাৰ Volunteer Forceৰ সদস্যসকলক প্ৰশাসনীয় তথা অন্যান্য বিষয়ৰ প্ৰশিক্ষণ



দি থকা হৈছে। 'ডিভাইড আচাম ফিফ্‌টি ফিফ্‌টি' দাবীটো অসমীয়াসকলে ভুলকৈ বুজিছে। দাবীটোৰ দ্বাৰা আমি অসমৰ মাটিকালি বা জনসংখ্যাক বুজোৱা নাই, অধিকাৰকহে বুজাইছো। অসমীয়া বুলিতো অতীতত এটা জাতিয়েই নাছিল; কিন্তু বড়োসকলৰ স্বতন্ত্ৰ ঐতিহ্য আছে। তথাপি আমি নিৰ্দয় নহয়। আমি ফিফ্‌টি পাৰ্চেণ্ট অধিকাৰ কৰিয়েই সন্তুষ্ট থাকিম। বাকী ফিফ্‌টি পাৰ্চেণ্ট অসমীয়াসকলেই লওক। "কোকৰাঝাৰ জিলাত ঘটি থকা বিভিন্ন সমাজবিৰোধী কাৰ্যকলাপবোৰৰ সম্পৰ্কত তেওঁ প্ৰশাসনৰ দুৰ্বলতাকে দায়ী কৰে। তেওঁ কয়, "আমি শান্তিপূৰ্ণভাৱে আন্দোলন চলাইছো। আবছুৰ নেতৃত্ব যথেষ্ট সবল। আবছুৰ কোনো সদস্য কোনোধৰণৰ দুষ্কাৰ্যত লিপ্ত হোৱা নাই। কিছুসংখ্যক যুৱক অৱশ্যে পুলিচৰ অত্যাচাৰৰ হাত সৰিবলৈ হাবিয়ে-জংঘলে থাকিবলগা হৈছে। কিন্তু ইয়াৰ দ্বাৰা তেওঁলোক উগ্ৰপন্থী হোৱাটো নুবুজায়। আচলতে একোৱেই হোৱা নাই। হত্যা, লুণ্ঠনৰ অপপ্ৰচাৰহে বেছি হৈছে। কোনেও ঘটনাস্থলীত গৈ তদন্ত নচলায়। ফলত মানুহৰ মুখে মুখে বাগৰি কথাবোৰে বিকৃত ৰূপ লয় আৰু তাকে কাকতত প্ৰকাশ পায়। সেয়ে মই নিজে নেদেখালৈকে আনকি আবছুৰ ল'ৰাবোৰে আহি বৰ্ণোৱা ঘটনাবোৰো মই বিশ্বাস নকৰো।" মই পূৰ্ণিমা ব্ৰহ্মৰ নিৰ্মম হত্যাকাণ্ডটো বৰ্ণনা কৰাত তেওঁ কয়, "যাৰ সমৰ্থকেই নহওঁক, আবছুৰেই হওঁক নতুবা পি টি চিত্ৰ, অ গ প, কংগ্ৰেছ আইৰে সমৰ্থক হওঁক, অসমৰ জলবায়ুত ডাঙৰ-দীঘল হোৱা কোনোবা মানুহে এনে নৃশংস হত্যাকাণ্ড ঘটাব পাৰে বুলি মই বিশ্বাস নকৰো। আৰু আবছুৰ

**তাইক ৰাস্তাৰ পৰা এগৰাকী বান্ধৱীসহ অপহৰণ কৰি নিয়া হ'ল, সামুহিকভাৱে ধৰ্ষণ কৰা হ'ল। তাইৰ ব্ৰেষ্ট এটা কামুৰি ছিঙি নিলে, যৌনাঙ্গ গৰম লোহাৰে পুৰি দিলে। গোটেই দেহটো কামুৰি-আঁচুৰি ক্ষতবিক্ষত কৰি পেলালে। পূর্ণিমাৰ বান্ধবীজনীৰ মৃতদেহটো এতিয়াও বিচাৰি পোৱা নাই। এতিয়া ক'লৈ গ'ল সেই মানৱতাদৰদী মহান বুদ্ধিজীৱীসকল?**

মুখ্যমন্ত্ৰীত্বৰ সময়ছোৱাত ভাৰত ত্যাগৰ জাননীও দিয়া হৈছিল। কিন্তু যেনেদৰেই নহওক, তেওঁ ভাৰততে ৰৈ গ'ল। এতিয়া হেনো এই ফাদাৰগৰাকীয়ে ভাৰতীয় নাগৰিকত্ব লাভৰ বাবে চেষ্টা চলায় আছে। এই ফাদাৰগৰাকীৰ কাৰ্যকলাপে আবছুৰ আন্দোলনটোৰ চৰিত্ৰক অধিক ধূসৰ কৰি তুলিছে।


এই সূত্ৰৰ পৰা জানিব পৰা অনুসৰি বড়ো উগ্ৰপন্থীসকলৰ মাজত হেনো ওডালগুৰিৰ ৰঞ্জন দৈমাৰীৰ নেতৃত্বত BSF (Bodo Security Force) আৰু প্ৰেমচিং ব্ৰহ্মৰ নেতৃত্বত BLA (Bodo Liberation Army) নামৰ দুটা সংগঠনৰ জন্ম হৈছে। ইতিমধ্যে হেনো ৫০০ৰো অধিক বড়ো যুৱক সশস্ত্ৰ সংগ্ৰামৰ মন্ত্ৰেৰে দীক্ষিত হৈছে। আবছুৰ একাংশই অৱশ্যে BSF সংগঠনটো অ গ পই গঢ়ি তোলা বুলি ক'ব খোজে। অৱশ্যে কোকৰাঝাৰত ঘটি থকা বিভিন্ন কুটাঘাতমূলক কাৰ্যত যে কেৱল এইসকল যুৱকেই জড়িত সেইটো নহয়। মই নিজেই কোকৰাঝাৰৰ কাষৰীয়া হাবি এখনত তেওঁলোকৰ ২৫-৩০ জনমানক লগ পাইছিলো। দুই এটা বন্দুক, পাইপগান, ধেনু-কাঁড় আদিয়েই এওঁলোকৰ অস্ত্ৰ। লগত নামমাত্ৰ কাপোৰ আৰু একোডোখৰ প্লাষ্টিক কাগজৰ সৈতে তেওঁলোকে জংঘলতেই দিনবোৰ কটায়। তেওঁলোকৰ নিজৰ ভৱিষ্যৎ সম্পৰ্কে অৱশ্যে তেওঁলোকে নিজেই একো নাজানে।

এটা গোপন সূত্ৰৰ পৰা জানিব পৰা মতে কিছুদিনৰ পূৰ্বে আবছুৰ এখন মিটিঙত ফাৰ্কিজুলিৰ জনৈক দাৰ্হাগ্ৰা মুছাহাৰীয়ে হেনো কয় যে আবছুৰ সকলো সদস্যই খৃষ্টান ধৰ্ম গ্ৰহণ কৰি তাৰপিছত সজোৰে আন্দোলনত নামি যোৱা উচিত। প্ৰেমচিং ব্ৰহ্মই হেনো এই প্ৰস্তাৱটোত তীব্ৰ আপত্তি কৰে আৰু কয় যে আমি ধৰ্ম সলাবৰ বাবে আন্দোলন কৰা নাই, আন্দোলন কৰিছো নিজৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে। এইলৈ দুয়োটা পক্ষৰ মাজত হেনো হতাহতিৰো উপক্ৰম ঘটিছিল। পিছত যেনিবা অন্যান্যসকলৰ হস্তক্ষেপৰ ফলত ঘটনা আগবাঢ়িবলৈ নাপালে। আবছুৰ সদস্যসকলৰ মাজত হেনো ধৰ্মীয় বৈসাদৃশ্যই ক্ৰমাৎ প্ৰকটৰূপ ধাৰণ কৰিছে। একেটা সূত্ৰৰ পৰাই জানিব পৰা মতে এই প্ৰেমসিং ব্ৰহ্ম বোলা যুৱকজন হেনো ফাদাৰ যোচেফৰে এক চক্ৰান্তৰ বলি হ'ব লগা হ'ল। যোৱা ৩১ ডিচেম্বৰ '৮৬ত ফাদাৰ যোচেফে কোকৰাঝাৰ থানাত তেওঁৰ লাইচেঞ্চ প্ৰাপ্ত বিদেশী বন্দুক এটা হেৰোৱা বুলি এজাহাৰ দিয়ে। প্ৰায় ডেৰমাহৰ পিছত পুলিচে চিড়লী থানাৰ অন্তৰ্গত প্ৰেমচিং ব্ৰহ্মৰ ভৰাঁল ঘৰৰ পৰা বন্দুকটো উদ্ধাৰ কৰে। উল্লেখযোগ্য যে এই প্ৰেমচিং ব্ৰহ্ম নামৰ যুৱকজন পূৰ্বৰ অসম আন্দোলনৰ এজন সক্ৰিয় অংশীদাৰ আছিল। সূত্ৰটোৰ মতে ফাদাৰ যোচেফে চক্ৰান্তমূলকভাৱে নিজৰ মানুহৰ হতুৱাই বন্দুকটো প্ৰেমচিঙৰ ভৰালত থোৱাইছিল।

পুলিচৰ হাতৰ পৰা ৰক্ষা পাবলৈ বাধ্য হৈ প্ৰেমচিং কাষৰ ফৰেষ্টলৈ পলাই যায় আৰু তেওঁ এতিয়াও তাতে হেনো আছে। প্ৰেমচিং আৰু তেওঁৰ সহযোগী এদলে পুলিচৰ ওচৰত আত্ম সমৰ্পণ কৰাৰ কথা চিন্তা কৰিছে। কিন্তু অন্য এচামে বিভিন্ন ভাবুকিৰে

আন্দোলনত উগ্ৰ পন্থীৰ প্ৰৱেশ এক অপপ্ৰচাৰ। BSF (Bodo Security Force) সংগঠনটোৰ অ গ পয়েই জনম দিছে। আনহাতে BLA (Bodo Liberation Army) বুলি কোনো সংগঠনৰ প্ৰকৃততে অস্তিত্বই নাই।" মই ফাডাৰ যোচেফৰ বন্দুক আৰু প্ৰেমচিং ব্ৰহ্মৰ সেই বিতৰ্কিত অধ্যায়টো উত্থাপন কৰাত তেওঁ এক অস্বস্তিৰ হাঁহি মাৰি ইতিকিঙৰ সুৰত কয়, "এইবোৰ চব মিছা কথা। পুলিচে অসম আন্দোলনৰ সময়ত আছুৰ ল'ৰাবোৰৰ হাতত পোৱা বন্দুকবোৰেই এতিয়া আবছুৰ ল'ৰাবোৰৰ হাতত পোৱা বুলি দেখুৱাইছে আৰু আমাৰ মানুহখিনিক হাৰাশাস্তি কৰি মাৰিছে।"

এইবাৰ তেওঁক মই পোনপটীয়াকৈ সোধো যে ভাৰতীয় সংবিধানে ৰাজ্যক প্ৰদানকৰা ক্ষমতাৰ পৰিসৰত থাকি তেওঁ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ সমস্যাসমূহৰ সমাধান সম্ভৱ বুলি ভাবেনে? উদাহৰণ স্বৰূপে মই অসমৰ চাহজনজাতিসকললৈ আঙুলিয়াই দি সোধো, ভাৰতবৰ্ষৰ ভিতৰতে অন্যতম অনুন্নত সম্প্ৰদায় এই চাহজনজাতিসকলৰ ক্ষেত্ৰত আপোনালোকে কেনেধৰণৰ নীতি অৱলম্বন কৰিব? প্ৰশ্নটোৰ উত্তৰ পোনপটীয়াকৈ নিদি তেওঁ কয়, "আচলতে ভাৰতৰ সাংবিধানিক পদ্ধতিটোতে মোৰ বৰ এটা আস্থা নাই। কিন্তু সংবিধান প্ৰণয়ন কৰাৰ ক্ষমতাখিনিতো মোৰ নাই। আচলতে সাংবিধানিক গাঁথনিৰ পৰিবৰ্তনৰ প্ৰয়োজন আছে যদিও তাৰ বাবে সৰ্বভাৰতীয় ভিত্তিত এটা আন্দোলন গঢ়ি তোলাৰ শক্তি আৰু সামৰ্থ্য আবছুৰ নাই। উপেন ব্ৰহ্মৰো তেনে আন্দোলনৰ নেতৃত্ব দিয়াৰ ক্ষমতা নাই। সেয়েহে প্ৰয়োজনৰ পৰিপূৰ্ণতা নঘটিলেও আমি সংবিধানৰ



গণ্ডীৰ ভিতৰতে আমাৰ সমস্যা সমাধান বিচাৰিবলৈ বাধ্য হৈছো। যদি কোনোবাই ক্ষমতাৰ যথাৰ্থ বিকেন্দ্ৰীয়কৰণৰ আঁচনিৰে সৰ্বভাৰতীয় পৰ্যায়ত তেনে এটা আন্দোলন গঢ়ি তোলে, তেন্তে আমি নিশ্চয় তেনে প্ৰচেষ্টাক স্বাগতম জনাম, নিজকে তেনে আন্দোলনৰ সক্ৰিয় অংশীদাৰ কৰি তুলিম।" ●

## চৰণ নাৰ্জাৰীৰ সৈতে- ২৪ ডিচেম্বৰ ৰাতিপুৱা ১০ বজা

যুৱ-ছাত্ৰ পৰিষদৰ দ্বাৰা ঘোষিত বন্ধ কাৰ্যসূচীৰ বাবে ভালেমানদুৰ খোজকাঢ়ি পি টি চি এৰ বিধায়ক চৰণ নাৰ্জাৰীৰ বাসভৱনত উপস্থিত হ'লোগৈ। তেখেতলৈ মোৰ প্ৰথম প্ৰশ্নটো আছিল, "আপুনি ভাবেনে, এখন পৃথক ৰাজ্যৰ গঠনে জনজাতীয়সকলৰ সমস্যাসমূহৰ সমাধান ঘটাব পাৰিব?" আচহুৱা প্ৰশ্নটোত অপ্ৰস্তুত হৈ তেওঁ কলে "তেতিয়াহ'লে সাৰ্বভৌম ৰাষ্ট্ৰ বিচাৰিবলৈহে হ'ব।"

মই ভাৰতীয় জনসাধাৰণৰ ভিন ভিন অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক গাঁঠনিৰ উল্লেখ কৰি তাৰ পৰিপ্ৰেক্ষিতত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু জাতিসত্তাৰ নিৰাপত্তাৰ প্ৰশ্নটো উনুকিয়াই যোৱাত তেওঁ দিঘলীয়াকৈ আৰম্ভ কৰে, " পৃথক ৰাজ্য গঠনে জনজাতীয়সকলৰ সকলোবোৰ সমস্যাৰে হয়তো সমাধান নঘটাব। কিন্তু কিছুমান মৌলিক প্ৰয়োজন সহজে পূৰণ কৰিব পৰা যাব। সেয়েহে আমি ১৯৬৭ চনৰ পৰাই পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰি আহিছো। কিন্তু আমি সংঘৰ্ষ নিবিচাৰো। সেই বাবেই বিনয় খুংগুৰ

তেওঁলোকক আত্মসমৰ্পণ কৰাৰ পৰা বিৰত ৰাখিছে। কোকৰাঝাৰত ভ্ৰমণ কৰি এই কথা বাৰুকৈয়ে অনুভৱ কৰিছিলো যে তাৰ বড়োসকলৰ ওপৰত আবছুৰ প্ৰভাৱ অপৰিসীম। কিন্তু কিছুসংখ্যক কৰ্মীৰ ওপৰত আবছুৰ নেতৃত্বই নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাটো দুখজনকভাৱে সত্য। কোকৰাঝাৰৰ পৰিস্থিতি যিধৰণে আগবাঢ়িছে, সম্ভৱতঃ তাত এক দুৰ্যোগৰ আগমন অৱশ্যম্ভাৱী। এই দুৰ্যোগটোক প্ৰতিহত কৰাৰ হয়তো কোনো উপায়েই নাই। আমি চেষ্টা কৰিলে মাত্ৰ তাৰ ভয়াবহতাৰ পৰিমাণ কমাব পাৰো। অসমৰ জনসাধাৰণে অন্ততঃ সেই চেষ্টাকে চলোৱা উচিত। দুৰ্যোগ অতিক্ৰান্ত সময়েই হয়তো জনসাধাৰণক তেওঁলোকৰ আকাংখিত শান্তি প্ৰদান কৰিব।

আবছুৰ দ্বাৰা ঘোষিত শ্বহীদৰ সংখ্যা (১২-৬-৮৭ তাৰিখৰ পৰা ৩০-১১-৮৮ তাৰিখৰ (ভিতৰত)

| জিলা | পুলিচৰগুলী আৰু অত্যাচাৰত | আছু আৰু অ গ পৰ সমৰ্থকৰ হাতত | অন্যান ঘটনাত | মুঠ |
|---|---|---|---|---|
| কোকৰাঝাৰ | ১৪(চৈধ্য) | ১(এক) | ১(এক) | |
| দৰং | ৪(চাৰি) | ২(দুই) | | |
| শোণিতপুৰ | | ১(এক) | | ২৫ (পচিশ) |
| লক্ষ্মীপুৰ | | | ২(দুই) | |

১-১-৮৮ৰ পৰা ১৬-১১-৮৮ৰ ভিতৰত কোকৰাঝাৰ জিলাত সংঘটিত বিভিন্ন ঘটনাসমূহ (চৰকাৰী হিচাপ অনুযায়ী)

| | | | | | |
|---|---|---|---|---|---|
| হত্যাকাণ্ড | মুঠ ৪৩ (তিয়াল্লিশ)টা যাৰ ৩০ (ত্ৰিবশ)টা উগ্ৰপন্থী গোটৰদ্বাৰা সংঘটিত হৈছে | | | চৰকাৰী বিষয়া | ৯ (ন) |
| | | | | অন্যান্য | ২১ (একৈশ) |
| ডকাইতি | মুঠ ১৪৬ (এশ ছিয়াল্লিশ) টা যাৰ ১৪০ (এশ চল্লিশ) টা উগ্ৰপন্থী গোটৰ দ্বাৰা সংঘটিত হৈছে | | | | |
| লুটপাত | মুঠ ৭৬ (ছিসত্তৰ) টা যাৰ ৭১ (এসত্তৰ)টা উগ্ৰপন্থী গোটৰ দ্বাৰা সংঘটিত হৈছে। | | | | |
| ধ্বংসাত্মক কাৰ্যকলাপ | ব্যক্তিগত ঘৰ | চৰকাৰী ঘৰ | ব্যক্তিগত যানবাহন | চৰকাৰী যানবাহন | দলং |
| ৭২ (বাসত্তৰ) | ২৫ (পঁচিশ) | ৮ (আঠ) | ১২ (বাৰ) | ৩ (তিনি) | ২৪ (চব্বিশ) |

বসুমতাৰীৰ দৰে বিশ্বাসঘাটকক দলৰ পৰা বিদায় দিয়া হৈছে। তেওঁ আগতে নৌবাহিনীত চাকৰি কৰিছিল। সেয়ে গাৰ জোৰেৰেই সকলো কাম কৰিব বিচাৰে। আবছুক আমি কৈছিলো, তোমালোক ছাত্ৰ, গতিকে তোমালোক ৰাজনীতিৰ পথাৰত নামিব নালাগে। কিন্তু উপেনহঁতে নামানিলে, সিহঁতে গাৰ জোৰেৰেই সকলো আদায় কৰিব বিচাৰিলে। ফলত আবছু দুভাগ হ'ল। আবছুৰ (ৰামচিয়াৰী) সৈতে আমাৰ একো সম্পৰ্ক নাই যদিও অৱশ্যে ভাল বুজাবুজিয়েই আছে। আমি তেওঁলোকক ৰাজনীতিৰ পথাৰত নানামিবলৈ কৈছোঁ। ইফালে পৃথক ৰাজ্যৰ নামত উপেনহঁতে কৰিছে কি? আবছুৰ (উঃবঃ) আন্দোলনটোত এক ৰাজনৈতিক দলৰ প্ৰভাৱ থকা কথাটোত কোনো সন্দেহেই নাই। খৃষ্টিয়ান মিচন আৰু আই-কংগ্ৰেছ প্ৰত্যক্ষভাৱে জড়িত আছে। তেওঁলোকেই টকা-পইচা দি আন্দোলনটো চলাই আছে। আই-কংগ্ৰেছৰ লক্ষ্য হৈছে কোকৰাঝাৰত পি টি চি এৰ সাংগঠনিক ভেঁটি ধ্বংস কৰা। আবছুৰ ল'ৰাবোৰে নিৰ্বিঘ্নে মানুহ হত্যা কৰিছে, ছোৱালী ৰেপ কৰিছে, লুট-পাত কৰিছে। অথচ ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰ নীৰৱে বহি আছে। প্ৰশাসনে জনসাধাৰণক নিৰাপত্তা দিবলৈ অলপো চেষ্টা চলোৱা নাই। অ গ পই আনকি আমাকো বিশ্বাসত ল'বলৈ টান পাইছে। পি টি চি এৰ সাংগঠনিক ভেঁটি এতিয়াও সম্পূৰ্ণ অটুট আছে। কিন্তু আবছুৰ (উঃবঃ) ল'ৰাবোৰে ভয় দেখুৱাই সকলোৰে মুখ বন্ধ কৰি থৈছে। আচলতে ইয়াত আবছুৰ একো সাংগঠনিক ভিত্তিয়েই নাই। কিন্তু সিহঁতে টকা-পইচা দি প্ৰফেচনেল কীলাৰবোৰক হাত কৰি লৈছে। সিহঁতে হাতত পাইপগান লৈ দিন-দুপৰতে গাঁৱে-ভূঞে ঘূৰি ফুৰে। ইচ্ছামতে অপৰাধ সংঘটিত কৰি ফুৰে। প্ৰশাসনে সকলো জানে, অথচ প্ৰয়োজনীয় ব্যৱস্থা লোৱা নাই। জনজাতি সমস্যাটো সন্দৰ্ভত অ গ পৰ সুস্থধাৰণা নথকা বাবেই এনেবোৰ বেমেজালি ঘটিছে। অ গ পই প্ৰশাসনক দৃঢ় কৰি তোলাৰ লগতে আমাকো বিশ্বাসত লোৱা উচিত।

**আবছুক আমি কৈছিলো, তোমালোক ছাত্ৰ, গতিকে তোমালোক ৰাজনীতিৰ পথাৰত নামিব নালাগে। কিন্তু উপেনহঁতে নামানিলে, সিহঁত গাৰ জোৰেৰেই সকলো আদায় কৰিব বিচাৰিলে। ফলত আবছু দুভাগ হ'ল। আবছুৰ (ৰামচিয়াৰী) সৈতে আমাৰ একো সম্পৰ্ক নাই যদিও অৱশ্যে ভাল বুজা বুজিয়েই চলি আছে। আমি তেওঁলোকক ৰাজনীতিৰ পথাৰত নানামিবলৈ কৈছো। ইফালে পৃথক ৰাজ্যৰ নামত উপেনহঁতে কৰিছে কি?**

পৃথক ৰাজ্যৰ দাবী সম্পৰ্কত তেওঁ কয়, "আমি প্ৰথমে স্বায়ত্বশাসনৰ দাবীয়েই উত্থাপন কৰিছিলো। কিন্তু সেই দাবীৰ সীমিত গ্ৰহণযোগ্যতাৰ বাবে ভাল বিকল্পৰ অভাৱত বাধ্য হৈ আমি পৃথক ৰাজ্যৰ দাবী সমৰ্পণ কৰিছো। এতিয়া বহুতে স্বায়ত্বশাসিত ব্যৱস্থাৰ কথা কৈছে, যেনে আট্‌ছুৰ ফেডাৰেলিজিমৰ দাবীটো, কিন্তু এই দাবীৰ ক্ষেত্ৰত সিহঁতৰ নিজৰে সুস্থ ধাৰণা নাই। গতিকে তেনে দাবীৰ গ্ৰহণযোগ্যতা আমি কেনেকৈ স্বীকাৰ কৰি ল'ম?" তেওঁ আৰু কয়, "অসমৰ জাতিগঠন প্ৰক্ৰিয়াই তাৰ স্বতঃস্ফুৰ্ত বিকাশৰ ধাৰা কেতিয়াবাই হেৰুৱালে। এতিয়া ই অসমীয়াকৰণ প্ৰক্ৰিয়াৰে নামান্তৰ। ভাষাৰ সমস্যাটোৰ ক্ষেত্ৰত আমি চাৰিভাষা সূত্ৰকে সমৰ্থন কৰিছোঁ। ইয়াৰে অৱশ্যে জনজাতিসকলৰ ক্ষেত্ৰত অসমীয়া ভাষা আৰু অসমীয়া সকলৰ ক্ষেত্ৰত জনজাতীয় ভাষাতো অতিৰিক্ত চতুৰ্থ ভাষা হিছাবে প্ৰয়োগ কৰা হওক বুলিয়েই আমি মত প্ৰকাশ কৰিছোঁ। মই হিন্দীভাষা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ ব্যৱহাৰিক গ্ৰহণযোগ্যতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰাত তেখেতে কয় "হিন্দীভাষাৰ ব্যৱহাৰিক গ্ৰহণযোগ্যতা অত্যন্ত সীমিত যদিও অসমৰ জনসাধাৰণৰ হিন্দীভাষাৰ প্ৰতি এক প্ৰবল আকৰ্ষণ আছে। সেয়ে সকলো শ্ৰেণীৰ লোকেই এই ভাষাটো শিকিব বিচাৰে।" তেওঁ আৰু কয় যে ধৰণীধৰ বসুমতাৰী আৰু তেওঁৰ দৰে লোকসকল কংগ্ৰেছে সজোৱা একোটা পুতলাহে। তেওঁলোকৰ নিজস্ব ব্যক্তিত্ব একোৱেই নাই। আবছুৱে (উঃবঃ) অসমত বড়ো জনজাতিৰ সংখ্যা ৪০ লাখৰো অধিক বুলি কৰা দাবীৰ বিপৰীতে শ্ৰীনাৰ্জাৰীয়ে অসমত বড়ো জনজাতিৰ সংখ্যা বৰবেছি ২০-২২ লাখ মানহে হ'ব বুলি মত প্ৰকাশ কৰে। গাঁও পঞ্চায়ত স্তৰৰ শাসন অনুষ্ঠানসমূহলৈ স্বায়ত্বশাসন প্ৰদানে জাতিসমস্যাৰ সমাধান ঘটাব পাৰে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত তেখেত কয়, "তেনে ব্যৱস্থা আমাৰ সংবিধানত নাই। গতিকে ই সম্ভৱ নহয়।"


# অসমৰ পুতলা নাচ

ড° প্ৰবীণ চন্দ্ৰ দাস

মানুহৰ মনোৰঞ্জনৰ আহিলা হিচাপে সুদূৰ অতীতৰ পৰাই পৃথিৱীৰ প্ৰায় সকলো ঠাইতে লোক-নাট্যধৰ্মী অনুষ্ঠান পুতলা নাচৰ প্ৰচলন আছিল বুলি জনা যায়। কোনো কোনো পণ্ডিতৰ মতে আদিতে পুতলানাচ ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ লগত জড়িত আছিল। কোনো কোনোৱে এই অনুষ্ঠানৰ জন্মলগ্ন প্ৰায়-ঐতিহাসিক কালৰ গুহাবাসী মানৱৰ মাজলৈকো নিব খোজে। প্ৰাচীন গ্ৰীচৰ ভাস্কৰ্য্যত আৰু ইজিপ্তৰ মামীৰ লগত অংগ— প্ৰত্যংগ সঞ্চালনৰ ভংগিমাত থকা পুতলা সদৃশ মূৰ্তি কিছুমান পোৱা গৈছে। অতি প্ৰাচীন কালৰ পৰাই ভাৰতবৰ্ষ, ৰোম আৰু চীন দেশতো পুতলানাচ অনুষ্ঠানৰ প্ৰচলন আছিল। এৰিষ্টটোল, হোৰেচ, প্লেটো প্ৰভৃতি গ্ৰীক লেখকসকলৰ ৰচনাত থকাৰ দৰেই প্ৰাচীন ভাৰতীয় সাহিত্যতো পুতলানাচৰ উল্লেখ আছে। এইবোৰৰ ভিতৰত মহাভাৰতৰ নাম প্ৰথমে লব লাগিব। মহাকাব্যখনৰ বনপৰ্ব আৰু উদ্যোগপৰ্বত প্ৰসংগ ক্ৰমে পুতলানাচৰ উপমা দিয়া হৈছে। মহাভাৰতৰ বাহিৰেও কথা-সৰিৎসাগৰ, কামসূত্ৰ, মদ্‌ভাগৱত আদি গ্ৰন্থতো পুতলানাচৰ উল্লেখ পোৱা যায়। খ্ৰীষ্টিয় দশম-একাদশ শতিকাত কামৰূপত ৰচিত বুলি খ্যাত কালিকা পুৰাণ গ্ৰন্থতো পাঞ্চলিকা বিহাৰ বা পুতলানাচৰ উল্লেখ আছে। প্ৰসংগক্ৰমে ক'ব পাৰি যে ভাৰতীয় বিশ্বাসমতে পুতলাৰ উৎপত্তি পাঞ্চাল ৰাজ্যত। সেইদেখি সংস্কৃতত পুতলাক পাঞ্চালিক শব্দৰে বুজোৱা হয় বুলি কোৱা হয়। সংস্কৃত সাহিত্যৰ দৰেই ভাৰতৰ অইন ভাষাৰ প্ৰাচীন গ্ৰন্থতো পুতলানাচৰ কথা পোৱা যায়।

অসমীয়া সাহিত্যত পঞ্চদশ-ষোড়শ শতিকামানৰ পৰা পুতলা নাচৰ উল্লেখ পোৱা যায় যদিও অসমত এইবিধ নাট্যধৰ্মী অনুষ্ঠানৰ ঐতিহ্য তাতোকৈ পুৰণি বুলি ভাবিবৰ থল আছে। সাম্প্ৰতিক কাললৈ চলি থকা অসমৰ পুতলানাচ অনুদানৰ সকলোবোৰ পুতলা মেৰিও নেটচ জাতীয়, সাহিত্যিক সাক্ষ্যৰ পৰা অসমত অতীজত ছায়া-পুতলাৰ প্ৰচলন থকাৰ কথা পালেও আজিকালি এইবিধ পুতলা অনুষ্ঠানৰ প্ৰচলন আছে বুলি জনা নাযায়। নামনি অসমৰ কিছুমান অঞ্চলত পুতলা অনুষ্ঠানৰ জনপ্ৰিয় নাম 'বতি পুংলা, বতি পুতলা শব্দটোৰ উৎপত্তি আৰু প্ৰচলন ৰহস্যজনক। এই শব্দটো মহাৰাজ বিক্ৰমাদিত্যৰ সিংহাসনত সংযুক্ত বত্ৰিশ পুতলাৰ পৰা আহিছে বুলি ভবাৰ থল আছে। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ৰাজস্থানৰ পুতলানাচৰ শিল্পীসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলে মহাৰাজ বিক্ৰমাদিত্যৰ বিশেষ ক্ৰীড়াকৌশল দেখুৱাছিল বুলি কয়। কোৱা হয় যে বিক্ৰমাদিত্যৰ সিংহাসনত বত্ৰিশটা পুতলাই নানা কৌশল প্ৰদৰ্শন কৰিছিল। শিল্পীসকলে প্ৰথমে এই পুতলাকেইটাৰে মহাৰাজ বিক্ৰমাদিত্যৰ জীৱন-গাঁথাৰ নাট্যাভিনয় কৰি দেখুৱাইছিল। ৰাজস্থানৰ শিল্পীসকলে বিক্ৰমাদিত্যৰ জীৱন-গাঁথাৰ আধাৰত উপস্থাপন কৰা পুতলা অনুষ্ঠান পৃথ্বিৰাজ চৌহানৰ সময়লৈকে আজিছল। তাৰ পাছত এই অনুষ্ঠানৰ কাহিনীভাগৰ পৰিবৰ্তন ঘটে বুলি কোৱা হয়। হয়তো আৰম্ভণিতে পুতলা অনুষ্ঠানত মুঠ পুতলাৰ সংখ্যা বত্ৰিশটা আছিল। বত্ৰিশ পুতলাৰ পৰাই 'বতি পুতলা' শব্দটো আহিব পাৰে। পুতলানাচ অনুষ্ঠানক বুজোৱা আন এটি প্ৰচলিত শব্দ পুতলা-ভাওনা। বিশেষকৈ সত্ৰীয়া পৰম্পৰা প্ৰধান অঞ্চলত পুতলা-ভাওনা শব্দটোৰ প্ৰচলন দেখা যায়।


অসমৰ পুতলান্যচ অনুষ্ঠানৰ পুতলাবোৰ সাধাৰণতে ডেৰ-দুই-ফুটমান ওখ। এইবোৰ বিশেষকৈ কুহিলাৰে সজা হয়। কোনো কোনো ক্ষেত্ৰত মদাৰ ওদাল জাতীয় সোপোকা কাঠেৰে পুতলা সজা দেখা যায়। খেৰৰ জুমুঠি বা বাহৰ কাঠীৰে সজাৰ ওপৰত মাটিৰ লেও দিও কৰবাত পুতলা সাজে। পুতলাবোৰ গোটা আকৃতিৰ (round) যদিও সম্পূৰ্ণ গোটা নহৈ পিছফালটো চেপেটা দেখা যায়। চৰিত্ৰ অনুযায়ী পুতলাৰ আকাৰ আৰু গঢ়ৰ পাৰ্থক্য দেখা যায়। দেৱতা আৰু নায়কৰ চৰিত্ৰৰ পুতলাবোৰ নিয়মীয়া আকাৰৰ আৰু সুন্দৰ গঢ়ৰ হয়। দৈত্য-দানৱ ৰাক্ষস আদিৰ পুতলা কিছু ডাঙৰ আৰু অস্বাভাৱিক গঢ়ৰ দেখা যায়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে জাভাৰ ৱায়াং ছায়া-নাট অনুষ্ঠানৰ দৈত্য-দানৱৰ পুতলাবোৰ অস্বাভাৱিকভাৱে ডাঙৰকৈ সজা হয় আৰু নায়ক আৰু দেৱতাৰ পুতলাবোৰ আটাইতকৈ সৰুকৈ গঢ় দিয়া হয়। কোনো কোনো পুতলাৰ মূৰটো পৃথক কৰিব পৰা ব্যৱস্থা থাকে। প্ৰায়বোৰ পুতলাৰে ভৰি নাথাকে। কঁকালৰ পৰা পিন্ধোৱা কাপোৰেৰে এনে পুতলাৰ তলৰ অংশৰ কাম চলোৱা হয়। সেয়ে পুতলাবোৰে খোজ কাঢ়ি অহাৰ পৰিবৰ্তে উৰা মৰাৰ দৰে গতি কৰে। দুই এক পুতলাৰ ভৰি থাকে আৰু সূতাৰ দ্বাৰা ইয়াক সঞ্চালন কৰোৱা হয়। চৰিত্ৰ অনুসৰি পুতলাবোৰত ৰঙৰ প্ৰয়োগ কৰা হয়। সাধাৰণতে গুলপীয়া, নীলা, হালধীয়া আৰু সেউজীয়া ৰঙেৰে বেছি ব্যৱহাৰ দেখা যায়। ক'লা, ৰঙো কোনো কোনো পুতলাত দিয়া হয়। ৰাম, কৃষ্ণ, আদি চৰিত্ৰৰ পুতলাত নীলা, ৰঙ, নায়িকা বা স্ত্ৰী চৰিত্ৰৰ পুতলাত গুলপীয়া



OKDISCD

ৰঙ, ৰাক্ষস চৰিত্ৰত ডাঠ সেউজীয়া বা ক'লা ৰঙৰ প্ৰলেপ দিয়া হয়। পুতলাৰ গঢ়, ৰঙ, অলংকাৰ সাজ-সজ্জা এই সকলোতে শিল্পীসকলৰ অঞ্চলটোৰ সামাজিক সাংস্কৃতিক পৰিবেশৰ কিছু প্ৰভাৱ পৰা দেখা যায়। উল্লেখযোগ্য যে অসমত পুতলানাচ অনুষ্ঠান কোনো বৰ্ণ বা জাতি বিশেষৰ লগত জড়িত নহয়। জাতি-বৰ্ণ নিৰ্বিশেষে যি কোনো লোকেই পুতলানাচ অনুষ্ঠানক বৃত্তি হিচাপে গ্ৰহণ কৰি আহিছে। এনে কাৰণতে বোধহয় ইয়াত পুতলা তৈয়াৰ কৰিবলৈও কোনো বিশেষ শ্ৰেণীৰ লোক বিচাৰি পোৱা নাযায়। সৰহভাগ ক্ষেত্ৰতেই পুতলা দলৰ শিল্পীসকলে নিজে নিজে পুতলাবোৰ গঢ়ি লয়। গঢ়ৰ ফালৰ পৰা কামৰূপ অঞ্চলৰ পুতলা অধিক আকৰ্ষণীয় দেখা যায়।

পুতলানাচৰ একোটা দলত সাধাৰণতে পাঁচ-ছয়জন মানুহ থাকে। ইয়াৰে এজন মূল ব্যক্তি। তেওঁক সূত্ৰধাৰ বা বায়ন বোলা হয়। বায়নৰ ওপৰতে অনুষ্ঠানটোৰ সৰহখিনি দায়িত্বভাৰ থাকে। তেওঁৰ মধ্যস্থতাত অনুষ্ঠানটোৱে অগ্ৰগতি লাভ কৰে। পুতলানাচৰ কাহিনী ভাগ আগবাঢ়ে গীতৰ মাধ্যমেদি। বায়নে এই গীত-পদৰ গুৰি ধৰে। পুতলা চৰিত্ৰবোৰৰ পেপাৰ মাতৰ আঁত ধৰি এওঁৱেই সংলাপো কয়। তেওঁ চুৰিয়া আৰু দীঘল চোলা পিন্ধে। কান্ধত এখন চাদৰ ওলোমাই লয় আৰু মূৰত বিশেষ ধৰণৰ পাগুৰি পিন্ধে। বায়নৰ হাতত এডাল চোঁৰৰ থাকে। বায়নক গীত-মাতত সহায় কৰে পালি সকলে। বায়নৰ দলটোৱে মঞ্চৰ সমুখৰ ফালে এঠাইত স্থান গ্ৰহণ কৰে। তেওঁলোকে সাধাৰণতে থিয় হৈ নৃত্যৰ ভংগীমাত অনুষ্ঠান পৰিবেশন কৰে। বায়নে হাতেৰে মুদ্ৰা দি গীত-পদ লগাই দিয়ে। মাজে মাজে তেওঁ চোঁৰৰডাল জোকাৰি থাকে। আগতে বায়নজনে হাতৰ চোঁৰৰ জোকাৰি জোকাৰি দৰ্শকৰ মাজে মাজে অহা-যোৱাও কৰিছিল। তেওঁ অনুষ্ঠানৰ মাজে মাজে পালিৰ লগত কথোপকথনৰ দ্বাৰা অভিনয়াংশ আগবঢ়াই নিছিল। বায়নক সহায় কৰিবলৈ একোজন দাইনা পালিও আছিল।






বায়নৰ পাছতে পুতলানাচ অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ লোকজন হৈছে পুতলা নচুওৱা মানুহজন। এওঁ সদায় মঞ্চৰ আঁৰত থাকে। আঁৰকাপোৰৰ পাছফালে থাকি সূতাৰ সহায়ত পুতলাবোৰ সঞ্চালন কৰাৰ উপৰিও তেওঁ মুখত এটা বিশেষ ধৰণৰ পেঁপা লৈ পুতলাবোৰৰ বিভিন্ন মাত উলিয়ায়। কোনো কোনো পুতলা দলত পুতলা নচুওৱাজনক সহায় কৰিবলৈ একাধিক লোক থাকে। পুতলা নচুওৱা শিল্পীজন অতি দক্ষ আৰু কৌশলী লোক। তেওঁ সূতাৰ সহায়ত পুতলাৰ বিভিন্ন অংগী-ভংগী কৰায়। মঞ্চত পুতলাৰ প্ৰৱেশ আৰু প্ৰস্থান ঘটায়। পুতলাৰ হতুৱাই নাটকৰ প্ৰয়োজনীয় বস্তুবোৰ কঢ়িওৱা কাম কৰায়। আনকি পুতলাবোৰক হুহুৱাই, কন্দুৱায়, যুদ্ধ কৰোৱায়। একোজন পাকৈতলোকে একে সময়তে তিনি চাৰিটালৈকে পুতলা নিয়ন্ত্ৰণ কৰিব পাৰে।

পুতলানাচ অনুষ্ঠানৰ কাৰণে যিকোনো অভিনয়ৰ দৰে সাধাৰণ মঞ্চ এখন ব্যৱহাৰ কৰা হয়। মঞ্চৰ আচবাব আদিও সাধাৰণ বিধৰ। মঞ্চৰ পাছফালে মজিয়াত লগাকৈ এখন আঁৰ-কাপোৰ থাকে। এই আঁৰ কাপোৰখনৰ পাছফালে থিয় হৈ নচুওতাসকলে পুতলাবোৰ নিয়ন্ত্ৰণ কৰে। আঁৰ কাপোৰখন সাধাৰণতে ক'লা ৰঙৰ হয়। পুতলাবোৰৰ গাত লগোৱা সূতা ৰঙো ক'লা। এনেকৈ একে ৰঙৰ কাপোৰ আৰু সূতা ব্যৱহাৰ কৰাৰ ফলত দৰ্শকে পুতলাৰ গাত লগোৱা সূতাবোৰ দেখা নাপায়। গতিকে কোনোবাই যান্ত্ৰিক উপায়েৰে পুতলাবোৰ নিয়ন্ত্ৰণ কৰিছে বুলি ভবাৰ পৰিবৰ্তে পুতলাবোৰে স্বয়ংক্ৰিয় ভাৱে কাৰ্যবোৰ সম্পাদন কৰিছে বুলি ধাৰণা জন্মে।

অসমৰ কোন অঞ্চলত পোনতে পুতলানাচৰ আৰম্ভ হৈছিল কবলৈ টান যদিও কামৰূপ আৰু মঙ্গলদৈ অঞ্চলৰ পুতলানাচ অতীতৰ পৰা সাম্প্ৰতিক কাললৈকে পৰম্পৰাগত ভাবে চলি আহিছে। অসমৰ পুতলানাচ অনুষ্ঠানত বেছিভাগ ক্ষেত্ৰত ৰামায়ণৰ পৰাই নাটকীয় কাহিনীভাগ প্ৰস্তুত কৰা হয়। মহাভাৰত আৰু পুৰাণৰ কাহিনীক লৈও এই অনুষ্ঠানৰ নাট মেলা দেখা যায়। কোনো কোনো দলে আধুনিক নাট্যকাৰৰ নাট আৰু সমসাময়িক ঘটনা প্ৰবাহক লৈও অনুষ্ঠান কৰা পোৱা গৈছে।

আধুনিক যুগৰ ন ন আমোদ উপকৰণৰ আমদানিৰ লগে লগে এসময়ৰ অতি জনপ্ৰিয় অনুষ্ঠান পুতলানাচ আজিকালি অনাদৃত হৈ পৰিছে। আজিৰ দৰ্শকৰ পুতলানাচতকৈ চিনেমা থিয়েটাৰৰ প্ৰতি অধিক আসক্তি দেখা যায়। তেনে অৱস্থাত এই অনুষ্ঠান এতিয়া গাওঁ-ভূঁইৰ এচাম সীমিত দৰ্শকৰ মাজতহে চলি আছে। পুতলা নাচৰ লগত জড়িত কলা-কুশলীসকলে অনুষ্ঠানটোত খটুওৱা শ্ৰম আৰু সময়ৰ তুলনাত যি পাৰিশ্ৰমিক পায় তাৰ দ্বাৰা তেওঁলোক থৰ্তি থাকিবলৈ টান সেয়ে ভালেমান লোকে এই বৃত্তি এৰি আন কামত ধৰিছে। ফলত অসমৰ পৰম্পৰাগত আৰু লোক-সংস্কৃতিৰ আন ভালেমান সম্পদৰ দৰে পুতলানাচো লাহে লাহে লোপ পাই আহিব ধৰিছে। পুতলানাচৰ শিল্পীসকলেও এই শিল্পকলাৰ বিষয়ে অধিক চৰ্চা কৰি আধুনিক যুগৰ উপযোগীকৈ অনুষ্ঠানটোক ৰূপ দিয়াৰ চেষ্টা কৰিব পাৰে। এনে প্ৰচেষ্টা হোৱা নাই বুলি কব নোৱাৰি। সময়ে সময়ে দুই এক দলৰ দ্বাৰা আধুনিক দৰ্শকৰ মনত লগাকৈ সমসাময়িক ঘটনাৱলীৰ আধাৰতো পুতলানাচৰ নাট মেলা হৈছে। তেনেদৰে পুতলাবোৰৰ দ্বাৰা প্ৰদৰ্শিত কলা-কৌশল অধিক উন্নত কৰিবলৈকো চেষ্টা কৰা হৈছে। আজিকালি পুতলা থিয়েটাৰ নাম দি কোনো কোনো দলে আধুনিক কলা-কৌশল প্ৰয়োগ কৰি পুৰণি অনুষ্ঠান পৰিবেশন কৰাৰ প্ৰচেষ্টা হাতত লৈছে। কিন্তু পৰিবৰ্তন পৰিবৰ্দ্ধন সাধন কৰোতে যাতে ইয়াৰ মূল ৰূপটোৰ বিকৃতি নঘটে তাৰ প্ৰতি চকু দিব লাগিব, পুতলাদলৰ শিল্পীসকলে তেওঁলোকৰ দক্ষতা দেখুৱাবলৈ সুচল দিবলৈ হ'লে কলাপ্ৰেমী দৰ্শক আৰু সাংস্কৃতিক সংস্থাবোৰৰ লগতে চৰকাৰেও উদাৰ ভাৱে এই পৰম্পৰাগত বৈচিত্ৰ্যময় অনুষ্ঠানটোৰ উদাৰ পৃষ্ঠপোষকতা কৰিব লাগিব।

OKDISCD



# চলচিত্ৰ চৰ্চা

পদুম বৰুৱা

প্ৰথম বত্ৰিশ বছৰ কাল, অৰ্থাৎ ১৮৯৫ চনৰ পৰা ১৯২৭ চনলৈকে, চলচিত্ৰ আছিল নিৰ্বাক। তাৰ ভাষা আছিল কেৱল চাক্ষুস। চিত্ৰক প্ৰাণৱন্ত কৰিছিল তাৰ গতিশীলতাই। পিছত, চিত্ৰৰ লগত তাৰ সম্পৰ্কযুক্ত শব্দৰ (মিল ৰাখি) সংযোগ স্থাপন কৰিব পৰা যান্ত্ৰিক কৌশল উদ্ভাৱন হোৱাত চলচিত্ৰ হৈ পৰিল সবাক। ফলস্বৰূপে, নিৰ্বাক চলচিত্ৰৰ তুলনাত সবাক চলচিত্ৰৰ বাস্তৱ জগতৰ বিশ্বাসযোগ্য প্ৰতিকৃতি নিৰ্মাণ কৰিব পৰা ক্ষমতা বিশেষভাৱে বৃদ্ধি পালে। বিভিন্ন দেশৰ প্ৰতিভাশালী পৰিচালকসকলে পৰীক্ষা- নিৰীক্ষাৰ যোগে গতিশীল দৃশ্যৰ লগত শব্দৰ সম্পৰ্ক স্থাপন কৰাৰ নানা প্ৰকাৰৰ বিচিত্ৰ কলা- কৌশল উদ্ভাৱন কৰি চলচিত্ৰক, ঐতিহাসিক আৰ্থাৰ নাইট্ Arthur Knight অৰ ভাষাত, বিশ্বৰ সৰ্বাধিক জীৱন্ত কলা (The liveliest art) লৈ ৰূপান্তৰিত কৰিলে।

চলচিত্ৰৰ সংগা আৰু জন্ম- বৃত্তান্তৰ চমু পৰিচয়ৰ ইমানতে সামৰণি মাৰি আমি এতিয়া অধিক দীঘলীয়া আলোচনাৰ মাধ্যমটোৰ কলাগত বৈশিষ্ট্যসমূহৰ বুজ ল'বলৈ চেষ্টা চলাম।

## দৃশ্য আৰু ধ্বনি

বাস্তৱ জগতৰ জ্ঞান অৰ্জন কৰাৰ প্ৰাথমিক আৰু সৰ্বপ্ৰধান উপায় হ'ল দৰ্শন। আমাৰ ভাষাত 'দেখিলেহে **লেখিম**'- **বুলি এষাৰ কথা আছে।** **নিজ চকুৰে** নেদেখালৈকে **নিশ্চতভাৱে মানি লবলৈ টান পায়। আদালতৰ** মানুহে সাধাৰণতে কোনো বস্তুৰ অস্তিত্ব বিচাৰৰ ক্ষেত্ৰতো দেখা সাক্ষী (eye- witness)ৰ যোগেদি মানুহ কোনো বস্তুৰ প্ৰতি আকৰ্ষিত হয়, যুৱক- যুৱতীৰ মাজত প্ৰেমৰ সূচনা হয়। দেশ- বিদেশৰ কোনো স্থান আৰু তাৰ মানুহৰ সম্পৰ্কে পুথি পঢ়ি জ্ঞান লাভ কৰিও তাক প্ৰতীয়মান কৰিবলৈ আৰু তাৰপৰা সৃষ্টি হোৱা ঔৎসুক্য উপশমৰ বাবে ধন ভাঙি সেই স্থান ভ্ৰমণ কৰিবলৈ লয়। পৰিদৃশ্যমান জগতখনে যুগ- যুগ ধৰি শিল্পী সাহিত্যিকক সৃষ্টিৰ অনুপ্ৰেৰণা যোগাই আহিছে।

দৰ্শনৰ পিছতে কোনো বস্তু বা ঘটনাৰ জ্ঞান অৰ্জন কৰিবৰ বাবে আনটো আৱশ্যকীয় উপায় হ'ল শ্ৰৱণ, অৰ্থাৎ ধ্বনি। ধ্বনিৰ শব্দৰ উৎপত্তি হয় প্ৰাণীৰ কণ্ঠ, বিভিন্ন বস্তুৰ মাজত হোৱা সংঘৰ্ষ আৰু প্ৰাকৃতিক ঘটনাৱলীৰ পৰা। সেইবাবে, কোনো এটা শব্দ শুনি মানুহে সেই শব্দ যি বস্তু বা ঘটনাৰ পৰা উদ্ভৱ হৈছে সেই বস্তু বা ঘটনা নেদেখাকৈ তাৰ শাৰীৰিক অৱস্থিতিৰ আনুমানিক জ্ঞান লাভ কৰিব পাৰে। তদুপৰি মনুষ্য আৰু জীৱ- জগতৰ কণ্ঠৰ পৰা নিৰ্গত ধ্বনিয়ে- যেনে, মানুহৰ হাঁহি আৰু কান্দোনৰ শব্দ, কুকুৰৰ ভুকভুকনি, গেঙনি, কুঁকুঁৰনি ইত্যাদিয়ে সেই প্ৰাণীবোৰৰ মানসিক অৱস্থাৰ বাৰ্তা বহন কৰে। মানুহে পৰিস্থিতিকৈ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা কথা অৰ্থাৎ ভাষা হ'ল বিশেষ ভাবে যুগুত কৰি সজাই লোৱা কিছুমান সংকেত ধ্বনি। শব্দ- জগতৰ পৰা আহৰণ কৰা উপাদানৰ দ্বাৰাই সৃষ্ট হয় মহীয়ান কলা সংগীতৰ।

বাস্তৱ জগতৰ জ্ঞান লাভ কৰিবৰ বাবে ব্যৱহাৰ্য আন দুটা উপায় স্পৰ্শ আৰু ঘ্ৰাণ তুলনামূলক ভাবে পাশৱিক পৰ্যায়ৰ আৰু সেয়ে, সুকুমাৰ কলাৰ মাধ্যম ৰূপে ব্যৱহৃত নহয়। শিল্পীসকলে তেওঁলোকৰ ভাব আৰু কলাত্মক ধাৰণা প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা সুকুমাৰ কলাৰ মাধ্যমসমূহ সাধাৰণভাৱে দুটা ভাগত বিভক্ত কৰা হয়- দৃশ্য কলা আৰু শ্ৰব্য কলা। **চিত্ৰকলা আৰু ভাস্কৰ্য দৃশ্য কলা-** এইবোৰৰ ৰসোপলব্ধি কেৱল চকুৰ যোগেদি কৰা হয়। সংগীত, কৱিতা আৰু সাহিত্য শ্ৰব্য কলা-এইবোৰ কাণৰ যোগেদি উপভোগ কৰিবলগীয়া কলা। লিপি আৰু আধুনিক যুগৰ শব্দক বাণীবদ্ধ কৰা যন্ত্ৰসমূহ আৰু অনাঁতাৰ যোগাযোগ ব্যৱস্থাৰ আৱিষ্কাৰ হোৱাৰ আগৰ কালছোৱাত বিশুদ্ধ শ্ৰব্য কলা বুলি কোনো বস্তু নাছিল। সেই কালত, কৱিতা আৰু কথাসাহিত্য কেৱল আবৃত্তিৰ যোগেদি ৰূপদান কৰা হৈছিল, যিহৰ ফলত আবৃত্তিকাৰ সকলৰ চকু- মুখত প্ৰকাশ পোৱা আবেগসিক্ত ভাৱ আৰু অংগি- ভংগিয়ে কলাৰ ৰস- সৃষ্টিৰ ক্ষেত্ৰত কিছু পৰিমাণে বৰঙনি আগবঢ়াইছিল। আজিও, সংগীত শিল্পীয়ে শ্ৰোতাৰ আগত তেওঁৰ কলা প্ৰদৰ্শন কৰোতে, তেওঁলোকৰ শাৰীৰিক উপস্থিতিয়ে কিছু পৰিমাণে শ্ৰোতাৰ ৰসোপলব্ধিৰ ক্ষেত্ৰত বৰঙনি আগবঢ়ায়। তথাপিও, ধ্বনিয়ে যেতিয়া এই কলাসমূহৰ একমাত্ৰ উপাদান এইবোৰক শ্ৰব্য কলা বুলি কোৱা হয়। ৰেকৰ্ড আৰু টেপত বাণীবদ্ধ সংগীত, অনাতাঁৰ মাধ্যমেৰে পৰিৱেশন কৰা সংগীত আৰু নাটক অৱশ্যে সম্পূৰ্ণৰূপে শ্ৰব্য কলা। লিপিবদ্ধ সাহিত্য পঠিত অৱস্থাত বিমূৰ্ত কলা, কাৰণ তেনে অৱস্থাত ইয়াৰ শ্ৰৱণ- যোগ্য আৱেদন কিছুমান সংকেত চিনৰ যোগেদি পঢ়ুৱৈৰ মন আৰু মস্তিষ্কলৈ প্ৰেৰণ কৰা হয়। ই দৃশ্যধৰ্মী কলা নহয় এই বাবেই যে দৰ্শনীয় বস্তু হ'লেও আখৰবোৰ দৰ্শকৰ মানসপটত বাস্তৱ জগতৰ কল্পিত ৰূপ অংকন কৰিবৰ বাবে ব্যৱহাৰ কৰা কিছুমান অৰ্থআৰোপিত ধ্বনিৰ প্ৰতীক চিহ্নহে। সাহিত্য- কলা কল্পনাশ্ৰয়ী আৰু ইংগিতধৰ্মী হোৱাৰ বাবেই দৃশ্য আৰু শ্ৰব্য কলাৰ তুলনাত তাৰ আবেদন অধিক জটিল, গভীৰ আৰু বুদ্ধিদীপ্ত হোৱাৰ যোগ্যতাসম্পন্ন।

দৃশ্যৰ লগত শব্দই ওচৰা- ওচৰি পৰিমাণৰ ভূমিকা গ্ৰহণ কৰা কলাসমূহক আজি- কালি দৃশ্য- শ্ৰব্য কলা বুলি কোৱা হয়। নৃত্য- কলা, মঞ্চ- নাট, চিনেমা, ভিডিঅ'- নাট এনে ধৰণৰ কলা। আমাৰ দেশৰ একালত নাটকক 'দৃশ্যকাব্য' বুলি কোৱা হৈছিল যিটো শব্দই মাধ্যমটোৰ দৃশ্য- শ্ৰব্য ৰূপৰ কথাকে সূচাইছিল। এতিয়া আমি আন দৃশ্য- শ্ৰব্য কলাসমূহৰ তুলনাত চলচিত্ৰ দৃশ্য আৰু শব্দৰ সৃষ্টিমূলক ভূমিকা নো কেনে তাৰ এটা সাধাৰণ বুজ পাবলৈ চেষ্টা চলাম।

চলচিত্ৰৰ বাহিৰে আন দৃশ্য- শ্ৰব্য কলাসমূহ হ'ল ঘাইকৈ নৃত্য- কলা, গীতি নাট্য (opera)আৰু মঞ্চ- নাট্য। চিনেমাৰ লগত কাৰিকৰী দিশত থকা পাৰ্থক্যৰ সত্বেও ৰূপগত মিলৰ বাবে সৰ্বাধুনিক কলা টেলিভিছন আৰু ভি ডি অ'ক এই আলোচনাৰ বাবে সুকীয়া কলা বুলি আমি গণ্য কৰা নাই।

ভাৰতীয় সংগীত শাস্ত্ৰৰ মতে গীত, বাদ্য আৰু নৃত্যৰ সমষ্টিয়েই হ'ল সংগীত। অৰ্থাৎ নৃত্য সংগীতৰেই এটা অংশ বা বিভাগ। সেইবাবেই, নৃত্য- কলাৰ ক্ষেত্ৰত - সি ভাৰতীয় নৃত্যই হওক পশ্চিমীয়া বেলে (Ballet) নৃত্যই হওক দৃশ্য আৰু ধ্বনিৰ সম্পৰ্ক অবিচ্ছেদ্য। সংগীত বিহীন নৃত্যই অৰ্থহীন হাস্যৰসৰ বাহিৰে আন কোনো ৰসৰ সৃষ্টি কৰিব নোৱাৰে।

পশ্চিমীয়া দেশসমূহত এটা উচ্চ পৰ্যায়ৰ প্ৰদৰ্শন- কলা ৰূপে প্ৰতিষ্ঠিত সংগীত আৰু নাট্যকলাৰ সংযোগত গঢ়ি উঠা অপেৰা এটা মিশ্ৰ কলা। কিন্তু এই কলাৰ ৰূপদানৰ ক্ষেত্ৰত গায়ক -অভিনেতাৰ গতি, অংগ সজ্জা, সাজ- সজ্জা আৰু মঞ্চ- সজ্জাৰ দৰে দৃশ্যধৰ্মী **উপাদান সমূহৰ তুলনাত কবিতা কণ্ঠ সঙ্গীত** আৰু সমবেত যন্ত্ৰ সংগীতে সৰ্বাধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবে অপেৰাক এটা প্ৰধানকৈ শ্ৰব্য কলাৰূপে গণ্য কৰা হয়।

অপেৰাৰ দৰে, মঞ্চাভিনয়ো মূলতঃ এটা শ্ৰব্য- কলা। অপেৰাৰ ক্ষেত্ৰত যেনেকৈ ভাৱ প্ৰকাশৰ প্ৰধান মাধ্যম সংগীত, ইয়াত সেই বস্তুটো হ'ল বচন। মন কৰিবলগীয়া কথা যে মূলতঃ শ্ৰৱণীয় কলা হোৱাৰ বাবেই পশ্চিমত বেলে, অপেৰা আৰু মঞ্চাভিনয় উপভোগ কৰা লোকসকলক শ্ৰোতা (audiance) হে বোলা হয়, দৰ্শক (spectator) বোলা নহয়।

চলচিত্ৰ- কলাৰ জন্ম আৰু লালন- পালন

হৈছিল তাৰ নিৰ্বাক ৰূপত। নিৰ্বাক চলচিত্ৰই তাৰ প্ৰায় সাতত্ৰিশ বছৰীয়া (১৯২৭ চনত সবাক চিত্ৰৰ নিৰ্মাণ আৰম্ভ হৈছিল যদিও নিৰ্বাক চলচিত্ৰৰ নিৰ্মাণ ঘাইকৈ ইউৰোপ আৰু এচিয়াৰ দেশসমূহত ১৯৩০ চনলৈকে অব্যাহত আছিল) কালছোৱাৰ শেষৰফালে মহান কলা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। 'ইনটলাৰেন্স' (Intolerance) 'গ্ৰীদ' ((Greed)বেটল্‌শ্বিপ পটেমকিন'(Battleship potemkin), 'দি লাষ্ট লাইফ' (The last life), আবেল গেনচ্ (Abel gance) নাঁপালিয়ন (Napoleon) অৰ দৰে কালজয়ী ছবিবোৰ নোচোৱাকৈ নিৰ্বাক চলচিত্ৰৰ ব্যাপক আৰু শক্তিশালী প্ৰভাৱ উপলব্ধি কৰিব পৰা নাযায়। সেই বাবে সেই সময়ৰ সহৃদয় দৰ্শকসকলৰ মনত দৃশ্যৰ লগত শব্দৰ সংযোজনাই অস্বস্তিৰ সৃষ্টি কৰিছিল।

শব্দৰ আগমনৰ পিছত দুবছৰমান কালৰ বাবে চলচিত্ৰ, ইতিপূৰ্বে (ইয়াৰ আগত প্ৰবন্ধত) উল্লেখিত কাহিনী চিত্ৰৰ বিখ্যাত বাটকটীয়া জৰ্জ মেলিএচৰ মঞ্চধৰ্মী নিৰ্বাক ছবিবোৰৰ দৰে, সবাক চিত্ৰও মঞ্চাভিনয়ৰ আলোকচিত্ৰত পৰিণত হৈছিল ; নিৰ্বাক চিত্ৰৰ গতিশীল দৃশ্যৰ পৰিবৰ্তে সংলাপ হৈ পৰিছিল তাৰ ভাব প্ৰকাশৰ মুখ্য মাধ্যম। তাৰ পাছত পাঁচ বছৰমানৰ কালছোৱাত ইংলেণ্ডৰ (সেই সময়ৰ) এলফ্ৰেদ হিচকক্ Alfred Hitchock), ফ্ৰান্সৰ ৰেনে ক্লেয়াৰ Rene clair), আমেৰিকাৰ ৰুবেন মামুলিয়ান (Rouben Mamoulian), কিং ভিদৰ ((king vidor) অকে ধৰি প্ৰতিভাশালী চিত্ৰ নিৰ্মাতাসকলৰ হাতত সবাক চিত্ৰ এটা নতুন দৃশ্য- প্ৰধান দৃশ্য- শ্ৰব্য কলাৰূপে অধিষ্ঠিত হ'ল।


চলচিত্ৰত দৃশ্য আৰু শব্দৰ সম্পৰ্ক কেনে ধৰণৰ হোৱা উচিত সেই সম্পৰ্কে আজিও নানা মুনিৰ নানা মত বিদ্যমান। এই সন্দৰ্ভত উদয় হ'ব পৰা সকলো প্ৰকাৰৰ প্ৰশ্নৰ এটা গ্ৰহণযোগ্য উত্তৰ আইভৰ মন্টেগু (Ivor Montegu) ৰে তেওঁৰ ফিল্ম ৱৰ্ল্ড (Film world) নামৰ কিতাপত প্ৰকাশ কৰা তলত উদ্ধৃত কথা কেইষাৰত নিহিত আছে বুলি আমাৰ বিশ্বাস ঃ

To start : picture is primitive, the porblem is to find the sound to go with the picture, rather than the picture to go with the sound .

This is not because the picture is 'better' in some indefinite way than sound, but simply because sound is sound and movies are pictures. Each has its place, it's methods and posslbilities of communication, Except to blind man, a picture is more explict, more immediate than sound.

চলচিত্ৰত শব্দৰ ব্যৱহাৰ সম্পৰ্কে আগলৈ যথাস্থানত অধিক দীঘলীয়া আলোচনা আগবঢ়োৱা হ'ব। ●

# 'কোলাহল' মুক্তিৰ অপেক্ষাত



ডঃ ভবেন্দ্ৰ নাথ শইকীয়াই বিখ্যাত এন্দুৰ গল্পৰ আধাৰত নিৰ্মাণ কৰিছে কোলাহল। ছবিখনৰ পৰিচালনা , চিত্ৰনাট্য, প্ৰযোজনা শইকীয়াৰ। মুখ্য ভূমিকাত আছে ৰুণু দেৱী, অৰুণ নাথ, , বিভুতিৰঞ্জন চৌধুৰী আৰু বহুতো ন পুৰনি শিল্পী।



# দেওলগা শিল্পী

বহুদিন আগতে 'প্ৰকাশ' আলোচনীৰ এটা সংখ্যাত হোমেন বৰগোহাঞিয়ে এজন অনাখৰী শিল্পীৰ বিষয়ে লিখিছিল। বৰগোহাঞিৰ লেখাত শিল্পীজনৰ অবিৰত সৃষ্টি প্ৰেৰণাৰ বিষয়ে পঢ়ি বিস্ময়ত মুগ্ধ হৈ পল গঁগালৈ মনত পৰিছিল। পল গঁগাৰ দুৰন্ত সৃষ্টি প্ৰেৰণা যেন কোকৰাঝাৰ জিলাৰ দোতমাৰ কাষৰ গয়াবাৰী গাঁৱৰ এই শিল্পীজনৰ মাজত জীৱন্ত। তেওঁ হয়তো গগাৰ নামেই শুণা নাই। গঁগাৰ দৰে তেওঁ উপকূল আৰু প্ৰকৃতিৰ মাজলৈ শিল্প সৃষ্টিৰ বাবে ওলাই যোৱা নাছিল। ঘৰখনেই, বাৰীখনেই আছিল তেওঁৰ ষ্টুডিঅ', কৰ্মশালা। দা, কুঠাৰ, কৰত, হাতুলী-বটাৰী আছিল তেওঁৰ সৃষ্টিৰ সজুলি। বাৰীৰ বাঁহ, গছৰ মুৰা, ওচৰৰ হাবি কাঠ হ'ল সৃষ্টিৰ মাধ্যম। 'প্ৰকাশ'ত লোক ভাস্কৰজনৰ বিষয়ে পঢ়াৰ পাছত তেওঁৰ সৃষ্টি কৰ্ম আৰু শিল্পীজনক চোৱাৰ প্ৰবল হেপাহ জাগিছিল। আমাৰ দৰে মধ্যবিত্ত শিল্পপ্ৰেমিকৰ বাবে নিজৰ ৰাজ্যৰ কোকৰাঝাৰ যে সাত সাগৰ তেৰ নদীৰ সিপাৰ।

কিছুদিন আগতে ব্যক্তিগত কামত কোকৰাঝাৰলৈ যাওতে পুৰণি ইচ্ছাই পুনৰ উক দিলে। লোকভাস্কৰ দেৱীচৰণ ব্ৰহ্মা আৰু তেওঁৰ সৃষ্টি কৰ্মক নিজ চকুৰে দেখিম- এই আনন্দত শিহৰি উঠিছিলো। কিন্তু আমি নিৰ্লজ্জভাৱেই অজ্ঞ। বছৰ দিয়েক আগতেই ব্ৰহ্মাৰ মৃত্যু হৈছে। আমাৰ দৰে সংবাদ পত্ৰৰ লগত জড়িত আৰু 'তথ্য অভিজ্ঞ' লোকে এনে এজন প্ৰাণৱন্ত শিল্পীৰ পৰলোকৰ সংবাদেই নাজানো। মৃত্যুৰ লগে লগে গাঁৱবাসীয়ে ব্ৰহ্মাৰ বহু সৃষ্টিকৰ্মকো তেওঁৰ চিতাত স্থান দিছিল। কিয়নো গাঁৱবাসী আৰু পৰিয়ালৰ মানুহে বিশ্বাস কৰিছিল যে, ব্ৰহ্মা এজন দেওলগা লোক। পৃথিৱীৰ সকলোলৈকে পিঠি দি নিজৰ সৃষ্টিত আত্মহাৰা ব্ৰহ্মাক গাঁৱবাসী বা পৰিয়ালৰ লোকে সাধাৰণ লোক বুলি গ্ৰহণ কৰা নাছিল। তেওঁ জীৱন কালত অবিৰাম গতিত ব্ৰহ্মাই সৃষ্টি কৰা অসংখ্য সম্পদেৰে তেওঁৰ ঘৰ আৰু চৌহদ উপচি পৰিছিল সৃষ্টিত তেওঁ এনে একাগ্ৰপতীয়া আছিল যে, কাৰোফালে চোৱা বা বাক্য বিনিময় কৰাৰ আহৰিও তেওঁৰ নাছিল। সেয়ে গাঁৱবাসীয়ে দেওলগা শিল্পীৰ প্ৰায় সকলো সম্পদ চিতাত জাপি দিছিল। তাৰে কিছু কিবাপ্ৰকাৰে কোকৰাঝাৰ কলা বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ মহন্তই ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। সেইখিনি এতিয়া বিদ্যালয়ত আছে। স্বল্পভাষী, আত্মপ্ৰচাৰ বিমুখ ব্ৰহ্মাই কাঠ বাহ আৰু পেলনীয়া বস্তুৰে সহস্ৰাধিক ভাস্কৰ্য সৃষ্টি কৰিছিল প্ৰকৃত অৰ্থতসকলো সৃষ্টিয়েই ভাস্কৰ্যৰ শাৰীত নপৰিলেও ব্ৰহ্মাৰ সৃষ্টিৰ লোক কলাত্মক আবেদন, গঢ়ৰ নিভাজৰূপ আৰু বক্তব্য স্পষ্ট। ব্ৰহ্মাৰ তেজত থকা সৃষ্টি প্ৰেৰণাৰে সিক্ত বহুসম্পদৰ মাজত গতি ছন্দ আৰু আদিম বলিষ্ঠতা বিদ্যমান। মহাকাব্যৰ পৰা দৈনন্দিন জীৱনৰ বিভিন্ন চৰিত্ৰ তেওঁৰ সৃষ্টিত জীৱন্তভাৱে উদ্ভাসিত। ১৯৮০ চনত কোকৰাঝাৰ কলা বিদ্যালয়ে ব্ৰহ্মাৰ শিল্প কৰ্মৰ এখন প্ৰদৰ্শনী স্থানীয়ভাৱে আয়োজন কৰিছিল। জীৱনত পাঁচহেজাৰ টকীয়া চৰকাৰী সাহায্যৰ বাহিৰে আন-একো নোপোৱা জীৱন শিল্পী ব্ৰহ্মাই মৃত্যুৰ আগমুহূৰ্তলৈকে সৃষ্টি কৰি গৈছিল উদ্দাম গতিৰে।



দেৱীচৰণ ব্ৰহ্মাৰ সৃষ্টিকৰ্ম
আলোকচিত্ৰ, প্ৰদীপ মহন্ত

# সমিৰণ বৰুৱাৰ চিত্ৰ

ক্লান্তিকৰ, আমনিদায়ক, গতানুগতিকতাৰ বিপৰীতে যোৱা বছৰৰ ১৯ৰ পৰা ২৩ ডিচেম্বৰলৈ গুৱাহাটী আৰ্ট গেলেৰীত অনুষ্ঠিত সমিৰণ বৰুৱাৰ তৈল চিত্ৰৰ প্ৰদৰ্শনী সতেজ আৰু চিত্ত আকৰ্ষক। বৰুৱাৰ চিত্ৰৰ শৈলী, ৰঙৰ ভাষা আৰু জীৱন সম্পৰ্কে কৰা অৰ্থবহ মন্তব্যই দৰ্শকৰ চকু আৰু মনক নতুনত্বৰ সন্ধান দিয়ে। বহুদিনৰ পিছত গুৱাহাটীত এনে এখন প্ৰদৰ্শনীৰ ব্যৱস্থা হ'ল। বৰুৱাই গতানুগতিক ৰীতিত নিজক বিলীন নকৰি নিজস্ব শৈলী আৰু অন্তৰ্দৃষ্টিৰে জীৱন চোৱাৰ আন্তৰিক প্ৰচেষ্টা চলাইছে আৰু সেইক্ষেত্ৰত তেওঁ বহুদূৰ কৃতকাৰ্য। জীৱনক তেওঁ বিস্তৃত প্ৰেক্ষাপটত চোৱাৰ প্ৰয়াস কৰিছে। কুণ্ডিলৰ জলৰাশিৰ বুকুত তুলুঙা নাৱেৰে পাৰ হোৱা মুনিহ তিৰোতা এহালৰ চিত্ৰই পৌৰানিক জীৱন প্ৰবাহৰ এক গতিময় দিশৰ সন্ধান (Rowing in an ancient night of kudilnagar) দিয়ে। টেৰাকটা মূৰ্ত্তিৰ আৰ্হিত অংকিত মানৱ চৰিত্ৰ দুটিৰ আত্মধ্যিক প্ৰকাশক ৰাতিৰ নৈৰ পানী, আকাশ আৰু কাচিজোনে বাস্তৱ কৰি তুলিছে। সেইদৰে বৰুৱাই আধুনিক জীৱন যাত্ৰাত জৰ্জৰিত গাঁৱৰ চৰিত্ৰকো (In a remote village group shot) কেনভাচ জোৰা বিবৰ্ণতাৰ মাজত প্ৰতিটো চৰিত্ৰকে পৃথক ৰূপত আকিও সামগ্ৰিকভাৱে জীৱনৰ ধূসৰতাক মূৰ্ত্ত কৰি তুলিছে। কেনভাচৰ বহুঠাই আগুৰা কল গছৰ সেউজৰ মাজত মানুহৰ একাকীত্ব (lovelymen under bannana leaves) সন্তানক সাধটি থকা পিতৃত্বৰ (Father and Child) অক্ষম অসহায় অস্তিত্ব, বাওনা বাহীবাদক আৰু শায়িতা নাৰীৰ (A dreqen of mid summer night) চিত্ৰত হালধীয়াৰ মাজেৰে জীৱনৰেই অনন্ত প্ৰবাহ যেন বিচ্ছুৰিত।

বৰুৱাই ৰঙৰ ব্যৱহাৰৰ ক্ষেত্ৰত সংৰক্ষণশীল মনোভাৱৰ পৰিচয় দিয়া নাই। ৰঙ, ছাঁ পোহৰৰ খেলা আৰু অংকনৰ দক্ষতাই প্ৰতিখন ছবিকেই দৃষ্টিগ্ৰাহ্য সম্পদৰ মৰ্যাদা দিছে। ইয়াৰ মাজতেই চিত্ৰকৰ ৰূপে বৰুৱাই প্ৰকৃত অৰ্থত আধুনিক মানসিকতাৰ পৰিচয় দিব পাৰিছে। প্ৰতিকৃতি বা নৈসৰ্গিক দৃশ্য অকংনতো যে, বৰুৱা দক্ষ তাৰ ছাপ এইবাৰৰ প্ৰদৰ্শনীয়ে বহন কৰিছে। ●

হেমন্ত বৰ্মন



OKDISCD

# মহিলাৰ সৌন্দৰ্য ৰক্ষাৰ বাবে যোগাসন

**"শৰীৰ মাদ্যং খলুধৰ্ম সাধনম।"**

শৰীৰ ভালে থাকিলে সকলো ভাল লাগে। বৰ্তমান যন্ত্ৰসভ্যতাৰ যুগত আমি সকলোৱেই বুদ্ধি আৰু চিন্তাৰ মাজেৰে আগবাঢ়িলেও শাৰীৰিক পৰিশ্ৰমৰ ফালৰ পৰা আমি বিমুখ হৈছো। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে আমি সকলো বস্তু হাতৰ ওচৰত পাইছো। যাৰ ফলত দৈহিক পৰিশ্ৰমৰ প্ৰয়োজন নাইকীয়া হৈ আহিছে। আমাৰ স্বাভাৱিক কৰ্মক্ষমতা লাহে লাহে হ্ৰাস পাই আহিছে। সেয়েহে দৈহিক কিছু পৰিমাণে হ'লেও আমাৰ অঙ্গ চালনা কৰা প্ৰয়োজন। সঁচা কথা ক'বলৈ গ'লে যোগাসনৰ জৰিয়তে আমাৰ অঙ্গ যেনে পেশী, স্নায়ু আৰু অস্থিৰ পৰিচালনা আৰু তেজৰ সঞ্চালন ভালদৰে হয়।


সাধাৰণতঃ দৈনন্দিন জীৱনৰ কামত আমাৰ সকলো অঙ্গ চালনা নহয়। তদুপৰি আগৰ মা-আইতাহঁতৰ গৃহস্থলীৰ কামত যেনেকুৱা পৰিশ্ৰম হৈছিল বৰ্তমান যুগৰ মহিলাসকলৰ বোধহয় তাৰ আধাও নহয়। যাৰ ফলত বৰ্তমান যুগত মহিলাৰ বাবে যোগাসনৰ অতীৱ প্ৰয়োজন। যোগাসনে যেনেকৈ শৰীৰক লাৱণ্যময়ী, সুশ্ৰী তথা সুন্দৰ কৰি তোলে ঠিক তেনেকৈ ভৱিষ্যতত হ'ব পৰা ৰোগৰ পৰাও দেহক ৰক্ষা কৰে।

সৌন্দৰ্য নাৰীৰ একান্ত কাম্য আৰু সাধনাৰ বস্তু। শৰীৰৰ আভ্যন্তৰীণ যন্ত্ৰক সুষ্ঠভাৱে পৰিচালনা কৰিব পাৰে একমাত্ৰ যোগাসনে। অৱশ্যে যেনেকৈ তেনেকৈ নকৰি উপযুক্ত যোগচিকিৎসকৰ পৰামৰ্শ লৈহে যোগাসন কৰা উচিত।

প্ৰথম অৱস্থাত যোগাসন কৰিবলৈ লওঁতে কিছু কষ্ট হলেও পুনঃ পুনঃ চেষ্টাৰ ফলত আসনটো সহজসাধ্য হৈ পৰে। বিভিন্ন বেমাৰৰ বাবে অথবা সৌন্দৰ্য ৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ আসন আছে। তাৰ ভিতৰত এবিধ হ'ল চক্ৰাসন, যিটোৰ দ্বাৰা ককালত অত্যধিক মেদ থাকিলে কমি যায়, ৰাজহাড় কোমল হয়, বুকুৰ গঠন সুন্দৰ হয়, ককালৰ বিষ থাকিলে কমি যায়। এই আসনটো কৰাৰ সময়ত মূৰৰ তেজ চলাচল বৃদ্ধি পায়। ফলত মানসিক শ্ৰমজনিতক্লান্তি দূৰ হয়। চহিনাচাইটিছ, ল ব্লাড প্ৰেচাৰ, ব্ৰঙ্কাইটিছ, হাঁপানী ইত্যাদি বেমাৰৰ পৰা ৰোগমুক্ত হয়।

চক্ৰাসন কৰাৰ প্ৰণালী- এই আসনটো দুটা পদ্ধতিৰে কৰিব পৰা যায়।

১ম পদ্ধতি-ভৰি দুখন দহ বাৰ ইঞ্চিমান মেলি হাতদুখন কাণৰ ওচৰত লৈ থিয় হৈ থাকিব লাগে। তাৰ পাছত লাহে লাহে ককালৰ ওপৰৰ অংশখিনি পিছফালে নি হাত দুখন মাটিত পেলাই দিব লাগে। এনে অৱস্থাত প্ৰথমতে তিনি বা পাঁচ চেকেণ্ডমান থাকি পুনৰ চিধা হৈ উঠি থিয় হ'ব লাগে। এই পদ্ধতিৰে চক্ৰাসন কৰা সকলোৱে কাৰণে সহজসাধ্য নহয়। সেইকাৰণে ২য় পদ্ধতি হ'ল- প্ৰথমতে চিধা হৈ শুই যাব লাগে। এতিয়া হাতদুখন মূৰৰ দুইফালে নি কাণৰ ওচৰত ৰাখিব লাগিব। হাতৰ আঙুলিকেইটা কান্ধৰ ফালে ৰাখি ভৰি দুখন কোচাই গেৰুৱা দুটা টিকাৰ ওচৰত আনিব লাগিব। এতিয়া হাত আৰু ভৰিৰ ওপৰত জোৰ দি গোটেই শৰীৰটো ওপৰত উঠাই ৰাখিব লাগিব। মূৰৰ লগত ডিঙি ঢিলা কৰি ৰাখি উশাহ-নিশাহ স্বাভাৱিকভাৱে ৰাখিব লাগে। প্ৰথমতে ৫ চেকেণ্ডমান তেনে অৱস্থাত থাকি পিছত পুনৰ শৰীৰটো তললৈ নমাই আনিব লাগিব। পুনৰ আকৌ অভ্যাস কৰক, ৫ চেকেণ্ডৰ পৰা সাধ্যানুযায়ী বৃদ্ধি কৰিব পাৰে। বয়সস্থ মহিলাৰ বাবে এই আসনটো কিছু টান হ'ব। সেয়ে তেওঁলোকে শিক্ষক-শিক্ষয়িত্ৰীৰ পৰামৰ্শ লৈহে কৰা উচিত।





আন এবিধ আসন দুশ ধনুৰ আসন বা ধনুৰাসন (Bowposture)। এই আসনটো কৰাৰ প্ৰণালী হ'ল- প্ৰথমতে উবুৰি হৈ শুই যাব। অৰ্থাৎ পেট পেলাই শুব লাগিব। এতিয়া ভৰি দুখন কোঁচাই পিছফালে ককালৰ ওচৰলৈ নিয়ক। এতিয়া হাত দুখন পিছফালে নি হাতেৰে ভৰিৰ গেৰুৱাৰ ওপৰত ধৰিব, ভৰি দুখন যিমান পৰা যায় পিছফালে দাঙি ৰাখিব লাগিব। হাত, ভৰি, বুকু ওপৰত উঠিব আৰু নাভি আৰু পেট তলত থাকিব। উশাহ-নিশাহ স্বাভাৱিকভাৱে ৰাখি আৰম্ভণীতে তিনি বা পাঁচ চেকেণ্ড তেনে অৱস্থাত থাকিব। পিছলৈ সময়ৰ পৰিমাণ বঢ়াই ল'ব পাৰে সাধ্যানুযায়ী।

এই আসনৰ পৰা পেটৰ নানাধৰণৰ ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি; যেনে- অক্ষুধা, অম্বল, কোষ্ঠবদ্ধতা, পেটৰ বায়ু, কোলাইটিস আৰু হাঁপানী ৰোগ ভাল কৰে। স্পণ্ডিলেসিস, প্লীপতিস্কৰ বিষন্ন পৰাও ৰক্ষা পোৱা যায় এই আসনৰ দ্বাৰা। এই আসনে মানুহৰ কৰ্মক্ষমতা বৃদ্ধি কৰে।

যিকোনো আসন কৰিলেই শৰীৰৰ তেজ চলাচল ভাল হয়। ৰাজহাড়ৰ নমনীয়তা বৃদ্ধি পায়। ৰাজহাড় কোমল হৈ থাকিলে যৌৱন সুৰক্ষিত হৈ থাকে, লাৱণ্য আৰু সৌন্দৰ্য বৃদ্ধি পায়। আমাৰ যোগ প্ৰতিস্থান "ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰ"ই আজি কেইবছৰ মানৰ পৰাই যোগশিক্ষা দি আহিছে। যোগাসন শিক্ষা অলপ কৰিলেও শুদ্ধভাৱে কৰিব লাগে।

যোগশিক্ষয়িত্ৰী
শ্ৰীবহ্নিশিখা দেৱী

# অ'জন আৰু পাৰিপাৰ্শ্ব


বিষ্ণু প্ৰসাদ শৰ্মা

আজিৰ আধুনিক বিজ্ঞানৰ যুগত বিজ্ঞানীসকলে পৃথিৱীৰ প্ৰাকৃতিক সম্পদৰাজিক মানব সমাজৰ সুখ-স্বাচ্ছন্দ্যৰ বাবে ব্যৱহাৰ কৰিবলৈ সমৰ্থ হৈছে। বিজ্ঞানৰ এই দানসমূহে মানব সমাজৰ কল্যান সাধন কৰিছে সঁচা কিন্তু ইয়াৰ ফলত পৃথিৱীত সৃষ্টি হোৱা অশান্ত পৰিস্থিতিটোৰ কথাও নুই কৰিব নোৱাৰি। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে পৃথিৱীৰ অৱস্থাৰ যি পৰিবৰ্তন সাধিত হৈছে, তাক লৈ বিশ্বৰ সচেতন মহল আজি শংকিত আৰু চিন্তিত। বিজ্ঞানৰ এই ন ন আবিস্কাৰে পৃথিৱীৰ বায়ুমণ্ডল আৰু ইয়াত বসবাস কৰা জীৱজগতৰ ওপৰত কেনে ধৰণৰ অশুভ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সেইবিষয়ে আজি কেইবা দশকো ধৰি বিজ্ঞানীসকলে যথেষ্ট চিন্তা চৰ্চা কৰা দেখা গৈছে।

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে পৃথিৱীত নিতৌ ন ন উদ্যোগ গঢ়ি উঠিব লাগিছে আৰু বাট পথত অসংখ্য যান-বাহন চলিব লাগিছে। এই বিভিন্ন উদ্যোগ আৰু যান-বাহনৰ পৰা নিৰ্গত হোৱা বিষাক্ত গেচ, ৰাসায়নিক পদাৰ্থ আৰু পেলনীয়া দ্ৰব্যই আমাৰ পৃথিৱীখন আৰু ইয়াৰ বায়ুমণ্ডল দুষিত কৰিছে। এই বিষাক্ত দ্ৰব্যবোৰে আমাৰ বায়ুমণ্ডলৰ তাপ পৰিবহন ক্ষমতা, প্ৰবাহী গতি আৰু ৰাসায়নিক গঠনৰ যথেষ্ট পৰিবৰ্তন ঘটাইছে। ফলত বায়ুমণ্ডলৰ প্ৰাকৃতিক ভাৰাসাম্য নষ্ট হোৱা উপক্ৰম হৈছে। বায়ুমণ্ডলৰ স্বাভাৱিক গঠনৰ পৰিবৰ্তন ঘটোৱা অন্য এটা উল্লেখযোগ্য কাৰণ হৈছে বায়ুমণ্ডলৰ অ'জন স্তৰৰ ক্ষয়ীভৱন।

এই প্ৰবন্ধত বায়ুমণ্ডলৰ অ'জন স্তৰৰ ক্ষয় কেনেকৈ হয় আৰু ইয়াৰ ফলত পৃথিৱীৰ বায়ুমণ্ডল আৰু ইয়াত বসবাস কৰা জীৱ জগতৰ ওপৰত কেনে অশুভ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তাকে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## অ'জন আৰু বায়ুমণ্ডল




চিত্ৰ নং এক ঘনত্ব গ্ৰাম, ঘনমিটাৰ

অ'জন হৈছে অক্সিজেন পৰমাণুৰ দ্বাৰা গঠিত এবিধ বৰ্ণহীন আৰু কেঁচা মাছৰ দৰে গন্ধ যুক্ত গেচ। ইয়াৰ আনৱিক সংকেত হৈছে $O_3$। অন্যহাতে অক্সিজেনৰ আনবিক সংকেত হৈছে $O_2$। অ'জনক অক্সিজেনৰ এটা বহুৰূপ বুলি কোৱা হয়। বিদ্যুৎমোক্ষণ (Electric discharge)ৰ দ্বাৰা বা অতি বেঙুনী ৰশ্মি (Ultra violet ray)ৰ সহায়ত অক্সিজেনৰ পৰা অ'জন প্ৰস্তুত কৰিব পাৰি।

যদিও অক্সিজেনৰ আৰু অ'জন গেচ একেবিধ মৌলৰ দ্বাৰা তৈয়াৰী তথাপিও ইহঁতৰ ৰাসায়নিক ধৰ্ম সম্পূৰ্ণ বেলেগ। অক্সিজেন অবিহনে কোনো জীৱ পৃথিৱীত বৰ্তি থকা সম্ভৱ নহয়। অন্যহাতে বেছি পৰিমাণৰ অ'জন সকলো প্ৰকাৰৰ জীৱৰ বাবে ক্ষতিকাৰক। বায়ুমণ্ডলৰ নিম্নাংশত থকা অ'জন সকলো প্ৰকাৰৰ জীৱৰ বাবে ক্ষতিকাৰক। বায়ুমণ্ডলৰ নিম্নাংশত থকা অ'জনে বায়ুমণ্ডল দুষিত কৰাৰ ফলত মানুহৰ শ্বাস-প্ৰশ্বাস জনিত ৰোগ হ'ব পাৰে আৰু ই উদ্ভিদবো যথেষ্ট ক্ষতি সাধন কৰিব পাৰে। কিন্তু বায়ুমণ্ডলৰ ওপৰ ভাগত থকা অ'জন গেচৰ স্তৰটোৱে পৃথিৱীত জীৱ জগত বৰ্তি থকাত যথেষ্ট সহায় কৰে। বায়ুমণ্ডলৰ ষ্ট্ৰেটোস্ফিয়াৰ (Stratosphere)ত থকা অ'জনৰ স্তৰটোৱে পৃথিৱীক এটা ছাতিৰ দৰে ঢাকি ৰখাৰ বাবে সূৰ্যৰ পৰা অহা অতি-বেঙুনী ৰশ্মিৰ আটাইখিনি পৃথিৱীত নপৰেহি। এই অতি বেঙুনী ৰশ্মি জীৱ জগতৰ বাবে অত্যন্ত ক্ষতিকাৰক। যদি সূৰ্যৰ পৰা অহা অতি বেঙুনী ৰশ্মিৰ আটাইখিনি আহি আমাৰ পৃথিৱী পালেহিহেঁতেন তেন্তে এই পৃথিৱীত জীৱৰ অস্তিত্বই নাথাকিলেহেঁতেন। কিন্তু অ'জন স্তৰটো ভেদ কৰি যি সামান্য অংশ অতি বেঙুনী ৰশ্মি তাহি আমাৰ ভূ-পৃষ্ঠত পৰে সেই অংশটোৱে জীৱ জগতৰ পৰম উপকাৰ সাধন কৰে। এই অতি বেঙুনী ৰশ্মিৰ সামান্য অংশই মানুহৰ ছালৰ ৰঞ্জক (Pigment) পদাৰ্থ আৰু খাদ্য প্ৰাণ ঘ (Vitamin-D) ৰ প্ৰস্তুত কৰে। এই ৰশ্মিয়ে কিছুমান বেক্টেৰিয়াও ধ্বংস কৰে।

পৃথিৱীৰ বায়ুমণ্ডলক কেইবাটাও স্তৰত ভাগ কৰা হৈছে। বায়ুমণ্ডলৰ ভূ-পৃষ্ঠৰ গাতে লাগি থকা স্তৰটোক ট্ৰোপোস্ফিয়াৰ(Troposphere) বোলে। এই স্তৰটোক উচ্চতা বিষুব অঞ্চলত প্ৰায় ১৬ কিঃ মিঃ আৰু মেৰু অঞ্চলত প্ৰায় ৮ কিঃ মিঃ। বতৰৰ সকলো পৰিবৰ্তন এই স্তৰটোতে হোৱা দেখা যায়।

ট্ৰোপোস্ফিয়াৰৰ ওপৰত প্ৰায় ৫০ কিঃ মিঃ উচ্চতালৈ বিস্তৃত হৈ থকা স্তৰটোক ষ্ট্ৰেটোস্ফিয়াৰ (Stratosphere) বোলা হয়। বায়ুমণ্ডলত অতি কম পৰিমাণৰ অ'জনহে থাকে আৰু এই ওজোন গেচখিনি ষ্ট্ৰেটোস্ফিয়াৰত বিস্তৃত হৈ থাকে। বায়ুমণ্ডলৰ আটাইখিনি ওজোন $O^0$ ডিগ্ৰী চেলচিয়াচ আৰু ৭৬০ মিঃমিঃ চাপত গোট খুৱালে মাত্ৰ ২/৩ মিঃ মিঃ ডাঠ তৰপ এটাহে হ'ব। ষ্ট্ৰেটোস্ফিয়াৰ সৌৰ বিকিৰণত থকা অতি বেঙুনী ৰশ্মিৰ দ্বাৰা অক্সিজেনৰ পৰা অ'জন তৈয়াৰ কৰা হয়। ভূ-পৃষ্ঠৰ পৰা ২০-২৫ কিঃমিঃ উচ্চতাত অ'জনৰ পৰিমান প্ৰতি নিযুত ভাগত ১০ ভাগ। চিত্ৰ নং ১ ত বায়ুমণ্ডলৰ মুঠ ঘনত্বৰ লগত অ'জন স্তৰৰ তুলনা কৰি দেখুউৱা হৈছে।

ষ্ট্ৰেটোস্ফিয়াৰত অ'জন প্ৰস্তুত কৰা ৰাসায়নিক প্ৰক্ৰিয়াতো চেপমেন (Chapman) নামৰ এজন বিজ্ঞানীয়ে উদ্ঘাটন কৰিছিল। এই প্ৰক্ৰিয়াত প্ৰথমে সৌৰ ৰশ্মিৰ ফটন (Photon)ৰ দ্বাৰা অক্সিজেন অনুৰ সালোক বিয়োজন ঘটি অক্সিজেন পৰমাণু উৎপন্ন হয়।

$O_2+h_2$৪$O+O$ —(১)

OKDISCD

প্ৰায় ৯০ কিঃ মিঃ তলত অক্সিজেন পৰমাণুবোৰেঅক্সিজেন অণুৰ লগত আন এটা অনুৰ (M) সহায়ত যোজিত হৈ ওজোন অনু প্ৰস্তুত কৰে

$O_2 + O + M \rightarrow O_3 + M$ --(২)

ওজোন অণুবোৰৰ আকৌ অতি বেঙুনী ৰশ্মিৰ (তৰংগ দৈৰ্ঘ্য ২৩০০ ৰ পৰা ৩২০০ এংষ্ট্ৰম, ১ এংষ্ট্ৰম=১০$^{-৮}$ চেঃ মিঃ) দ্বাৰা সালোক বিয়োজন ঘটে।

$O_3 + h_2 \rightarrow O_2 + O$ --(৩)

এই প্ৰক্ৰিয়াৰেই ওজোন স্তৰে ষ্ট্ৰেটোস্ফিয়াৰত প্ৰবেশ কৰা সৰহভাগ বিকিৰণ দূৰ কৰে। বিক্ৰিয়া (৩) ত উৎপন্ন হোৱা অক্সিজেন পৰমাণুবোৰ তৎক্ষণাত বিক্ৰিয়া (২) দ্বাৰা পুনৰ ওজোন অনুলৈ ৰূপান্তৰিত হয়।

## অ'জন স্তৰৰ ক্ষয়ীভৱন ঃ

মানৱ সৃষ্ট বিভিন্ন কাৰণৰ বায়ুমণ্ডলৰ অ'জন স্তৰতো ক্ৰমান্বয়ে ক্ষয় প্ৰাপ্ত হৈ আহিছে বুলি সত্তৰৰ দশকৰ পৰাই বিজ্ঞানীসকলে ধাৰণা কৰি আহিছে। ইয়াৰ ফলত পৃথিবীৰ বায়ুমণ্ডল আৰু জীৱজগতৰ ওপৰত সুদুৰ প্ৰসাৰী প্ৰভাৱ পৰিব বুলি আশঙ্কা কৰা হৈছে। কাৰণ বায়ুমণ্ডলত থকা অ'জনৰ স্তৰটোৱে সূৰ্য্যৰ পৰা বিকিৰিত হোৱা অতি বেঙুনী ৰশ্মিৰ এটা সৰহ ভাগ শোষণ কৰি জীৱ জগতক এই অতি মাৰাত্মক ৰশ্মিৰ গৰাহৰ পৰা ৰক্ষা কৰি আছে।

অ'জন স্তৰৰ ক্ষয়ীভৱনৰ কাৰণ সমূহ বিশ্লেষণ কৰিলে আমি আধুনিক বিজ্ঞানৰ অৱদানকে এই ক্ষয়ীভৱনৰ বাবে জগৰীয়া কৰিব লাগিব। বিভিন্ন কাৰণত এই অ'জন স্তৰতো ধ্বংসপ্ৰাপ্ত হৈ আছে। আধুনিক বিজ্ঞানৰ অৱদান ছুপাৰছনিক বা শব্দোত্তৰ গতিৰ বিমান সমূহে এই অ'জন স্তৰৰ ক্ষয়ী ভৱনত যথেষ্ট অৰিহণা যোগাইছে বুলি ঠাৱৰ কৰা হৈছে। এই বিমানবোৰে ষ্ট্ৰেটোস্ফিয়াৰৰ তলৰ অংশইদি চলাচল কৰে আৰু এইবোৰৰ পৰা জলীয় বাষ্প, কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰজেনৰ অক্সাইডসমূহ ছালফাৰৰ অক্সাইডসমূহ আৰু গেচীয় হাইড্ৰ'কাৰ্বন নিগত হয়। এই নিৰ্গত গেচবোৰৰ ভিতৰত নাইট্ৰিক অক্সাইড NO) আৰু নাইট্ৰোজেন-ডাই-অক্সাইড ($NO_2$) গেচে অ'জন ক্ষয় কৰাত প্ৰধান ভূমিকা লয়। এই দুই গেচে তলত দিয়া ৰাসায়নিক বিক্ৰিয়াৰে বায়ুমণ্ডলৰ অ'জন ধ্বংস কৰে।

## অ'জন স্তৰৰ ক্ষয়ীভৱনৰ ফলাফল ঃ—

বায়ুমণ্ডলৰ অ'জন স্তৰৰ অবিহনে পৃথিবীৰ বুকুত প্ৰাণী আৰু উদ্ভিদৰ অস্তিত্বৰ কথা কল্পনা কৰিব নোৱাৰি। অ'জন স্তৰৰ অৱক্ষয়ৰ ফলত পৃথিৱীৰ উপৰিভাগলৈ বৰ্দ্ধিত হাৰত অহা সূৰ্য্যৰ অতি বেঙুনী ৰশ্মিয়ে ইয়াত বসবাস কৰা জীৱজগত আৰু পৃথিৱীৰ বায়ুমণ্ডলৰ ওপৰত অভূতপূৰ্ব প্ৰভাৱ পেলাব পাৰে। আমেৰিকাৰ 'নেচনেল একাডেমি অব্ চায়েন্স'ৰ বিজ্ঞানীসকলে অ'জন স্তৰৰ অৱক্ষয়ৰ ফলত অতি বেঙুনী ৰশ্মিৰ বৰ্দ্ধিত হাৰে ভূ-পৃষ্ঠত পেলাব পৰা প্ৰভাৱৰ বিষয়ে বিস্তৃতভাৱে চৰ্চা কৰিছে। অধিক পৰিমাণৰ অতি বেঙুনী ৰশ্মিৰ প্ৰভাৱত প্ৰাণীৰ চৰ্ম কেন্সাৰ ৰোগ হয়। দেখা গৈছে যে ১% অ'জ'নৰ হ্ৰাসে ২% অতি বেঙুনী ৰশ্মিৰ বৃদ্ধি ঘটায়। ইয়াৰ দ্বাৰা বছৰি প্ৰায় ২০ হাজাৰ চৰ্ম কেন্সাৰ ৰোগী বাঢ়িব। অতিৰিক্ত পৰিমাণৰ অতি বেঙুনী ৰশ্মিয়ে উদ্ভিদৰ সালোক সংশ্লেষণ প্ৰক্ৰিয়াত ব্যাঘাট জন্মায় আৰু তাৰ ফলত উদ্ভিদৰ ক্ষতি হৈ মৃত্যু পৰ্যন্ত ঘটিব পাৰে। এই অধিক পৰিমাণৰ অতি বেঙুনী ৰশ্মিৰ প্ৰভাৱত পৃথিৱীৰ বায়ুমণ্ডলৰ অক্সিজেনৰ ভাৰাসাম্য নষ্ট হোৱাৰ সম্ভাৱনাও আছে।

ষ্ট্ৰেটোস্ফিয়াৰত অ'জন স্তৰতো ক্ষয়ীভূত হোৱাৰ সম্ভাৱনাৰ সম্পৰ্কে সকলো বৈজ্ঞানীক এতিয়ালৈকে একমতত উপনীত হ'ব পৰা নাই। কাৰণ অ'জ'নৰ পৰিমাণৰ হ্ৰাসে ঘটাব পৰা অপকাৰৰ কোনো প্ৰত্যক্ষ প্ৰমাণ পোৱা হোৱা নাই। তাৰোপৰি বায়ুমণ্ডলত যে অ'জ'নৰ পৰিমাণ হ্ৰাস পাইছে তাকো সঠিকভাৱে নিৰূপণ কৰিব পৰা হোৱা নাই। প্ৰকৃততে বায়ুমণ্ডলত অ'জ'নৰ উৎপাদন আৰু ক্ষয়ণৰ প্ৰক্ৰিয়াতো অতি জটিল আৰু সেয়ে মানৱ সৃষ্ট কাৰণত অ'জ'নৰ পৰিমাণ কিমান হ্ৰাস হৈছে তাক নিৰূপণ কৰা অতি কঠিন। এই বিষয়ে বিজ্ঞানীক সকলৰ মাজত অধিক চিন্তা-চৰ্চা হৈ আছে। এই বিষয়ত এটা সঠিক মতামত পাবলৈ হ'লে হয়তো আৰু কিছুদিন বাট চাব লাগিব।

$NO_2 + H_2 \rightarrow NO + O$ --(৪)

$NO_2 + O \rightarrow NO + O_2$ --(৫)

$NO + O_3 \rightarrow NO_2 + O_2$ --(৬)

নাইট্ৰিক অক্সাইড আৰু নাইট্ৰ'জেন -ডাই-অক্সাইডৰ উপৰিও জলীয় বাষ্পই অ'জ'ন ধ্বংস কৰিব পাৰে। ১৯৭১ চনত এৰিজোনা বিশ্ববিদ্যালয়ৰ 'Institute of Atmosphere Physics'ৰ বিজ্ঞানী জেমচ্ মেক্‌ডোনাল্ডে চুপাৰছনিক গতিৰ বিমানৰ পৰা নিৰ্গত হোৱা জলীয় বাষ্পই অ'জ'ন স্তৰ ধ্বংস কৰাৰ সম্পৰ্কে সতৰ্ক কৰি দিছিল। তেওঁৰ হিচাপ মতে ১% অ'জ'ন ধ্বংসৰ ফলত বছৰি আমেৰিকাত ৮ হেজাৰ লোকৰ চৰ্ম কেন্সাৰ ৰোগ হয়। জলীয় বাষ্পই তলত দিয়া প্ৰক্ৰিয়াৰ বায়ুমণ্ডলৰ অ'জ'ন ধ্বংস কৰে।

জলীয় বাষ্পৰ অনুবোৰ ($H_2O$) অতি বেঙুনী ৰশ্মি বা অক্সিজেনৰ উত্তেজিত পৰমাণুৰ দ্বাৰা বিয়োজিত হৈ সক্ৰিয় হাইড্ৰ'ক্সিল (OH) মূলকৰ উৎপন্ন হয়।

$H_2O + H_2 \rightarrow OH + H$ --(৭)

$H_2O + O \rightarrow 2\,OH$ --(৮)

বিক্ৰিয়া (৭) ত উৎপন্ন হাইড্ৰ'জেন পৰমাণুৱে অ'জ'ন অণুৰ বিয়োজন ঘটায় নাইবা ই অক্সিজেন অনুৰ লগত মিলিত হৈ হাইড্ৰ'পেৰক্সিল মূলক ($HO_2$) উৎপন্ন কৰে।

$O_3 + H \rightarrow OH + O_2$ --(৯)

$O_2 + H + M \rightarrow HO_2 + M$ --(১০)

এই OH আৰু HO2 মূলক দুটায়ো ধ্বংস কৰে।

$O_3 + OH \rightarrow HO_2 + O_2$ --(১১)

$O_3 + HO2 \rightarrow OH + 2O_2$ --(১২)

১৯৭৪ চনত 'লৰেঞ্চ লিভাৰমোৰ লেবৰেটৰি'ৰ বিজ্ঞানীসকলে এটা পৰীক্ষা কৰি সিদ্ধান্ত কৰে যে প্ৰতিদিনে ৭/৮ ঘণ্টাকৈ উৰা প্ৰায় ৫০০ বৃহৎ শব্দোত্তৰ গতিৰ বিমানৰ পৰা ওলোৱা গেচে ১৯৯০ চনৰ ভিতৰত প্ৰায় ১১% অ'জ'ন হ্ৰাস কৰিব।

বৰ্তমান যুগত বায়ুমণ্ডলত মুক্তভাৱে ঘটোৱা পাৰমাণৱিক বিস্ফোৰণৰ ফলত নিৰ্গত হোৱা তেজস্ক্ৰিয় ৰশ্মিবোৰে বায়ুমণ্ডল দুষিত কৰিছে। এই পাৰমাণৱিক বিস্ফোৰণৰ ফলত যথেষ্ট পৰিমাণৰ নাইট্ৰজেন অক্সাইড উৎপন্ন হয়। এই অক্সাইডসমূহ বায়ুমণ্ডলত ওপৰ ভাগলৈ গৈ অ'জ'ন গেচ ধ্বংস কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে।

অ'জ'ন গেচ ক্ষয় হোৱা অন্য এটা তত্ত্ব আগবঢ়াইছে কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ এফ, এছ, ৰাওলেণ্ড আৰু এম, জে, মলিনা নামৰ দুজন বিজ্ঞানীয়ে। এওঁলোকৰ মতে ক্লোৰোফ্লুওৰো কাৰ্বন নামৰ এবিধ পদাৰ্থই অজ'ন ধ্বংস হোৱা প্ৰক্ৰিয়াত সহায় কৰে। এই শ্ৰেণীৰ যৌগ সমহৰ ভিতৰত প্ৰধান দুটা হ'ল ট্ৰাইক্লোৰোফ্লুওৰো মিথেন ($CF_2CL_2$) বা ফ্ৰিঅন-১২। এই যৌগবোৰ নিস্ক্ৰিয় আৰু ইহঁত বায়ুমণ্ডলত ৪০ ৰ পৰা ১৫০ বছৰলৈ মুক্ত অৱস্থাত থাকিব পাৰে। এই যৌগবোৰ সাধাৰণতে এৰোছল (Aerosol) ভৰোৱা স্প্ৰেয়াৰ যন্ত্ৰত ব্যৱহাৰ কৰা হয়। ফ্ৰিঅন গেচ ৰিফ্ৰিজাৰেটৰতো ব্যৱহাৰ কৰা হয়। এই ফ্ৰিঅন গেচ বায়ুমণ্ডলৰ ওপৰ অংশলৈ উৰি গৈ সূৰ্য্যৰ ৰশ্মিৰ প্ৰভাৱত বিয়োজিত হৈ সক্ৰিয় ক্ল'ৰিন (Cl) মুক্ত কৰে। সেই সক্ৰিয় ক্ল'ৰিণেই অ'জ'নৰ বিয়োজন ঘটায়। এই তত্ত্বমতে এই প্ৰক্ৰিয়াটো চলি থাকিল ২০০০ চনৰ ভিতৰত ষ্ট্ৰেটোস্ফিয়াৰৰ ২০% অ'জ'ন হ্ৰাস পাব।

১৯৭৫ চনৰ জুন মাহত মাৰ্কিন ফেডাৰেল টাস্ক ফোৰ্চে এটা পাচমহীয়া অধ্যয়নৰ অন্তত এৰোছল স্প্ৰেয়াৰ যন্ত্ৰবোৰৰ প্ৰচলন বন্ধ কৰাৰ প্ৰতি অনুমোদন জনাইছিল। ১৯৭৯ চনৰ পৰা আমেৰিকাত ক্লোৰোফ্লুওৰো কাৰ্বনৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

OKDISCD

# মোৰে মলুৱাক কোনে মাৰিলে

## ৰাজীৱ কুমাৰ ফুকন

মানৰ সমাজৰ বিৱৰ্তনৰ লগতে সামাজিক প্ৰমূল্যৰো সলনি হয়। সমাজে এক সমাজ-ব্যৱস্থাৰ পৰা অন্য এক সমাজ ব্যৱস্থালৈ পৰিবৰ্তন কৰাৰ লগে লগেই পূৰ্বৰ বহুতো ৰীতি-নীতি তথা জনকৃষ্টি, জনসংস্কৃতিৰ নিদাৰুণ ভাবে মৃত্যু ঘটে। ৰজা/ প্ৰভু আদি শোষকবৰ্গৰ মনোৰঞ্জনৰ বাবেই হওক বা বিমল প্ৰাকৃতিক সৌন্দৰ্য আৰু সামাজিক পৰিৱেশত স্বতঃস্ফূৰ্তভাৱে জন্মলোৱা অথবা জীৱিকাৰ উৎসৰ প্ৰতি সন্মান প্ৰদৰ্শন আৰু আনন্দ প্ৰকাশৰ বাবে সৃষ্টি হোৱা বিভিন্ন লোককৃষ্টিসমূহৰ স্ৰষ্টা হ'ল সাধাৰণ শ্ৰমজীৱি মানুহ। নিজ নিজ জীৱিকাৰ প্ৰতি যেনেদৰে জনসাধাৰণৰ এক ঐকান্তিক স্পৃহা আৰু সন্মান আছে সেই সেই জীৱিকাৰ আধাৰত গঢ় লোৱা কৃষ্টি-সংস্কৃতিৰ প্ৰতি তেওঁলোকৰ আছে তেনে এক সন্মান আৰু আবেগিক তান। কাজেই এই লোককৃষ্টিৰ মৃত্যুৰ গহ্বৰলৈ পতিত হোৱাৰ লগে লগে ইয়াৰ সৈতে আবেগিকভাৱে জড়িত লোক সকলৰো মনৰ গৰা খহে। সামন্তবাদৰ পৰা পুঁজিবাদলৈ সমাজ অগ্ৰসৰ হোৱাৰ লগে লগে তেনেদৰেই বহুতো জনকৃষ্টিৰ অৱলোপন ঘটিল বা ক্ৰমে মৃত্যুমুখলৈ পতিত হ'ল। তেনে এক কৃষ্টি হ'ল বৰপেটাৰ নাওখেল। এই নাওখেলৰ ক্ৰমে অৱলুপ্তি, ইয়াৰ পৃষ্ঠপোষকতাৰ অভাৱ, উৎকট অৰ্থনৈতিক সংকটত জীৱিকাৰ সমল বিচাৰি হাবুডুবু খোৱা নতুন পুৰুষৰ এই কৃষ্টি-সংস্কৃতিৰ প্ৰতি আস্থাহীনতা আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত করুণভাৱে, অসহায়ভাৱে বাস্তৱৰ ওচৰত নতিস্বীকাৰ কৰিব লগা হোৱা এজন অৰ্থনৈতিকভাৱে নিঃকিন আৰু পৰম্পৰাগত সংস্কৃতিৰ ঐশ্বৰ্য্যশালী বাহকৰ করুণতম অসহায়তাৰ প্ৰকাশৰে বৰপেটাৰ লিয়াকত আলীয়ে ৰচনা কৰি ২৯/৩০ নৱেম্বৰ '৮৮ ত ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ কৰিলে "মোৰে মলুৱাক কোনে মাৰিলে" নামৰ পূৰ্ণাংগ নাটকখনি। পৰিচালনা লিয়াকত আলী আৰু চিন্ময় দাসৰ- পৰিবেশনাত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত বৰপেটাৰ সাংস্কৃতিক বিকাশ কেন্দ্ৰ।

পোন্ধৰ আগষ্টত পৰম্পৰাগতভাৱে চলি অহা নাওখেল প্ৰতিযোগিতাৰ বাবে মহাজনে মিঠাৰামৰ জৰিয়তে প্ৰস্তুতি চলাইছে। নাওখেলৰ নামত গোটেই বছৰটো উৎসুকতাৰে ৰৈ থকা মিঠাৰামে এইবাৰ বচা বচা লোক গোটাইছে নাওখেল প্ৰতিযোগিতাত মহাজনৰ নাও জিকোৱাৰ দৃঢ়তা লৈ। নাওখেলত জিকামানে মহাজনৰ সন্মান আৰু প্ৰতিপত্তিত নতুন গৰ্ব আৰু সন্মানৰ এক ৰহন চৰোৱা। সেয়ে মহাজনে প্ৰতিপত্তি আৰু যশস্যাৰ মোহত নাওখেল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে উদ্‌গ্ৰীৱ হৈছে। মিঠাৰামৰ মনত আছে খেলুৱৈসুলভ স্পৃহা আৰু নাওখেলৰ প্ৰতি গভীৰ অনুৰাগ। নাওখেল নহ'লে যেন, নাওখেলত অংশগ্ৰহণ কৰিব নোৱাৰিলে যেন মিঠাৰামৰ বছৰটোৱেই মলণ্ডি যাব। কিন্তু মহাজনৰ পুতেকৰ এই নাওখেলৰ প্ৰতি উৎসাহ নাই। পুঁজিবাদী সমাজ ব্যৱস্থাত উৎপাদন লাভৰ আধুনিক কৌশল আৰু মাধ্যম যে বৰ্তমান অপৰিহাৰ্য্য তেওঁলোকে বুজি পায়। সেয়ে অপৰ্যাপ্ত মাটি-বাৰী পৰিচালনাৰ অসুবিধালৈ লক্ষ্য কৰি তেওঁলোকে মূলধন খটুৱাব বিচাৰে আধুনিক যান্ত্ৰিক শিল্প মাধ্যমত। সামন্তীয় শোষণৰ পথৰ পৰা তেওঁলোকে পুঁজিবাদী পৰোক্ষ শোষণৰ পথলৈ যুগসাপেক্ষে গতি কৰিব খোজে। সেয়ে ব্যৱসায়ৰ দ্বাৰা লাভবান হ'বলৈ এখন গাড়ী কিনিবৰ বাবে যো-জা কৰা মহাজনৰ পুতেকে নাওখেলত টকা অপব্যয় কৰাটো বাঞ্ছা নকৰে।

অন্তৰৰ পৰা সামন্তীয় মোহ আঁতৰা নাই যদিও মহাজনে পুতেকৰ এই সিদ্ধান্ত নিৰ্বাকভাৱে মানি লৈছে। কাৰণ তেওঁৰো এইকথা স্পষ্টভাৱে বুজি পাইছে যে বৰ্তমান যুগত তেওঁ সেই সামন্তীয় প্ৰভুত্ব আৰু উৎপাদন নীতি বেছি দিনলৈ বৰ্ত্তি থাকিব নোৱাৰিব। মূলধন নিয়োগৰ দ্বাৰা পুঁজি আহৰণ কৰিবৰ বাবে নতুন কৌশল আৰু মাধ্যমৰ প্ৰয়োজন হ'ব।

মহাজনৰ এই সামন্তীয় আবেগতকৈ মিঠাৰামৰ নাওখেলৰ প্ৰতি থকা নিবিড় সান্নিধ্য আৰু পৃষ্ঠপোষক হেৰাই যোৱাত হঠাৎ হোৱা স্বপ্নভংগৰ কাৰুণ্য অধিক মৰ্মন্তুদ। নাট্যকাৰে এই দিশটোতহে গুৰুত্ব আৰোপ কৰিছে আৰু নাটকখনৰ সামগ্ৰীক পৰিবেশনেও তাক সুন্দৰভাৱেই উপস্থাপন কৰিছে। মিঠাৰামৰ এই কাৰুণ্য আৰু অসহায়বোধেই নাটকখনৰ মূলসূৰ। মহাজনতকৈ মিঠাৰামে হেৰুৱালে অধিক। মিঠাৰামৰ অৰ্থনৈতিক অৱস্থাটোৱে এই অসহায় অৱস্থাক আৰু করুণতম কৰি পেলাইছে। মিঠাৰামৰ দৰে ছিন্নমূল মানুহখিনিৰ জীৱন আৰু জীৱিকাৰ তাড়ণাৰ একো একোটা সৰু সুৰা কামকে এওঁলোকে খামুচি ধৰিছে। পুঁজিবাদী শাসনব্যৱস্থাত নতুনকৈ সৃষ্টি হোৱা মধ্যবিত্তীয় মহাজনসকলে এওঁলোকক খেয়ালখুচীমতেই চাকৰীৰ পৰা খেদি দিব পাৰে। কাৰোবাৰ গাড়ীত হেন্দিমেন, ড্ৰাইভাৰ আদি কামকৰা লোকসকল মালিকপক্ষৰ মৰ্জিত বৰ্তি থাকিব লগা হয়। মিঠাৰামৰ পুতেকে গাড়ীত কাম কৰি যেনেতেনে দুবেলা দুসাজ খাই থাকিলেও চাকৰীৰ পৰা খেদাখোৱাৰ আশংকা মনৰ পৰা আঁতৰা নাই। সেয়ে নাওখেলি মহাজনৰ নাম কৰাতকৈ সেইদিনা কুঁহিয়াৰ বেছি বাপেকে দুপইচা অৰ্জাটোহে সি বিচাৰে।

মূল কাহিনীত ভেজাদি নাটকখনত আৰু এটা দিশ উন্মোচন কৰা হৈছে। সামন্তীয় সমজা ব্যৱস্থাত প্ৰচলিত জাত-পাত আৰু বৰ্ণবৈষম্যৰ ব্যৱস্থা। ইয়াৰ লগত যুক্ত হৈছে শেৱালী আৰু নৃপেনৰ প্ৰেম। নাটকখনিত আটাইখিনি অভিনেতা-অভিনেত্ৰীয়ে যথেষ্ট পৰিমাৰ্জিভাৱে চৰিত্ৰ ৰূপায়নত গুৰুত্ব আৰোপ কৰিছিল। শেৱালীৰ চৰিত্ৰৰ অৱশ্যেই মাজে মাজে জঠৰতা আৰু ব্যৰ্থতা পৰিলক্ষিত হৈছিল। তেনেদৰে আটাইতকৈ অভিনয়ৰ ক্ষেত্ৰত দুৰ্বল চৰিত্ৰটো হ'ল নৃপেনৰ চৰিত্ৰটো। চৰিত্ৰ আৰু নাটকৰ মূল উদেশ্যৰ মাজলৈ সোমাব নোৱাৰিলে কোনো অভিনেতাই যন্ত্ৰবৎ অভিনয় কৰি চৰিত্ৰ চিত্ৰণৰ পৰিপক্কতা দাবী কৰিব নোৱাৰে। নাটকখনৰ সুন্দৰ কবিতাসুলভ আৰম্ভণী হৈছে নাওবাই যোৱা দৃশ্যৰে। এদল মানুহে মহাজনক আগতলৈ নাওবাই গৈ আছে। মিঠাৰামে নাওৰ গুৰী ধৰিছে। গোটেই নাটকখনৰেই গুৰীয়াল হ'ল মিঠাৰাম। মহাজনৰ সামন্তীয় গাম্ভীৰ্যতা আৰু মানসিক দ্বন্দ্ব সুন্দৰভাৱে প্ৰকাশ পালেও পুতেকৰ ওচৰত নিজৰ পৰাজয়ৰ হতাশা আৰু মিঠাৰামহঁতৰ আগত কথা পতাৰ সাহস হেৰুৱাই পলায়নবাদী মনোভাৱৰ প্ৰকাশ আৰু অধিক ৰূপত ফুটাই তোলাৰ অৱকাশ অভিনেতাগৰাকীৰ আছিল। এই ক্ষেত্ৰত মিঠাৰামৰ চৰিত্ৰৰ সাৰ্থকতা লক্ষণীয় শেষ মুহূৰ্তত অসহায়তা আৰু ক্ষোভত জীৱনৰ লগৰী বঠাপাত জুই ধৰিবৰ বাবে খৰি হিচাপে কাটিবলৈ মিঠাৰামে দাখন দাঙি লৈছে। কিন্তু এই বঠাপাত পুৰি মিঠাৰামে কি কৰিব ? নাওখেলৰ মৃত্যুৰ বাবে দায়ী কোন ? মিঠাৰামৰ পুতেক নে মহাজন নে মহাজনৰ পুতেক ? প্ৰত্যেকেইতো নিজৰ অৰ্থনৈতিক স্থিতিৰ বাবে সন্দিহান আৰু ব্যস্ত। এই প্ৰশ্নৰ বিচাৰৰ ভাৰ দৰ্শকৰ মাজলৈ নাট্যকাৰে এৰি দিছে। দৰ্শকেই প্ৰকৃত বিচাৰক।

নাটকখনৰ আৰম্ভণী আৰু যৱনিকা সুন্দৰ। অৱশ্যে প্ৰথম দৃশ্য আমনিদায়কভাৱে দীঘল হৈছে। নাট্যকাৰ, পৰিচালক আৰু সমূহ শিল্পী এই ঐকান্তিক প্ৰচেষ্টাৰ বাবে ধন্যাবাদৰ পাত্ৰ। ●



ছবি - দীপেন তালুকদাৰ

*নৃপেন পাটোৱাৰী অঞ্জুলা দাস আৰু নিৰ্মল দাসক নাটকৰ এটি বিশেষ মুহূৰ্তত দেখা গৈছে।*



OKDISCD



# আব্দুল মজিদৰ নতুন ছবি "আজান ফকিৰ"

পৰিচালক তথা অভিনেতা হিচাপে সুখ্যাতি লাভ কৰা শ্ৰীআব্দুল মজিদে এইবাৰ আজান ফকিৰৰ জীৱন চৰিত লৈ ছবি নিৰ্মাণ কৰিছে। ছবিৰ প্ৰযোজনা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ। সঞ্চালকালয়ে আকৌ ছবি নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰিছিল যশস্বী কথাশিল্পী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চৈয়দ আব্দুল মালিক চাহাবক।

চৈয়দ আব্দুল মালিক অনাতাঁৰ নাটক "আজান ফকিৰ" আজিৰপৰা বহুবছৰ পূৰ্বে ডিব্ৰুগড় আৰু গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত হৈছিল। এইখনৰে আলমতে শ্ৰীমজিদে চলচিত্ৰ প্ৰয়োজন অনুসৰি লিখি উলিয়াইছে। জিকিৰ, জাৰী, বৰগীত, বনগীত, লোকগীত আদি ছবিৰ বাবে প্ৰয়োজনীয় সকলোবোৰ গীতৰ আভাস মালিক চাহাবে অনাতাঁৰ নাটখনতে দিছিল আৰু তাৰেই সূত্ৰ ধৰি পিছলৈ শ্ৰীমজিদে কিছু সংযোগ কৰিছে।

ছবিৰ সংগীত সম্বন্ধে আমি সোধাত শ্ৰীমজিদে আমাক জনালে যে, সংগীত পৰিচালনাৰ দায়িত্ব বহন কৰিছে তৰুণ শৰ্মাই। জিকিৰ আৰু জাৰী গীতত কণ্ঠদান কৰিছে প্ৰখ্যাত গায়ক ৰেকিবুদ্দিন আহমেদে। ৰেকিবুদ্দিনৰ সহযোগী হিচাপে আছে হাফেজা বেগম চৌধুৰী আৰু গীতিমা দাস।

ছবিৰ চৰিত্ৰসমূহ হৈছে- আজান ফকিৰ, নবী চাহাব, কেইজনমান সাধক, ৰাজবিষয়া ৰূপাই দা ধৰা, ফটোলা ইত্যাদি। ডেকা আজান ফকিৰৰ চৰিত্ৰ ৰূপদান কৰিছে নেচিমুল মজিদে আৰু পাছৰ আজান ফকিৰ চৰিত্ৰৰ ৰূপদান কৰিছে আব্দুল মজিদে নিজে। নবী চাহাবৰ চৰিত্ৰ ৰূপায়িত কৰিছে এসময়ৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ শিল্পী 'তগৰ' বুলি খ্যাত মুহিবুদ্দিন আহমেদে। ইয়াবোপৰি ৰূপাই দা ধৰাৰ চৰিত্ৰত অতুল গগৈ, ফটোলাৰ চৰিত্ৰত ৰবীন নেওগ আদিয়ে অভিনয় কৰিছে।

ছবিখনৰ আন এটা মনকৰিবলগীয়া দিশ হ'ল- ছবিখনত কোনো নাৰী চৰিত্ৰ নাই।

ছবিৰ দৃশ্য গ্ৰহণ প্ৰথমতে হৈছিল আজান চাহেবৰ দৰগাহ সৰাগুৰি চাপৰিতা ইয়াতেই ছবিৰ শুভ মহুৰৎ হৈ যায়। তাৰ পিছত দিখৌমুখ, গড়গাওঁ, চুণপুড়া ঘাটৰ দৃশ্য গ্ৰহণ কৰা হয়। তদুপৰি কেইবাটাও বহিঃদৃশ্য আৰু অন্তঃদৃশ্যৰ গ্ৰহণ কৰিছে মালিকৰ নিজা গাওঁ নাহৰণি, গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ বুকুত, পোৰামক্কাৰ গিয়াচউদ্দিন আওলিয়াৰ দৰগাহত। কথিত আছে যে আজান চাহেব আহি বহুদিন পোৰামক্কাত আছিলহি।



সমগ্ৰ দৃশ্য গ্ৰহণৰ কাম মুঠতে পোন্ধৰ দিনমানৰ ভিতৰত সমাপ্ত হৈছে। ছবিখনৰ মুক্তিৰ বিষয়ে সোধাত তেখেতে ক'লে যে ছবিৰ কাম সমাপ্ত হৈছে আৰু ই বৰ্তমান সম্পাদনাৰ মেজত। সম্পাদনা শেষ কৰি চেঞ্চৰ কৰাই ৰাজ্যিক সাংস্কৃতিক সঞ্চালকালয়ৰ হাতত চমজাই দিব লাগিব। সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত ছবিখন বিভিন্ন চলচ্চিত্ৰ গৃহত প্ৰদৰ্শিত হ'লে অসমৰ সকলো ৰাইজে ছবিখন উপভোগ কৰিবলৈ সমৰ্থ হ'ব। তদুপৰি ছবিখনৰ এটা "চাব টাইটেল" প্ৰিণ্ট কৰি দিল্লী দূৰদৰ্শনৰ দ্বাৰা 'টেলিকাষ্ট' কৰিব পাৰিলে ভাৰতবৰ্ষৰ সকলো ৰাইজে ইয়াক উপভোগ কৰিব পাৰিব বুলি ভবা হৈছে।

ছবিখন ইষ্টমেন কালাৰত গ্ৰহণ কৰা হৈছে। নতুন ছবি কৰাৰ কথা ভাবিছে নেকি সোধাত শ্ৰীমজিদে মিচিকীয়া হাঁহিৰে লাহেকৈ উত্তৰ দিলে- "সময়ত জনাম বাৰু।"

ৰেজিনা বেগম